UG EC S2 01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি.বি.চি.এচ; এন.ই.পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

অর্থবিজ্ঞানৰ তত্ত্বৰ পৰিচয়-২

অর্থবিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয়-বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নিচাৰ আহমেদ বৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ, কটন মহাবিদ্যালয়, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ড° ভাস্কৰ শর্মা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ১১	**স্বৰূপ জ্যোতি শর্মা,** দক্ষিণ কামৰূপ কলেজ, মির্জা	**স্বৰূপ জ্যোতি শর্মা** (অধ্যায় ১, ৮, ১১)
২	**ড° স্বাৰেৰা ইছলাম,** কে. চি. দাস কমার্চ কলেজ (অৱ)	**গিৰীন্দ্র শইকীয়া** (২ - ৬), দৈনিক গণ অধিকাৰ
৩	**ড° স্বাৰেৰা ইছলাম**	**ইভা ৰাণী মজুমদাৰ** (৭, ১০, ১২)
	ড° ভাস্কৰ শর্মা, কৃ. কা. স. ৰা. মু. বি.	জে.পি.এ জুনিয়ৰ কলেজ, মির্জা
৪, ১০, ১৩, ১৪	**ড° ভাস্কৰ শর্মা**	**ড° বিদিশা মহন্ত হাজৰিকা** (৯)
৫, ৬	**ড° গৌতম মজুমদাৰ,** কটন বিশ্ববিদ্যালয়, গুৱাহাটী	**মেঘনা চৌধুৰী** (১৩), গণসংযোগ, অসম
৭, ৮	**ড° পৰাগ দত্ত,** কৃ. কা. স. ৰা. মু. বি.	**ড° ভাস্কৰ শর্মা** (১৪)
৯, ১৫	**ড° বিদিশা মহন্ত হাজৰিকা,** ডুমডুমা কলেজ	**ভূপালী মৰাণ** (১৫)
১২	**ড° জিতু তামুলী,** ত্যাগবীৰ হেমবৰুৱা কলেজ, জামুগুৰিহাট	ডুমডুমা কলেজ

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ **ড° গৌতম মজুমদাৰ,** অর্থনীতি বিজ্ঞান, কটন বিশ্ববিদ্যালয়, গুৱাহাটী
ভাষা সম্পাদনা (মূল ইংৰাজী) ঃ **ড° দেৱজিত দাস,** দক্ষিণ কামৰূপ কলেজ, মির্জা
ঃ **শ্রী হিমাংশু ৰঞ্জন বর্মন,** দক্ষিণ কামৰূপ কলেজ, মির্জা
(অসমীয়া) ঃ **ড° লোহিত ৰাভা,** ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়
গাঁথনিক সম্পাদনা ঃ **ভাস্কৰ শর্মা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মার্চ - ২০১৭, পুনঃ মুদ্রণ ঃ জানুৱাৰী - ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যলয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭;

মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২; **Web : www.kkhsou.ac.in**

বিষয়সূচী

পৃষ্ঠা নম্বৰ

অধ্যায় ১ ঃ বিতৰণৰ তত্ত্ব ৫-১৪

ব্যক্তিগত বিতৰণ; কার্যভিত্তিক বিতৰণ; উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ ধাৰণা ঃ প্ৰান্তিক ভৌতিক উৎপাদন; প্ৰান্তিক আয় উৎপাদন, প্ৰান্তিক উৎপাদকৰ মূল্য, গড় উপাদান ব্যয়, প্ৰান্তিক উপাদান ব্যয়

অধ্যায় ২ ঃ মজুৰি ১৫-৩০

মজুৰিৰ প্ৰাথমিক ধাৰণা ঃ মজুৰিৰ অর্থ, নামমাত্ৰ মজুৰি বনাম প্ৰকৃত মজুৰি; উৎপাদকৰ দৰ নির্দ্ধাৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব; মজুৰি আৰু যৌথ দৰদাম

অধ্যায় ৩ ঃ খাজনা ৩১-৪৫

খাজনাৰ প্ৰাথমিক ধাৰণা; খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব; উপভোক্তাৰ ৰাহি সন্দর্ভত মার্ছালৰ ধাৰণা; আধা খাজনা;

অধ্যায় ৪ ঃ লাভ ৪৬-৫৭

লাভৰ প্ৰাথমিক ধাৰণা ঃ লাভৰ অর্থ, মুঠ লাভ, প্ৰকৃত লাভ, মুঠ লাভ আৰু প্ৰকৃত লাভৰ মাজৰ পার্থক্য, লাভৰ প্ৰকৃতি; লাভৰ তত্ত্ব ঃ লাভৰ উদ্ভাৱন তত্ত্ব, লাভৰ অনিশ্চয়তা বহন তত্ত্ব

অধ্যায় ৫ ঃ উৎপাদন আৰু নিয়োগ ঃ সংস্থাপিক তত্ত্ব ৫৮-৬৯

মৌলিক ভেঁটি আৰু অভিধাৰণা; নিয়োগৰ সংস্থাপিক তত্ত্ব; সংস্থাপিক তত্ত্বক কেইন্সৰ সমালোচনা

অধ্যায় ৬ ঃ কেইন্সৰ নিয়োগ তত্ত্ব ৭০-৮৪

সর্বমুঠ চাহিদা আৰু সর্বমুঠ যোগান ফলন; কেইন্সৰ তত্ত্বৰ মৌলিক গাঁথনি; সক্ৰিয় চাহিদাৰ নীতি; আয়ৰ ভাৰসাম্য স্তৰ নির্দ্ধাৰণ; সর্বমুঠ ব্যয় সর্বমুঠ উৎপাদন সমতা

অধ্যায় ৭ ঃ সুতৰ হাৰ নির্দ্ধাৰণ ঃ কেইন্সৰ বিশ্লেষণ ৮৫-৯৩

মুদ্ৰাৰ চাহিদা ঃ মুদ্ৰাৰ লেনদেনৰ চাহিদা, মুদ্ৰাৰ সতর্কতামূলক চাহিদা, মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা; বুল আৰু বিয়ৈৰ; সুতৰ হাৰ নির্দ্ধাৰণৰ তাৰল্যপ্ৰীতি তত্ত্ব

অধ্যায় ৮ ঃ কেইন্সৰ উপভোগ ফলন ৯৪-১০৪

আয় ভোগ সম্পর্ক; ভোগৰ মনস্তাত্ত্বিক তত্ত্ব; ভোগৰ গড় প্ৰৱণতা (APC) আৰু প্ৰান্তিক প্ৰৱণতা (MPC); ভোগৰ গড় প্ৰৱণতা আৰু প্ৰান্তিক প্ৰৱণতাৰ তাৎপর্য্য; APC আৰু MPC ৰ সম্পর্ক; ভোগ ব্যয়ক প্ৰভাৱিত কৰা কাৰক ঃ ভোগ ফলনক প্ৰভাৱিত কৰা বিষয়নিষ্ঠ উপাদান, ভোগ ফলনক প্ৰভাৱিত কৰা বস্তুনিষ্ঠ উপাদান

অধ্যায় ৯ ঃ গুণকৰ ধাৰণা আৰু বিনিয়োগ গুণকৰ নির্ণয় ১০৫-১২০

গুণকৰ ধাৰণা; বিনিয়োগ গুণকৰ বীজগণিতীয় নির্ণয়; গুণকৰ কার্য্য প্ৰক্ৰিয়া; গুণকৰ অভিধাৰণাসমূহ; গুণকৰ নির্গমন; গুণকৰ সমালোচনা আৰু ইয়াৰ গুৰুত্ব; উন্নয়ণশীল দেশৰ গুণকৰ প্ৰাসঙ্গিকতা

অধ্যায় ১০ ঃ বিনিয়োগ ফলন আৰু মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা **১২১-১৩০**

বিনিয়োগ ঃ প্ৰাথমিক ধাৰণা ঃ বিনিয়োগৰ অৰ্থ, মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগ, স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগ; বিনিয়োগ ফলনক প্ৰভাৱিত কৰা কাৰকসমূহ ঃ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা (MEC), সুতৰ হাৰ, বিনিয়োগৰ প্ৰাথমিক কৰ্মদক্ষতা; সুতৰ হাৰ, MEC আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পৰ্ক

অধ্যায় ১১ ঃ IS-LM আৰ্হি **১৩১-১৪৪**

IS ৰেখা ঃ অৰ্থ, IS ৰেখাৰ প্ৰাপ্তি, IS ৰেখাৰ ঢাল, IS ৰেখাৰ বিচ্যুতি; LM ৰেখা ঃ অৰ্থ, LM ৰেখাৰ প্ৰাপ্তি, LM ৰেখাৰ ঢাল, LM ৰেখাৰ বিচ্যুতি; IS-LM ৰেখাৰ ছেদন

অধ্যায় ১২ ঃ ত্বৰণ নীতি **১৪৫-১৫৪**

ত্বৰণ নীতিৰ ধাৰণা; ত্বৰণ নীতি; ত্বৰণৰ কাৰ্যকৰণ; ত্বৰণ নীতিৰ অভিধাৰণা আৰু সীমাবদ্ধতা

অধ্যায় ১৩ ঃ ব্যৱসায় চক্ৰ **১৫৫-১৬৯**

ব্যৱসায় চক্ৰ ঃ অৰ্থ আৰু সংজ্ঞা, ব্যৱসায় চক্ৰৰ বৈশিষ্ট্যসমূহ, ব্যৱসায় চক্ৰৰ বিভিন্ন পৰ্যায়সমূহ, পৰ্যায়সমূহৰ গুৰুত্ব; ব্যৱসায় চক্ৰ সৃষ্টিৰ কাৰণসমূহ; ব্যৱসায় চক্ৰ প্ৰতিৰোধৰ উপায়

অধ্যায় ১৪ ব্যৱসায় চক্ৰৰ তত্ত্ব **১৭০-১৮১**

গুণক-ত্বৰণ সংযোগ ঃ ছেমুৱেল চনৰ ব্যৱসায় চক্ৰৰ তত্ত্ব; হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্ব

অধ্যায় ১৫ ঃ কল্যাণ অৰ্থনীতি **১৮২-১৯৪**

কল্যাণ আৰু কল্যাণ অৰ্থনীতি; ব্যক্তিগত কল্যাণ আৰু সামাজিক কল্যাণ; কল্যাণ অৰ্থনীতিত মূল্য বিচাৰৰ ভূমিকা; পিগুৰ উপযোগিতা বিশ্লেষণৰ ধাৰণা; পেৰেটৰ কল্যাণ অৰ্থনীতি ঃ কাম্যতাৰ নীতি ঃ উপভোক্তাসকলৰ মাজত উৎপাদনৰ কাম্যতম বিতৰণ বা বিতৰণ দক্ষতা, উৎপাদনৰ কাৰ্যকাৰিতা বা উৎপাদানকাৰীৰ মাজত উপাদানসমূহৰ বিতৰণ, দ্ৰব্য সামগ্ৰীৰ মাজত উপাদানসমূহৰ কাম্যতম বিতৰণ

প্ৰসঙ্গ পুথি (পাঠ্যবিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য) **১৯৫-১৯৬**

পাঠ্যবিষয়ৰ পৰিচয়

স্নাতক কলা শাখাৰ অর্থবিজ্ঞান পাঠ্যক্রমৰ দ্বিতীয় পাঠ্যবিষয় হৈছে 'অর্থবিজ্ঞান তত্ত্বৰ পৰিচয় -২। ইয়াত ১৫ টা অধ্যায় অন্তর্ভুক্ত হৈছে ।

প্রথম অধ্যায়টিত বিতৰণৰ তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। উৎপাদন কার্য্যত দিয়া অৱদানৰ বাবে উৎপাদনৰ উপাদানবোৰে বিভিন্ন ধৰণৰ আয়, যেনে মজুৰি, খাজনা, সুত আৰু লাভ অর্জন কৰে যাক কার্যভিত্তিক বিতৰণ বুলি কোৱা হয়। এই অধ্যায়টিত কার্যভিত্তিক বিতৰণৰ উপৰিও, উপাদানৰ উৎপাদনশীলতা, উৎপাদন ব্যয়, প্রান্তিক ভৌতিক উৎপাদন, প্রান্তিক আয় উৎপাদন, প্রান্তিক উৎপাদনৰ মূল্য, গড় উৎপাদন ব্যয়, প্রান্তিক উৎপাদন ব্যয়ৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায়টিৰ আলোচ্য বিষয় হ'ল মজুৰি। ইয়াত উৎপাদকৰ দৰ নির্দ্ধাৰণৰ প্রান্তিক উৎপাদনশীলতা তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। যৌথ দৰদামৰ ধাৰণা আৰু মজুৰি নির্দ্ধাৰণত ইয়াৰ প্রভাৱ সম্বন্ধে বর্ণনা আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায়টিয়ে খাজনাৰ বিষয়ে আপোনালোকক পৰিচয় কৰাই দিয়া হ'ব। চতুর্থ অধ্যায়ত লাভৰ বিষয়ে আলোচনা কৰা হৈছে। লাভৰ প্রাথমিক ধাৰণা, লাভৰ বিভিন্ন তত্ত্ব, যেনে লাভৰ অনিশ্চয়তা বহন তত্ত্ব আৰু লাভৰ উদ্ভাৱন তত্ত্ব আদিৰ বিষয়েও ইয়াত বর্ণনা কৰা হৈছে। এই খণ্ডটিৰ অন্তিম অধ্যায়ত, উৎপাদন আৰু নিয়োগৰ সংস্থাপিক তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়ত সংস্থাপিক তত্ত্বৰ মৌলিক ভেঁটি আৰু অভিধাৰণাৰ আলোচনা আগবঢ়োৱাৰ উপৰিও সংস্থাপিক তত্ত্বক কেইন্সে কৰা সমালোচনাৰ বিস্তৃত বর্ণনা আগবঢ়োৱা হৈছে।

ষষ্ঠ অধ্যায়টিত কেইন্সৰ নিয়োগ তত্ত্বৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। সেয়েহে ইয়াত কেইন্সৰ সর্বমুঠ চাহিদা আৰু সর্বমুঠ যোগানৰ ধাৰণাৰ বিষয়ে আলোচনা কৰা হৈছে। তদুপৰি, কেইন্সৰ তত্ত্বৰ মৌলিক গাথনি, সক্রিয় চাহিদাৰ নীতি আদিৰ বিষয়েও বর্ণনা আগবঢ়োৱা হৈছে। শেষত, আয়ৰ ভাৰসাম্য স্তৰ নির্দ্ধাৰণৰ বিষয়ে বর্ণনা দাঙি ধৰা হৈছে। খণ্ডটিৰ সপ্তম অধ্যায়টি হৈছে কেইন্সৰ সুতৰ হাৰ নির্দ্ধাৰণ। এই অধ্যায়টিত কেইন্সৰ মুদ্রাৰ চাহিদা, যথা মুদ্রাৰ লেনদেনৰ চাহিদা, মুদ্রাৰ সতর্কতামূলক চাহিদা আৰু মুদ্রাৰ কল্পনাপ্রসূত চাহিদাৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। তদুপৰি, বুল আৰু বিয়েৰ, সুতৰ হাৰ নির্দ্ধাৰণৰ তাৰল্যপ্রীতি তত্ত্বৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে। খণ্ডটিৰ অষ্টম অধ্যায়টি কেইন্সৰ উপভোগ ফলনৰ লগত জড়িত । ইয়াত আয়-ভোগ সম্পর্কৰ লগতে ভোগৰ মনস্তাত্বিক তত্ত্ব, ভোগৰ গড় আৰু প্রান্তিক প্রৱণতা, সিহঁতৰ গুৰুত্ব আৰু সম্পর্কৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। শেষত ভোগ ব্যয়ক প্রভাৱিত কৰা কাৰকৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। খণ্ডটিৰ নৱম অধ্যায়টিয়ে আমাক গুণকৰ ধাৰণাৰ লগত পৰিচয় কৰাই দিব। এই অধ্যায়টিত গুণকৰ ধাৰণাৰ ওপৰত বিষদ বর্ণনা থকাৰ উপৰিও গুণকৰ- বীজগণিতীয় নির্ণয়, কার্য্য প্রক্রিয়া, অভিধাৰণা, নির্গমন আৰু সমালোচনা আদিৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টিৰ শেষত গুণকৰ গুৰুত্ব আৰু উন্নয়ণশীল দেশত ইয়াৰ প্রাসঙ্গিকতাৰ ওপৰত আলোকপাত কৰা হৈছে। খণ্ডটিৰ অন্তিম অধ্যায়, অর্থাৎ দশম অধ্যায়ত বিনিয়োগ ফলন আৰু মূলধনৰ প্রান্তিক কর্মদক্ষতাৰ লগত আপোনালোকক পৰিচয় কৰাই দিয়া হৈছে। ইয়াত বিনিয়োগৰ অর্থ, মুঠ আৰু শুদ্ধ বিনিয়োগৰ পার্থক্য, স্বয়ংক্রিয় আৰু উদগনিমূলক বিনিয়োগৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। তদুপৰি বিনিয়োগ ফলনক প্রভাৱিত কৰা কাৰকসমূহ যেনে- মূলধনৰ প্রান্তিক কর্ম দক্ষতা (MEC), সুতৰ হাৰ, বিনিয়োগৰ প্রান্তিক কর্মদক্ষতা (MEI) আদিৰ লগতো আপোনালোকক পৰিচয় কৰাই দিয়া হৈছে। শেষত MEC আৰু MEI ৰ পার্থক্য আৰু সুতৰ হাৰ, MEC আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পর্কৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

একাদশ অধ্যায়টিত (IS-LM) ৰেখাৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টিত IS আৰু LM ৰেখা উভয়ৰে অর্থ, ৰেখা দুডালৰ প্রাপ্তি, ঢাল আৰু বিচ্যুতি সম্বন্ধে আলোচনা কৰা হৈছে। লগতে, IS-LM ৰেখাৰ ছেদন সম্পর্কেও আলোচনা

কৰা হৈছে। দ্বাদশ অধ্যায়টিত ত্বৰণ নীতিৰ ধাৰণা, ত্বৰণ নীতিৰ কার্যকৰণ, লগতে ইয়াৰ অভিধাৰণা আৰু সীমাবদ্ধতা সম্পর্কে আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যায়টিত ব্যৱসায় চক্র সম্পর্কে আলোচনা কৰা হৈছে। অধ্যায়টিত ব্যৱসায় চক্রৰ অর্থ, সংজ্ঞা, বৈশিষ্ট্য আলোচনা কৰাৰ লগতে ব্যৱসায় চক্রৰ বিভিন্ন পর্যায়, পর্যায়সমূহৰ গুৰুত্ব, ব্যৱসায় চক্র উদ্ভৱৰ কাৰণ আৰু প্রতিৰোধৰ উপায় সম্পর্কে আলোচনা কৰা হৈছে। পৰৱর্তী অধ্যায়টিত ব্যৱসায় চক্র অধ্যয়নৰ দুটা মূল তত্ত্ব - ছেমুৱেলচনৰ ব্যৱসায় চক্রৰ তত্ত্ব আৰু হিক্সৰ ব্যৱসায় চক্রৰ তত্ত্ব আলোচনা কৰা হৈছে। খণ্ডটিৰ তথা পাঠ্যবিষয়টোৰ শেহৰ অধ্যায়টিত কল্যাণ অর্থবিজ্ঞান সম্পর্কে আলোচনা কৰা হৈছে। অধ্যায়টিত কল্যাণৰ ধাৰণা, ব্যক্তিগত আৰু সামাজকি কল্যাণৰ ধাৰণা, মূল্য বিচাৰৰ ভূমিকা সম্পর্কে আলোচনা কৰা হৈছে। লগতে, কল্যাণ অর্থবিজ্ঞানৰ তাত্ত্বিক দিশ সম্পর্কে, বিশেষকৈ, পিগু আৰু পেৰেটৰ দৃষ্টিভংগী সম্পর্কে আলোচনা কৰা হৈছে।

থোৰতে ক'বলৈ গ'লে, এই পাঠ্যবিষয়টোৰ অধ্যায়নে আৰু পাঠ্যবিষয়টিৰ লগতে অর্থবিজ্ঞানৰ মৌলিক তাত্ত্বিক দিশসমূহ আপোনালোকক পৰিচয় কৰাই দিব।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে ভিত্তি অধ্যয়নৰ **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। পাঠ্যবিষয়টিৰ শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ঃ বিতৰণৰ তত্ত্ব

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ব্যক্তিগত বিতৰণ

১.৪ কার্যভিত্তিক বিতৰণ

১.৫ উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ ধাৰণা

- ১.৫.১ প্ৰান্তিক ভৌতিক উৎপাদন
- ১.৫.২ প্ৰান্তিক আয় উৎপাদন
- ১.৫.৩ প্ৰান্তিক উৎপাদকৰ মূল্য
- ১.৫.৪ গড় উপাদান ব্যয়
- ১.৫.৫ প্ৰান্তিক উপাদান ব্যয়

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবৰ বাবে

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যক্তিগত আৰু কার্যভিত্তিক বিতৰণৰ অর্থ জানিব পাৰিব
- ব্যক্তিগত আৰু কার্যভিত্তিক বিতৰণৰ পার্থক্য বর্ণনা কৰিব পাৰিব
- প্ৰান্তিক উৎপাদনশীলতা সম্পর্কে আলোচনা কৰিব পাৰিব
- আয়মূলক প্ৰান্তিক উৎপাদনশীলতা আৰু প্ৰান্তিক উৎপাদনৰ মূল্য সম্পর্কে জানিব পাৰিব
- উপাদানৰ গড় ব্যয় আৰু প্ৰান্তিক ব্যয় সম্পর্কে জানিব পাৰিব।

১.২ পৰিচয়

পৰম্পৰাগতভাৱে, অর্থবিজ্ঞানৰ তত্ত্বক চাৰিটা খণ্ডত ভাগ কৰা হৈছে - উৎপাদন, উপভোগ, বিনিময় আৰু বিতৰণ। অর্থবিজ্ঞানীসকলে এই চাৰিটা ভাগ বেলেগ বেলেগকৈ অধ্যয়ন কৰিছে। এই চাৰিটাৰ ভিতৰত 'বিতৰণ' বা উৎপাদনৰ উপাদানৰ দৰ নির্ধাৰণ হ'ল সামগ্ৰীৰ দৰ

নির্ধাৰণতকৈ কিছু পৃথক ধাৰণা। সেয়েহে, অর্থবিজ্ঞানৰ যিটো তত্ত্ব সামগ্রীৰ দৰ নির্ধাৰণৰ লগত জড়িত, তাক দৰ তত্ত্ব বুলি কোৱা হয় আৰু যিটো তত্ত্ব উপাদানৰ দৰ নির্ধাৰণৰ লগত জড়িত তাক বিতৰণ বুলি কোৱা হয়। চমুকৈ, উপাদানৰ দৰ নির্ধাৰণক 'বিতৰণৰ তত্ত্ব' বুলি কোৱা হয়। বিতৰণ ব্যক্তিগত বা কার্যভিত্তিক হ'ব পাৰে।

বিতৰণৰ কার্য্যভিত্তিক ধাৰণাটো বিতৰণৰ ব্যক্তিগত ধাৰণাতকৈ পৃথক। এই অধ্যায়টিত আমি ব্যক্তিগত আৰু কার্যভিত্তিক বিতৰণ, উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ বিষয়ে বর্ণনা কৰিবলৈ চেষ্টা কৰিম।

১.৩ ব্যক্তিগত বিতৰণ

ব্যক্তিগত বিতৰণে বিভিন্ন ব্যক্তিৰ মাজত আয় আৰু সম্পত্তিৰ বিতৰণক বুজায়, আয় বা সম্পত্তি যিকোনো উৎসৰ পৰাই নাহওঁক কিয়। আমি জানোঁ যে এখন দেশৰ ৰাষ্ট্রীয় আয় বিভিন্ন ব্যক্তিৰ মাজত সমানভাৱে বিতৰণ নহয়। কিছুমান ব্যক্তি ধনী, আনহাতে কিছুমান ব্যক্তি দুখীয়া। আচলতে, দেশৰ বিভিন্ন ব্যক্তিৰ মাজত আয়ৰ যথেষ্ট প্রভেদ দেখা যায়। ব্যক্তিগত বিতৰণ তত্ত্বই কিদৰে বিভিন্ন ব্যক্তিৰ ব্যক্তিগত আয় নির্দ্ধাৰণ কৰা হয় আৰু কিদৰে ব্যক্তিগত আয়ৰ ক্ষেত্রত অসমতাই দেখা দিয়ে, তাৰ অধ্যয়ন কৰে। ব্যক্তিগত বিতৰণৰ অধীনত আমি ৰাষ্ট্রীয় আয় বিতৰণৰ ধাৰা আৰু বিভিন্ন ব্যক্তিয়ে ৰাষ্ট্রীয় আয়ৰ কি অংশ লাভ কৰে, তাৰ বিষয়ে অধ্যয়ন কৰোঁ।

অধ্যাপক জেন পেনৰ মতে, "ব্যক্তিগত বিতৰণ (বা আয়ৰ বিতৰণৰ আকাৰ) ব্যক্তি আৰু তেওঁলোকৰ আয়ৰ লগত জড়িত। কিন্তু যি উপায়েৰে আয় উপার্জন কৰা হয়, সেইটো সাধাৰণতে লুপ্ত হৈ থাকে। গুৰুত্ব দিয়া বিষয়টো হ'ল এজনে কিমান উপার্জন কৰে; সেয়া কি হিচাপে অর্জন কৰা হয় অর্থাৎ মজুৰি, লাভ, সুত, পেঞ্চন নে অন্য কিবা উপায়েৰে অর্জন কৰা হয়, তাক সিমান গুৰুত্ব দিয়া নহয়।

১.৪ কার্যভিত্তিক বিতৰণ

আয়ৰ কার্যভিত্তিক বিতৰণ (functional distribution) -এ ৰাষ্ট্রীয় আয়ৰ বিতৰণক বুজায়, যিটো মানুহে উৎপাদন কার্যত বিভিন্ন সেৱা আগবঢ়োৱাৰ বাবে লাভ কৰে। অর্থাৎ, উৎপাদনৰ উপাদানবিলাকে উৎপাদন কার্য্যত আগবঢ়োৱা সেৱাৰ বাবে লাভ কৰা পাৰিতোষিক্ বিতৰণৰ লগত ই জড়িত। খাজনা, মজুৰি, সুত আৰু লাভ হ'ল ভূমি, শ্রম, মূলধন আৰু সংগঠনে উৎপাদন কার্য্যত আগবঢ়োৱা সেৱাৰ বাবে লাভ কৰা পুৰস্কাৰ। গাণিতিক ভাবে, ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰিঃ

P = (A, B, C, D)

য'ত মুঠ উৎপাদন (P) হ'ল ভূমি (A), শ্রম (B), মূলধন (C) আৰু সংগঠন(D)ৰ ফলন। সেয়েহে, কার্যভিত্তিক বিতৰণে উৎপাদন কার্য্যত ব্যৱহাৰ হোৱা বিভিন্ন উপাদানসমূহৰ দৰ আৰু অংশ সমূহ নির্ণয়ৰ লগত জড়িত বিষয় সম্বন্ধে আলোচনা আগবঢ়ায়।

অধ্যাপক জন পেনৰ মতে, "কার্যভিত্তিক বিতৰণ ব্যক্তি বা ব্যক্তিগত আয়ৰ লগত জড়িত নহয়, কিন্তু উৎপাদনৰ উপাদানঃ ভূমি, মূলধন বা সংগঠন সমূহৰ লগত জড়িত। উৎপাদনৰ উপাদানৰ দৰ নির্দ্ধাৰণ সামগ্রীৰ দৰ নির্দ্ধাৰণৰ এটা পৰিবর্তিত ৰূপ। সেয়েহে ইয়াক কেতিয়াবা উৎপাদনৰ উপাদানৰ দৰ নির্দ্ধাৰণ তত্ত্ব বুলিও কোৱা হয়।"

ব্যক্তিগত বনাম কার্যভিত্তিক বিতৰণ ঃ এই অধ্যায়টিত আমি বিতৰণৰ কার্য্যভিত্তিক বিতৰণ তত্ত্বৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিম। কার্যভিত্তিক বিতৰণৰ ধাৰণাক ব্যক্তিগত বিতৰণৰ ধাৰণাৰ পৰা পৃথক কৰাৰ প্রয়াস কৰা হৈছে। ৰাষ্ট্রীয় আয়ৰ ব্যক্তিগত বিতৰণ, যাক আয় বিতৰণৰ আকাৰ বুলিও কোৱা হয়- ই সাধাৰণতে এখন সমাজৰ বিভিন্ন ব্যক্তিৰ মাজত হোৱা ৰাষ্ট্রীয় আয়ৰ বিতৰণক বুজায়। আমি সকলোৱে জানোঁ যে ৰাষ্ট্রীয় আয় এখন ৰাষ্ট্রৰ সকলো ব্যক্তিৰ মাজত সমানে ভাগ নহয়। দেশ এখনৰ কিছুমান ধনী, আন কিছুমান দুখীয়া। দৰাচলতে, ব্যক্তিৰ আয়ৰ মাজত অসমতা দেখা যায়। ব্যক্তিগত বিতৰণৰ তত্ত্বই কিদৰে ব্যক্তিৰ আয়সমূহ বিতৰণ কৰা হয়, আৰু কিদৰে আয়ৰ অসমতা উদ্ভৱ হয়, সেয়া নির্ণয় কৰে। আনহাতে, কার্য্যভিত্তিক বিতৰণ তত্ত্বত কিদৰে উৎপাদনত ব্যৱহাৰ হোৱা উপাদানসমূহক পুৰস্কৃত কৰা হয়, সেই বিষয়ে অধ্যয়ন কৰা হয়। উৎপাদনৰ উপাদানসমূহ চাৰিটা ভাগত ভাগ কৰা হয় — ভূমি, শ্রম, মূলধন আৰু সংগঠন। সেয়েহে কার্য্যভিত্তিক বিতৰণত এই উপাদানসমূহৰ আপেক্ষিক দৰ নির্ধাৰণ কৰা হয়। খাজনা, মজুৰি, সুত আৰু লাভ হৈছে ক্রমে ভূমি, শ্রম, মূলধন আৰু সংগঠনৰ দৰ। এনেদৰে, কার্য্যভিত্তিক বিতৰণৰ তত্ত্বই মজুৰি, সুত, খাজনা আৰু লাভ নির্ধাৰণ সম্পর্কে আলোচনা কৰে।

এতিয়া এটা প্রশ্ন উত্থাপন হয় - কেৱল কার্য্যভিত্তিক বিতৰণে ব্যক্তিগত বিতৰণ নির্ধাৰণ কৰেনে ? দৰাচলতে, ব্যক্তিগত বিতৰণ আশিংকভাৱেহে কার্য্যভিত্তিক বিতৰণৰ ওপৰত নির্ভৰশীল। এজন ব্যক্তিয়ে কিমান পৰিমাণৰ আয় উপার্জন কৰিব, সেইটো মাত্র সেই ব্যক্তিজনৰ লগত থকা এটা উপাদানৰ দামৰ ওপৰত নির্ভৰ নকৰে, বৰঞ্চ তেওঁৰ লগত আৰু আন বেলেগ উপাদান (যি বিলাকৰ তেওঁ মালিক) কি পৰিমাণে আছে আৰু সেইবোৰৰ দামেও তাক প্রভাবান্বিত কৰিব।

সেয়েহে, খাজনাধাৰীৰ আয় কেৱল খাজনাৰ ওপৰতেই নির্ভৰ নকৰে; ই ভূমিৰ পৰিমাণৰ লগতো জড়িত। প্রতি একৰ ভূমিৰ খাজনা দিয়া থাকিলে, বেছি পৰিমাণৰ ভূমিৰ বাবে খাজনাও বেছি হ'ব। ইয়াৰ উপৰিও, ভূমিৰ গৰাকীয়ে হয়তো কাৰোবাক ধাৰ দি সুত হিচাপে আয় অর্জন কৰিব পাৰে।

এই পার্থক্যবোৰ থকাৰ লগতে ব্যক্তিগত আৰু কার্য্যভিত্তিক বিতৰণ- দুয়োটাৰে এক সম্পর্ক দেখা যায়। এখন দেশৰ ব্যক্তিগত বিতৰণ কার্য্যভিক্তিক বিতৰণৰ দ্বাৰা প্রভাৱিত হয়। যদিহে উৎপাদনৰ উপাদানৰ আয় সমতাপূর্ণ হয়, তেন্তে ব্যক্তিগত বিতৰণো সমতাপূর্ণ হয়। ইয়াৰ ফলত ব্যক্তিগত আয় বৃদ্ধি হয়। এই আয়ে চাহিদা বৃদ্ধি কৰিব আৰু চাহিদা বৃদ্ধিয়ে বিনিয়োগ আৰু লগতে নিয়োগ বৃদ্ধি কৰে আৰু ইয়ে উৎপাদন আৰু ৰাষ্ট্রীয় আয় বৃদ্ধি কৰে। বর্ধিত ব্যক্তিগত আয়ে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ লগতে উৎপাদনৰ দক্ষতাও বৃদ্ধি কৰে। আনহাতে, যদি কার্য্যভিত্তিক বিতৰণ অসমতাপূর্ণ হয়, অর্থাৎ উৎপাদনৰ উপাদানবোৰ শোষিত

হৈ থাকে, তেন্তে ব্যক্তিগত বিতৰণো অসমতাপূর্ণ হ'ব; অর্থাৎ, যদি উৎপাদনৰ উপাদানবোৰ শোষিত হৈ থাকে, তেন্তে ব্যক্তিগত বিতৰণো অসমতাপূর্ণ হ'ব।। ইয়াৰ ফলত বহুত লোক দৰিদ্ৰ হ'ব। অর্থনৈতিক কল্যাণ হ্রাস পাব, শান্তি আৰু সমৃদ্ধি হ্রাস পাব আৰু ধনী-দুখীয়াৰ বৈষম্যতা বৃদ্ধি পাব।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) উৎপাদনৰ উপাদানৰ দৰক বিতৰণৰ তত্ত্ব বুলি জনা যায়।

(শুদ্ধ/অশুদ্ধ)

(খ) এখন ৰাষ্ট্ৰৰ কার্য্যভিত্তিক বিতৰণে ব্যক্তিগত বিতৰণক প্রভাৱিত কৰে।

(শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ কার্য্যভিত্তিক বিতৰণৰ সংজ্ঞা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ ব্যক্তিগত বিতৰণৰ সংজ্ঞা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১.৫ উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ ধাৰণা

বিভিন্ন বজাৰত উৎপাদনৰ উপাদানৰ দৰ কেনেকৈ নির্ধাৰণ কৰা হয় তাক বর্ণনা কৰাৰ আগতে উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ ধাৰণা জনাটো দৰকাৰ। তলত আমি উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ দৰকাৰী ধাৰণাসমূহ আলোচনা কৰিম।

১.৫.১ প্রান্তিক ভৌতিক উৎপাদন

প্রান্তিক ভৌতিক উৎপাদন (Mrginal Physical Product: MPP) হ'ল উপাদানৰ এটা অতিৰিক্ত গোটৰ উৎপাদন। অর্থাৎ, প্রান্তিক ভৌতিক উৎপাদন হ'ল উপাদানৰ এটা অতিৰিক্ত গোট নিয়োগ হোৱাৰ ফলত মুঠ উৎপাদনত হোৱা সংযোজন।

সাংকেতিকভাৱে, $MPP = TPP_n - TPP_{n-1}$

য'ত MPP হ'ল প্রান্তিক ভৌতিক উৎপাদন, TPPn হ'ল 'n' তম গোটৰ মুঠ উৎপাদন, TPP_{n-1} হ'ল 'n – 1' তম গোটৰ মুঠ উৎপাদন।

উদাহৰণ ১ঃ ধৰা হ'ল, কপাহ উদ্যোগ এটাত ২৫ জন শ্রমিকে ৯০০ মিটাৰ কাপোৰ উৎপাদন কৰে। এজন শ্রমিক অতিৰিক্তকৈ বৃদ্ধি কৰাৰ ফলত উৎপাদন ৯২৬ মিটাৰ হ'ল। এনে ক্ষেত্রত, অতিৰিক্ত ২৬ মিটাৰ হ'ব প্রান্তিক উৎপাদন।

অর্থাৎ, $MPP = TPP_n - TPP_{n-1}$

= (৯২৬ — ৯০০) মিটাৰ

= ২৬ মিটাৰ।

১.৫.২ প্রান্তিক আয় উৎপাদন

প্রান্তিক আয় উৎপাদন (Marginal Revenue Product : MRP) হ'ল এটা অতিৰিক্ত উপাদান নিয়োগ কৰাৰ ফলত মুঠ উৎপাদনৰ মূল্যত হোৱা সংযোজন। ই হ'ল প্রান্তিক উৎপাদন আৰু প্রান্তিক আয়ৰ পূৰণফল।

সাংকেতিকভাৱে, $MRP = MPP \times MR$

য'ত MRP = প্রান্তিক আয় উৎপাদন, MPP = প্রান্তিক ভৌতিক উৎপাদন MR = প্রান্তিক আয়।

বা ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি।

$MRP = TRP_n - TRP_{(n-1)}$

য'ত TRP_n আৰু TRP_{n-1} হ'ল n আৰু (n – 1) গোটৰ মুঠ আয় উৎপাদন।

উদাহৰণ ১ঃ ধৰা হ'ল, কপাহ উদ্যোগ এটাত ১০ জন শ্রমিকে ১০০০ মিটাৰ কাপোৰ উৎপাদন কৰে। এজন অতিৰিক্ত শ্রমিক নিয়োগ কৰাৰ ফলত উৎপাদন হয় ১১০০ মিটাৰ। যদি ১১০০ নং কপাহৰ গোটোৰ প্রান্তিক আয় ১০০ হয়, তেন্তে প্রান্তিক আয় উৎপাদন হ'ব —

প্রান্তিক আয় উৎপাদন (MRP) = (১১০০ — ১০০০) × ১০০

= ১০০ × ১০০

= ১,০০০

উদাহৰণ ২ঃ যদি ১০ জন শ্রমিকৰ মুঠ আয় উৎপাদন ৩০,০০০ টকা হয়, আৰু ১১ জন শ্রমিকৰ মুঠ উৎপাদন ৩৫,০০০ টকা হয়, তেন্তে ১১ নং শ্রমিকৰ প্রান্তিক আয়মূলক উৎপাদন হ'ব —

(MRP) = (৩৫,০০০ — ৩০,০০০) টকা

= ৫০০০ টকা।

১.৫.৩ প্ৰান্তিক উৎপাদকৰ মূল্য

প্ৰান্তিক উৎপাদকৰ মূল্য (Value of Marginal Product : VMP) হ'ল এটা অতিৰিক্ত উপাদানৰ ফলত হোৱা অতিৰিক্ত উৎপাদনৰ মুদ্ৰাগত মূল্য। সেয়েহে, ইয়াক প্ৰান্তিক ভৌতিক উৎপাদনৰ মুদ্ৰাগত মূল্য বুলি কোৱা হয়।

সাংকেতিকভাৱে,

VMP = MPP P

য'ত VMP হ'ল প্ৰান্তিক উৎপাদকৰ মূল্য, MPP হ'ল প্ৰান্তিক উৎপাদন, আৰু P হ'ল দৰ।

উদাহৰণ ঃ

ধৰা হ'ল, এটা কপাহ উদ্যোগ ৩০ জন শ্ৰমিকে ৯০০ মিটাৰ কাপোৰ উৎপাদন কৰে আৰু ৩১ জন শ্ৰমিকে ৯২৫ মিটাৰ কাপোৰ উৎপাদন কৰে। প্ৰান্তিক উৎপাদন হব (৯২৫ - ৯০০) = ২৫ যদি বজাৰ দৰ ৬০ টকা হয়, তেন্তে প্ৰান্তিক মূল্যত উৎপাদনশীলতা (VMP) হ'ব —


VMP = ২৫ ৬০ = ১৫০০।

VMP আৰু MRP ৰ মাজৰ সম্পৰ্ক ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত VMP আৰু MRP একে হয়, কাৰণ এই বজাৰত সামগ্ৰী একে দামতেই বিক্ৰী কৰা হয়। অৰ্থাৎ MR= P (MR= প্ৰান্তিক আয়, P=দৰ)।

গতিকে, MRP = MPP MR = MPP P = VMP।

কিন্তু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত MRP আৰু VMP পৃথক পৃথক হয়। কাৰণ, এই বজাৰত উৎপাদকে উৎপাদনৰ কোনো এটা অতিৰিক্ত গোট বিক্ৰী কৰিবলৈ আগতকৈ কম দামতেই বিক্ৰী কৰিবলগীয়া হয়। এই দুখন বজাৰৰ VMP আৰু MRP ৰেখা **১.১** নং চিত্ৰত দেখুওৱা হ'ল —

চিত্ৰ ১.১ ঃ বিভিন্ন ধৰণৰ বজাৰত VMP আৰু MRP ৰেখা



(ক) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত MRP আৰু VMP ৰেখা

(খ) অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত MRP আৰু VMP ৰেখা

১.৫.৪ গড় উপাদান ব্যয়

গড় উপাদান ব্যয় (Average Fixed Cost : AFC) হ'ল প্রতি একক পৰিবর্তনশীল উপাদান নিয়োগ কৰাৰ ফলত হোৱা ব্যয়। মুঠ ব্যয়ক মুঠ উপাদানৰ পৰিমাণেৰে হৰণ কৰি ইয়াক লাভ কৰা হয়।

অর্থাৎ, $\text{AFC} = \frac{\text{TFC}}{\text{পৰিমাণ}}$

য'ত AFC হ'ল গড় উপাদন ব্যয়, TFC হ'ল মুঠ উপাদান ব্যয়।

উদাহৰণ ঃ ধৰা হ'ল, 4 নং এককৰ মুঠ উপাদান ব্যয় ২০, এনে ক্ষেত্রত গড় উপাদান ব্যয় হ'ব — $\text{AFC} = \frac{২০}{৪} = ৫$।

১.৫.৫ প্রান্তিক উপাদান ব্যয়

প্রান্তিক উপাদান ব্যয় (Marginal Factor Cost : MFC) হ'ল এটা অতিৰিক্ত উপাদান নিয়োগৰ ফলত হোৱা ব্যয়। ইয়াক প্রান্তিক ব্যয় (উপাদান) বুলিও কোৱা হয়। ইয়াক তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

$$\text{MFC} = \text{TFC}_n + \text{FC}_{(n-1)}$$

য'ত MFC হ'ল প্রান্তিক উপাদান ব্যয়, TFC_n হ'ল n এককৰ মুঠ উপাদান ব্যয় আৰু TFC_{n-1} হ'ল $(n-1)$ এককৰ মুঠ উপাদান ব্যয়।

উদাহৰণ ঃ ধৰা হ'ল, ১০ টা উপাদানৰ মুঠ উপাদান ব্যয় ১২০ আৰু ১১ টা উপাদানৰ মুঠ উপাদান ব্যয় ১৫০, তেন্তে প্রান্তিক উপাদান ব্যয় —


$\text{MFC} = ১৫০ — ১২০ = ৩০$ ।

গড় উপাদান ব্যয় আৰু প্রান্তিক উপাদান ব্যয়ৰ মাজৰ সম্পর্ক ঃ গড় উপাদান আৰু প্রান্তিক উপাদান ব্যয়ৰ সম্পর্ক পূর্ণ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত পৃথক পৃথক হয়। পূর্ণ প্রতিযোগিতামূলক বজাৰত উপাদান এটাৰ দৰ চাহিদা আৰু যোগানে নির্ধাৰণ কৰে। ইয়াত উৎপাদন প্রতিস্থানৰ বাবে উপাদানৰ দৰ স্থিৰে থাকে য'ত প্রতিস্থানে নিজৰ প্রয়োজনমতে বস্তু ক্রয় কৰিব পাৰে। গতিকে, উপাদানৰ যোগান সম্পূর্ণ স্থিতিস্থাপক আৰু যোগান ৰেখা X- অক্ষৰ সমান্তৰাল হয়। যিহেতু দৰ দিয়া থাকে, গতিকে $\text{AFC} = \text{MFC}$=উপাদানৰ দৰ।

কিন্তু অপূর্ণ প্রতিযোগিতামূলক বজাৰত গড় উপাদান ব্যয় ৰেখা উর্দ্ধমুখী আকৃতিৰ হয় আৰু প্রান্তিক উপাদান ব্যয় ৰেখাডাল ইয়াৰ ওপৰত থাকে। ই ইয়াকে বুজায় যে প্রতিস্থানখনে যেতিয়া বেছি নিয়োগ কৰিব বিচাৰে, তেতিয়া প্রতিটো উপাদানতে বেছি ব্যয় হয়। সেয়েহে, প্রান্তিক উপাদান ব্যয় গড় উপাদান ব্যয়তকৈ বেছি

হ'ব। ইয়াক তলৰ চিত্ৰ ১.২ ত দেখুওৱা হ'ল —

চিত্ৰ ১.২ ঃ বিভিন্ন বজাৰ গাঁথনিত AFC আৰু MFC ৰেখা



(ক) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত AFC আৰু MFC ৰেখা

(খ) অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত AFC আৰু MFC ৰেখা



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত VMP = MRP।
(শুদ্ধ/অশুদ্ধ)

(খ) পূৰ্ণ প্ৰতিযোগিতামূলক বজাত AFC আৰু MFC ৰেখা আনুভূমিক।
(শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত AFC আৰু MFC ৰ সম্পৰ্ক বৰ্ণনা কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ প্ৰান্তিক উৎপাদনশীলতাৰ সংজ্ঞা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপাদানৰ দৰৰ তত্ত্বক বিতৰণৰ তত্ত্ব বুলি কোৱা হয়।
- বিতৰণ ব্যক্তিগত বা কার্য্যভিত্তিক হ'ব পাৰে।
- ব্যক্তিগত বিতৰণে ব্যক্তিৰ মাজত আয় আৰু সম্পদৰ বিতৰণক বুজায়। এই ক্ষেত্রত কি হিচাপে অর্জন কৰা হৈছে তাক গুৰুত্ব দিয়া নহয়।
- কার্য্যভিত্তিক বিতৰণে ৰাষ্ট্রীয় আয়ত বিভিন্ন উপাদানৰ অংশৰ বিষয়ে আলোচনা কৰে। উৎপাদনৰ উপাদান বিলাকে উৎপাদন কার্যত আগবঢ়োৱা সেৱাৰ বাবে লাভ কৰা ক্ষতিপূৰণ।
- ব্যক্তিগত বিতৰণ আৰু কার্য্যভিত্তিক বিতৰণৰ পার্থক্য থকাৰ উপৰিও কেতবোৰ সম্পর্ক পৰিলক্ষিত হয়। ৰাষ্ট্র এখনৰ ব্যক্তিগত বিতৰণ কার্য্যভিত্তিক বিতৰণৰ দ্বাৰা প্রভাৱিত হয়।
- এটা উপাদানৰ প্রান্তিক উৎপাদন হ'ল উপাদানটোৰ এটা অতিৰিক্ত গোট নিয়োগৰ ফলস্বৰূপে হোৱা উৎপাদনৰ পৰিবর্তন, যদিহে বেলেগ উপাদান বিলাক অপৰিবর্তিত থাকে।
- প্রান্তিক আয় উৎপাদন (MRP) হ'ল কোনো এটা উপাদান অতিৰিক্তকৈ নিয়োগ কৰাৰ ফলত হোৱা মুঠ উৎপাদনৰ মূল্যৰ পৰিবর্তন।
- প্রান্তিক উৎপাদকৰ মূল্য (VMP) হ'ল উপাদানৰ প্রান্তিক উৎপাদনৰ মুদ্রাগত মূল্য।
- গড় উপাদান ব্যয় হ'ল প্রতি একক উপাদানত হোৱা ব্যয়।
- প্রান্তিক উপাদান ব্যয় হ'ল অতিৰিক্ত উপাদানত হোৱা অতিৰিক্ত ব্যয়।
- পূর্ণ প্রতিযোগিতামূলক বজাৰত AFC = MFC = দৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত, AFC ৰেখাডাল ঊর্দ্ধমুখী হয় আৰু MFC ৰেখাডাল AFC ৰ ওপৰত থাকে।



১.৭ অধিক জানিবৰ বাবে

(1) Ahuja, H.L. (2003). *Advanced Economic Theory*. New Delhi: S.Chand & Company Ltd.

(2) Chopra, P.N (2008). *Micro Economics*. Ludhiana: Kalyani Publishers.

(3) Jhingan, M.L. (2007). *Micro Economic Theory.* New Delhi: Vrinda Publications

(4) Koutsoyiannis, A (1979). *Modern Microeconomics*. New Delhi: Macmillan.

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, ড° অতুল. (২০০৫). *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ব).* ডিব্রুগড় ঃ ষ্টুডেণ্টচ্ এম্পা'ৰিয়াম.

২) আলম, ড° খুৰছেদ; হুদা, ড° মনিৰুল আৰু শর্মা, ড° অর্চনা. (২০০৪). *স্নাতক মহলাৰ*

অর্থতত্ব (ব্যষ্টিগত অর্থবিজ্ঞান). গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্চ, ।

৩) হুদা, ড° মনিৰুল. (২০০৭). *অর্থনীতি তত্ত্ব ঃ ব্যষ্টিগত অর্থনৈতিক তত্ত্ব,* ডিব্রুগড় ঃ বনলতা.

১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰঃ কার্য্যভিত্তিক বিতৰণে ৰাষ্ট্রীয় আয়ত বিভিন্ন উপাদানৰ অংশৰ বিষয়ে আলোচনা কৰে। উৎপাদনৰ উপাদান বিলাকে উৎপাদন কার্যত আগবঢ়োৱা সেৱাৰ বাবে লাভ কৰা ক্ষতিপূৰণ।

৩ নং প্রশ্নৰ উত্তৰঃ ব্যক্তিগত বিতৰণে অর্থনীতিৰ বিভিন্ন ব্যক্তিৰ মাজত আয় আৰু সম্পদৰ বিতৰণক বুজায় এই ক্ষেত্রত কি উৎসৰ পৰা অর্জন কৰা হৈছে, তাক গুৰুত্ব দিয়া নহয়। ব্যক্তিগত বিতৰণে কেনেদৰে বিভিন্ন ব্যক্তিৰ মাজত আয় বিতৰণ কৰা হয়, আৰু আয়ৰ অসমতাৰ উদ্ভৱ হয়, তাক আলোচনা কৰে।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত AFC সদায় MFC ৰ সমান, কাৰণ ইয়াত উপাদানৰ দৰ সদায় স্থিৰ। গতিকে, এটা উৎপাদন প্রতিস্থানে স্থিৰ দামত নিজৰ প্রয়োজনমতে উপাদান ব্যৱহাৰ কৰিব পাৰে আৰু প্রতিটো অতিৰিক্ত উপাদানৰ দৰ একে থাকিব।

৬ নং প্রশ্নৰ উত্তৰঃ কোনো এটা উপাদানৰ প্রান্তিক উৎপাদনশীলতাই উপাদানটোৰ অতিৰিক্ত এক একক বৃদ্ধি হোৱাৰ ফলত হোৱা মুঠ উৎপাদনৰ পৰিবর্তনক বুজায়, যদিহে বেলেগ উপাদানবোৰ অপৰিবর্তিত হৈ থাকে। আনহাতে, ই হ'ল এক উপাদান অধিক নিয়োগ কৰাৰ ফলত হোৱা মুঠ উপাদানৰ পৰিবর্তন।

১.৯ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ ব্যক্তিগত আৰু কার্য্যভিত্তিক বিতৰণৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন নং ২ ঃ চিত্রৰ সহায়ত পূর্ণ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত MRP আৰু VMP ৰ মাজৰ সম্পর্ক দেখুৱাওক।

প্রশ্ন নং ৩ ঃ AFC আৰু MFC ৰ মাজৰ সম্পর্ক চিত্রৰ সহায়ত ব্যাখ্যা কৰক।

ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ উৎপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ বিভিন্ন ধাৰণাবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ মজুৰি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মজুৰিৰ প্ৰাথমিক ধাৰণা
২.৩.১ মজুৰিৰ অৰ্থ
২.৩.২ নামমাত্ৰ মজুৰি বনাম প্ৰকৃত মজুৰি
২.৪ উৎপাদকৰ দৰ নিৰ্দ্ধাৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব
২.৫ মজুৰি আৰু যৌথ দৰদাম
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবৰ বাবে
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অৰ্থবিজ্ঞানৰ ভাষাত মজুৰিৰ সংজ্ঞা আগবঢ়াব পাৰিব আৰু নামমাত্ৰ মজুৰি আৰু প্ৰকৃত মজুৰিৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- উৎপাদকৰ দৰ নিৰ্দ্ধাৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব
- যৌথ দৰদাম আৰু মজুৰি নিৰ্দ্ধাৰণত ইয়াৰ ভূমিকা সম্পৰ্কে ধাৰণা ল'ব পাৰিব।

২.২ পৰিচয়

অৰ্থনৈতিক কাৰ্যকলাপৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে উৎপাদনৰ উপাদানবিলাকে বক্‌চিচ (reward) অৰ্জন কৰে। মজুৰি হৈছে শ্ৰমৰ দ্বাৰা অৰ্জিত এনে এবিধ বক্‌চিচ। এই অধ্যায়টি অধ্যয়নৰ অন্তত আপোনালোকে মজুৰিৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিব পাৰিব। নামমাত্ৰ মজুৰি আৰু প্ৰকৃত মজুৰিৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব। অধ্যায়টিৰ শেষত অৰ্থবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ তত্ত্বও আলোচনা কৰা হৈছে, যথা— উৎপাদকৰ দৰ নিৰ্দ্ধাৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব। তদুপৰি, যৌথ দৰদাম আৰু মজুৰি নিৰ্দ্ধাৰণত ইয়াৰ ভূমিকা সম্পৰ্কীয় ধাৰণাও এই অধ্যায়টিত আলোচনা কৰা হৈছে।

২.৩ মজুৰিৰ প্ৰাথমিক ধাৰণা

এই খণ্ডটিত আমি মজুৰিৰ অৰ্থ আৰু লগতে নামমাত্ৰ মজুৰি আৰু প্ৰকৃত মজুৰিৰ পাৰ্থক্য সম্পৰ্কে আলোচনা কৰা হৈছে।

২.৩.১ মজুৰিৰ অৰ্থ

'মজুৰি' শব্দটোৰ অৰ্থ হৈছে শ্ৰম কৰোঁতাই পোৱা ধন। উৎপাদন প্ৰক্ৰিয়াৰ প্ৰতি আগবঢ়োৱা অৰ্থনৈতিক কাৰ্যকলাপৰ বাবে শ্ৰমিকে লাভ কৰা বক্‌চিচেই হৈছে মজুৰি। বেনহাম (Benham)ৰ মতে, *'এজন বনুৱাক তেওঁ কৰা কামৰ বাবে এজন নিয়োগকৰ্তাই চুক্তি অনুসৰি আদায় দিয়া ধনৰাশিক মজুৰি বুলিব পাৰি।'*

এইখিনিতে উল্লেখযোগ্য যে শ্ৰমক এবিধ পণ্য (commodity) হিচাপে বিবেচনা কৰা কাৰ্যক বহুতে সমালোচনা কৰে। এই কথাত সন্দেহ নাই যে শ্ৰমৰ বহুতো গুণ আছে (আবেগ, অনুভূতি, ব্যক্তিগত পাৰ্থক্য ইত্যাদি), যিবিলাকে ইয়াক উৎপাদনৰ আন উপাদান যেনে, ভূমি আৰু/অথবা মূলধন আদিৰ পৰা পৃথক কৰি ৰাখে। অৱশ্যে, অৰ্থনৈতিক তত্ত্বত শ্ৰমক এবিধ পণ্য হিচাপে গণ্য কৰা হয়। এবিধ পণ্যৰ দৰে ইয়াক বজাৰত কিনা-বেচা কৰা হয়। এনেদৰে, এজন শ্ৰমিকে এক বিনিময় প্ৰক্ৰিয়াত ভাগ লয় ঃ ই শ্ৰম (উৎপাদনশীল সামৰ্থ) আৰু সময় প্ৰদান কৰে আৰু মজুৰিৰ ৰূপত বক্‌চিচ (reward) পায়।

২.৩.২ নামমাত্ৰ মজুৰি বনাম প্ৰকৃত মজুৰি

নামমাত্ৰ মজুৰি (Nominal Wages) বুলিলে এজন শ্ৰমিকে তেওঁৰ সেৱাৰ বাবদ মুদ্ৰাৰ ৰূপত লাভ কৰা মূল্য বুজায়। এই অৰ্থত, যদি এজন পিয়নে এটা কাৰ্যালয়ত মাহে ২০০০ টকাকৈ পায়, তেন্তে সেয়া হৈছে তেওঁৰ সেৱাৰ বাবদ তেওঁ লাভ কৰা মাহিলী নামমাত্ৰ মজুৰি। নামমাত্ৰ মজুৰিক মুদ্ৰা মজুৰি (money wages)ও বোলা হয়।

কেতিয়াবা, একোজন শ্ৰমিকে মুদ্ৰা মজুৰিৰ উপৰি আন সা-সুবিধাও পায়। এনেকুৱা অতিৰিক্ত সা-সুবিধাবিলাকৰ ভিতৰত উল্লেখযোগ্য হৈছে ঃ উৎসৱ উপলক্ষে ওপৰঞ্চি ধন (bonus), উদগণি (incentives), চিকিৎসা ব্যয়, ঘৰৰ ভাৰা (বা বিনামূলীয়া থকা-মেলাৰ ব্যৱস্থা), যান-বাহন ভাট্টা, ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰছ ইত্যাদি। এনেকৈ, শ্ৰমিকৰ প্ৰকৃত মজুৰিত তেওঁৰ মজুৰিৰ সৈতে সংস্থাটোৰ পৰা তেওঁ পোৱা আন সকলো সামগ্ৰী আৰু সেৱা অন্তৰ্ভুক্ত হৈ থাকে।

প্ৰকৃত মজুৰি (Real Wages)ৰ আন এটা ব্যাখ্যা আছে। এই ব্যাখ্যা অনুসৰি, যিকোনো এছোৱা নিৰ্দিষ্ট সময়ত এজন শ্ৰমিকে লাভ কৰা মজুৰিৰ ধনেৰে

তেওঁ ক্রয় কৰিব পৰা সামগ্রী আৰু সেৱাৰ পৰিমাণেই হৈছে প্রকৃত মজুৰি। এনেকৈ, প্রকৃত মজুৰি হৈছে মজুৰিৰ ধনেৰে এজন বনুৱাই লাভ কৰা ক্রয় ক্ষমতাৰ পৰিমাণ। এই ক্ষেত্রত, প্রকৃত মজুৰি দুটা উপাদানৰ ওপৰত নির্ভৰ কৰে ঃ *প্রথমতে,* মজুৰিৰ ধনৰ পৰিমাণ আৰু *দ্বিতীয়তে,* অর্থনীতিৰ মূল্যস্তৰ। অর্থাৎ, প্রকৃত মজুৰি এইদৰে উলিয়াব পাৰি ঃ

$$R = \frac{W}{P}$$

ইয়াত, R = Real wages (প্রকৃত মজুৰি), W = Money wages (মুদ্রা মজুৰি) আৰু P = Price level (মূল্য স্তৰ)।

ইয়াৰ অর্থ এয়ে যে, এজন শ্রমিকৰ জীৱন নির্বাহৰ মান প্রকৃত মজুৰিৰ দ্বাৰা নির্দ্ধাৰিত হয়; তেওঁ লাভ কৰা ধন মজুৰিৰ দ্বাৰা নহয়।

প্রকৃত মজুৰিৰ নির্ণায়কসমূহ (Determinants of Real Wages) ঃ প্রকৃত মজুৰি তলত দিয়া উপাদানবিলাকৰ দ্বাৰা নির্দ্ধাৰিত হয় ঃ

- **অর্থনীতিৰ মূল্য স্তৰ** (Price Level of the Economy) ঃ এইটো সত্য যে মূল্যৰ স্তৰে ধনৰ ক্রয় ক্ষমতা নির্দ্ধাৰণ কৰে।
- **মুদ্রা মজুৰি** (Money Wage) ঃ মুদ্রা মজুৰিয়েও প্রত্যক্ষভাৱে প্রকৃত মজুৰি নির্দ্ধাৰণ কৰে। কাৰণ, মজুৰিৰ পৰিমাণ বেছি হ'লে বেছি সামগ্রী আৰু সেৱা ক্রয় কৰিব পাৰি।
- **কামৰ অৱস্থা** (Working Condition) ঃ শ্রমিকে কাম কৰা কামৰ অৱস্থা বা পৰিস্থিতিয়েও তেওঁলোকৰ প্রকৃত মজুৰি নির্দ্ধাৰণ কৰে। আমি এটা উদাহৰণলৈ চাওঁ। দুজন বনুৱাই সমান মাহিলী দৰমহা পায়, ধৰা হওক ৬০০০/- টকা। কিন্তু প্রথমজন বনুৱাই এটা কার্যালয়ত আৰু দ্বিতীয়জনে এটা কয়লাখনিত কাম কৰে। কাম কৰাৰ পৰিবেশৰ ফালৰ পৰা প্রথমজন বনুৱাৰ অৱস্থা নিশ্চিতভাৱেই বহুত ভাল। সেয়ে, আমি অতি সহজে ক'ব পাৰোঁ যে দ্বিতীয়জন বনুৱাতকৈ প্রথমজন বনুৱাৰ প্রকৃত মজুৰি অধিক।
- **কামৰ প্রকৃতি** (Nature of the Job) ঃ কামৰ প্রকৃতি— স্থায়ী নে অস্থায়ী সেই কথায়ো প্রকৃত মজুৰি নির্দ্ধাৰণ কৰে। দুজন শ্রমিকৰ আন এটা উদাহৰণলৈ আমি চাওঁ আহক। এটা উলৰ কাৰখানাত কাম কৰা প্রথমজন শ্রমিকে ৫০০০/- টকা উপার্জন কৰে। এটা হস্ততাঁত কাৰখানাত কাম কৰা আনজন বনুৱাই ৪০০০/- টকা উপার্জন কৰে। প্রথমজন বনুৱাই শীতকালৰ মাত্র ৪টা মাহত কর্ম সংস্থান পায়; আনহাতে, দ্বিতীয়জন বনুৱাই গোটেই বছৰটো কাম কৰি থকাৰ সুবিধা পায়। এনেকৈ, প্রথমজন বনুৱাই যদিও অধিক ধন মজুৰি উপার্জন কৰে, তেওঁৰ নিয়োগ অস্থায়ী হোৱা বাবে তেওঁৰ প্রকৃত মজুৰি কম।

- **সামাজিক মর্যাদা** (Social Status) ঃ এটা কামৰ সৈতে জড়িত হৈ থকা সামাজিক মর্যাদায়ো প্রকৃত মজুৰি নির্দ্ধাৰণ কৰে। এখন হাইস্কুলৰ এজন শিক্ষক আৰু এটা বেংকৰ এজন কেৰাণীয়ে সমান মাহিলী দৰমহা পাব পাৰে। কিন্তু আমাৰ সমাজত বেংকৰ কেৰাণীজনতকৈ শিক্ষকজনে অধিক সন্মান লাভ কৰে। কাজেই, বেংকৰ কেৰাণীজনতকৈ শিক্ষকজনৰ প্রকৃত মজুৰি অধিক বুলি গণ্য হয়।
- **ভৱিষ্যত পদোন্নতিৰ সম্ভাৱনা** (Future Prospects) ঃ ভৱিষ্যত পদোন্নতিৰ আশায়ো প্রকৃত মজুৰি নির্দ্ধাৰণ কৰে। ৰাজহুৱা খণ্ডৰ অধীনস্থ (Public Sector Undertaking) কিছুমান প্রতিষ্ঠিত প্রতিষ্ঠানে আনতকৈ অধিক পদোন্নতিৰ সুবিধা দিয়ে। সেয়ে, এটা সাধাৰণ সংস্থাত কাম কৰা এজন কর্মী বা বনুৱাতকৈ এনেকুৱা প্রতিষ্ঠিত ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানত কাম কৰা এজন কর্মীৰ প্রকৃত মজুৰি অধিক হ'ব।
- **অতিৰিক্ত মুনাফা** (Extra Benefits) ঃ অন্যান্য অতিৰিক্ত মুনাফা লাভ কৰা কর্মীসকলৰ প্রকৃত মজুৰি আনতকৈ অধিক হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) অর্থনৈতিক তত্ত্বই শ্রমক এবিধ পণ্য হিচাপে বিবেচনা নকৰে, যিহেতু ই উৎপাদনৰ আন উপাদানবিলাকতকৈ বহু পৃথক। (শুদ্ধ/অশুদ্ধ)

(খ) মুদ্রা মজুৰিৰ আন এটা নাম হৈছে নামমাত্র মজুৰি । (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ প্রকৃত মজুৰি কি? প্রকৃত মজুৰি কেনেকৈ উলিয়াব পাৰি?
(৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ প্রকৃত মজুৰিৰ কমেও চাৰিটা নির্ণায়ক উল্লেখ কৰক।
(৩০টা শব্দৰ ভিতৰত)।

.....

.....

.....

২.৪ উৎপাদকৰ দৰ নির্দ্ধাৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব


প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব (Marginal Productivity Theory) টো আৰম্ভণিতে ৰিকার্ডো (Ricardo) আৰু ৱেষ্ট্ (West)এ ভূমিৰ খাজনা নির্দ্ধাৰণত ব্যৱহাৰ কৰিছিল। পাছত, জে বি ক্লাৰ্ক (J.B. Clark), জেভন্ছ (Jevons), ৱিক্ষ্টীড (Wicksteed) আৰু আন অৰ্থবিজ্ঞানীয়ে এই তত্ত্বৰ প্ৰতি অৱিহণা যোগায়। মজুৰি নির্দ্ধাৰণত এই তত্ত্বটো ব্যৱহাৰ কৰা এই অৰ্থবিজ্ঞানীসকলৰ মাজত জে বি ক্লাৰ্ক আছিল অগ্ৰগণ্য।

অভিধাৰণা (Assumptions) ঃ ক্লাৰ্কৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব নিম্নোল্লিখিত অভিধাৰণাসমূহৰ ওপৰত প্ৰতিষ্ঠিত ঃ

- ক্লাৰ্কে এক সম্পূৰ্ণ স্থিৰ (static) অৰ্থনীতিৰ ধাৰণা কৰিছে। এই অৰ্থত, অৰ্থনৈতিক বিকাশৰ গাঁথনিৰ পৰিৱৰ্তন, জনসংখ্যা বৃদ্ধি, উৎপাদনৰ প্ৰযুক্তিৰ পৰিৱৰ্তন, মূলধনৰ পৰ্যাপ্ততাৰ পৰিৱৰ্তন আদি নাকচ কৰা হৈছে।
- উৎপাদন আৰু উপাদানৰ দুয়োখন বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক।
- শ্ৰম আৰু মূলধন সম্পূৰ্ণৰূপে ভ্ৰাম্যমান। শ্ৰম একেজাতীয় (homogeneous)।
- মূলধনৰ গাঁথনিৰ পৰিৱৰ্তন আৰু সামৰ্থ্যৰ পৰিৱৰ্তন সাধন কৰিবলৈ উৎপাদনৰ মূলধনী আহিলাবোৰ ইচ্ছানুসৰি ব্যৱহাৰ কৰিব পাৰি।
- ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি (Law of diminishing returns) প্ৰযোজ্য।
- শ্ৰমিক নিয়োগ কৰা প্ৰতিষ্ঠানখনৰ মূল লক্ষ্য হৈছে সৰ্বোচ্চ লাভ অৰ্জন।

ওপৰৰ অভিধাৰণাবোৰৰ কথা বিবেচনা কৰি, এই কথা ক'ব পাৰি যে এজন বুদ্ধিমান নিয়োগকৰ্তাই সৰ্বাধিক সংখ্যক শ্ৰম ভাৰা কৰিব, যাতে তেওঁৰ হাতত থকা মূলধনী আহিলাবোৰ সম্পূৰ্ণৰূপে কামত লগাব পাৰে। এই কথা সহজে ব্যাখ্যা কৰিব পৰা যায় যে মূলধনী আহিলাৰ মজুত স্থিৰ হৈ থাকিলে প্ৰতিষ্ঠানে যেতিয়া শ্ৰমিকৰ সংখ্যা বৃদ্ধি কৰে, ইয়াৰ প্ৰান্তিক উৎপাদনশীলতা হ্ৰাস পাব। প্ৰকৃততে, যেতিয়ালৈকে তেওঁ শ্ৰমিকক দিবলগা মজুৰিতকৈ শ্ৰমিকৰ প্ৰান্তিক গোটে সৃষ্টি কৰা অতিৰিক্ত উৎপাদন অধিক হ'ব, তেতিয়ালৈকে তেওঁ অতিৰিক্ত শ্ৰমিক ভাৰা কৰি থাকিব। এই অৰ্থত নিয়োগকৰ্তাই সেই সময়ত ভাৰসমতা (equilibrium)ত উপনীত হ'ব, য'ত শ্ৰমৰ প্ৰান্তিক উৎপাদন মজুৰিৰ নিৰিখৰ সমান। ২.১ নং চিত্ৰৰ সহায়তো এইটো দেখুৱাব পাৰি।


চিত্ৰ ২.১ ঃ মজুৰিৰ নিৰিখ আৰু শ্ৰমৰ প্ৰান্তিক উৎপাদনৰ সম্পৰ্ক



২.১ নং চিত্রত দেখা গৈছে যে MP ৰেখাডালে শ্রমৰ নিম্নগামী প্রান্তিক উৎপাদন বুজাইছে। শ্রমৰ প্রান্তিক উৎপাদনৰ চলিত স্তৰ OWত প্রতিষ্ঠানটোৱে শ্রমিকৰ সংখ্যা ON নোহোৱালৈকে অতিৰিক্ত শ্রমিক নিয়োগ কৰি থাকিব। এই সীমাৰ পাছত প্রতিষ্ঠানটোৱে অতিৰিক্ত শ্রমিক নিয়োগ নকৰে, যিহেতু শ্রমৰ প্রান্তিক উৎপাদন চলিত নিৰিখ OWতকৈ কম হ'ব। এনেকৈ, E বিন্দুত প্রতিষ্ঠানটো ভাৰসমতাত উপনীত হৈছে। এই বিন্দুত MP ৰেখাই শ্রমিকৰ সংখ্যাৰ পৰিমাণ ONক কটাকটি কৰিছে।

এতিয়া, আমি মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰাত তত্ত্বটোৰ প্রয়োগ সম্পর্কে আলোচনা কৰিম। ক্লার্কে আঙুলিয়াই দিছে যে যেতিয়া সমাজত কর্ম সংস্থানহীনতা থাকে, তেতিয়া কর্মসংস্থান পাবলৈ নিবনুৱা শ্রমিকে নিজৰ মাজতে প্রতিযোগিতাত অৱতীর্ণ হ'ব। ই চলিত মজুৰিৰ নিৰিখ হ্রাস কৰিব। আনহাতে, শ্রমিকৰ প্রান্তিক উৎপাদনতকৈ চলিত মজুৰিৰ নিৰিখ কম হ'লে নিয়োগকর্তাই মজুৰিৰ নিৰিখ বঢ়াই দিব। এইটো এই কাৰণেই যেতিয়া শ্রমৰ প্রান্তিক উৎপাদনতকৈ মজুৰিৰ নিৰিখ কম হয়, তেতিয়া নিয়োগকর্তাৰ শ্রমিকৰ চাহিদা পর্যাপ্ত শ্রমিকতকৈ অধিক হ'ব। এনে পৰিস্থিতিত কম খৰছত অধিক শ্রমিক নিয়োগ কৰাটো নিয়োগকর্তাৰ বাবে অধিক লাভজনক হয়। এনেকৈ, শ্রমিকৰ এক নিদিষ্ট স্তৰত, প্রতিষ্ঠান এটাত অধিক শ্রমিক খটুৱাবলৈ নিয়োগকর্তাসকলৰ মাজত প্রতিযোগিতা হ'ব। ফলস্বৰূপে, শ্রমৰ বর্দ্ধিত চাহিদাই মজুৰিৰ নিৰিখ বৃদ্ধি কৰিব। ২.২ নং চিত্রৰ সহায়ত এই কথা ব্যাখ্যা কৰা হৈছে।

চিত্র ২.২ ঃ প্রান্তিক উৎপাদনশীলতাৰ দ্বাৰা মজুৰিৰ নিৰিখ নির্দ্ধাৰণ



২.২ নং চিত্রত দেখা গৈছে যে সমগ্র অর্থনীতিত ON পৰিমাণৰ শ্রমিক আছে বুলি আমি ধৰি লৈছোঁ। শ্রমিকৰ সংখ্যা যেতিয়া ON, শ্রমৰ প্রান্তিক উৎপাদন হৈছে ND। আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে শ্রমৰ প্রান্তিক উৎপাদনে ভাৰসাম্য মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰে। এনেকৈ, প্রান্তিক উৎপাদনৰ স্তৰ ND হওঁতে, ভাৰসাম্য মজুৰিৰ নিৰিখ হৈছে OW।

এতিয়া, OWতকৈ অধিক মজুৰিৰ এটা নিৰিখত, ধৰা হওক OW_2ত নিয়োজিত শ্রম শক্তি হ'ল ON_2। ই সম্পূর্ণ নিয়োজনৰ স্তৰ ONতকৈ কম। কাজেই নিয়োগ লাভ কৰিবলৈ নিবনুৱা (NN_2) সকলৰ মাজত প্রতিযোগিতা হ'ব আৰু অৱধাৰিতভাৱেই ই মজুৰিৰ নিৰিখ OWলৈ কমাই আনিব।

একেদৰে, OWতকৈ কম এক মজুৰিৰ নিৰিখত, ধৰা হওক OW_2, অধিক সংখ্যক শ্ৰমিক নিয়োগ কৰাটো নিয়োগকৰ্তাৰ বাবে লাভজনক হ'ব যিহেতু মজুৰিৰ নিৰিখ (OW_2) শ্ৰমৰ প্ৰান্তিক উৎপাদন (OW বা ND)তকৈ কম। এনেকৈ, শ্ৰমৰ মুঠ যোগান ONৰ বিপৰীতে শ্ৰমৰ চাহিদা হ'ব ON_1। ই নিয়োগকৰ্তাসকলৰ মাজত প্ৰতিযোগিতাৰ সৃষ্টি কৰিব আৰু শ্ৰমৰ যোগান যিহেতু স্থিৰ, গতিকে অৱশেষত মজুৰিৰ নিৰিখ OWলৈ বৃদ্ধি পাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ক্লাৰ্কৰ বিতৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্বৰ অভিধাৰণাবিলাক কি কি? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ যেতিয়া মজুৰিৰ নিৰিখ শ্ৰমৰ প্ৰান্তিক উৎপাদনশীলতা ৰেখাৰ তলত থাকে তেতিয়া নিয়োগকৰ্তাই তেওঁৰ শ্ৰমৰ যোগান কিয় বৃদ্ধি কৰিব বিচাৰে? ইয়াৰ পৰিণতি কি? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....


২.৫ মজুৰি আৰু যৌথ দৰদাম

যৌথ দৰদামৰ অৰ্থ (Meaning of Collective Bargaining) ঃ কিছুসংখ্যক আধুনিক অৰ্থবিজ্ঞানীয়ে মজুৰি নিৰ্দ্ধাৰণক যৌথ দৰদামৰ এটা প্ৰক্ৰিয়া হিচাপে আলোচনা কৰিছে। এই কথা নিশ্চিত যে এজন ব্যক্তিগত বনুৱাই তেওঁক প্ৰদান কৰা মজুৰিৰ নিৰিখ (wage rate) নিৰ্দ্ধাৰণত প্ৰভাৱ পেলাব নোৱাৰে। অৱশ্যে, যদি বনুৱাসকল সংগঠিত হয় আৰু তেওঁলোকে একোটা শ্ৰমিক সংস্থা (trade union) গঠন কৰে, বনুৱাসকলৰ দৰদাম কৰাৰ ক্ষমতা বৃদ্ধি হয় আৰু তেওঁলোকে চলিত মজুৰিৰ নিৰিখত প্ৰভাৱ পেলাব পাৰে। এই অৰ্থত, যৌথ দৰদামক এটা প্ৰক্ৰিয়া হিচাপে সংজ্ঞাবদ্ধ কৰিব পাৰি, য'ত নিয়োগৰ চৰ্তাৱলী শ্ৰমিক সংস্থাৰ প্ৰতিনিধি আৰু নিয়োগকৰ্তা (বা নিয়োগকৰ্তাৰ সংস্থা)ৰ প্ৰতিনিধিৰ মাজৰ পাৰস্পৰিক চুক্তিয়ে নিৰ্দ্ধাৰণ কৰে।

যৌথ দৰদাম আৰু মজুৰিৰ নিৰিখ নির্দ্ধাৰণ (Collective Bargaining and Wage Rate Determination) ঃ বিভিন্ন বজাৰ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি যৌথ দৰদাম আৰু মজুৰিৰ নিৰিখ নির্দ্ধাৰণত ইয়াৰ প্রভাৱ সম্পর্কে এলানি তত্ত্ব আছে। এই অধ্যায়ত আমি উইলিয়াম ফেলনাৰ (William Fellner)ৰ যৌথ দৰদামৰ আর্হি সম্পর্কে আলোচনা কৰিম। ফেলনাৰৰ আর্হিটোৱে দ্বিপাক্ষিক একচেটিয়া (bilateral monopoly) বজাৰ গাঁথনিৰ ধাৰণা গ্রহণ কৰিছে। এই আর্হিত দুটা পৰিস্থিতিত যৌথ প্রচেষ্টাৰ জৰিয়তে মজুৰি নির্দ্ধাৰণ সম্পর্কে আলোচনা কৰা হৈছে ঃ প্রথমতে, শ্রমিক সংস্থা (trade union)ই সর্বাধিক সম্ভৱপৰ (maximum possible) মজুৰি আহৰণ কৰিবলৈ চেষ্টা কৰে আৰু এই মজুৰিৰ নিৰিখে নিয়োগ সৃষ্টিত পেলাব পৰা প্রভাৱ সম্পর্কে শ্রমিক সংস্থাটো নিৰপেক্ষ (indifferent) হৈ থাকে; দ্বিতীয়তে, মজুৰিৰ নিৰিখ আৰু নিয়োগ সৃষ্টিৰ মাজত সংস্থাই এক নিশ্চিত সম্ভাৱনাপূর্ণ বুজাপৰা বিচাৰে। দুয়োটা আর্হিতে নিৰপেক্ষ ৰেখা (indefference curve) কৌশল আৰু ARP আৰু MRP ৰেখা ব্যৱহৃত হৈছে।

পৰিস্থিতি (১) ঃ শ্রমিক সংস্থাই সর্বাধিক সম্ভৱপৰ মজুৰি আহৰণ কৰিবলৈ চেষ্টা কৰে আৰু নিয়োগত ইয়াৰ প্রভাৱ সম্পর্কে নিৰপেক্ষ হৈ থাকে ঃ এই ক্ষেত্রত, ৰেখাডালৰ আকৃতি হৈছে লম্ব (horizontal straight line)। x- অক্ষৰ পৰা উচ্চতৰ নিৰপেক্ষ ৰেখাবিলাকে শ্রমিক সংস্থাৰ সন্তুষ্টিৰ উচ্চস্তৰ বুজায়। ২.৩ নং চিত্রৰ সহায়ত যৌথ দৰদাম আৰু মজুৰিৰ নিৰিখ নির্দ্ধাৰণৰ প্রক্রিয়া দেখুওৱা হৈছে।

চিত্র ২.৩ ঃ যৌথ দৰদামৰ অধীনত মজুৰি নির্দ্ধাৰণ (নিয়োগ সৃষ্টিত মজুৰিৰ নিৰিখৰ প্রভাৱ সম্পর্কে শ্রমিক সংস্থা যেতিয়া নিৰপেক্ষ হৈ থাকে)



২.৩ নং চিত্রত দেখা গৈছে যে, ক্রমাগত নিৰপেক্ষ ৰেখাবিলাক ইয়াৰ আগৰ নিৰপেক্ষ ৰেখাডালতকৈ ক্রমাগতভাৱে উচ্চস্থানত অৱস্থান কৰিছে। ইয়াৰ অর্থ হৈছে আমি IC_1ৰ পৰা IC_2 লৈ, IC_2পৰা IC_3 লৈ আৰু IC_3ৰ পৰা IC_4 লৈ গতি কৰাৰ লগে লগে এই ক্রমাগত

নিৰপেক্ষ ৰেখাবিলাকৰ মাজৰ দূৰত্ব বৃদ্ধি হৈছে। এনেকৈ, $W_1W_2>OW_1$; $W_3W_2>W_1W_2$ আৰু এনেদৰে চলি থাকিব। এনেকুৱা এইবাবেই হয় কাৰণ, আমি যিমানে সন্তুষ্টিৰ উচ্চস্তৰলৈ গতি কৰোঁ, সন্তুষ্টিৰ এক নীৰৱছিন্ন উত্থান উৎপন্ন কৰিবলৈ মজুৰিৰ নিৰিখ বৃদ্ধি হোৱাটো আৱশ্যক। এইটো দৰাচলতে মানুহৰ এক মৌলিক প্রবৃত্তি।


এতিয়া, আমি যেতিয়া ক'লোঁ যে শ্রমিক সংস্থাই সর্বাধিক সম্ভৱপৰ মজুৰি আহৰণ কৰিবলৈ যত্ন কৰে, ইয়াৰ দ্বাৰা এইটো বুজিব পাৰি যে মজুৰিৰ নিৰিখৰ ক্ষেত্রত শ্রমিক সংস্থাই প্রকৃততে এক নিশ্চিত সীমাবদ্ধতাৰ সন্মুখীন হয়। আন কথাত, মজুৰিৰ নিৰিখৰ এক সর্বাধিক সম্ভৱপৰ সীমা আৰু এক সর্বনিম্ন সীমা আছে। সাধাৰণতে, নিয়োগকর্তাই ARPৰ সর্বাধিক স্তৰৰ ওপৰত মজুৰি আদায় দিয়াটো প্রায় অসম্ভৱ। কাৰণ, তেতিয়া নিয়োগকর্তাই ব্যয় হিচাপে (যেনে-মজুৰি) ভৰিবলগা লোকচান গড় ৰাজহ (যেনে, ARP)তকৈ অধিক হ'ব; এনে পৰিস্থিতিত তেওঁ তেওঁৰ প্রতিষ্ঠান বন্ধ কৰাৰ কথা বিবেচনা কৰিব। এনেকুৱা হ'লে সকলো বনুৱা কর্মহীন হ'ব। সেয়ে, সর্বাধিক ARPৰ সমান বা সর্বাধিক মজুৰিৰ ওচৰ-পাঁজৰৰ মজুৰিহে শ্রমিক সংস্থাই আহৰণ কৰিবলৈ চেষ্টা কৰিব। এনেকৈ, ARP ৰেখাৰ সর্বোচ্চ বিন্দু তথা নিৰপেক্ষ ৰেখাৰ স্পর্শক বিন্দুত নির্দ্ধাৰিত মজুৰিৰ নিৰিখেই হৈছে শ্রমিক সংস্থাই আহৰণ কৰিবলৈ সক্ষম হোৱা সর্বাধিক সম্ভৱপৰ মজুৰি। ওপৰৰ চিত্রত OW_3 হৈছে এনে এক মজুৰিৰ নিৰিখ। কাৰণ এই মজুৰিৰ নিৰিখক প্রতিনিধিত্ব কৰা e বিন্দুত ARP, MRP আৰু IC_3 ৰেখাকেইডালে কটাকটি কৰিছে।

এই সর্বাধিক সম্ভৱপৰ মজুৰিৰ নিৰিখৰ বিপৰীতে সর্বনিম্ন মজুৰিৰ ক্ষেত্রত, যাৰ তললৈ গ'লে শ্রমিক সংস্থাই কাম নকৰিব বা ধর্মঘট কৰিব, সেয়া সঠিকভাৱে নির্ণয় কৰিব নোৱাৰি। অৱশ্যে, যদিও আগতীয়াকৈ নির্ণয় কৰিব নোৱাৰি, তথাপি এই কথা বুজিব পাৰি যে কার্যক্ষেত্রত মজুৰিৰ নিৰিখৰ এটা নিম্নতম সীমা (lower limit) থাকে, যাৰ তললৈ গ'লে শ্রমিক সংস্থাই কাম কৰিবলৈ অস্বীকাৰ কৰিব। কিয়নো, শ্রমিক সংস্থাবিলাক অধিক মজুৰিৰ বাবে দৰদাম কৰিবলৈ গঠিত হয়। যদি অধিক মজুৰি আদায় কৰিব পৰা নাযায়, শ্রমিক সংস্থাৰ সদস্যই সংস্থাত সোমাই থকাটো অসাৰ বুলি অনুভৱ কৰিব আৰু পৰিণামস্বৰূপে সংস্থা ভাগি যাব। সেয়ে, এই নিম্নতম স্তৰৰ ওপৰত আৰু সর্বাধিক সম্ভৱপৰ মজুৰিৰ সমান বা সন্নিকট মজুৰি পাবলৈ শ্রমিক সংস্থাই সদায় দৰদাম কৰিব। মজুৰিৰ নিৰিখৰ নিম্নতম সীমা এই উপাদানবিলাকৰ ওপৰত নির্ভৰ কৰে ঃ (ক) গড় ৰাজহ উৎপাদনশীলতা (ARP), (খ) সংস্থা অথবা কর্মচাৰীৰ পাৰস্পৰিক শক্তি, (গ) অর্থনীতিৰ ব্যৱসায়িক অৱস্থা, (ঘ) উৎপাদিত সামগ্রীৰ চাহিদাৰ প্রকৃতি, (ঙ) শ্রম আৰু মূলধনৰ মাজৰ সালসলনিৰ স্থিতিস্থাপকতা, (চ) চলিত মজুৰিৰ নিৰিখ, (ছ) জীৱন নির্বাহৰ ব্যয়, ইত্যাদি।

পৰিস্থিতি (২) ঃ মজুৰি আৰু নিয়োগ সৃষ্টিৰ মাজত শ্রমিক সংস্থাই এক সমতা আহৰণ কৰিব বিচাৰে ঃ ওপৰত বর্ণিত প্রথম পৰিস্থিতিটো কেৱল একোখন ব্যক্তিগত প্রতিষ্ঠানৰ ক্ষেত্রততহে সম্ভৱপৰ হয়। কিন্তু নিয়োগকর্তাৰ সংস্থাৰ সৈতে যেতিয়া ঔদ্যোগিক শ্রমিক সংস্থা

(একোটা ব্যক্তিগত প্রতিষ্ঠানৰ শ্রমিক সংস্থাতকৈ ডাঙৰ)ই আলোচনা কৰে, তেতিয়া সংস্থাই নিয়োগ সৃষ্টিত মজুৰিৰ নিৰিখৰ প্রভাৱৰ কথা বিবেচনা কৰিব লগা হয়। এইটো এই কাৰণেই আৱশ্যক, কাৰণ প্রতিষ্ঠানবিলাক বেলেগ বেলেগ ব্যয় ব্যৱস্থাৰ অধীনত পৰিচালিত হোৱা হেতুকে ব্যৱসায়ত লোকচানৰ সন্মুখীন হৈ কেতবোৰ নির্দিষ্ট প্রতিষ্ঠান বন্ধ কৰিব লগা হয়। এনে ক্ষেত্রত সেই নির্দ্দিষ্ট প্রতিষ্ঠানৰ কর্মচাৰীসকল নিবনুৱা হৈ পৰে। সেয়ে, আন প্রতিষ্ঠানত নিয়োগৰ সুযোগ নাথাকিলে কর্মচাৰীসকলে জীৱিকা আহৰণত জটিলতাৰ সন্মুখীন হয়। ২.৪ নং চিত্রৰ সহায়ত এই কথা আলোচনা কৰা হৈছে।

চিত্র ২.৪ ঃ যৌথ দৰদামৰ অধীনত মজুৰি নির্দ্ধাৰণ (যেতিয়া শ্রমিক সংস্থাই মজুৰিৰ নিৰিখ আৰু নিয়োগ সৃষ্টিৰ মাজত এক সমতা বিচাৰে)



২.৪ নং চিত্রত দেখা গৈছে যে IC_4 নিৰপেক্ষ ৰেখাত সংস্থাই সর্বাধিক সন্তুষ্টি আৰু নিয়োগ সৃষ্টিৰ সর্বোত্তম সমতা আহৰণ কৰিছে; কিয়নো এইডাল হৈছে সর্বোচ্চ নিৰপেক্ষ ৰেখা যি e বিন্দুত MRP ৰেখাক স্পর্শ কৰিছে। এনেকৈ e বিন্দু স্পর্শ কৰাৰ সময়ত সংস্থাটোৱে OW স্তৰৰ মজুৰি লাভ কৰিছে আৰু নিয়োগৰ স্তৰ হৈছে ON। e বিন্দুটো প্রকৃততে ARP ৰেখাৰ উচ্চতম বিন্দু Tৰ নিকটৱর্তী। সংস্থাই এই স্তৰ আহৰণ কৰিব নোৱাৰে, যিহেতু বর্তমানৰ আকৃতিত থকা একোডাল নিৰপেক্ষ ৰেখাই এই বিন্দুটো স্পর্শ কৰিব নোৱাৰে। আনহাতে, নিয়োগকর্তাৰ সংস্থাই MRP ৰেখাৰ e বিন্দুতকৈ এটা নিম্নতম বিন্দুলৈ গতি কৰিবলৈ চেষ্টা কৰিব। কাৰণ, ই উৎপাদনৰ ব্যয় হ্রাস কৰিব আৰু ইয়াৰ মুনাফা বৃদ্ধি কৰিব। সেয়ে মজুৰিৰ নিৰিখ আৰু নিয়োগৰ সমতা স্থাপনক লৈ উদ্যোগৰ সংস্থা আৰু নিয়োগকর্তাৰ সংস্থাৰ মাজত দৰদাম চলি থাকিব। এইক্ষেত্রত ফলাফল নির্দ্ধাৰণকাৰী উপাদানবিলাকৰ মাজত অন্যতম হ'ল উভয় পক্ষৰ তুলনামূলক শক্তি/স্থিতি। এই সম্পর্কে আমি পূর্বৰ পৰিস্থিতিত আলোচনা কৰিছোঁ। পূর্বৰ পৰিস্থিতিত আমি ইতিমধ্যে কৈ আহিছোঁ যে এটা নির্দিষ্ট নিম্নতম সীমা থাকে, যাৰ তললৈ গ'লে সংস্থাটো এই MRP ৰেখাডাললৈ নাহে। আমি ধৰি ল'ব পাৰোঁ যে M হৈছে

এনে এটা বিন্দু, য'ত নিৰপেক্ষ ৰেখা IC_2 য়ে MRP ৰেখাক স্পর্শ কৰিছে। এই বিন্দুত মজুৰিৰ নিৰিখ হৈছে OL আৰু নিয়োগৰ সুবিধা হৈছে OM। এনেকৈ, শ্রমিক সংস্থাই এই নিম্নতম স্তৰ OLৰ ওপৰত আৰু OW স্তৰত বা তাৰ ওচৰত মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰিবলৈ চেষ্টা কৰিব। অৱশ্যে দুয়োটা পক্ষৰ পাৰস্পৰিক শক্তিয়েহে সঠিক মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰিব। যদি শ্রমিক সংস্থাৰ দৰদাম কৰাৰ ক্ষমতা বেছি, সঠিক মজুৰিৰ নিৰিখ OWত বা তাৰ ওচৰত হ'ব। একেদৰে, যদি নিয়োগকর্তা সংস্থাৰ দৰদাম কৰাৰ ক্ষমতা অধিক, মজুৰিৰ সঠিক নিৰিখ OLত বা তাৰ ওপৰত নির্দ্ধাৰিত হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক

(ক) যৌথ দৰদামৰ এটা প্রক্রিয়া হিচাপে মজুৰি নির্দ্ধাৰণৰ আধুনিক তত্ত্বটো আলফ্রেড মার্ছালে আগবঢ়াইছে। (শুদ্ধ/অশুদ্ধ)

(খ) উইলিয়াম ফেলনাৰে ব্যাখ্যা কৰা মজুৰি নির্দ্ধাৰণৰ আধুনিক তত্ত্বটোত তিনিটা পক্ষ আছে ঃ (ক) শ্রমিক সংস্থা, (খ) নিয়োগকর্তা আৰু (গ) উভয়ৰ মাজৰ মধ্যস্থতাকাৰীসকল। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৭ ঃ নিয়োগকর্তা আৰু শ্রমিক সংস্থাৰ মাজৰ দৰদামৰ প্রক্রিয়াত কেনেকৈ মজুৰিৰ সঠিক নিৰিখ নির্দ্ধাৰিত হয়? (৬০টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ মজুৰি নিৰিখৰ নিম্নতম সীমাৰ ওপৰত প্রভাৰ পেলোৱা উপাদানবিলাক উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ক্লার্কে আঙুলিয়াই দিছে যে যেতিয়া সমাজত কর্মসংস্থানহীনতা থাকে, তেতিয়া কর্মসংস্থান পাবলৈ নিবনুৱা শ্রমিকে নিজৰ মাজতে প্রতিযোগিতাত অৱতীর্ণ হ'ব। ই চলিত মজুৰিৰ নিৰিখ হ্রাস কৰিব।
- শ্রমিকৰ প্রান্তিক উৎপাদনতকৈ চলিত মজুৰিৰ নিৰিখ কম হ'লে, কম খৰছত অধিক শ্রম শক্তি নিয়োগ কৰাটো নিয়োগকর্তাৰ বাবে লাভজনক হয়। এনেকৈ, অর্থনীতিৰ নির্দিষ্ট এক শ্রমিকৰ স্তৰত প্রতিষ্ঠানত অধিক শ্রমিক খটুৱাবলৈ নিয়োগকর্তাসকলৰ মাজত প্রতিযোগিতা হ'ব। শ্রমৰ এই বর্দ্ধিত চাহিদাই মজুৰিৰ নিৰিখ বৃদ্ধি কৰিব।
- যৌথ দৰদামক এক প্রক্রিয়া হিচাপে সংজ্ঞাবদ্ধ কৰিব পাৰি, য'ত নিয়োগৰ চর্তাৱলী শ্রমিক সংস্থাৰ প্রতিনিধি আৰু নিয়োগকর্তা (বা নিয়োগকর্তাৰ সংস্থা)ৰ প্রতিনিধিৰ মাজৰ পাৰস্পৰিক চুক্তিৰ দ্বাৰা নির্দ্ধাৰিত হয়।
- মজুৰিৰ নিৰিখৰ নিম্নতম সীমা কেইবাটাও উপাদানৰ ওপৰত নির্ভৰ কৰে।



২.৭ অধিক জানিবৰ বাবে

1) Ahuja, H. L. (2007). *Advanced Economic Theory: Microeconomic Analysis*. New Delhi: S.Chand & Company Ltd.
2) Chopra, P. N. (2008). *Micro Economics*. Ludhiana: Kalyani Publishers.
3) Dewett, K. K. (2005). *Modern Economic Theory*. New Delhi: S.Chand & Sons.
4) Sundharam, K. P. M., & Vaish, M. C. (1997). *Microeconomic Theory*. New Delhi: S. Chand.

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, ড° অতুল. (২০০৫). *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ব).* ডিব্রুগড় ঃ ষ্টুডেণ্টচ্ এম্পা'ৰিয়াম.

২) আলম, ড° খুৰছেদ; হুদা, ড° মনিৰুল আৰু শর্মা, ড° অর্চনা. (২০০৪). *স্নাতক মহলাৰ অর্থতত্ব (ব্যষ্টিগত অর্থবিজ্ঞান).* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টা'ৰ্চ, ।

৩) হুদা, ড° মনিৰুল. (২০০৭). *অর্থনীতি তত্ব ঃ ব্যষ্টিগত অর্থনৈতিক তত্ব,* ডিব্রুগড় ঃ বনলতা.

২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ এক নির্দিষ্ট সময়ত এজন শ্রমিকে লাভ কৰা মজুৰিৰ ধনেৰে তেওঁ ক্রয় কৰিব পৰা সামগ্রী আৰু সেৱাৰ পৰিমাণেই হৈছে প্রকৃত মজুৰি। গতিকে, প্রকৃত মজুৰি দুটা উপাদনৰ ওপৰত নির্ভৰ কৰে। প্রথমতে, মজুৰিৰ ধনৰ পৰিমাণ, আৰু দ্বিতীয়তে অর্থনীতিৰ মূল্যস্তৰ। প্রকৃত মজুৰি এইদৰে উলিয়াব পাৰি ঃ

$$R = \frac{W}{P}$$

ইয়াত, R = Real wages (প্রকৃত মজুৰি), W = Money wages (মুদ্রা মজুৰি) আৰু P = Price level (মূল্য স্তৰ)।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন নির্ণায়ক কাৰকসমূহৰ ভিতৰত প্রকৃত মজুৰি নির্ণয়কাৰী চাৰিটা কাৰক হ'ল -

- অর্থনীতিৰ মূল্যস্তৰ,
- মুদ্রা মজুৰি,
- কামৰ অৱস্থা আৰু
- ভৱিষ্যত পদোন্নতিৰ সম্ভাৱনা।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক্লার্কৰ প্রান্তিক উৎপাদনশীলতা তত্ত্ব নিম্নোল্লিখিত ধাৰণাসমূহৰ ওপৰত প্রতিষ্ঠিত ঃ

- ক্লার্কে এক সম্পূর্ণ স্থিৰ (static) অর্থনীতিৰ ধাৰণা কৰিছে।
- উপাদানৰ বজাৰখন পূর্ণ প্রতিযোগিতামূলক।
- শ্রম আৰু মূলধন সম্পূর্ণৰূপে ভ্রাম্যমান। শ্রম একেজাতীয় (homogeneous)।
- মূলধনৰ গাঁথনিৰ পৰিৱর্তন আৰু সামর্থ্যৰ পৰিৱর্তন সাধন কৰিবলৈ উৎপাদনৰ মূলধনী আহিলাবোৰ ইচ্ছানুসৰি ব্যৱহাৰ কৰিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ শ্রমিকৰ প্রান্তিক শক্তিৰ প্রান্তিক উৎপাদনতকৈ চলিত মজুৰিৰ নিৰিখ কম হ'লে কম খৰছত অধিক শ্রম শক্তি নিয়োগ কৰাটো নিয়োগকর্তাৰ বাবে লাভজনক হয়। অর্থাৎ, অর্থনীতিত শ্রমৰ যোগান থাকিলে প্রতিষ্ঠানত অধিক শ্রমিক খটুৱাবলৈ নিয়োগকর্তাসকলৰ মাজত প্রতিযোগিতা হ'ব। শ্রমৰ এই বর্দ্ধিত চাহিদাই মজুৰিৰ নিৰিখ বৃদ্ধি কৰিব।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৭ নং প্রশ্নৰ উত্তৰ ঃ দুয়োটা পক্ষৰ পাৰস্পৰিক শক্তিৰ দ্বাৰা মজুৰিৰ সঠিক নিৰিখ নির্দ্ধাৰিত হয়। শ্রমিক সংস্থাবিলাকৰ দৰদাম কৰাৰ ক্ষমতা যদি অধিক হয়, মজুৰিৰ প্রকৃত

নিৰিখ ইয়াৰ সৰ্বাধিক সম্ভৱপৰ উচ্চ সীমাত বা তাৰ ওচৰত হ'ব। একেদৰে, যদি নিয়োগকৰ্তাৰ সংস্থাৰ দৰদাম কৰাৰ ক্ষমতা অধিক হয়, তেন্তে মজুৰিৰ প্ৰকৃত নিৰিখ নিম্নতম সীমাত বা তাৰ ওপৰত নিৰ্দ্ধাৰিত হ'ব যাৰ তললৈ গ'লে সংস্থাই কাম নকৰিব।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মজুৰিৰ নিৰিখৰ নিম্নতম সীমা এই উপাদানবিলাকৰ ওপৰত নিৰ্ভৰ কৰে ঃ

- গড় ৰাজহ উৎপাদনশীলতা (ARP)
- সংস্থা অথবা কৰ্মচাৰীৰ পাৰস্পৰিক শক্তি
- অৰ্থনীতিৰ ব্যৱসায়িক অৱস্থা
- উৎপাদিত সামগ্ৰীৰ চাহিদাৰ প্ৰকৃতি
- শ্ৰম আৰু মূলধনৰ মাজৰ সালসলনিৰ স্থিতিস্থাপকতা
- চলিত মজুৰিৰ নিৰিখ
- জীৱন নিৰ্বাহৰ ব্যয়, ইত্যাদি।



২.৯ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ চমু টোকা লিখক ঃ

(ক) আধুনিক অৰ্থনৈতিক তত্ত্বত মজুৰি (খ) যৌথ দৰদাম

প্ৰশ্ন নং ২ ঃ যৌথ দৰদাম আৰু মজুৰিৰ নিৰিখ নিৰ্দ্ধাৰণৰ মাজৰ সম্পৰ্ক দেখুৱাওক।

দীঘল প্ৰশ্ন (৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ ক্লাৰ্কৰ মজুৰি নিৰ্দ্ধাৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্বটো আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ যৌথ দৰদামৰ ধাৰণা সম্পৰ্কে আলোচনা কৰক। একত্ৰিত দৰদামৰ একোটা প্ৰক্ৰিয়াত শ্ৰমিক সংস্থাই কেনেকৈ মজুৰিৰ নিৰিখ আৰু নিয়োগ সৃষ্টিৰ মাজৰ এক সমতাত উপনীত হয়?

*** ***** ***

গুৰুত্বপূর্ণ টোকা ঃ মজুৰি আৰু উৎপাদনশীলতাৰ মাজৰ সম্পর্ক

আমি ইতিমধ্যে প্রথম যান্মাসিকত আলোচনা কৰিছোঁ যে দীর্ঘকালত পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অধীনত উৎপাদিত সামগ্রীৰ মূল্য উৎপাদনৰ প্রান্তিক আৰু গড় ব্যয়ৰ সমান। একেদৰে, দীর্ঘকালত পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অধীনত মজুৰিৰ নিৰিখ শ্রমৰ প্রান্তিক আৰু গড় ৰাজহ উৎপাদনৰ সমান। এতিয়া, সেইবিলাকৰ আন্তঃসম্পর্কৰ বিষয়ে আলোচনা কৰাৰ পূর্বে আমি ধাৰণাবিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

প্রান্তিক বস্তুগত উৎপাদনশীলতা (Marginal Physical Productivity-MPP) ঃ MPPয়ে উৎপাদনৰ আন উপাদানবিলাকৰ পৰিমাণ অপৰিৱর্তিত থাকিলে, শ্রমৰ এটা অতিৰিক্ত একক (unit) নিয়োগ কৰি মুঠ বস্তুগত উৎপাদন (অর্থাৎ উৎপাদনৰ পৰিমাণ)-ত হোৱা অতিৰিক্ত উৎপাদন বুজায়। এই MPPক যেতিয়া ৰাজহ (মূল্য) বুজাবলৈ প্রকাশ কৰা হয়, তেতিয়া ইয়াক কোৱা হয় প্রান্তিক ৰাজহ উৎপাদনশীলতা বা প্রান্তিক ৰাজহ উৎপাদন (Marginal Revinue Product)।

(টোকা ঃ এই কথা মন কৰিবলগীয়া যে, প্রান্তিক মূল্য উৎপাদন (MVP : Marginal Value Product) নামেৰে আন এটা ধাৰণা আছে। পূর্ণ প্রতিযোগিতামূলক বজাৰত MVP আৰু MRP সমান, যিহেতু দৰ =AR=MR। অপূর্ণ প্রতিযোগিতামূলক বজাৰত অৱশ্যে, এই দুটা সমান নহয়।)

গড় ৰাজহ উৎপাদনশীলতা (Average Revenue Productivity-ARP) ঃ ARP হৈছে উৎপাদনৰ প্রতি একক উপাদানৰ গড় ৰাজহ। উৎপাদনৰ মুঠ পৰিমাণৰ দ্বাৰা মুঠ ৰাজহ উৎপাদন (Total Revinue Product) পৃথক কৰিলে ইয়াক পোৱা যায়।

তলৰ তালিকা ২.কৰ সহায়ত MRP আৰু ARPৰ মাজৰ সম্পর্ক দেখুওৱা হৈছে।

তালিকা ২.ক ঃ TRP, ARP আৰু MRPৰ মাজৰ সম্পর্ক

শ্রমৰ একক	মুঠ বস্তুগত উৎপাদন (TPP) (একক)	মুঠ ৰাজহ উৎপাদন উৎপাদন (TRP=মূল্য × TPP) (প্রতি এককত ৩ টকা)	গড় ৰাজহ উৎপাদন (ARP)	প্রান্তীয় ৰাজহ উৎপাদন (MRP)
(১)	(২)	(৩)= (২) × ৩ টকা	(৪)=(৩)/(১)	(৫)*
১	৫	১৫	১৫	১৫
২	১১	৩৩	১৬.৫	১৮
৩	১৮	৫৪	১৮	২১
৪	২৬	৭৮	১৯.৫	২৪
৫	৩৩	৯৯	১৯.৮	২১
৬	৩৯	১১৭	১৯.৫	১৮
৭	৪৪	১৩২	১৮.৮	১৫
৮	৪৮	১৪৪	১৮	১২
৯	৫১	১৫৩	১৭	৯


কিছুমান ক্ষেত্রত ARP আৰু MRPৰ মাজৰ সম্পর্ক AC আৰু MCৰ মাজৰ সম্পর্কৰ সৈতে একে। এই ধাৰণাবিলাকৰ মাজৰ মৌলিক পার্থক্যটো হৈছে যে AC ৰেখাডালৰ আকৃতি Uৰ দৰে হোৱাৰ বিপৰীতে, ARP ৰেখাডাল ওলোটা Uৰ দৰে। MRPৰ আকৃতিও MC

ৰেখাডালৰ ওলোটা হয়। ইয়াৰ কাৰণ হৈছে, আৰম্ভণিৰ পর্যায়ত যেতিয়া শ্রমৰ এককবিলাক বৃদ্ধি হয় (তালিকাত, শ্রমৰ ৫ম একক ব্যৱহৃত নোহোৱালৈকে), ARP বৃদ্ধি পায়; কিন্তু এটা পর্যায়ৰ পাছত, ই হ্রাস পাবলৈ আৰম্ভ কৰে (শ্রমৰ ৬ষ্ঠ একক আৰু ততোধিক ব্যৱহাৰৰ পাছত)।

একেদৰে শ্রমৰ ৪র্থ একক পর্যন্ত, ARPতকৈ MRP অধিক বৃদ্ধি পায়, কিন্তু শ্রমৰ পঞ্চমটো একক বা ততোধিক ব্যৱহাৰৰ পাছত, ই ARPতকৈ অধিক ক্ষিপ্রতাৰে নামি আহে।

চিত্র ২.কৰ সহায়ত ARP আৰু MRPৰ মাজৰ সম্পর্ক ৰেখাৰদ্বাৰা দেখুওৱা হৈছে।

চিত্র ২.ক ঃ ARP আৰু MRPৰ মাজৰ সম্পর্ক



———————ooo———————

অধ্যায় ৩ ঃ খাজনা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ খাজনাৰ প্ৰাথমিক ধাৰণা
৩.৪ খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব
৩.৫ উপভোক্তাৰ ৰাহি সন্দৰ্ভত মার্ছালৰ ধাৰণা
৩.৬ আধা খাজনা
৩.৭ খাজনা আৰু মূল্যৰ মাজৰ আন্তঃসম্পৰ্ক
৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৯ অধিক জানিবৰ বাবে
৩.১০ অগ্ৰগতিৰ খতিয়ান
৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- খাজনাৰ কেতবোৰ মৌলিক ধাৰণা, মূলতঃ ইয়াৰ অর্থ, অর্থনৈতিক খাজনা আৰু চুক্তি খাজনাৰ মাজৰ পার্থক্য আৰু এক উদ্বৃত্ত হিচাপে খাজনা আদি আলোচনা কৰিব পাৰিব
- খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- উপভোক্তাৰ ৰাহি সন্দৰ্ভত মার্ছালৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- আধা খাজনা (Quasi-Rent) আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব
- খাজনা আৰু মূল্যৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

সাধাৰণতে, 'খাজনা' শব্দটো এক বিস্তৃত অর্থত ব্যৱহাৰ কৰা হয়— একোটা ভাৰাৰ নিৰিখ বুজাবলৈ। আমি এই শব্দটো একোটা ঘৰৰ ভাৰা, মেচিনৰ ভাৰা বুজাবলৈ ব্যৱহাৰ কৰোঁ। কিন্তু অর্থবিজ্ঞানত 'খাজনা' শব্দটোৰ এক বিশেষ ব্যৱহাৰ আছে। অর্থবিজ্ঞানত এই শব্দটো এক উদ্বৃত্ত (surplus)ৰ অর্থত বিস্তৃতভাৱে ব্যৱহৃত হয়। এই অধ্যায়ত খাজনাৰ এনেধৰণৰ মৌলিক ধাৰণাবিলাকৰ বিষয়ে সবিশেষ আলোচনা কৰা হৈছে। এইবিলাকৰ উপৰি, এই অধ্যায়ত খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব সম্পৰ্কেও আলোচনা কৰা হৈছে। এই অধ্যায়ৰ

শেষত, আপোনালোকে আধা খাজনা (Quasi-Rent)ৰ ধাৰণাৰ বিষয়ে তথা খাজনা আৰু মূল্যৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.৩ খাজনাৰ প্ৰাথমিক ধাৰণা

খাজনাৰ বিষয়ে আমি সবিশেষ আলোচনা কৰাৰ আগতে খাজনাৰ অৰ্থ আৰু আন আনুষংগিক মৌলিক ধাৰণাবিলাকৰ বিষয়ে আলোচনা কৰাটো আমাৰ সহায়ক হ'ব।

আমি ইতিমধ্যে কৈছোঁ যে সাধাৰণতে, একোটা ভাৰাৰ নিৰিখ বুজাবলৈ 'খাজনা' শব্দটো এক ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হয়। এনেকৈ, একোটা ঘৰ, যন্ত্ৰ ইত্যাদিৰ ভাৰা বুজাবলৈ আমি এই শব্দটো ব্যৱহাৰ কৰোঁ। কিন্তু অৰ্থবিজ্ঞানত, 'খাজনা' শব্দটোৰ এক বিশেষ ব্যৱহাৰ আছে। আৰম্ভণিতে, অৰ্থবিজ্ঞানত ভূমিৰ ব্যৱহাৰৰ বাবদ দিব লগা হোৱা মূল্য বুজাবলৈ এই শব্দটো ব্যৱহাৰ কৰা হৈছিল। কিন্তু এতিয়া, এই শব্দটো উৎপাদনৰ যিকোনো উদ্বৃত্ত আয় বুজাবলৈও ব্যৱহাৰ কৰা হয়; যিটো উপাদানৰ সেৱা লাভ কৰিবলৈ আদায় দিয়া ব্যয়ৰ ওপৰঞ্চি। আধুনিক অৰ্থনৈতিক তত্ত্বত, তলত দিয়া অৰ্থত খাজনা শব্দটো ব্যৱহাৰ কৰা হয় ঃ

- প্ৰথমতে, এই শব্দটোৱে উৎপাদনৰ স্থিৰ উপাদানবিলাক ব্যৱহাৰ কৰাৰ বাবদ দিব লগা ভাৰা বুজায়, যিবোৰ উপাদানৰ উপস্থিতি কোনো মানৱীয় কাম-কাজ বা ত্যাগৰ ওপৰত নিৰ্ভৰশীল নহয়। আমি জানোঁ যে ভূমি হৈছে এনেকুৱা এবিধ উপাদান; কাৰণ ভূমি হৈছে প্ৰকৃতিৰ মুক্ত উপহাৰ আৰু ইয়াৰ যোগান বৃদ্ধি কৰিব নোৱাৰি। কাজেই, আধুনিক অৰ্থবিজ্ঞানত ভূমিৰ খাজনাক খাজনাৰ এটা অংশ বুলি ধৰা হয়।
- দ্বিতীয়বিধ খাজনা অৰ্থনৈতিক খাজনা (economic rent)ৰ সৈতে সম্পৃক্ত। অৰ্থনৈতিক খাজনা মানে উৎপাদনৰ উপাদানৰ এটা এককে উদ্যোগ অথবা বৃত্তিত ব্যৱহাৰ হৈ থাকিবলৈ আৱশ্যক হোৱা ন্যূনতম আয় (earnings)ৰ ওপৰত ই অৰ্জন কৰা উদ্বৃত্ত (surplus)।
- তৃতীয়তে, মাৰ্ছাল্ (Marshall)-এ স্থিৰ মূলধনী আহিলা (fixed capital equipment) ৰ হ্ৰস্বকালীন আয় (প্ৰকৃত বা মূল্যৰ হ্ৰাস আৰু সুতৰ নিৰিখ) বুজাবলৈ খাজনাৰ ধাৰণাটো ব্যৱহাৰ কৰিছিল। ইয়াৰ কাৰণ হৈছে, ঠিক ভূমিৰ দৰে, হ্ৰস্বকালত স্থিৰ মূলধনী আহিলাৰ যোগানো অস্থিতিস্থাপক। অৱশ্যে, যিহেতু এই মূলধনী আহিলাবোৰ ভূমিৰ দৰে স্থিৰ যোগানত স্থায়ী নহয় আৰু যিহেতু দীৰ্ঘকালত সিবিলাকৰ যোগান স্থিতিস্থাপক (যিটো ভূমিৰ ক্ষেত্ৰত নহয়), কাজেই মাৰ্ছালে স্থিৰ মূলধনী আহিলাৰ পৰা হোৱা হ্ৰস্বকালীন আয়ক খাজনা বুলি কোৱাতকৈ আধা খাজনা (Quasi Rent) বুলি কোৱাটোকহে অগ্ৰাধিকাৰ দিছিল। (আমি পাছত এই অধ্যায়ৰ ৩.৬ অনুচ্ছেদত আধা খাজনা (Quasi Rent)ৰ বিষয়ে আলোচনা কৰিম)।

৩.৪ খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব

'খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব' (Ricardian Theory of Rent) বুলি পৰিচিত ডেভিড ৰিকার্ডো (David Ricardo)ৰ খাজনাৰ তত্ত্বই অর্থনৈতিক তত্ত্বত এক সুকীয়া ঠাই দখল কৰি আছে। ৰিকার্ডোৱে কৈছে যে খাজনা এবিধ 'উদ্বৃত্ত' (surplus) যাক ভূমিৰ উর্বৰতা গুণ বা স্থিতি বা দুয়োটাৰ বাবে এটুকুৰা নির্দিষ্ট ভূমিৰ মালিকে লাভ কৰে। খাজনাৰ সংজ্ঞা তেওঁ এনেদৰে দিছে ঃ 'মাটিৰ মূল আৰু অবিনাশী শক্তিৰ ব্যৱহাৰৰ বাবদ ইয়াৰ মালিকক আদায় দিয়া মাটিৰ উৎপাদনৰ অংশটোৱেই হৈছে খাজনা।' অর্থাৎ, খাজনা হৈছে ভূমিৰ ব্যৱহাৰৰ বাবদ দিয়া মূল্য।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰোঁ যে দুটা উপাদানৰ বাবে খাজনাৰ উদ্ভৱ হয় ঃ

- বিভিন্ন ভূখণ্ডৰ উৎপাদনশীলতাৰ পার্থক্য আৰু
- স্থানগত পার্থক্য।

তত্ত্বটোৰ ধাৰণা (Assumptions of the Theory) ঃ খাজনাৰ ৰিকার্ডিয়ান তত্ত্বটো তলৰ ধাৰণাবিলাকৰ ওপৰত প্রতিষ্ঠিত

- **ভূমিৰ স্থিৰ যোগান** (Fixed Supply of Land) ঃ ৰিকার্ডোৱে ধৰি লৈছে যে ভূমিৰ যোগান স্থিৰ থাকে; ই কেতিয়াও বঢ়া-টুটা নহয়। তেওঁৰ মতে, ই প্রকৃতিৰ এক মুক্ত স্থিৰ উপহাৰ।
- **মূল শক্তি** (Original Powers) ঃ ৰিকার্ডোৱে লগতে ধাৰণা কৰি লৈছে যে মাটিৰ উর্বৰতা গুণ আগৰ (original), অর্থাৎ এতিয়াৰ নহয়। ইয়াৰ অর্থ হৈছে মাটিৰ উর্বৰতা ঈশ্বৰৰ দান, মানৱীয় প্রচেষ্টাই ইয়াৰ ওপৰত প্রভাৱ পেলাব নোৱাৰে।
- **অবিনাশী শক্তি** (Indestructible Power) ঃ তত্ত্বটোত ধৰি লোৱা হৈছে যে ভূমিৰ মৌলিক উর্বৰতা গুণ অবিনাশী। ইয়াৰ অর্থ হৈছে এটুকুৰা মাটিৰ আচল উর্বৰতা গুণ সদায় একেদৰে থাকিব, ই কেতিয়াও হ্রাস নহয়।
- **উর্বৰতৰ ক্রম অনুসৰি কৃষিকর্ম** (Cultivation in Order of Fertility) ঃ এইবুলিও ধাৰণা কৰা হৈছে যে মানদণ্ড বা গুণৰ পর্যায় অনুসৰি বিভিন্ন ভূখণ্ড ব্যৱহৃত হয়। এনেকৈ, নিম্ন পর্যায়ৰ ভূমিতকৈ উচ্চ পর্যায়ৰ ভূমিৰ ব্যৱহাৰক প্রাধান্য দিয়া হয়।
- **ক্রমহ্রাসমান প্রতিদান বিধি** (Law of Diminishing Returns) ঃ ৰিকার্ডোৱে লগতে ধাৰণা কৰিছে যে খেতি পথাৰত ক্রমহ্রাসমান প্রতিদান বিধি বা ক্রমবর্দ্ধমান ব্যয় প্রযোজ্য হয়।
- **উর্বৰতাৰ ভিন্নতা** (Differences in Fertility) ঃ তত্ত্বটোৰ আন এটা ধাৰণা হৈছে যে বেলেগ বেলেগ ভূখণ্ডৰ উর্বৰতাও বেলেগ বেলেগ হয়। এনেকৈ, কিছুমান ভূখণ্ড আন ভূখণ্ডতকৈ অধিক উর্বৰা।

- **মুক্ত উপহাৰ** (Free Gift) ঃ ভূমি প্ৰকৃতিৰ এবিধ মুক্ত উপহাৰ। ইয়াৰ কোনো যোগান মূল্য (supply price) নাই।
- **পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ** (Perfect Competition) ঃ বজাৰখন পূৰ্ণ প্ৰতিযোগিতামূলক।
- **দীৰ্ঘকাল** (Long-run) ঃ দীৰ্ঘকালতো তত্ত্বটো সমানে প্ৰযোজ্য।
- **প্ৰান্তীয় ভূমি** (Marginal Land) ঃ ৰিকার্ডোৰ মতে, এবিধ 'খাজনা-বিহীন ভূমি' (no-rent land) আছে। ই হৈছে নিম্নতম মানৰ ভূমি আৰু এই ভূখণ্ডত প্ৰতিদানে মাথোঁ ইয়াৰ ব্যয়ৰ জোৰা মাৰে। এই মাটি টুকুৰাক কোৱা হয় 'প্ৰান্তীয় ভূমি'।
- **ভিন্ন স্থিতি** (Different Situations) ঃ বেলেগ বেলেগ ভূখণ্ড বেলেগ বেলেগ অৱস্থাত থাকে। কোনোবা টুকুৰা একোখন বজাৰৰ ওচৰত, আকৌ আনবিলাক বজাৰৰ পৰা আঁতৰত। এনেকৈ, বজাৰৰ ওচৰৰ মাটি টুকুৰাৰ উৎপাদকজনে পৰিবহন ব্যয় কিছু বচাব পাৰে।

তত্ত্বটোৰ ব্যাখ্যা (Explanation of the Theory) ঃ এখন পামৰ উদাহৰণৰ সহায়ত ৰিকার্ডোৱে তেওঁৰ তত্ত্বটো ব্যাখ্যা কৰিছে। ধৰি লোৱা হওক, দূৰণিৰ এখন পামত তিনিটা মানদণ্ড বা শ্ৰেণীৰ মাটি আছে। যদি কোনো লোকে সেই পামলৈ যায় আৰু থাকিবলৈ লয়, প্ৰথমতে তেওঁলোকে আটাইতকৈ ভাল মাটিখিনিত খেতি কৰিব। যদি অধিক মানুহ তালৈ যায় আৰু বসতি স্থাপন কৰে, মাটিৰ চাহিদা বৃদ্ধি পাব আৰু তেওঁলোকে দ্বিতীয় শ্ৰেণীৰ মাটিত খেতি কৰিব। পৰিণামস্বৰূপে, উৎপাদনৰ ব্যয় বৃদ্ধি পাব। সেয়ে শস্যৰ বজাৰৰ দামে কৃষি কাৰ্যৰ ব্যয়ৰ জোৰা মাৰিবই লাগিব। এই ক্ষেত্ৰত, প্ৰথম শ্ৰেণীৰ মাটিখিনিয়ে খাজনা পাব। কিছুকালৰ পাছত যদি জনসংখ্যা বৃদ্ধি হয়, তৃতীয় শ্ৰেণীৰ মাটিখিনিতো খেতি কৰিব। তেনে অৱস্থাত দ্বিতীয় শ্ৰেণীৰ মাটিখিনিয়ে খাজনা পাব আৰু প্ৰথম শ্ৰেণীৰ মাটিখিনিয়ে অধিক খাজনা পাব কিন্তু তৃতীয় শ্ৰেণীৰ মাটিখিনিয়ে কোনো খাজনা নাপাব। ৩.১ নং তালিকাৰ সহায়ত তত্ত্বটো ব্যাখ্যা কৰা হৈছে।

তালিকা ৩.১ ঃ খাজনা

ভূমিৰ শ্ৰেণী	উৎপাদন (প্ৰতি একৰত কুইণ্টল হিচাপত)	খাজনা বা উদ্বৃত্ত উৎপাদন (প্ৰতি একৰত কুইণ্টল হিচাপত)
প্ৰথম (A)	২৪	২৪-১৯=১০
দ্বিতীয় (B)	১৯	১৯-১৪=৫
তৃতীয় (C)	১৪	১৪-১৪=০

৩.১ নং তালিকাত দেখা গৈছে যে প্ৰথম পৰ্যায়ত, নতুন পামখনলৈ প্ৰথম দল মানুহ যেতিয়া গৈছিল, তেওঁলোকে আটাইতকৈ ভাল মাটি ব্যৱহাৰ কৰি তেওঁলোকৰ খাদ্য সামগ্ৰীৰ চাহিদা পূৰণ কৰিব পাৰিছিল। এনেকৈ, প্ৰথম শ্ৰেণীৰ (A) মাটিত, প্ৰতি একৰ মাটিত তেওঁলোকে ২৪ কুইণ্টল ধান পাইছিল। এই অৱস্থাত, প্ৰথম শ্ৰেণীৰ মাটিখিনিয়ে খাজনা দাবী নকৰে। ই


প্রকৃতিৰ এক মুক্ত উপহাৰৰ দৰে হ'ব।

এতিয়া, ধৰা হওক, পামখনত জনসংখ্যা বৃদ্ধি পালে (প্রব্রজন অথবা জনসংখ্যাৰ আভ্যন্তৰীণ বৃদ্ধিৰ ফলত)। ইয়াৰ লগে লগে কৃষি কার্যত ব্যৱহৃত মাটি বৃদ্ধি কৰাটো আৱশ্যকীয় হ'ব। এনেকৈ, প্রথম শ্রেণীৰ মাটিৰ লগতে, দ্বিতীয় শ্রেণীৰ (B) মাটিখিনিও ব্যৱহৃত হ'ব। এই দ্বিতীয় শ্রেণীৰ মাটিখিনিত প্রতি একৰ মাটিত ১৯ কুইণ্টলকৈ ধান উৎপাদন হৈছে। এতিয়া, প্রথম শ্রেণীৰ মাটিখিনিয়ে এটা খাজনা পাব যিটো দ্বিতীয় শ্রেণীৰ মাটিখিনিৰ উৎপাদন ব্যয়ৰ ওপৰঞ্চিখিনিৰ সমান। এনেকৈ এই পর্যায়ত প্রথম শ্রেণীৰ মাটিখিনিয়ে অর্জন কৰা খাজনা হৈছে প্রতি একৰ মাটিত ৫ (২৪-১৯) কুইণ্টল। এই ক্ষেত্রত প্রান্তীয় ভূমি হোৱা বাবে দ্বিতীয় শ্রেণীৰ মাটিখিনিয়ে কোনো খাজনা অর্জন নকৰে।

কিন্তু জনসংখ্যা আগলৈ বাঢ়ি গৈ আছে। ইয়াৰ লগে লগে বাকী থকা নিম্নতম পর্যায় (তৃতীয় শ্রেণী)ৰ মাটিখিনিতো খেতি কৰাৰ আৱশ্যকতা আহিল। তৃতীয় শ্রেণীৰ (C) মাটিখিনিত প্রতি একৰত ১৪ কুইণ্টল উৎপাদন হৈছে। এই পৰিস্থিতিত, প্রথম আৰু দ্বিতীয় শ্রেণীৰ দুয়োবিধ মাটিয়ে এই তৃতীয় শ্রেণীৰ মাটিৰ সৈতে হোৱা পৃথক আয়ৰ সমান খাজনা লাভ কৰিব। এতিয়া প্রথম শ্রেণীৰ মাটিখিনিয়ে প্রতি একৰত খাজনা পাব ১০ (২৪-১৪) কুইণ্টল। একেদৰে, দ্বিতীয় শ্রেণীৰ মাটিখিনিয়ে প্রতি একৰত খাজনা পাব ৫ (১৯-১৪) কুইণ্টল। এই কথা মন কৰিবলগীয়া যে তৃতীয় শ্রেণীৰ মাটিখিনিয়ে খাজনা নাপায় আৰু সেয়ে ই প্রান্তীয় ভূমি (marginal land) বা খাজনাবিহীন ভূমি (no-rent land)।

খাজনাৰ ৰিকার্ডিয়ান তত্ত্বৰ চিত্রৰ সহায়ত ব্যাখ্যা ঃ খাজনাৰ ৰিকার্ডিয়ান তত্ত্বটো ৩.১ নং চিত্রৰ সহায়ত তলত দিয়াৰ দৰে ব্যাখ্যা কৰিব পাৰি।

চিত্র ৩.১ ঃ খাজনাৰ ৰিকার্ডিয়ান তত্ত্বৰ নক্সাৰ সহায়ত উপস্থাপন



৩.১ নং চিত্রৰ সহায়ত ওপৰৰ তালিকা ৩.১ খন উপস্থাপন কৰা হৈছে। চিত্রত দেখা গৈছে যে উচ্চ গুণসম্পন্ন হোৱা বাবে প্রথম শ্রেণীৰ মাটিখিনিয়ে দ্বিতীয় শ্রেণীৰ মাটিখিনিতকৈ অধিক ৰাজহ অর্জন কৰিছে। তৃতীয় শ্রেণীৰ ভূমিয়ে কোনো ৰাজহ অর্জন কৰা নাই।

খাজনাৰ ৰিকার্ডিয়ান তত্ত্বৰ সমালোচনা ঃ তলত দিয়া কাৰণবিলাকক লৈ খাজনাৰ ৰিকার্ডিয়ান তত্ত্ব সমালোচিত হৈছে।

- ৰিকার্ডোৱে কৈছে যে কেৱল সর্বোত্তম মাটিখিনিতহে প্রথমে খেতি কৰা হয়। ইয়াৰ কোনো ঐতিহাসিক প্রমাণ নাই।

- ৰিকার্ডোৰ মতে, মাটিৰ 'মূল আৰু অবিনাশী শক্তি' আছে। কিন্তু একেৰাহে খেতি কৰি থাকিলে কিছুকালৰ পাছত মাটিৰ উৰ্বৰতা হ্ৰাস পাব পাৰে।
- ৰিকার্ডোৱে বিশ্বাস কৰে যে খাজনা কেৱল ভূমিৰ ক্ষেত্ৰতহে এক ব্যতিক্ৰম। কিন্তু বহু আধুনিক অৰ্থবিজ্ঞানীয়ে যুক্তি দৰ্শাইছে যে শ্ৰম আৰু মূলধনৰ দৰে আন উপাদানৰ ক্ষেত্ৰতো খাজনাৰ প্ৰভাৱ দেখা পোৱা যায়। যেতিয়াই একোটা উপাদানৰ চাহিদাৰ তুলনাত ইয়াৰ যোগান অস্থিতিস্থাপক হয়, তেতিয়াই খাজনাৰ উদ্ভৱ হয়।
- ৰিকার্ডোৰ মতে, উৎপাদিত পণ্যৰ দামত খাজনা অন্তৰ্ভুক্তি নহয়। কিন্তু একোখন একক প্ৰতিষ্ঠানৰ দৃষ্টিভংগীৰ দিশৰ পৰা খাজনা দামৰ অন্তৰ্ভুক্তি হয়।
- ৰিকার্ডিয়ান তত্ত্বই নাটনি খাজনা (scarcity rent)ক গুৰুত্ব দিয়া নাই।
- ই পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ আৰ্হিৰ ওপৰত প্ৰতিষ্ঠিত। কেৱল পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনতহে একোবিধ সামগ্ৰীৰ একেটা দাম থাকে। কিন্তু বাস্তৱ জগতখনত আমি অপূৰ্ণপ্ৰতিযোগিতামূলক (imperfect competition) বজাৰৰ অৱস্থিতিহে দেখা পাওঁ।
- ৰিকার্ডিয়ান তত্ত্বৰ বিৰুদ্ধে যদিও কেতবোৰ সমালোচনা আছে, তথাপি আমি উল্লেখ কৰিব পাৰোঁ যে ভূমিৰ ওপৰত হেঁচা বৃদ্ধি পোৱা বাবে আমি নিকৃষ্ট মাটিতো খেতি কৰিব লগা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক

(ক) অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰতো খাজনাৰ ৰিকার্ডিয়ান তত্ত্বটো সমানে প্ৰযোজ্য। (শুদ্ধ/অশুদ্ধ)

(খ) ৰিকার্ডোৱে স্বীকাৰ কৰিছে যে সময় অতিবাহিত হ'লে ভূমিৰ উৰ্বৰতা হ্ৰাস পাব পাৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ ৰিকার্ডোৰ মতে খাজনা-বিহীন ভূমি কি? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....


৩.৫ উপভোক্তাৰ ৰাহি সন্দৰ্ভত মার্ছালৰ ধাৰণা

উৎপাদকৰ ৰাহি আৰু উপভোক্তাৰ ৰাহি ধাৰণা দুটাৰ জনক হ'ল আলফ্ৰেড মার্ছাল। আমি ইতিমধ্যে প্ৰথম ষান্মাসিক পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায়ত উপভোক্তাৰ ৰাহিৰ ধাৰণাটো আলোচনা কৰিছোঁ। সেই আলোচনাৰ পৰা আমি জানিব পাৰিছোঁ যে কোনো এবিধ সামগ্ৰী

কিনাৰ সময়ত গ্ৰাহকে পৰিশোধ কৰিবলৈ সাজু থকা মূল্যতকৈ যদি কম দামত সামগ্ৰীবিধ কিনিবলৈ পায়, তেন্তে তাৰ পাচত গ্ৰাহকৰ হাতত লাভ হিচাপে ৰৈ যোৱা ধনখিনিয়েই হ'ল উপভোক্তাৰ ৰাহি। তলত উৎপাদকৰ ৰাহি ধাৰণাটো আলোচনা কৰা হ'ল।

উৎপাদকৰ ৰাহি ঃ কোনো এক নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰী যি মূল্যত বিক্ৰী কৰিবলৈ উৎপাদক প্ৰস্তুত হৈ থাকে তাতকৈ যদি অধিক বজাৰ মূল্যত সামগ্ৰীখিনি বিক্ৰী কৰাৰ সুযোগ পায় তেন্তে ইয়াৰ পৰা উৎপাদকৰ যিখিনি লাভ হ'ব, তাকেই উৎপাদকৰ ৰাহি বোলে। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে উৎপাদনৰ উৎপাদকৰ গৰাকীৰ জৰিয়তেহে উৎপাদকৰ ৰাহি প্ৰবাহিত হয়। এক পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ শূন্য অৰ্থনৈতিক লাভ আৰু উৎপাদকৰ ৰাহি একে নহয়। যদি উৎপাদনৰ উৎপাদকৰ বাবেও বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক হয়, তেন্তে উৎপাদকৰ ৰাহি অৱশেষত সেই দুষ্প্ৰাপ্য সম্পদৰ গৰাকীক সেই দুষ্প্ৰাপ্য সম্পদৰ ব্যৱহাৰৰ বাবদ পৰিশোধ কৰিবলগীয়া অৰ্থনৈতিক ভাৰা হিচাপে ব্যৱহৃত হয়। যেনে, ভূমিৰ বাবদ পৰিশোধ কৰা খাজনা। যদি উৎপাদনৰ উৎপাদক গৰাকী কোনো ব্যক্তিবিশেষ হয়, তেন্তে তেওঁ লাভ কৰা উৎপাদকৰ ৰাহিৰ উপযোগিতা তেওঁ ত্যাগ কৰা উপযোগিতাতকৈ প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে বহুগুণে অধিক। পৰম্পৰাগতভাৱে উৎপাদকৰ ৰাহি উৎপাদন যোগান ৰেখাৰ ওপৰত আৰু দৰৰ তলৰ এক অঞ্চল (চিত্ৰ ৩.২ত দেখুওৱাৰ দৰে) হিচাপে দেখুৱাব পাৰি।

চিত্ৰ ৩.২ উপভোক্তাৰ ৰাহি আৰু উৎপাদকৰ ৰাহি



কৰ প্ৰয়োগৰ দৰে চৰকাৰী নীতিবোৰৰ পৰা হোৱা কল্যাণৰ পৰিৱৰ্তন জুখিবলৈ মাৰ্শালে উৎপাদকৰ ৰাহি ধাৰণাটো ব্যৱহাৰ কৰিছিল। যদি কোনো কৰ (Tax) অথবা কোনো ৰাজসাহায্য (Subsidy) প্ৰণয়ন কৰি চৰকাৰে কোনো ক্ষেত্ৰত হস্তক্ষেপ কৰে, তেন্তে চাহিদা আৰু যোগান ৰেখাডাল অধিক জটিল হৈ পৰে আৰু ইয়াত চৰকাৰী ৰাহি উপস্থাপন কৰা নতুন ক্ষেত্ৰ এখনৰ সৃষ্টি হয়। চিত্ৰ ৩.২ত অৱশ্যে চৰকাৰী ৰাহি দেখুওৱা হোৱা নাই।

উপভোক্তাৰ ৰাহি, উৎপাদকৰ ৰাহি আৰু চৰকাৰৰ ৰাহি (যদি থাকে) একেলগ কৰিলে সামাজিক ৰাহি অথবা মুঠ ৰাহি গম পোৱা যাব।

কোনো এটা প্ৰস্তাৱিত নীতিৰ ফলপ্ৰসূতা মূল্যায়ন কৰিবলৈ কল্যাণকামী অৰ্থবিজ্ঞানে (Welfare Economics) 'মুঠ ৰাহি'ক প্ৰাথমিক জোখ-মাখ হিচাপে প্ৰয়োগ কৰে। ওপৰৰ ৩.২নং চিত্ৰত AD এ ৰেখা চাহিদা আৰু CS এ ৰেখা যোগান বুজাইছে। ভাৰসাম্য দৰ হ'ল OB নাইবা QE। চিত্ৰত, ABE অংশটোৱে উপভোক্তাৰ ৰাহি আৰু BEC অংশটোৱে উৎপাদকৰ ৰাহি বুজাইছে। এইখিনিতে মনত ৰাখি থোৱা ভাল হ'ব যে ABE অংশটোক উপভোক্তাৰ ৰাহি বোলাৰ কাৰণটো হ'ল উপভোক্তাই কোনো সামগ্ৰীৰ OQ পৰিমাণৰ বাবে OB দৰত OAEQ পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ সাজু আছিল, কিন্তু তেওঁ OBEQ পৰিমাণৰ ধনহে পৰিশোধ কৰিবলগীয়া হ'ল। অৰ্থাৎ, ABE (OAEQ-OBEQ) হ'ল উপভোক্তাৰ ৰাহি। একেদৰে, উৎপাদকে OCEQ পৰিশোধ কৰিছে, কিন্তু OBEQ পৰিমাণৰ ধন লাভ কৰিছে। তেওঁ BEC (OBEQ-OCEQ) পৰিমাণৰ অতিৰিক্ত ধন লাভ কৰিছে। এই BEC অংশটো হ'ল উৎপাদকৰ ৰাহি।

৩.৬ আধা খাজনা


অৰ্থবিজ্ঞানত আধা খাজনা (Quasi-rent)ৰ ধাৰণাটো মাৰ্ছাল্ (Marshall)-এ পৰিচয় কৰাই দিছে। মাৰ্ছালৰ মতে, 'উৎপাদনত মানুহে ব্যৱহাৰ কৰা যন্ত্ৰ আৰু আন আহিলা-পাতিৰ পৰা পোৱা আয়েই হৈছে আধা খাজনা (Quasi-rent)। কিছুমান যন্ত্ৰ আৰু মানুহে নিৰ্মাণ কৰা আহিলাপাতি (যেনে নাও) আদিৰ হ্ৰস্বকালত চাহিদাৰ তুলনাত যোগান অস্থিতিস্থাপক হ'ব পাৰে। উদাহৰণ স্বৰূপে, কোনো এটা ঋতুত হঠাৎ যেতিয়া মাছৰ চাহিদা যথেষ্ট বৃদ্ধি পায়, তেতিয়া নাওৰ চাহিদা বৃদ্ধি পাব। কিন্তু নাওৰ যোগান ৰাতিটোৰ ভিতৰতে বৃদ্ধি কৰিব নোৱাৰি। সেয়ে বৰ্তমানে থকা নাওকেইখনে সচৰাচৰ পাই থকা স্বাভাৱিক উপাৰ্জনতকৈ কিছু অতিৰিক্ত উপাৰ্জন লাভ কৰিব। মাৰ্ছালে ইয়াকে আধা খাজনা (Quasi-rent) আখ্যা দিছে। যেতিয়া এটা সময়ত নাওৰ যোগান বৃদ্ধি পাব, আধা খাজনা নোহোৱা হ'ব।

আধা খাজনাক হ্ৰস্বকালত মুঠ পৰিৱৰ্তনশীল ব্যয়ৰ ওপৰত অৰ্জন কৰা মুঠ ৰাজহৰ অতিৰিক্ত হিচাপেও আখ্যা দিয়া হয়। এনেকৈ,

আধা খাজনা = মুঠ ৰাজহ - মুঠ পৰিৱৰ্তনশীল ব্যয়।

৩.৩ নং চিত্ৰৰ সহায়ত আধা খাজনাৰ ধাৰণাটো ব্যাখ্যা কৰা হৈছে।

চিত্র ৩.৩ : আধা খাজনা



চিত্র ৩.৩ত P হৈছে দৰ। প্রতিষ্ঠানখনে যেতিয়া ON পৰিমাণৰ উৎপাদন আৰু OPEN পৰিমাণৰ মুঠ ৰাজহ লাভ কৰিছে, তেতিয়াই ই সর্বাধিক লাভ অর্জনৰ স্তৰত উপনীত হৈছে। এতিয়া মন কৰক, প্রতিষ্ঠান খনে ONBA পৰিমাণৰ পৰিবর্তনশীল ব্যয় (Variable cost) ইয়াৰ পৰিবর্তনশীল উপাদানটোত খৰছ কৰিছে। ইয়াৰ অর্থ হ'ল মুঠ ৰাজহৰ এই ব্যয়খিনি বাদ দিয়াৰ পাছত বাকী ৰোৱা আয়খিনি, যথা- ABEP য়েই হৈছে আধা খাজনা। এই আধা-খাজনাখিনি স্থায়ী উপাদানটোৱে লাভ কৰিছে।

এটা কথা মন কৰিব, তত্ত্বটোৱে পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অৱস্থিতি ধাৰণা কৰি লয়। আধা-খাজনা দুটা অংশত ভাগ কৰিব পাৰি। চিত্র ৩.৩ ৰ সহায়ত এয়া দেখুওৱা হৈছে। চিত্রটিত, ABCD এলেকাটোৱে মুঠ ব্যয় দেখুৱাইছে; আনহাতে, PECD এলেকাটোৱে অতিৰিক্ত (বা শুদ্ধ) লাভ দেখুৱাইছে।

গতিকে, আধা খাজনা = TFC + অতিৰিক্ত লাভ।

বা অতিৰিক্ত লাভ = আধাখাজনা - TFC

দীর্ঘকালত, যোগান বৃদ্ধিৰ লগে লগে, আধা-খাজনা শূন্য হৈ পৰে আৰু প্রতিষ্ঠানখনে কেৱল স্বাভাৰিক লাভৰ সৈতে ভাৰসমতা লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) আধা খাজনা লাভৰ দৰে একে নহয়। (শুদ্ধ/অশুদ্ধ)

(খ) হ্রস্বকাল আৰু দীর্ঘকাল উভয়তে আধা খাজনা প্রযোজ্য। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৪ ঃ আধা খাজনা বুলিলে কি বুজা যায়? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ আধা খাজনা কেৱল হ্রস্বকালতহে উদ্ভৱ হয় আৰু ই দীর্ঘকালত নোহোৱা হয় বুলি কিয় কোৱা হয়? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৩.৭ খাজনা আৰু মূল্যৰ মাজৰ আন্তঃ সম্পর্ক

খাজনা হৈছে মূল্য-নিৰূপিত ঃ ৰিকার্ডিয়ান দৃষ্টিভংগী ঃ ৰিকার্ডোৰ মতে, খাজনা মূল্য-নিৰূপিত, ই নিজে মূল্য নিৰূপণ নকৰে। অর্থাৎ, তেওঁৰ মতে, খাজনা মূল্যত অন্তর্ভুক্ত নহয়। অৱশ্যে, খাজনাৰ আধুনিক তত্ত্ব ৰিকার্ডোৰ সৈতে একমত নহয়। ৰিকার্ডোৱে যুক্তি দর্শাইছে যে উৎপাদিত সামগ্রীৰ উৎপাদন ব্যয়ত খাজনা অন্তর্ভুক্ত নহয় আৰু সেয়ে ইয়াৰ মূল্যত অন্তর্ভুক্ত কৰা নহয়। মূল্য বৃদ্ধিৰ বাবেহে খাজনা বৃদ্ধি পায় আৰু ইয়াৰ ওলোটা নহয়, অর্থাৎ খাজনা বৃদ্ধি হ'লে মূল্য বৃদ্ধি নাপায়।

খাজনাৰ ৰিকার্ডিয়ান তত্ত্বটো আলোচনা কৰোঁতে আমি উল্লেখ কৰিছিলোঁ যে খাজনা হৈছে ব্যয়ৰ উদ্বৃত্ত। খাজনা নাথাকিলে প্রান্তীয় ব্যয়ে মূল্য নির্দ্ধাৰণ কৰিব। কাজেই, খাজনা মূল্যত নোসোমায়।

এই কথা সঁচা যে ভূমিৰ বেলেগ বেলেগ গুণাগুণ মূল্য নিৰূপণৰ একোটা কাৰণ নহয়। ধৰা হওক, দুটুকুৰা মাটি আছে A আৰু B । যদি A মাটিখিনিয়ে B মাটিখিনিতকৈ অধিক মূল্যবান সেৱা দিয়ে, A মাটিভাগে অর্জন কৰা অতিৰিক্ত ধনে উৎপাদিত সামগ্রীৰ মূল্যত প্রভাৱ নেপেলায়।

খাজনা যে মূল্যৰ এটা অংশ নহয় তাৰ আন এটা যুক্তি হৈছে ভূমি প্রকৃতিৰ এক মুক্ত উপহাৰ। ভূমিৰ মুঠ যোগান চম্ভালিবলৈ ধনৰ আৱশ্যকতা নাই। এই অর্থত, খাজনা ভূমিৰ যোগান মূল্যৰ এটা অংশ নহয় আৰু পৰিণামস্বৰূপে ভূমিৰ উৎপাদনৰ মূল্যৰ অংশ নহয়। যিহেতু ভূমিৰ যোগান অস্থিতিস্থাপক, সেয়ে ই উৎপাদিত সামগ্রীৰ প্রতিযোগিতা মূল্য (অর্থাৎ

দাম)ৰ অধীনত যিয়েই অৰ্জন কৰে, ভূমিৰ বাবে সেয়াই পৰ্য্যাপ্ত ।

আকৌ, এনেকুৱাও হ'ব পাৰে যে ভূমি নিৰ্দ্ধাৰিত বা নিৰ্দিষ্ট আৰু ইয়াক কেৱল এটা কামতহে ব্যৱহাৰ কৰিব পাৰি। কোনো বিশেষ কাম/উদ্যোগৰ বাবে একোখণ্ড নিৰ্দিষ্ট মাটি আবণ্টন দিলে এনেকুৱা হ'ব পাৰে। অৰ্থাৎ, সেই নিৰ্দিষ্ট মাটিখিনি আন কোনো উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰি। এনে ক্ষেত্ৰত, সেই নিৰ্দিষ্ট উদ্যোগটোৰ ভূমিৰ যোগান অস্থিতিস্থাপক। সেয়ে, এনে পৰিস্থিতিত ভূমিৰ মূল্যৰ বিষয়টো গৌণ হৈ পৰে; ই যি পায় ভূমিৰ বাবে সেয়াই পৰ্য্যাপ্ত। এনেকৈ, এই ক্ষেত্ৰত খাজনা মূল্য-নিৰূপিত, ই নিজে মূল্য-নিৰূপণ নকৰে।

খাজনাই মূল্য নিৰূপণ কৰে ঃ আধুনিক দৃষ্টিভংগী ঃ আধুনিক সময়ৰ অৰ্থবিজ্ঞানীসকল ৰিকার্ডিয়ান তত্ত্বৰ সৈতে একমত নহয়। তেওঁলোকৰ মতে, কেতবোৰ নিৰ্দিষ্ট পৰিস্থিতিত খাজনা মূল্যত অন্তৰ্ভুক্ত হয়। এই পৰিস্থিতিবোৰ হৈছে ঃ

- **যেতিয়া ভূমি নিয়ন্ত্ৰণৰ অধীনত থাকে ঃ** পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত খাজনা মূল্যৰ অন্তৰ্ভুক্ত নহয়। কিন্তু যদিহে ভূমিৰ মালিকীস্বত্ব লোৱা হয় আৰু কেইজনমান মালিকৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, তেওঁলোকে আনকি 'প্ৰান্তীয় ভূমি'ৰ ওপৰতো খাজনা আদায় দিবলৈ খেতিয়কসকলক বাধ্য কৰাব পাৰে। এনেকুৱা পৰিস্থিতিত খেতিয়কসকলে উৎপাদিত সামগ্ৰীৰ মূল্যত খাজনা (এবিধ ব্যয় হিচাপে) অন্তৰ্ভুক্ত কৰে।
- **ভূমিৰ ওপৰত অধিক নিৰ্ভৰশীলতা ঃ** যেতিয়া ভূমিৰ ওপৰত অধিক নিৰ্ভৰশীলতাই ইয়াৰ চাহিদা অধিক বৃদ্ধি কৰে, তেতিয়া ভূমিৰ মালিকে এই পৰিস্থিতিৰ সুযোগ ল'ব পাৰে। এনে অৱস্থাত তেওঁলোকে খাজনা বৃদ্ধি কৰিব পাৰে। ফলস্বৰূপে, অৰ্থনৈতিক খাজনাতকৈ প্ৰকৃত খাজনা অধিক হয়, আৰু খাজনা মূল্যত অন্তৰ্ভুক্ত হয়।
- **ভিন্ ভিন্ ব্যৱহাৰত ভিন্ ভিন্ উৎপাদনশীলতা ঃ** কিছুমান ক্ষেত্ৰত শস্যৰ বিভিন্নতাৰ বাবে উৎপাদনশীলতা ভিন্ ভিন্ হ'ব পাৰে। উদাহৰণস্বৰূপে, এটুকুৰা নিৰ্দিষ্ট মাটিত মৰাপাটতকৈ ধানৰ উৎপাদন অধিক ভাল হ'ব পাৰে। গতিকে, সেই টুকুৰা মাটিত ধান খেতি কৰি নিৰ্দিষ্ট উদ্বৃত্ত উপাৰ্জন কৰা হয়। কিন্তু যদি মাটি টুকুৰা মৰাপাটৰ খেতিত ব্যৱহাৰ কৰা হয়, ইয়াৰ উপাৰ্জন কম হ'ব, কিন্তু খেতিয়কজনে ধানৰ ক্ষেত্ৰত প্ৰযোজ্য খাজনাই আদায় দিব লাগিব। কাজেই, এবিধ উদ্বৃত্ত হিচাপে খাজনা মৰাপাটৰ ব্যয়ত অন্তৰ্ভুক্ত হ'ব। সেয়ে, খাজনা মূল্যত অন্তৰ্ভুক্ত হয়।
- **উৰ্বৰা ভূমিৰ নাটনি ঃ** উৰ্বৰা ভূমি সীমিত। যেতিয়া একোটা বিশেষ উদ্দেশ্যত এটুকুৰা বিশেষ মাটি ব্যৱহৃত হয়, বিকল্প কামৰ বাবে ইয়াৰ উপলব্ধতা নোহোৱা হয়। সেয়ে, বিশিষ্ট গুণ সম্পন্ন এই ভূখণ্ডৰ পাৰস্পৰিক নাটনিয়ে ইয়াৰ মূল্য নিৰ্দ্ধাৰণ কৰে। দৰাচলতে, এনে পৰিস্থিতিত উক্ত ভূখণ্ডৰ ব্যৱহাৰ কৰোঁতাই আদায় দিয়া খাজনাই ইয়াৰ মূল্যক প্ৰভাৱান্বিত কৰে। কাজেই, পৰোক্ষভাৱে, খাজনাই মূল্যত প্ৰভাৱ পেলায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক

(ক) ৰিকার্ডোৰ মতে, খাজনা মূল্যত অন্তর্ভুক্ত হয়। (শুদ্ধ/অশুদ্ধ)।

(খ) ৰিকার্ডোৰ মতে, খাজনা উৎপাদন ব্যয়ৰ এটা অংশ। (শুদ্ধ/অশুদ্ধ)।

(গ) আধুনিক অর্থবিজ্ঞানীসকলৰ মতে, উৎপাদনৰ ভিন্নতাৰ খাজনাৰ ফলত উদ্ভৱ হ'ব পাৰে। (শুদ্ধ/অশুদ্ধ)।

প্রশ্ন নং ৭ ঃ মূল্যৰ ওপৰত খাজনাৰ প্রভাৱ পৰা যিকোনো দুটা যুক্তি উল্লেখ কৰক। (৫০টামান শব্দৰ ভিতৰত উত্তৰ লিখক)।

.....

.....

.....

.....

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'খাজনা' শব্দটো আৰম্ভণিতে ভূমিৰ ব্যৱহাৰৰ বাবদ আদায় দিয়া মূল্য বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু এতিয়া, এই শব্দটো উৎপাদনৰ যিকোনো উদ্বৃত্ত আয় বুজাবলৈও ব্যৱহাৰ কৰা হয়। সেই অর্থত, উপাদানৰ সেৱা লাভ কৰিবলৈ আদায় দিয়া ব্যয়ৰ ওপৰঞ্চিয়েই হৈছে খাজনা।
- ৰিকার্ডোৱে কৈছে যে খাজনা এবিধ 'উদ্বৃত্ত' (surplus), যাক ভূমিৰ উর্বৰতা গুণ বা স্থিতি বা দুয়োটাৰ বাবে এটুকুৰা নির্দিষ্ট ভূমিৰ মালিকে কম উৎপাদনশীল ভূমিৰ অতিৰিক্ত হিচাপে লাভ কৰে।
- ভূমি প্রকৃতিৰ এক মুক্ত উপহাৰ। ভূমিৰ মুঠ যোগান চম্ভালিবলৈ ধনৰ আৱশ্যকতা নাই।
- বিভিন্ন কাৰণত খাজনাৰ ৰিকার্ডিয়ান তত্ত্বটো সমালোচিত হৈছে।
- আধা খাজনাৰ ধাৰণাটো পোনপ্রথমে মার্ছালে ব্যৱহাৰ কৰিছিল। এই ধাৰণাটো কেৱল হ্রস্বকালতে প্রযোজ্য। দীর্ঘকালত আধা খাজনা নোহোৱা হয়।
- আধা খাজনা এনেকৈ উলিওৱা হয় ঃ আধা খাজনা=মুঠ ৰাজহ - মুঠ পৰিৱর্তনশীল ব্যয়।
- লাভ অর্জন কৰোঁতে বা লোকচান ভৰি থাকিলেও প্রতিষ্ঠানে আধা খাজনা পাব পাৰে।
- ৰিকার্ডোৰ মতে, খাজনা মূল্য-নিৰ্দ্ধাপিত, ই নিজে মূল্য নিৰ্দ্ধাপণ নকৰে। অর্থাৎ, তেওঁৰ মতে, খাজনা মূল্যত অন্তর্ভুক্ত নহয়।

- য'ত খাজনা নাথাকে তাত প্রান্তিক ব্যয়ে মূল্য নির্দ্ধাৰণ কৰে। কাজেই, খাজনা মূল্যত অন্তর্ভুক্ত নহয়।
- অৱশ্যে, ভূমি নির্দ্ধাৰিত বা নির্দিষ্ট আৰু ইয়াক কেৱল এটা কামতো ব্যৱহাৰ কৰিব পাৰি। কোনো বিশেষ কাম/উদ্যোগৰ বাবে একোখণ্ড নির্দিষ্ট মাটি আবণ্টন কৰিলে সেয়া হ'ব পাৰে। তেনেক্ষেত্রত খাজনা মূল্যত অন্তর্ভুক্ত নহয়।
- আধুনিক অর্থবিজ্ঞানীসকলৰ মতে, কেতবোৰ নির্দিষ্ট পৰিস্থিতিত, খাজনা মূল্যত অন্তর্ভুক্ত হয়।
- পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অনুপস্থিতিত ভূমিৰ মালিকীস্বত্ব যদি কেইজনমান মালিকৰ দ্বাৰা নিয়ন্ত্রিত হয়, তেওঁলোকে আনকি 'প্রান্তীয় ভূমি'ৰ ওপৰতো খাজনা আদায় দিবলৈ খেতিয়কসকলক বাধ্য কৰাব পাৰে। কাজেই, সামগ্রীৰ মূল্যত খাজনা (এবিধ ব্যয় হিচাপে) অন্তর্ভুক্ত হয়।
- ভূমিৰ ওপৰত অধিক নির্ভৰশীলতাই ইয়াৰ চাহিদা অধিক বৃদ্ধি কৰে; ভূমিৰ মালিকে এই পৰিস্থিতিৰ সুযোগ ল'ব পাৰে। এনেকুৱা পৰিস্থিতিত খাজনা মূল্যত অন্তর্ভুক্ত হয়।
- কিছুমান ক্ষেত্রত শস্যৰ বিভিন্নতাৰ বাবে উৎপাদনশীলতা ভিন্ ভিন্ হ'ব পাৰে। ইয়াৰ পৰিণতিত খাজনাৰ উদ্ভৱ হ'ব পাৰে; আৰু কম উৎপাদনশীল ভূমিডৰাৰ ব্যৱহাৰৰ মূল্যত এক ব্যয় হিচাপে খাজনা অন্তর্ভুক্ত হ'ব পাৰে।
- তুলনামূলকভাৱে ভূখণ্ডৰ নাটনিয়ে ইয়াৰ মূল্য নির্দ্ধাৰণ কৰে। দৰাচলতে, এনেকুৱা পৰিস্থিতিত সেই ভূখণ্ডৰ ব্যৱহাৰ কৰোঁতাই আদায় দিয়া খাজনাই ইয়াৰ মূল্যত প্রভাৱ পেলায়।



৩.৯ অধিক জানিবৰ বাবে

1) Ahuja, H. L. (2007). *Advanced Economic Theory: Microeconomic Analysis*. New Delhi: S.Chand & Company Ltd.
2) Chopra, P. N. (2008). *Micro Economics*. Ludhiana: Kalyani Publishers.
3) Dewett, K. K. (2005). *Modern Economic Theory*. New Delhi: S.Chand & Sons.

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, ড° অতুল. (২০০৫). *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ব).* ডিব্রুগড় ঃ ষ্টুডেণ্টচ্ এম্প'ৰিয়াম.

২) আলম, ড° খুৰছেদ; হুদা, ড° মনিৰুল আৰু শর্মা, ড° অর্চনা. (২০০৪). *স্নাতক মহলাৰ অর্থতত্ব (ব্যষ্টিগত অর্থবিজ্ঞান).* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ,।

৩) হুদা, ড° মনিৰুল. (২০০৭). *অৰ্থনীতি তত্ত্ব ঃ ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব,* ডিব্ৰুগড় ঃ বনলতা.



৩.১০ অগ্রগতিৰ খতিয়ান

১ নং **প্রশ্নৰ উত্তৰ ঃ** (ক) অশুদ্ধ (খ) অশুদ্ধ

২ নং **প্রশ্নৰ উত্তৰ ঃ** ৰিকার্ডোৰ মতে, বিভিন্ন শ্রেণীৰ ভূমিৰ উৎপাদনশীলতাৰ বিভিন্নতাৰ বাবে খাজনা উদ্ভৱ হয়। উচ্চ মানদণ্ডৰ এটুকুৰা ভূমিয়ে নিম্ন মানদণ্ডৰ ভূমিতকৈ অধিক উৎপাদন কৰিব। এনেদৰে, উচ্চ মানদণ্ডৰ ভূমিৰ ব্যৱহাৰৰ পৰা খাজনা উদ্ভৱ হয়। প্রান্তীয় ভূখণ্ড (নিম্নতম মানদণ্ডৰ)ই কোনো ধৰণৰ খাজনাৰ অর্জন নকৰে, আৰু কাজেই ইয়াক 'খাজনাবিহীন' ভূমি বুলি ৰিকার্ডোৱে কৈছে।

৩ নং **প্রশ্নৰ উত্তৰ ঃ** (ক) শুদ্ধ (খ) অশুদ্ধ

৪ নং **প্রশ্নৰ উত্তৰ ঃ** আধা খাজনা হ্রস্বকালত উদ্ভৱ হয়। উদাহৰণ স্বৰূপে, কোনো এটা ঋতুত হঠাৎ যেতিয়া মাছৰ চাহিদা যথেষ্ট বৃদ্ধি পায়, তেতিয়া নাওৰ চাহিদা বৃদ্ধি পাব। কিন্তু নাওৰ যোগান ৰাতিটোৰ ভিতৰতে বৃদ্ধি কৰিব নোৱাৰি সেয়ে বর্তমানে থকা নাও কেইখনে সচৰাচৰ পাই থকা স্বাভাৱিক উপার্জনতকৈ কিছু অতিৰিক্ত উপার্জন কৰিব। মার্ছালে ইয়াকে আধা খাজনা (Quasi-rent) আখ্যা দিছে।

৫ নং **প্রশ্নৰ উত্তৰ ঃ** আধা খাজনা কেৱল হ্রস্বকালতহে উদ্ভৱ হয়। যন্ত্রৰ চাহিদা হঠাতে বৃদ্ধি পালে যাৰ যোগান থাওকতে পূৰণ কৰিব নোৱাৰি, তেনে পৰিস্থিতিত আধা খাজনাৰ উদ্ভৱ হয়। যোগান সীমিত হোৱা বাবে বর্তমানে থকা যন্ত্রবিলাকে অতিৰিক্ত উপার্জন কৰে। এয়াই আধা খাজনা। কিন্তু দীর্ঘকালত এই উপার্জন নোহোৱা হয়, যেতিয়া যন্ত্রৰ চাহিদা বৃদ্ধি পায়।

৬ নং **প্রশ্নৰ উত্তৰ ঃ** (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

৭ নং **প্রশ্নৰ উত্তৰ ঃ** মূল্যত খাজনা অন্তর্ভুক্ত হ'ব পৰা পৰিস্থিতিবিলাক হৈছে ঃ

- ভূমিৰ ওপৰত অধিক নির্ভৰশীলতাই ইয়াৰ চাহিদা অধিক বৃদ্ধি কৰে। ভূমিৰ মালিকে এই পৰিস্থিতিৰ সুযোগ ল'ব পাৰে। এনেকুৰা পৰিস্থিতিত খাজনা মূল্যত অন্তর্ভুক্ত হয়। আৰু দ্বিতীয়তে,
- তুলনামূলকভাৱে উন্নত ভূখণ্ডৰ নাটনিয়ে ইয়াৰ মূল্য নির্দ্ধাৰণ কৰে। দৰাচলতে, এনেকুৰা পৰিস্থিতিত সেই ভূখণ্ডৰ ব্যৱহাৰ কৰোঁতাই আদায় দিয়া খাজনাই ইয়াৰ মূল্যত প্রভাৱ পেলায়।



৩.১১ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ চমুটোকা লিখক ঃ

(ক) আধুনিক অৰ্থনৈতিক তত্ত্বত খাজনা (খ) আধা খাজনা

প্ৰশ্ন নং ২ ঃ খাজনা আৰু আধা খাজনাৰ মাজৰ পাৰ্থক্য দেখুৱাওক।

প্ৰশ্ন নং ৩ ঃ খাজনা আৰু আধা খাজনাৰ মাজৰ সাদৃশ্যখিনি দেখুৱাওক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ ৰিকার্ডোৰ খাজনা তত্ত্বটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াওঁক।

প্ৰশ্ন নং ২ ঃ আধা-খাজনাৰ ধাৰণাটো আলোচনা কৰক। *'আধা খাজনা অৰ্জন কৰিলেও ব্যৱসায় প্ৰতিষ্ঠান এটাই ভাৰসমতা অৰ্জনৰ সময়ত লাভ অৰ্জন কৰিব পাৰে বা লোকচানো ভৰিব পাৰে।'* কথাষাৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ লাভ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ লাভৰ প্ৰাথমিক ধাৰণা
৪.৩.১ লাভৰ অৰ্থ
৪.৩.২ মুঠ লাভ
৪.৩.৩ প্ৰকৃত লাভ
৪.৩.৪ মুঠ লাভ আৰু প্ৰকৃত লাভৰ মাজৰ পাৰ্থক্য
৪.৩.৫ লাভৰ প্ৰকৃতি
৪.৪ লাভৰ তত্ত্ব
৪.৪.১ লাভৰ উদ্ভাৱন তত্ত্ব
৪.৪.২ লাভৰ অনিশ্চয়তা বহন তত্ত্ব
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবৰ বাবে
৪.৭ অগ্ৰগতিৰ খতিয়ান
৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- লাভৰ সংজ্ঞা আগবঢ়াব পাৰিব
- শুদ্ধ লাভ আৰু মুঠ লাভৰ মাজৰ পাৰ্থক্য বিচাৰ কৰিব পাৰিব
- লাভৰ প্ৰকৃতি আলোচনা কৰিব পাৰিব
- লাভৰ উদ্ভাৱন তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- লাভৰ অনিশ্চয়তা বহন তত্ত্ব বৰ্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

আপোনালোকে ইতিমধ্যে জানিলে যে উৎপাদনৰ চাৰিটা উপাদান অৰ্থাৎ ভূমি, শ্ৰম, মূলধন আৰু উদ্যোগীয়ে উৎপাদনৰ ক্ষেত্ৰত যোগোৱা অৰিহণাৰ বাবদ বক্‌চিচ (reward) পায়। নিজস্ব সেৱাৰ বাবে বক্‌চিচ হিচাপে ভূমিয়ে খাজনা পায় আৰু শ্ৰমে মজুৰি পায়। একেদৰে, মূলধনেও ইয়াৰ সেৱাৰ বাবে বক্‌চিচ লাভ কৰে যাক আমি সুত বুলি কওঁ। এই অধ্যায়ত এনেকুৱা

এক বক্‌চিচ-'লাভ'ৰ কথা আলোচনা কৰা হৈছে।

লাভ হৈছে উদ্যোগীৰ উপাদানৰ আয় (factor income)। ই হৈছে ব্যৱসায়ৰ উপার্জন আৰু ইয়াৰ সমস্ত খৰছৰ মাজৰ পার্থক্য। ই সাধাৰণতে এছোৱা সময়ক লৈ নিৰূপিত হয়। লাভক ব্যৱসায়ৰ স্বত্বাধিকাৰীৰ বক্‌চিচ বোলা হয়। তেওঁলোকে তেওঁলোকৰ ধন আৰু সময় খটুৱাই অনিশ্চয়তা মূৰ পাতি লয়। যদি লাভ নহয়, তেন্তে ব্যৱসায় চলাই যাবলৈ বা ব্যৱসায়ত অধিক ধন খটুৱাবলৈ বিশেষ কাৰণ নাথাকিব; তাৰ সলনি তেওঁলোকে এটা বেংকত ধনখিনি ৰাখিব আৰু সেই জমাৰ ওপৰত সুত অর্জন কৰিব।

৪.৩ লাভৰ প্রাথমিক ধাৰণা

লাভ সম্পর্কে আমি সবিশেষ আলোচনা কৰাৰ আগতে 'লাভ' শব্দটোৰ অর্থ, প্রকৃতি তথা মুঠ লাভ আৰু প্রকৃত লাভৰ ধাৰণা সম্পর্কে আলোচনা কৰাটো আমাৰ বাবে সহায়ক হ'ব।

৪.৩.১ লাভৰ অর্থ আৰু প্রকৃতি

আমি ইতিমধ্যে পাইছোঁ যে লাভ হৈছে উদ্যোগী (entrepreneur)ৰ উপাদানৰ আয় (factor income)। উদ্যোগীয়ে উৎপাদনৰ তিনিটা উপাদান— ভূমি, শ্রম আৰু মূলধন সংগ্রহ কৰে আৰু ইহঁতৰ কার্যকলাপ সমন্বিত কৰে আৰু উৎপাদনৰ সকলো আশংকা মূৰ পাতি লয়। লাভ হৈছে ব্যৱসায়ৰ উপার্জন আৰু ইয়াৰ সমস্ত খৰছৰ মাজৰ পার্থক্য। ইয়াক সাধাৰণতে এছোৱা সময়ৰ ভিত্তিত নিৰূপণ কৰা হয়।

উদ্যোগীয়ে আহৰণ কৰা উপার্জনৰ প্রকৃতি উৎপাদনৰ আন উপাদানবিলাকে আহৰণ কৰা উপার্জনতকৈ বেলেগ। এইক্ষেত্রত, গুৰুত্বপূর্ণ পার্থক্যবিলাক হৈছে ঃ

- প্রথমতে, খাজনা, মজুৰি আৰু সুত আগতীয়াকৈ জনা যায়, লাভৰ কথা জনা নাযায়।
- দ্বিতীয়তে, খাজনা, মজুৰি আৰু সুত শূন্য হ'ব নোৱাৰে, নেতিবাচকতো নহয়েই; লাভ শূন্য হ'ব পাৰে অথবা নেতিবাচকো (লোকচান) হ'ব পাৰে।
- তৃতীয়তে, উৎপাদনৰ আন উপাদানবিলাকে আহৰণ কৰা উপার্জন অৱশিষ্ট (residual) উপার্জন নহয়, কিন্তু লাভ হৈছে উৎপাদনৰ আন উপাদানবিলাকক পৰিশোধ কৰাৰ পাছত ৰোৱা এক অৱশিষ্ট বাকী থাকে। সেয়ে, লাভ হৈছে অৱশিষ্ট উপার্জন।

৪.৩.২ মুঠ লাভ

মুঠ লাভ (Gross Profit) হৈছে উৎপাদিত সামগ্রীৰ বিক্রীৰ পৰা আহৰণ কৰা আয় আৰু উদ্যোগীয়ে খটুওৱা মুঠ ***স্পষ্ট ব্যয়*** (explicit costs)ৰ মাজৰ পার্থক্য।



স্পষ্ট ব্যয় ঃ বাহিৰা উৎসৰ পৰা ভাড়া কৰি অনা উৎপাদনৰ উপাদানবিলাকৰ বাবদ হোৱা খৰছ

অর্থাৎ, উৎপাদনৰ উপাদান ক্রয় কৰাৰ বাবদ হোৱা ব্যয় মুঠ লাভৰ পৰা বাদ দিয়া হয়।

এনেদৰে, মুঠ লাভ = মুঠ আয়- মুঠ স্পষ্ট ব্যয়।

ব্যৱসায়ত দ্রব্য-পাতিৰ মূল্য নিৰূপণৰ ক্ষেত্রত আৰু আহিলাপাতিৰ ব্যৱহাৰৰ ক্ষেত্রত সিদ্ধান্ত লোৱাত সহায়ক হ'বলৈ মুঠ লাভক কৃতিত্বৰ সূচক (performance indicator) হিচাপে ব্যৱহাৰ কৰা হয়।

কেতবোৰ প্রধান উপাদানক লৈ মুঠ লাভ গঠিত। এই উপাদানবিলাক হৈছে ঃ

- **পৰিচালনাৰ মজুৰি** (Wages of Management) ঃ যেতিয়া উদ্যোগীয়ে নিজে ব্যৱসায়টো পৰিচালনা কৰে, তেওঁৰ মুঠ লাভত তেওঁৰ পৰিচালনাৰ মজুৰি অন্তর্ভুক্ত হৈ থাকে। বাস্তৱিকতে, মজুৰি তেওঁৰ লাভৰ এটা অংশ নহয়; কাৰণ আন কোনো প্রতিষ্ঠানত এজন পৰিচালক হিচাপে কাম কৰিলেও তেওঁ সেইখিনি অর্জন কৰিব পাৰিলেহেঁতেন। সেই বাবে তেওঁ নিজে ব্যৱসায় পৰিচালনা কৰি পোৱা মজুৰি তেওঁৰ মুঠ লাভত অন্তর্ভুক্ত হয়; সেয়ে, প্রকৃত লাভ উলিয়াবলৈ ইয়াক বাদ দিয়া হয়।
- **উদ্যোগীৰ নিজা ভূমিৰ খাজনা** (Rent on enterpreneur's own land) ঃ উদ্যোগী এজনে ব্যৱসায় তেওঁৰ নিজা ভূমিত আৰম্ভ কৰিব পাৰে। ব্যৱসায়িক উদ্দেশ্যত তেওঁৰ ভূমি ব্যৱহাৰ কৰাৰ বাবদ তেওঁক খাজনা দিয়া হয়। ঠিক মজুৰিৰ দৰে, খাজনাও তেওঁৰ লাভৰ এটা অংশ নহয়; কাৰণ আন উদ্যোগীক সেই ভূমিখিনি ভাড়াত দিও তেওঁ সেইখিনি অর্জন কৰিব পাৰে। সেইবাবে ব্যৱসায়ত লগোৱা উদ্যোগীৰ নিজা ভূমিৰ খাজনা হৈছে মুঠ লাভৰ এটা অংশ; অৱশ্যে, প্রকৃত লাভ উলিয়াবলৈ ইয়াক বিয়োগ কৰা হয়।
- **নিজা মূলধনৰ সুত** (Interest on his own capital) ঃ উদ্যোগীয়ে যেতিয়া ব্যৱসায়ত নিজা মূলধন বিনিয়োগ কৰে, তেওঁ ইয়াৰ ওপৰত সুত পায়। ওপৰৰ দুটাৰ দৰে, সুতো তেওঁৰ লাভৰ অংশ নহয়; কাৰণ আন ব্যৱসায়ীক তেওঁৰ মূলধন ধাৰলৈ দিও তেওঁ সেইখিনি আহৰণ কৰিব পাৰে। সেই বাবে তেওঁৰ নিজা মূলধনৰ বাবদ পোৱা সুত তেওঁৰ মুঠ লাভত অন্তর্ভুক্ত হয়; অৱশ্যে, প্রকৃত লাভ উলিয়াবলৈ ইয়াক বাদ দিয়া হয়।
- **আকস্মিক লাভ** (Windfall profit) ঃ উৎপাদিত সামগ্রীৰ অপ্রত্যাশিত মূল্য বৃদ্ধিয়ে উদ্যোগীৰ অধিক লাভ ঘটায়। এই অতিৰিক্ত লাভ মুঠ লাভত অন্তর্ভুক্ত হ'ব।
- **একচেটিয়া লাভ** (Monopoly profit) ঃ উৎপাদিত সামগ্রীৰ পৰিমাণ আৰু মূল্যৰ ওপৰত যি উদ্যোগীয়ে পুনৰুৎপাদনৰ স্বত্ব (copyright), স্বত্বাধিকাৰ (patent right) আৰু একচেটিয়া স্বত্ব (monopoly right) উপভোগ কৰে, সেই উদ্যোগীয়ে অধিক উপার্জন লাভ কৰিব। এই উপার্জন মুঠ লাভৰ এটা অংশ হ'ব।
- **উৎপাদন পৃথকীকৰণ** (Production differentiation) ঃ বিজ্ঞাপন, সামগ্রী ঘৰে

ঘৰে যোগান ধৰা গ্ৰাহক সেৱা আৰু এনেধৰণৰ আন কেতবোৰ উপাদানৰ জৰিয়তে উৎপাদন পৃথকীকৰণ হয়। ইয়াৰ ফলত সামগ্ৰীৰ চাহিদা বৃদ্ধি হ'ব পাৰে আৰু উদ্যোগীৰ লাভত সংযোজন হ'ব পাৰে। এই লাভ মুঠ লাভৰ অন্তৰ্ভুক্ত হ'ব।

৪.৩.৩ প্ৰকৃত লাভ

এই কথা মন কৰিবলগীয়া যে মুঠ লাভ (Gross Profit) আৰু প্ৰকৃত লাভ (Net Profit)ৰ আনুষঙ্গিক অংশবিলাকৰ ক্ষেত্ৰত অৰ্থবিজ্ঞানীসকলৰ মাজত কোনো সৰ্বসন্মত সিদ্ধান্ত নাই। কিছুসংখ্যকে মুঠ লাভৰ অংশ হিচাপে আকস্মিক লাভ, একচেটিয়া লাভ, উদ্যোগীৰ আশংকা আৰু অনিশ্চয়তা বহন কৰাৰ সক্ষমতাৰ পৰা উদ্ভৱ হোৱা লাভ, নতুনত্বৰ উদ্যম আৰু উৎপাদিত সামগ্ৰীৰ ভেদ কৰণৰ উপাদানবিলাকক অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে কিছুসংখ্যকে এইবিলাকক প্ৰকৃত লাভৰ অংশ হিচাপে অন্তৰ্ভুক্ত কৰে। অৱশ্যে, এই কথা প্ৰতিপন্ন হৈছে যে আধুনিক অৰ্থবিজ্ঞানীসকলে প্ৰায়ে লাভৰ আমেৰিকান দৃষ্টিভংগী মানি ল'ব বিচাৰে, য'ত লাভক সম্পূৰ্ণৰূপে উদ্যোগমূলক কাম-কাজ, যথা- বেতনভোগী কৰ্মচাৰীয়ে সমাপন কৰিব নোৱৰা কাম-কাজৰ বক্‌চিচ বুলি কোৱা হয়। এনেকৈ, উদ্যোগমূলক সক্ষমতাবিলাক অৰ্থাৎ, আশংকা বহন কৰা, অনিশ্চয়তা বহন কৰা, দৰ-দাম কৰাৰ দক্ষতা, নতুনত্ব অনা ইত্যাদিয়ে তেওঁৰ প্ৰকৃত লাভত ফল দিয়ে।

স্পষ্ট ব্যয় (explicit cost) আৰু *সাংকেতিক ব্যয়* (implicit cost)ৰ মাধ্যমেৰে প্ৰকৃত লাভ এনেদৰে দেখুৱাব পাৰি ঃ

প্ৰকৃত লাভ = মুঠ লাভ - উৎপাদনৰ সাংকেতিক ব্যয় - অৱক্ষয় ব্যয়।

প্ৰকৃত লাভত কেতবোৰ উপাদান অন্তৰ্নিহিত হৈ থাকে। এইবিলাক হৈছে ঃ

- **আশংকা আৰু অনিশ্চয়তা বহন** (Bearing risks and uncertainties) ঃ উদ্যোগীয়ে একোবিধ সামগ্ৰী ইয়াৰ ভৱিষ্যতৰ চাহিদাৰ অনুমানৰ ওপৰত উৎপাদন আৰম্ভ কৰে। ভৱিষ্যতৰ চাহিদা কমিবও পাৰে অথবা আশা কৰা পৰ্যায়লৈ নুঠিবও পাৰে। এই আশংকা আৰু অনিশ্চয়তা মূৰ পাতি লোৱা বাবে উদ্যোগীয়ে এক উপাৰ্জন আহৰণ কৰিব যিটো তেওঁৰ প্ৰকৃত লাভৰ অংশ হ'ব।
- **শ্ৰেষ্ঠ দৰদাম কৰোঁতা হিচাপে প্ৰাপ্তি** (Gains as superior bargainer) ঃ শ্ৰমিক, পুঁজিপতি, ভূস্বামী, কেঁচামালৰ যোগনীয়াৰ আৰু উপভোক্তাৰ সৈতে দৰদাম কৰাৰ পৰাও উদ্যোগীয়ে লাভ পাব পাৰে। দৰদাম কৰাৰ ক্ষেত্ৰত তেওঁৰ শ্ৰেষ্ঠ দক্ষতাৰ কাৰণে তেওঁ এই প্ৰাপ্তি লাভ কৰে।
- **উদ্ভাৱন** (Innovation) ঃ চুম্‌পীটাৰ (Schumpeter)ৰ মতে, উদ্ভাৱন কৰা উদ্যোগীয়ে সাধাৰণ উদ্যোগীতকৈ অধিক উপাৰ্জন আহৰণ কৰে। এই অতিৰিক্ত উপাৰ্জন প্ৰকৃত লাভৰ এটা অংশ।



স্পষ্ট ব্যয় ঃ বাহিৰা উৎসৰ পৰা ভাড়া কৰি অনা উৎপাদনৰ উপাদানবিলাকৰ বাবদ হোৱা খৰছ



সাংকেতিক ব্যয় ঃ উৎপাদনৰ সেই উপাদানবিলাকক আদায় দিয়া ব্যয়, যিবিলাক প্ৰতিষ্ঠান খনৰ আভ্যন্তৰীণ উৎসৰ পৰা আহে।

এই কথা মন কৰিবলগীয়া যে যুটীয়া ষ্টক কোম্পানীয়ে শুদ্ধ লাভ (pure profit) অর্জন কৰে, যিহেতু অংশীদাৰসকল হৈছে এই কোম্পানীৰ স্বত্বাধিকাৰ, আৰু তেওঁলোকে কোম্পানীক ভূমি, শ্রম আৰু মূলধনৰ যোগান নধৰে।

৪.৩.৪ মুঠ লাভ আৰু প্রকৃত লাভৰ মাজৰ পার্থক্য

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে মুঠ লাভ আৰু প্রকৃত লাভৰ আনুষঙ্গিক অংশবিলাকৰ ক্ষেত্রত অর্থবিজ্ঞানীসকলৰ মাজত কোনো সর্বসম্মত সিদ্ধান্ত নাই। কাজেই, এই দুটাৰ মাজত স্পষ্ট পৃথকীকৰণ সদায় সমালোচনাৰ উর্দ্ধত নহয়। অৱশ্যে, আমাৰ ওপৰৰ আলোচনাৰ ভিত্তিত এই দুটাৰ মাজত তলত দিয়া পার্থক্যবিলাক ৪.১ নং তালিকাত দেখুওৱা হৈছে ঃ

তালিকা ৪.১ ঃ মুঠ লাভ আৰু প্রকৃত লাভৰ মাজৰ পার্থক্য

ক্রঃ	মুঠ লাভ	প্রকৃত লাভ
(১)	(২)	(৩)
১	মুঠ লাভ হৈছে এক বিস্তৃত ধাৰণা।	প্রকৃত লাভ হৈছে দৰাচলতে মুঠ লাভৰ এটা অংশ।
২	মুঠ লাভত কেৱল স্পষ্ট ব্যয় অন্তর্ভুক্ত হয়।	প্রকৃত লাভত স্পষ্ট আৰু সৰল উভয় ব্যয় বহির্ভূত হয়।
৩	**সূত্র ঃ** মুঠ লাভ = মুঠ আয় - স্পষ্ট ব্যয়	**সূত্র ঃ** প্রকৃত লাভ = মুঠ আয় - মুঠ ব্যয়

৪.৩.৫ লাভৰ প্রকৃতি

আমি আগতে আলোচনা কৰি আহিছোঁ যে লাভ হৈছে মুঠ ৰাজহ আৰু মুঠ খৰচৰ মাজৰ পার্থক্য। এইটো মন কৰিবলগীয়া যে মুঠ ৰাজহ বা বিক্রী আয় বজাৰৰ চাহিদাৰ অৱস্থাৰ দ্বাৰাহে নিৰূপিত হয়। আনহাতে, মুঠ খৰচ নিৰূপিত হয় বজাৰৰ যোগান অৱস্থাৰ দ্বাৰা। যেতিয়া আমি লাভক উদ্ধৃত্ত বুলি কওঁ, আমি মন কৰিব লাগিব যে লাভ সদায় সংগঠকে পায়। এজন সংগঠকে তেওঁ ব্যৱহাৰ কৰা সকলোবোৰ উৎপাদনৰ উপাদানক তেওঁলোকৰ আয়খিনি ভগাই দিয়াৰ পিছত তেওঁৰ লগত ৰৈ যোৱাখিনি হৈছে লাভ।

লাভৰ প্রকৃতিৰ বিষয়ে আলোচনা কৰিবলৈ আমি তলত দিয়াবোৰ মন কৰিব লাগিব ঃ

- লাভ হৈছে এটা আংশিক আয়, গতিকে ইয়াৰ পৰিমাণো বেলেগ বেলেগ হয়। উৎপাদনৰ আন আন উপাদানে যেনে ভূমি, শ্রম আৰু মূলধনে এটা পূর্বনির্ধাৰিত আয় পায় গতিকে তেনে আয়বোৰ স্থিৰ।

- খাজনা, সুত আৰু মজুৰি সদায় ধনাত্মক, কিন্তু লাভ কেতিয়াবা ঋণাত্মক আৰু শূন্যও হ'ব পাৰে। লাভ নির্ভৰ কৰে সংগঠকৰ ব্যৱসায়িক কার্য্যকলাপৰ ওপৰত। নতুন নতুন উদ্ভাৱন আৰু প্রয়োগে বেছি লাভৰ সৃষ্টি কৰে। ইয়াৰ বিপৰীতে, লাভৰ পৰিমাণ কমি যায়। গতিকে, আমি লাভক ব্যৱসায় কার্য্যকলাপৰ পাৰদর্শিতা সূচক আখ্যা দিলে ভুল নহ'ব।
- এখন মুক্ত বজাৰ অর্থনীতিত লাভে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই সংগঠক সকলক বেছি শঙ্কা বহন কৰিবলৈ আৰু সাংগঠনিক কার্য্যকলাপ বৃদ্ধি কৰিবলৈ উৎসাহিত কৰে।
- লাভে সদায় সাংগঠনিক কার্য্যকলাপ সূচাৰুৰূপে পৰিচালনা কৰিবলৈ দিক্ নির্দেশনা দিয়ে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) উদ্যোগীয়ে আহৰণ কৰা উপার্জনৰ প্রকৃতি উৎপাদনৰ আন উপাদানবিলাকে আহৰণ কৰা উপার্জনতকৈ পৃথক। (শুদ্ধ/অশুদ্ধ)

(খ) খাজনা, মজুৰি আৰু সুত আগতীয়াকৈ জনা যায়, লাভৰ কথা জনা নাযায়। (শুদ্ধ/অশুদ্ধ)

(গ) প্রকৃত লাভৰ পৰা স্পষ্ট আৰু সাংকেতিক ব্যয় বাদ দিয়া নহয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ লাভ আৰু উৎপাদনৰ আন উপাদানবিলাকে অর্জন কৰা 'বকচিচ্'ৰ মাজৰ যিকোনো দুটা পার্থক্য উল্লেখ কৰক। (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৩ ঃ লাভক কিয় ব্যৱসায়ৰ স্বত্বাধিকাৰীৰ বক্চিচ বোলা হয়? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

৪.৪ লাভৰ তত্ত্ব

লাভৰ বহুতো তত্ত্ব আছে— লাভৰ খাজনা তত্ত্ব, লাভৰ মজুৰি তত্ত্ব, স্বাভাৱিক গতি তত্ত্ব, সংস্কাৰ তত্ত্ব, প্ৰান্তিক উৎপাদনশীলতা তত্ত্ব, আশংকা তত্ত্ব, অনিশ্চয়তা বহন তত্ত্ব ইত্যাদি। এইবিলাকৰ মাজৰ পৰা আমি ইয়াত দুটা তত্ত্ব আলোচনা কৰিম। সেইকেইটা হৈছে ঃ লাভৰ উদ্ভাৱন তত্ত্ব আৰু লাভৰ অনিশ্চয়তা বহন তত্ত্ব।

৪.৪.১ লাভৰ উদ্ভাৱন তত্ত্ব

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে উদ্ভাৱন হৈছে লাভৰ গুৰুত্বপূৰ্ণ উপাদানবিলাকৰ অন্যতম। লাভৰ উদ্ভাৱন তত্ত্বটো জোছেফ চুম্‌পীটাৰ (Joseph Schumpeter)ৰ সৈতে জড়িত। তেওঁৰ মতে, লাভ আহৰণত নতুনত্বই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদ্যোগীৰ নতুনত্ব আৰোপৰ উদ্যমে সৰ্বাধিক লাভ আনিব পাৰে। চুম্‌পীটাৰে নতুনত্ব আৰোপ বা সংস্কাৰ সাধনক উদ্যোগীৰ প্ৰধান কাম বুলি বিবেচনা কৰিছে।

'উদ্ভাৱন' (Innovation) শব্দটো চুম্‌পীটাৰে এক অত্যন্ত বিস্তৃত অৰ্থত ব্যৱহাৰ কৰিছে। তেওঁৰ মতে, উদ্ভাৱনে তলৰ যিকোনো এটাকে বুজাব পাৰে ঃ

- এটা নতুন সামগ্ৰী উলিওৱা,
- উৎপাদনৰ এটা নতুন কৌশল উলিওৱা,
- কেঁচামালৰ এটা নতুন উৎসৰ আৱিস্কাৰ আৰু
- এখন নতুন বজাৰৰ আৱিষ্কাৰ।

চুম্‌পীটাৰে দুই ধৰণৰ উদ্ভাৱনৰ কথা উল্লেখ কৰিছে ঃ **প্ৰথমতে,** যিবিলাকে উৎপাদন ফলন (production function)লৈ পৰিৱৰ্তন আনে আৰু পৰিণাম স্বৰূপে উৎপাদনৰ ব্যয় হ্ৰাস পায়। এইধৰণৰ নতুনত্ববিলাকত থাকে ঃ নতুন যন্ত্ৰৰ প্ৰৱেশ ঘটোৱা, উন্নত উৎপাদন প্ৰযুক্তি বা প্ৰক্ৰিয়া, কেঁচামালৰ নতুন উৎস বা নতুন ধৰণৰ কেঁচামালৰ উদ্ভাৱন, ইত্যাদি।

দ্বিতীয়তে, যি উৎপাদনৰ চাহিদা বৃদ্ধি কৰি চাহিদা বা উপযোগিতাৰ ব্যৱস্থাপনাৰ পৰিৱৰ্তন কৰে। এইধৰণৰ নতুনত্বত থাকে ঃ নতুন সামগ্ৰীৰ উদ্ভাৱন বা পুৰণি সামগ্ৰীৰ এক নতুন সংস্কৰণ উলিওৱা, বিজ্ঞাপনৰ নতুন আৰু অধিক কাৰ্যক্ষম ধৰণ, নতুন বজাৰত প্ৰৱেশ, ইত্যাদি।

ওপৰত উল্লিখিত যিকোনো এটাৰ ফলপ্ৰসূ সংস্কাৰ সাধনে অধিক লাভ আহৰণ কৰে, কাৰণ নতুনত্ব আৰোপ বা সংস্কাৰ সাধনৰ জৰিয়তে হয় উৎপাদনৰ ব্যয় হ্ৰাস পায়, অথবা উৎপাদিত সামগ্ৰীয়ে অধিক ভাল মূল্য কঢ়িয়াই আনে। এই কথা মন কৰিবলগীয়া যে নতুনত্বৰ জৰিয়তে অহা লাভ অস্থায়ী। কাৰণ, প্ৰতিযোগী মাৰ্কাবিলাকৰ (competing brands) একেধৰণৰ সামগ্ৰী/প্ৰযুক্তিৰ উদ্ভাৱনে উদ্ভাৱনৰ প্ৰাৰম্ভিক

সুযোগবিলাক নাইকিয়া কৰি পেলাব পাৰে। অৱশ্যে, যদিহে উক্ত সংস্কাৰ বা নতুনত্বক পেটেণ্ট (patent) কৰা হয়, তেন্তে এক দীঘলীয়া সময়লৈকে তেনে উদ্ভাৱনৰ সুফল লাভ কৰি থাকিব। এনেদৰে, এক গতিশীল (dynamic) অৰ্থনীতিত শ্ৰেষ্ঠ উদ্যোগীসকলে উদ্ভাৱনৰ জৰিয়তে লাভ অৰ্জন কৰে।

এইখিনিতে আন এটা গুৰুত্বপূৰ্ণ কথা মন কৰিব লাগিব যে লাভ হৈছে উদ্ভাৱনৰ কাৰণ আৰু প্ৰতিফল দুয়োটাই। লাভৰ প্ৰতি থকা হাবিয়াসে উদ্ভাৱনৰ এক উৎসাহ হিচাপে কাম কৰে, কাজেই লাভ হৈছে উদ্ভাৱনৰ কাৰণ (cause)। আকৌ, লাভ হৈছে সফল উদ্ভাৱনৰ ফল, সেয়ে লাভ উদ্ভাৱনৰ প্ৰতিফলো (effect)।

লাভৰ উদ্ভাৱন তত্ত্বৰ সমালোচনা ঃ তলত দিয়া কাৰণবিলাকৰ বাবে লাভৰ উদ্ভাৱন তত্ত্বটো সমালোচিত হৈছে —

- লাভৰ উদ্ভাৱন তত্ত্বই অনিশ্চয়তাক লাভৰ এটা উৎস বুলি গণ্য কৰা নাই।
- লাভৰ আশংকা বহনৰ ভূমিকাও আওকাণ কৰা হৈছে।

৪.৪.২ লাভৰ অনিশ্চয়তা বহন তত্ত্ব

অধ্যাপক ফ্ৰেংক নাইট (Frank Knight)-এ তেওঁৰ *'ৰিস্ক, আনচাৰ্টেইণ্টি এণ্ড প্ৰফিট'* গ্ৰন্থত লাভৰ অনিশ্চয়তা বহন তত্ত্বটো ব্যাখ্যা কৰিছে। নাইটে আশংকা (risk) আৰু অনিশ্চয়তা (uncertainty)ৰ মাজত স্পষ্ট প্ৰভেদ দেখুৱাইছে। তেওঁৰ মতে, আশংকা হৈছে সেইবোৰ যিবোৰ আগতীয়াকৈ অনুমান কৰিব পাৰি আৰু যিবিলাকৰ বীমা কৰিব পাৰি। এনেদৰে, মৃত্যু, অগ্নিকাণ্ড আৰু জাহাজ ডুবা আদিৰ দৰে আশংকাবিলাক বীমাযোগ্য হেতু ইবিলাকৰ ব্যয় হিচাপ কৰি উলিয়াব পাৰি। এনেধৰণৰ ঘটনাবিলাকৰ বাবে দিব লগা বীমাৰ কিস্তি (insurance premium) উৎপাদনৰ ব্যয়ত অন্তৰ্ভুক্ত হয়। এনেদৰে, এই ঘটনাবিলাকৰ আশংকা উদ্যোগীৰ ওপৰত নপৰে, বৰং সেইবিলাক সংশ্লিষ্ট বীমা কোম্পানীবিলাকৰ ওপৰত পৰে। সেয়ে, তেওঁ যুক্তি দৰ্শাইছে যে এনেধৰণৰ বীমাযোগ্য আশংকাবিলাক লাঘব কৰাৰ বাবদ একোটা ব্যৱসায়ে লাভ আহৰণ নকৰে। কিন্তু, অনিশ্চয়তা সামগ্ৰীৰ বিপণনযোগ্যতা (marketability) (যেনে- গ্ৰাহকৰ পছন্দ আৰু অগ্ৰাধিকাৰৰ পৰিৱৰ্তনৰ ফলত হোৱা চাহিদাৰ পৰিৱৰ্তন ইত্যাদি)ৰ সৈতে জড়িত হৈ থাকে, যাক আগতীয়াকৈ অনুমান কৰিব নোৱাৰি আৰু বীমা কৰাব নোৱাৰি। নাইটৰ মতে, ব্যৱসায়ত এনেধৰণৰ অনিশ্চয়তা বহন কৰাৰ বাবে এজন উদ্যোগীয়ে লাভ আহৰণ কৰে।

অনিশ্চয়তা মূৰ পাতি লোৱা কাৰ্যক উৎপাদনৰ এটা উপাদান হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ নাইট এঢাপ আগুৱাই গৈ কৈছে যে, উৎপাদনৰ আন উপাদানবিলাকৰ দৰে অনিশ্চয়তা বহনৰো এটা যোগান মূল্য আছে। উদাহৰণ স্বৰূপে, নিশ্চিত প্ৰতিদান আশা নকৰাকৈ কোনো উদ্যোগী অনিশ্চয়তাৰ সন্মুখীন হ'বলৈ আগ্ৰহী নহয়। এনেধৰণৰ

আগ্রহৰ প্রসাৰতা অৱশ্যেই নির্ভৰ কৰে — (ক) উদ্যোগীৰ মেজাজ (temperament), (খ) তেওঁ ব্যৱস্থা কৰা মুঠ সম্পদ (resources) আৰু (গ) অনিশ্চয়তা ৰূপে গণ্য কৰিবলৈ তেওঁ বাধ্য হোৱা এই সম্পদৰাজিৰ পৰিমাণ আদিৰ ওপৰত।



জনা উচিত

কেতবোৰ উপাদানৰ ফলত অনিশ্চয়তাৰ উদ্ভৱ হ'ব পাৰে। এই উপাদানবিলাক হৈছে ঃ

- উদ্যোগটো চৰকাৰে অধিগ্রহণ কৰিব পাৰে, বিশেষকৈ যেতিয়া ই একচেটিয়া ক্ষমতা উপভোগ কৰে আৰু ই নির্ধাৰণ কৰা দাম সাধাৰণতে অধিক বুলি বিবেচিত হয়।
- এক নতুন প্রযুক্তিৰ উদ্ভাৱনে উৎপাদনৰ পুৰণি কৌশল ব্যৱহাৰ কৰা উদ্যোগবিলাকক লোকচান ভৰাব পাৰে। এই অনিশ্চয়তাও পূর্বানুমান কৰিব নোৱাৰি।
- উদ্যোগত নতুন প্রতিষ্ঠানৰ প্রবেশে সৃষ্টি কৰা প্রতিযোগিতায়ো আগৰে পৰা থকা প্রতিষ্ঠানৰ লাভ নোহোৱা কৰিব পাৰে আৰু ইয়ে প্রতিষ্ঠানবিলাকক অনিশ্চয়তাত পেলাব পাৰে।
- বাণিজ্য চক্রৰ অস্থিৰতা (cyclical fluctuation)য়ো অনিশ্চয়তাৰ উদ্ভৱ কৰিব পাৰে আৰু লাভৰ অংকত প্রভাব পেলাব পাৰে।

লাভৰ অনিশ্চয়তা তত্ত্বৰ সমালোচনা ঃ নাইটৰ অনিশ্চয়তা বহন তত্ত্বটো তলত দিয়া কাৰণবিলাকত সমালোচিত হৈছে —

- নাইটে অনিশ্চয়তা বহনক উৎপাদনৰ এটা স্বতন্ত্র উপাদানৰ পর্যায়লৈ লৈ গৈছে। দৰাচলতে, অনিশ্চয়তা বহন হৈছে উৎপাদনৰ প্রকৃত ব্যয়ৰ এটা অংশ।
- অনিশ্চয়তা বহন হৈছে লাভৰ উপাদানবিলাকৰ মাজৰ এটা, কিন্তু ই একমাত্র উপাদান নহয়। একচেটিয়া অৱস্থিতি, সামগ্রীৰ ভেদ কৰণ ইত্যাদি উপাদানবিলাকেও লাভ আর্জিব পাৰে।
- অনিশ্চয়তা বহন কৰাৰ পাছতো উদ্যোগীয়ে কেতিয়াবা লোকচানৰ সন্মুখীন হ'ব পাৰে।
- মালিকীস্বত্ব (proprietorship) আৰু অংশীদাৰিত্ব (share-holding)ৰ মাজৰ পার্থক্যৰ প্রতি নাইটে গুৰুত্ব আৰোপ কৰা নাই। মালিক আৰু অংশীদাৰসকল হৈছে ব্যৱসায়ৰ স্বত্বাধিকাৰ আৰু সেয়ে তেওঁলোকে অনিশ্চয়তা বহন কৰে। এনেদৰে, যদিও নাইটৰ তত্ত্বই আন কিছুমান তত্ত্বতকৈ এক উচ্চমান প্রতিপন্ন কৰিছে, তথাপি ওপৰত উল্লেখ কৰা আসোঁৱাহবোৰৰ পৰা ই মুক্ত নহয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

(ক) লাভৰ অনিশ্চয়তা বহন তত্ত্বৰ সৈতে এফ বি হ্ৰণ্ডলি জড়িত। (শুদ্ধ/অশুদ্ধ)

(খ) নাইটৰ মতে, এজন উদ্যোগীয়ে অকল্পনীয় অনিশ্চয়তা বহন কৰাৰ বাবে লাভ আহৰণ কৰে, বীমাৰ যোগ্য আশংকা বহন কৰাৰ বাবে নহয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ উদ্ভাৱনে উদ্যোগীলৈ কেনেদৰে লাভ কঢ়িয়াই আনে? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লাভ হৈছে উদ্যোগীৰ উপার্জন।
- লাভ এবিধ অৱশিষ্ট (residual) উপার্জন।
- প্রকৃত লাভ মুঠ লাভৰ এটা অংশ।
- মুঠ আয়ৰ পৰা উদ্যোগীৰ মুঠ স্পষ্ট ব্যয় যেতিয়া বিয়োগ কৰা হয়, তেতিয়া আমি মুঠ লাভ পাওঁ।
- একেদৰে, মুঠ আয়ৰ পৰা মুঠ ব্যয় (স্পষ্ট ব্যয় আৰু সৰল ব্যয়) বিয়োগ কৰিলে আমি প্রকৃত লাভ পাওঁ।
- ফলপ্রসূ উদ্ভাৱনে অধিক লাভ আহৰণ কৰে, কাৰণ উদ্ভাৱনৰ জৰিয়তে হয় উৎপাদনৰ ব্যয় হ্রাস পায় নতুবা উৎপাদিত সামগ্রীয়ে এটা অধিক ভাল দাম কঢ়িয়াই আনে।
- উদ্ভাৱনৰ জৰিয়তে অহা লাভ অস্থায়ী। কাৰণ, প্রতিযোগী মার্কাবিলাকৰ (competing brands) গৰাকী উদ্যোগীয়ে একেধৰণৰ সামগ্রী/প্রযুক্তিৰ উদ্ভাৱনে প্রাৰম্ভিক উদ্ভাৱন (initial innovetor)ৰ সুযোগবিলাক নাইকিয়া কৰিব পাৰে।
- অৱশ্যে, যদিহে উক্ত উদ্ভাৱনক পেটেণ্ট (patent) প্রদান কৰা হয়, তেন্তে এক দীঘলীয়া সময়লৈকে উদ্ভাৱনৰ সুফল লাভ কৰি থাকিব। এনেদৰে, এক গতিশীল (dynamic) অর্থনীতিত শ্রেষ্ঠ উদ্যোগীসকলে উদ্ভাৱনৰ জৰিয়তে অধিক মুনাফা অর্জন কৰে।
- এইখিনিতে আন এটা গুৰুত্বপূর্ণ কথা মন কৰিব লাগিব যে লাভ হৈছে উদ্ভাৱনৰ কাৰণ আৰু প্রতিফল দুয়োটাই। লাভৰ প্রতি থকা হাবিয়াসে উদ্ভাৱনৰ এক উৎসাহ (incentive) হিচাপে কাম কৰে, কাজেই লাভ হৈছে উদ্ভাৱনৰ কাৰণ (cause)। আকৌ, লাভ হৈছে

সফল উদ্ভাৱনৰ ফল, সেয়ে লাভ উদ্ভাৱনৰ প্ৰতিফলো (effect)।

- আনহাতে, সামগ্ৰীৰ বিপণন-যোগ্যতা (marketability), অনিশ্চয়তা (যেনে - গ্ৰাহকৰ পচন্দ আৰু অগ্ৰাধিকাৰৰ পৰিৱৰ্তনৰ ফলত হোৱা চাহিদাৰ পৰিৱৰ্তন ইত্যাদি)ৰ সৈতে জড়িত হৈ থাকে, যাক আগতীয়াকৈ অনুমান কৰিব নোৱাৰি আৰু বীমা কৰাব নোৱাৰি।
- নাইটৰ মতে, ব্যৱসায়ত এনেধৰণৰ অনিশ্চয়তা বহন কৰাৰ বাবে একোজন উদ্যোগীয়ে লাভ আহৰণ কৰে।
- অনিশ্চয়তা মূৰ পাতি লোৱা কার্যক নাইটে উৎপাদনৰ এটা উপাদান হিচাপে অন্তৰ্ভুক্ত কৰিছে। তেওঁৰ মতে, উৎপাদনৰ আন উপাদানবিলাকৰ দৰে, অনিশ্চয়তা বহনৰ এটা যোগান মূল্য (supply price) আছে। অর্থাৎ, নিশ্চিত প্ৰতিদান আশা নকৰাকৈ কোনো উদ্যোগী অনিশ্চয়তাৰ সন্মুখীন হ'বলৈ আগ্ৰহী নহয়।



৪.৬ অধিক জানিবৰ বাবে

1) Ahuja, H. L. (2007). *Advanced Economic Theory: Microeconomic Analysis*. New Delhi: S.Chand & Company Ltd.
2) Chopra, P. N. (2008). *Micro Economics*. Ludhiana: Kalyani Publishers.
3) Dewett, K. K. (2005). *Modern Economic Theory*. New Delhi: S.Chand & Sons.
4) Sundharam, K. P. M., & Vaish, M. C. (1997). *Microeconomic Theory*. New Delhi: S. Chand.

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, ড° অতুল. (২০০৫). *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ব).* ডিব্রুগড় ঃ ষ্টুডেণ্টচ্ এম্পা'ৰিয়াম.

২) আলম, ড° খুৰছেদ; হুদা, ড° মনিৰুল আৰু শর্মা, ড° অর্চনা. (২০০৪). *স্নাতক মহলাৰ অর্থতত্ব (ব্যষ্টিগত অর্থবিজ্ঞান).* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ, ।

৩) হুদা, ড° মনিৰুল. (২০০৭). *অর্থনীতি তত্ব ঃ ব্যষ্টিগত অর্থনৈতিক তত্ব,* ডিব্রুগড় ঃ বনলতা.



৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ উদ্যোগীয়ে আহৰণ কৰা উপার্জনৰ প্ৰকৃতি উৎপাদনৰ আন উপাদানবিলাকে

আহৰণ কৰা উপার্জনৰ প্রকৃতিতকৈ পৃথক। গুৰুত্বপূর্ণ প্রভেদবিলাক হৈছে ঃ

- প্রথমতে, খাজনা, মজুৰি আৰু সুতৰ বিষয়ে আগতীয়াকৈ জানিব পাৰি, লাভৰ কথা জনা নাযায়।
- দ্বিতীয়তে, খাজনা, মজুৰি আৰু সুত শূন্য নহয়, নেতিবাচকো নহয়, লাভ শূন্যও হ'ব পাৰে বা নেতিবাচকো (লোকচান) হ'ব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ লাভক ব্যৱসায়ৰ স্বত্বাধিকাৰীৰ বক্‌চিচ বোলা হয়। তেওঁলোকে তেওঁলোকৰ ধন আৰু সময়ক লৈ আশংকা মূৰ পাতি লয়। যদি লাভ নহয়, তেন্তে ব্যৱসায় চলাই নিয়া বা অধিক ধন খটুওৱাৰ কাৰণ নাথাকিব। তাৰ পৰিৱর্তে তেওঁলোকে ধন বেংকত ৰাখিব আৰু সেই জমাৰ পৰা সুত আহৰণ কৰিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ ফলপ্রসূ উদ্ভাৱনে অধিক লাভ আহৰণ কৰে, কাৰণ উদ্ভাৱনৰ জৰিয়তে হয় উৎপাদনৰ ব্যয় হ্রাস পায় অথবা উৎপাদিত সামগ্রীয়ে অধিক ভাল মূল্য কঢ়িয়াই আনে।



৪.৮ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ চমুটোকা লিখক

(ক) মুঠ লাভ আৰু প্রকৃত লাভ (খ) উদ্ভাৱন আৰু লাভ আহৰণ

প্রশ্ন নং ২ ঃ মুঠ লাভ আৰু প্রকৃত লাভৰ মাজৰ পার্থক্য দেখুৱাওক।

দীঘল বা ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ লাভৰ উদ্ভাৱন তত্ত্বৰ সমালোচনাত্মক ব্যাখ্যা দাঙি ধৰক।

প্রশ্ন নং ২ ঃ লাভৰ অনিশ্চয়তা বহন তত্ত্বটো আলোচনা আগবঢ়াওক। এই তত্ত্বটো কিয় সমালোচিত হৈছে?

*** ***** ***

অধ্যায় ৫ ঃ উৎপাদন আৰু নিয়োগ ঃ সংস্থাপিক তত্ত্ব

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সংস্থাপিক তত্ত্বৰ মৌলিক ভেঁটি আৰু অভিধাৰণা

৫.৪ নিয়োগৰ সংস্থাপিক তত্ত্ব

৫.৫ সংস্থাপিক তত্ত্বক কেইন্সৰ সমালোচনা

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবৰ বাবে

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জে বি ছে'ৰ বিখ্যাত বজাৰ বিধি সম্পর্কে এটা স্পষ্ট ধাৰণা অর্জন কৰিব পাৰিব
- নীতি নির্দ্ধাৰণৰ ক্ষেত্রত সমষ্টিগত অর্থনীতিৰ বিধিৰ প্রয়োগ সম্পর্কে জানিব পাৰিব
- নিয়োগৰ সংস্থাপিক তত্ত্ব সম্পর্কে আলোচনা কৰিব পাৰিব আৰু সংস্থাপিক অর্থনীতিক কেইন্সে কৰা সমালোচনাৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টিত আমি আয়, উৎপাদন আৰু নিয়োগৰ সংস্থাপিক তত্ত্বৰ বিষয়ে আলোচনা কৰিম। এই তত্ত্বটো জীন-বাপ্টিষ্ট ছে' (Jean-Baptiste Say) (১৭৬৭-১৮৩২) আগবঢ়োৱা বজাৰ তত্ত্বৰ ওপৰত প্রতিস্থিত।

এই অধ্যয়টিত আমি ছে'ৰ বজাৰ বিধি, ইয়াৰ অভিধাৰণাসমূহ আৰু তত্ত্বটো সম্বন্ধে চিত্রৰ সহায়ত আলোচনা আগবঢ়াম। লগতে সংস্থাপিক তত্ত্ব সম্বন্ধে কেইন্সে আগঢ়োৱা সমালোচনাকো ইয়াৰ মাজত ঠাই দিয়া হৈছে।

৫.৩ সংস্থাপিক তত্ত্বৰ মৌলিক ভেঁটি আৰু অভিধাৰণা

আয়, উৎপাদন আৰু নিয়োগৰ সংস্থাপিক তত্ত্বৰ মৌলিক অভিধাৰণাসমূহ আলোচনা কৰাৰ আগতে আমি ছে'ৰ বজাৰ বিধি (যাক সংস্থাপিক তত্ত্বৰ ভেটি বুলি কোৱা হয়) ৰ সম্বন্ধে সংক্ষেপে আলোচনা কৰোঁ আহক।

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে জে বি ছে'য়ে উদ্ভাৱন কৰা বিধিটো হৈছে সংস্থাপিক অর্থবিজ্ঞানৰ অন্যতম আধাৰ। এই বিধি অনুসৰি, 'সামগ্ৰীৰ বাবে সামগ্ৰী বিনিময় কৰা হয়,' যাক জনপ্ৰিয় ৰূপত এনেকৈ ব্যাখ্যা কৰা হৈছে— 'যোগানে ইয়াৰ নিজৰ চাহিদা সৃষ্টি কৰি লয়।' এই বিধিৰ অন্তৰালৰ যুক্তি হৈছে— যেতিয়া কিবা এটা উৎপন্ন কৰা হয় তথা বিক্ৰীৰ উদ্দেশ্যে বজাৰলৈ অনা হয়, ইয়ে এটা কথাই সূচায় যে যোগনিয়াৰজনে তেওঁৰ অভাৱ থকা আৱশ্যকীয় কিবা সামগ্ৰী বা বস্তুৰ সৈতে তেওঁৰ সামগ্ৰীবিধ বিনিময় কৰিব বিচাৰে। সেয়ে, একোজন যোগনিয়াৰে যেতিয়া বজাৰলৈ সামগ্ৰী আনে, তেতিয়া তেওঁ লগতে নিজৰ চাহিদাও লৈ আহে। এই দৃষ্টিকোণৰ ওপৰত ভিত্তি কৰি দাবী কৰা হৈছে যে একোটা মুক্ত বজাৰ অর্থনীতি (laissez-faire economy) ত অব্যৱহৃত সম্পদ থকালৈকে উৎপাদন বৃদ্ধি কৰিব পাৰি আৰু ইয়াক বিক্ৰী কৰিব পাৰি; কিয়নো এই উৎপাদনেও সম পৰিমাণৰ চাহিদা সৃষ্টি কৰিব। ইয়াৰ পৰিণতি এনেকুৱা হ'বগৈ যে যিমান দিনলৈকে মুক্ত বজাৰ ব্যৱস্থা থাকিব, তেতিয়ালৈকে নিয়োগৰ পূৰ্ণ ভাৰসমতা থাকিব আৰু পূৰ্ণ নিয়োগেই সাধাৰণ অৱস্থা ৰূপে পৰিগণিত হ'ব। ই অৱশ্যে কিছুমান খণ্ড বা সামগ্ৰীৰ ক্ষেত্ৰত সাময়িকভাৱে অতিৰিক্ত উৎপাদনৰ সম্ভাৱনীয়তা অস্বীকাৰ কৰা নাই। ভুল দিশত কৰা উৎপাদনে এনেকুৱা অতিৰিক্ত উৎপাদনৰ পৰিণতি সৃষ্টি কৰিব পাৰে। কিন্তু এই ব্যৱস্থা সাময়িকভাৱেহে বৰ্তি থাকিব; কিয়নো উদ্যোগীসকলে এনে পৰিস্থিতিত সেইবোৰ সামগ্ৰীৰ সলনি আন সামগ্ৰী উৎপাদন কৰিব, যিবিলাক লাভত বিক্ৰী কৰিব পৰা যাব। এনেকৈ, ছে'ৰ বজাৰ বিধিয়ে সামগ্ৰিকভাৱে অতিৰিক্ত উৎপাদন বা সৰ্বমুঠ চাহিদাৰ সামগ্ৰিক অনুপস্থিতি নাকচ কৰিছে।

একোটা ***বিনিময় অর্থনীতি*** (barter economy)ত ওপৰৰ কথাখিনি সম্পূৰ্ণ যুক্তিযুক্ত। একোটা বিনিময় অর্থনীতিত একোটা উৎপন্ন বস্তুৰ যোগানৰ অর্থ হৈছে আন বস্তুৰ সম পৰিমাণৰ এক চাহিদা। এইটো সম্পূৰ্ণ স্পষ্ট যে একোটা বিনিময় পদ্ধতিত দুজন যোগনিয়াৰৰ একে সময়তে অভাৱ সৃষ্টি হ'ব লগা হয়। কিন্তু একোটা মুদ্ৰা অর্থনীতিত এইটো আৱশ্যকীয় নহয়। একোটা মুদ্ৰা অর্থনীতিত, যোগনিয়াৰসকলে সামগ্ৰীৰ বিনিময়ত ধন লাভ কৰে, যি ধন তেওঁলোকে নিজৰ দৰকাৰী আন বস্তু ক্ৰয় কৰাত ব্যৱহাৰ কৰে। আকৌ, তেওঁলোকে আন বস্তু ক্ৰয় কৰি তেওঁলোকৰ উপাৰ্জিত সমুদায় ধন খৰচ কৰাটোও আৱশ্যকীয় নহয়। কিন্তু সংস্থাপিক অর্থবিজ্ঞানীসকলে ইয়াক অস্বীকাৰ কৰি কৈছে যে ধন হৈছে মাত্ৰ এবিধ বিনিময়ৰ মাধ্যম, তাৰ বাহিৰে ই আন কোনো কামত নালাগে। ইয়াৰ বিনিময়ত সামগ্ৰী ক্ৰয় কৰিব পাৰি বাবেহে ইয়াৰ চাহিদা আছে। মানুহে অকাৰণতে ধন হাতত ৰাখি থোৱাৰ কোনো যুক্তি নাই।



বিনিময় অর্থনীতি ঃ এক অর্থনৈতিক ব্যৱস্থা য'ত বস্তুৰ সৈতে বস্তু সাল সলনি কৰা হয়।

এই কথা অৱশ্যে স্বীকাৰ কৰি লোৱা হৈছে যে মানুহে তেওঁলোকৰ উপাৰ্জনৰ পৰা ধন বচাব বিচাৰে আৰু সঞ্চয়ে যোগান আৰু চাহিদাৰ মাজত এক পাৰ্থক্যৰ সৃষ্টি কৰে। কিন্তু সংস্থাপিক লেখকসকলে এই সম্ভাৱনীয়তা নাকচ কৰি কৈছে যে সঞ্চয় সদায় বিনিয়োগ কৰা হয়। সঞ্চয়ক সুতৰ হাৰ বৃদ্ধি কৰাৰ এক কার্য হিচাপে চোৱা হয়। আকৌ, বিনিয়োগক সুতৰ হাৰ হ্ৰাস কৰাৰ এক কার্য হিচাপে চোৱা হয়। যেতিয়া বিনিয়োগ সঞ্চয়ৰ সমান হয় তেতিয়া ভাৰসাম্য সুতৰ হাৰ

নির্দ্ধাৰিত হয়। স্থিতিস্থাপক সুতৰ হাৰে এই সমতা স্থাপন কৰে। সেয়ে, স্থিতিস্থাপক সুতৰ হাৰ প্রক্রিয়াই সঞ্চয় আৰু বিনিয়োগৰ সমতা আনে আৰু ছে'ৰ বিধিৰ সত্যতাকে প্রতিপন্ন কৰে, আনকি একোটা মুদ্রা অর্থনীতিটো।

বিংশ শতাব্দীৰ তৃতীয় দশকৰ ***বৃহৎ মন্দাৱস্থাৰ*** ঐতিহাসিক অভিজ্ঞতাই ছে'ৰ বিধি ভুল বুলি প্রতিপন্ন কৰিলে। সেই সময়ত ব্যাপক অতিৰিক্ত উৎপাদন হৈছিল, অর্থাৎ ভোগ হ্রাস পাইছিল। আমি জানোঁ যে ছে'য়ে যিকোনো ধৰণৰ সামগ্রীৰ ক্ষেত্রত অতিৰিক্ত উৎপাদন (over production) অথবা নিম্ন ভোগ (under consumption)ৰ সম্ভাৱনা নাকচ কৰিছিল। মন্দাৱস্থাই তেওঁৰ ধাৰণা ভুল বুলি প্রমাণ কৰিলে। কিন্তু এ চি পিগ' (A. C. Pigou) নেতৃত্বাধীন সংস্থাপিক লেখকসকলে ইয়াৰ বাবে বজাৰক জগৰীয়া কৰা নাছিল; ইয়াৰ পৰিবর্তে তেওঁলোকে মজুৰিৰ নিৰিখৰ নিম্নগামিতাক প্রতিৰোধ কৰা সংগঠিত কর্মশক্তিক জগৰীয়া কৰিছিল। তেওঁলোকে কৈছিল যে কর্মীসকলে যি পৰিমাণৰ মজুৰি বিচাৰিছিল সেয়া উদ্যোগী এজনৰ দৃষ্টিকোণৰ পৰা তেওঁলোকৰ নিয়োগ অলাভজনক কৰি তুলিছিল। সেয়ে, স্পষ্টভাৱে মজুৰিয়েহে নিয়োগৰ প্রক্রিয়া বাধাগ্রস্থ কৰিছিল আৰু চাহিদাৰ অভাৱ সৃষ্টি কৰিছিল। তেওঁলোকে যুক্তি দর্শাইছিল যে যদি মজুৰি আৰু তাৰ লগে লগে বস্তুৰ দাম নিম্নগামী হয়, একোটা মুক্ত অর্থনীতিত তেতিয়াও পূর্ণ নিয়োগ এক সাধাৰণ অৱস্থাৰূপে বর্তি থাকিব।



বৃহৎ মন্দাৱস্থা ঃ ১৯২৯-৩৩ সময়ছোৱাৰ বিশ্বৰ অর্থনৈতিক সংকট ।

ছে'ৰ বিধিৰ প্রয়োগ আৰু নিয়োগৰ সংস্থাপিক তত্ত্বৰ মৌলিক অভিধাৰণাঃ এতিয়া আমি ছে'ৰ বজাৰ বিধিটো অর্থনৈতিক নীতি নির্দ্ধাৰণৰ ক্ষেত্রত কেনেকৈ প্রয়োগ হৈছিল, সেই সম্পর্কে আলোচনা কৰিমঃ

- **সামগ্রিক অতিৰিক্ত উৎপাদনৰ অনুপস্থিতি** (Absence of general over production)ঃ যেতিয়ালৈকে যোগানে সদায় নিজৰ চাহিদা সৃষ্টি কৰে, তেতিয়ালৈকে সামগ্রী আৰু সেৱাৰ অতিৰিক্ত উৎপাদন হ'ব নোৱাৰে। যিমানে উৎপন্ন হ'ব সিমানে ভোগ কৰা হ'ব।
- **সামগ্রিক নিয়োগহীনতাৰ অনুপস্থিতি** (No general unemployment) ঃ যেতিয়ালৈকে অব্যৱহৃত সম্পদ থাকিব, তেতিয়ালৈ বিক্রী নোহোৱাকৈ থাকি যাব বুলি কোনো আশংকা নকৰাকৈ এই সম্পদবোৰ ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি কৰিব পাৰি। কাজেই, সামগ্রিক নিয়োগহীনতা সমস্যা কেতিয়াও উদ্ভৱ নহয়।
- **বজাৰ কার্যপ্রণালী** (Market mechanism) ঃ বজাৰ কার্যপ্রণালীৰ মুক্ত শক্তিসমূহে চাহিদা আৰু যোগানৰ বিসঙ্গতিয়ে উৎপাদন প্রক্রিয়াত সংঘটিত কৰা যিকোনো বিভ্রাট সদায় শুধৰাই লয়। উদ্বৃত্ত খণ্ডবিলাক (surplus sectors) ৰ পৰা সম্পদ আনি ঘাটিৰ সন্মুখীন হোৱা খণ্ডবিলাকত পুনৰ আৱণ্টনৰ জৰিয়তে আংশিক অতিৰিক্ত উৎপাদনকো শুধৰণি কৰা হ'ব। এনেকৈ, যিকোনো ধৰণৰ নিয়োগহীনতা কিছু সময়ৰ বাবে বা সাময়িকভাৱেহে বর্ত্তি থাকে।
- **চৰকাৰী হস্তক্ষেপ নাথাকে** (No government intervention) ঃ যিহেতু সামগ্রিকভাৱে দ্রব্য সামগ্রীৰ অপর্যাপ্ত ভোগ (Under-consumption) অথবা নিয়োগহীনতা (unemployment)ৰ সম্ভাৱনা নাকচ কৰা হৈছে, সেয়ে বজাৰত চৰকাৰৰ হস্তক্ষেপৰ প্রয়োজন

নাথাকে। দ্রব্য সামগ্রীৰ যিকোনো ধৰণৰ সাময়িক অভাৱ বজাৰৰ মুক্ত শক্তিবিলাকে নিজেই পূৰ কৰিবলৈ সক্ষম হ'ব। দীর্ঘকালত পূর্ণ নিয়োজন ভাৰসমতা (full employment equilibium) হ'ব স্বাভাৱিক প্রক্রিয়া। আনকি চৰকাৰী প্রচেষ্টা অবিহনেও মুক্ত বজাৰ অর্থনীতিত পূর্ণ নিয়োগ ভাৰসমতা এক স্বাভাৱিক অৱস্থা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জে বি ছে'ৰ 'সামগ্রীৰ বাবে সামগ্রী বিনিময় কৰা হয়' এই ধাৰণাক ..... হিচাপে ব্যাখ্যা কৰা হয়।

প্রশ্ন নং ২ ঃ ৰেখাংকিত বাক্যাংশৰ পৰা শুদ্ধ বিকল্পটো বাছনি কৰক —

(ক) ছে'ৰ বিধিটো মুদ্রা/বিনিময়/মিশ্র অর্থনীতিত তর্কাতীতভাৱে সত্য।

(খ) ছে'ৰ বজাৰ বিধিয়ে চৰকাৰী কার্যকলাপ/মুক্ত বজাৰ অর্থনীতি সূচায় ।

(গ) ছে'ৰ বিধি অনুসৰি সাময়িক বা দীর্ঘকালীন নিয়োগহীনতা থাকিব নোৱাৰে/সাময়িক নিয়োগহীনতা থাকিব পাৰে কিন্তু দীর্ঘকালীন নিয়োগহীনতা থাকিব নোৱাৰে।

(ঘ) ছে'ৰ পর্যালোচনাত বজাৰত অব্যৱহৃত সম্পদ/ক্রেতা থকালৈকে উৎপাদন বৃদ্ধি কৰিব পাৰি।

(ঙ) মুদ্রা অর্থনীতিত ছে'ৰ বিধিক মুদ্রাৰ পৰিমাণ তত্ত্ব / নমনীয় সুতৰ হাৰ / নমনীয় মজুৰিৰ নিৰিখ আৰু দ্রব্যমূল্য /এই সকলোবোৰ —ৰ ভিত্তিত আগবঢ়োৱা হৈছে।

৫.৪ নিয়োগৰ সংস্থাপিক তত্ত্ব

জে এছ মিল, আলফ্রেড মার্শ্বাল আৰু এ চি পিগ'কে ধৰি যিসকল অর্থবিজ্ঞানীয়ে ডেভিড ৰিকার্ডোৰ অর্থবিজ্ঞানৰ সংস্কাৰ সাধন কৰিছিল, সেইসকল অর্থবিজ্ঞানীকে নিয়োগৰ সংস্থাপিক তত্ত্ব (Classical Theory of Employment)ৰ বাটকটীয়া বুলিব পাৰি। এই তত্ত্বত ছে'ৰ বজাৰ বিধি, মুদ্রাৰ পৰিমাণ তত্ত্ব, সুতৰ হাৰৰ নমনীয়তা, মজুৰি দৰৰ নমনীয়তা আৰু অপৰিৱর্তিত কাৰিকৰীযুক্ত এক উৎপাদন ব্যৱস্থা— আদি অন্তর্ভুক্ত হৈ আছে। নিয়োগৰ সংস্থাপিক তত্ত্বক মুক্ত বজাৰ অর্থনীতিত উপার্জন আৰু উৎপাদন নির্দ্ধাৰণৰ এক আদর্শ তত্ত্ব হিচাপে চাব পাৰি। ইয়াত তলৰ সম্পর্কবিলাক জড়িত হৈ থাকে ঃ

(১) $Ns\ (W/P) = Nd\ (W/P)$ - - - (শ্রমৰ বজাৰ ভাৰসমতা)

(২) $Y = f\ (N,K)$ - - - - (উৎপাদন ফলন)

(৩) $M = kPY$ - - - - (মুদ্রা বজাৰৰ ভাৰসমতা)

(৪) $S(r) = I(r)$ - - - - (দ্রব্য সামগ্রীৰ বজাৰ ভাৰসমতা)

ইয়াত, Ns ঃ শ্রমৰ যোগান; Nd ঃ শ্রমৰ চাহিদা; W ঃ মুদ্রা মজুৰিৰ নিৰিখ; P ঃ দ্রব্য

মূল্যৰ সাধাৰণ স্তৰ; Y ঃ ৰাষ্ট্ৰীয় আয় অথবা উৎপাদন; K ঃ জমা মূলধন; M ঃ মুদ্ৰাৰ পৰিমাণ; k ঃ মুঠ উপাৰ্জনৰ পৰা হাতে জমা ৰখা নগদ অংশ; S ঃ সঞ্চয়; I ঃ বিনিয়োগ; r ঃ বজাৰৰ সুতৰ হাৰ।

ওপৰত উল্লিখিত শ্ৰমৰ বজাৰ ভাৰসমতা (labour market equilibrium) ই দেখুৱাইছে যে শ্ৰমৰ চাহিদা আৰু শ্ৰমৰ যোগান উভয়ে প্ৰকৃত মজুৰি নিৰ্দ্ধাৰণ কৰে। মন কৰিবলগীয়া যে, শ্ৰমৰ যোগান হৈছে প্ৰকৃত মজুৰিৰ এক প্ৰত্যক্ষ কাৰ্য, কিন্তু শ্ৰমৰ চাহিদা হৈছে প্ৰকৃত মজুৰিৰ বিপৰীত কাৰ্য।


উৎপাদন ফলন (production function) এ দেখুৱাইছে যে উৎপাদনৰ প্ৰযুক্তি অপৰিবৰ্তিত তথা মূলধনৰ জমা স্থিৰ থাকিলে, হ্ৰস্বকালত উৎপাদন হৈ পৰে নিয়োগৰ এটা কাৰ্য।

মুদ্ৰা বজাৰৰ ভাৰসমতা (money market equilibrium) ই এক সংস্থাপিক অৱস্থান দেখুৱাইছে য'ত মুদ্ৰা কেৱল বিনিময়ৰ এক মাধ্যম আৰু ই দ্ৰব্য মূল্যৰ সাধাৰণ স্তৰ নিৰ্দ্ধাৰণ কৰে। ভৰসাম্য পূৰ্ণ নিয়োগ অৱস্থাত উপনীত হ'বৰ বাবে মুদ্ৰা মজুৰিয়ে ভাৰসাম্য দৰৰ সৈতে সামঞ্জস্যতা ৰক্ষা কৰে, যাতে প্ৰয়োজনীয় প্ৰকৃত মজুৰিৰ নিৰিখ নিৰ্দ্ধাৰিত হয়।

দ্ৰব্যসামগ্ৰীৰ বজাৰ ভাৰসমতা (goods market equilibrium) ক সঞ্চয় বিনিয়োগৰ সমতাৰ দ্বাৰা দেখুওৱা হৈছে। সঞ্চয় হৈছে সুতৰ হাৰৰ এক প্ৰত্যক্ষ কাৰ্য, আকৌ বিনিয়োগ হৈছে সুতৰ হাৰৰ বিপৰীত কাৰ্য। সঞ্চয় আৰু বিনিয়োগ কাৰ্যৰ পাৰস্পৰিক সংঘাটে ভাৰসাম্য সুতৰ হাৰ নিৰ্দ্ধাৰণ কৰে। সঞ্চয় আৰু ভোগৰ মাজত প্ৰকৃত মজুৰিক কেনেকৈ ভাগ কৰা হৈছে সেই কথা নিৰ্দ্ধাৰণ কৰাৰ লগতে ই ভোগ্য সামগ্ৰী আৰু মূলধনী সামগ্ৰীৰ মাজত উৎপাদনক কেনেকৈ ভাগ কৰা হৈছে তাকো নিৰ্দ্ধাৰণ কৰে।

ওপৰত উল্লেখ কৰা বিৱৰণীয়ে কেৱল নিয়োগ, উৎপাদন, ভোগ, সঞ্চয়, সুতৰ হাৰ, দ্ৰব্য মূল্যৰ স্তৰ আৰু মুদ্ৰা মজুৰিৰ নিৰিখৰ স্তৰকে নিৰ্দিষ্ট কৰি দেখুওৱা নাই, তাতোকৈও অধিক দেখুৱাইছে। ওপৰৰ আলোচনা অনুসৰি, পূৰ্ণ নিয়োগৰ পৰিস্থিতিত নিয়োগৰ স্তৰ স্পষ্ট ৰূপত নিৰ্দ্ধাৰিত হয়। প্ৰচলিত মূল্যস্তৰত উৎপাদিত সামগ্ৰী বিক্ৰী কৰিব পৰা নগ'লে দ্ৰব্যমূল্যৰ স্তৰ নিম্নগামী হয়। একেদৰে, কৰ্মসংস্থানহীনতাৰ উদ্ভৱ হ'লে মজুৰিৰ হাৰ নিম্নগামী হয়, যাতে স্বয়ংক্ৰিয়ভাৱে পূৰ্ণ নিয়োগ সাধিত হয়। তদুপৰি, এয়াও দেখুওৱা হৈছে যে সম্পূৰ্ণৰূপে নিয়োজিত শ্ৰম শক্তিৰ জৰিয়তে যি উৎপন্ন কৰিব পৰা যায়, সেয়াহে সৰ্বমুঠ উৎপাদন হ'ব । ঠিক সেইদৰে, সেইটোহে দ্ৰব্যমূল্যৰ স্তৰ হিচাপে পৰিগণিত হ'ব যি স্তৰত মুদ্ৰাৰ যোগানে এই পূৰ্ণ নিয়োগ স্তৰৰ উৎপাদনক সমৰ্থন কৰিব। সেয়ে, উৎপাদনৰ পূৰ্ণ নিয়োগৰ স্তৰত উৎপাদন কৰি উদ্যোগীয়ে লাভান্বিত হ'বলৈ হ'লে দ্ৰব্যমূল্যৰ স্তৰৰ সৈতে মুদ্ৰা মজুৰিৰ নিৰিখৰো সংগতি থাকিব লাগিব । এই সমগ্ৰ প্ৰক্ৰিয়াটো ৫.১ নং চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা হৈছে।

চিত্র ৫.১ ঃ সংস্থাপিক তত্ত্ব মতে নিয়োগ, উৎপাদন আদিৰ নির্দ্ধাৰণ



৫.১ নং চিত্রৰ (ক) অংশত শ্রমৰ চাহিদা আৰু যোগানে নিয়োগৰ স্তৰ আৰু প্রকৃত মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰিছে। শ্রমৰ চাহিদা আৰু যোগান উভয়েই হৈছে প্রকৃত মজুৰিৰ ফলন (function)। ক্রমহ্রাসমান প্রতিদান বিধিৰ ফলত চাহিদা ৰেখাডাল তললৈ নামি আহিছে; আনহাতে, এক উচ্চ মজুৰিত অধিক শ্রমিকৰ আমদানিৰ পৰিণামস্বৰূপে যোগান ৰেখাডাল ক্রমশঃ ঊর্দ্ধমুখী হৈছে। চাহিদা আৰু যোগান ৰেখাৰ কটাকটিয়ে প্রকৃত মজুৰি $(W/P)_O$ আৰু নিয়োগৰ স্তৰ Y_O, দুয়োটাকে নির্দ্ধাৰণ কৰিছে। এয়া হৈছে পূর্ণ নিয়োগৰ স্তৰ। নিয়োগৰ এই স্তৰত উপার্জন বা উৎপাদনৰ স্তৰ হৈছে Y_O (চিত্রটিৰ খ অংশ চাওক)। এই উপার্জনে অর্থনীতিটোৰ সর্বমুঠ যোগানৰ পৰিমাণ নির্দ্ধৰণ কৰিছে। উপার্জনৰ পূর্ণ নিয়োগৰ স্তৰ Y_Oত, মুঠ উৎপাদন ৰেখা (Y) ডাল সম্পূর্ণৰূপে স্থিতিস্থাপকতাহীন হৈ পৰে। আকৌ, চিত্রটিৰ (গ) অংশত দেখা হৈছে যে, যেতিয়া যোগান ৰেখা (AS) সম্পূর্ণৰূপে অস্থিতিস্থাপক, তেতিয়া মুদ্রাৰ মুঠ পৰিমাণৰ দ্বাৰা নির্দ্ধাৰিত মুঠ চাহিদাৰেখা AD য়ে দ্রব্যমূল্যৰ সামগ্রিক স্তৰ P_O নির্দ্ধাৰণ কৰে । দ্রব্য মূল্যৰ

এই স্তৰে চূড়ান্ত পর্যায়ত প্রকৃত মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰে। এয়া ক্রমশঃ নিম্নগামী ৰেখাৰ দ্বাৰা দেখুওৱা হৈছে (চিত্র ঘ)। পূর্ণ নিয়োগৰ ভাৰসমতাৰ বাবে আৱশ্যকীয় প্রকৃত মজুৰি উৎপন্ন কৰিবলৈ মুদ্রা মজুৰি W_0 ভাৰসাম্য দ্রব্যৰ মূল্যৰ স্তৰৰ সৈতে মিলি গৈছে। যেতিয়া ভাৰসাম্য প্রকৃত মজুৰিৰ নিৰিখ $(W/P)_0$ আৰু ভাৰসাম্য দ্রব্য মূল্যৰ স্তৰ P_0, তেতিয়া আৱশ্যকীয় মুদ্রা মজুৰিৰ নিৰিখ হৈছে W_0। চিত্র (ঙ)ত স্থিতিস্থাপক সুতৰ হাৰে নির্ণয় কৰা দ্রব্য বজাৰ ভাৰসাম্য পৃথকে পৃথকে দেখুওৱা হৈছে। ক্রমশঃ ঊর্দ্ধমুখী সঞ্চয় ৰেখা আৰু ক্রমশঃ নিম্নমুখী বিনিয়োগ ৰেখাই য'ত কটাকটি কৰিছে তাত r_0 ভাৰসাম্য সুতৰ হাৰ নির্দ্ধাৰিত হৈছে। সঞ্চয় আৰু ভোগৰ মাজত প্রকৃত মজুৰি কেনেদৰে বিতৰণ কৰা হয়, ই সেই কথাই নির্দ্ধাৰণ কৰিছে। ইয়াৰ লগতে ভোগ্য সামগ্রী আৰু মূলধনী সামগ্রীৰ মাজত উৎপাদনক কেনেদৰে ভাগ কৰা হয় সেয়াও দেখুৱাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ৰেখাংকিত বাক্যাংশৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিয়াওক ঃ

(ক) সংস্থাপিক তত্ত্ব অনুসৰি, সঞ্চয় হৈছে উপার্জন/সুতৰ হাৰ/উপার্জন আৰু সুতৰ হাৰ উভয়ৰে এক কার্য।

(খ) পূর্ণ নিয়োগৰ পৰিস্থিতিত মুঠ যোগান (AS) ৰেখাডাল হৈছে সম্পূর্ণৰূপে স্থিতিস্থাপক/বহুলাংশে স্থিতিস্থাপক/সম্পূর্ণৰূপে অস্থিতিস্থাপক ।

(গ) ক্রমহ্রাসমান প্রতিদান/মজুৰিৰ জটিলতা/দ্রব্য মূল্য হ্রাসৰ কাৰণে মুঠ চাহিদা (AD) ৰেখাডাল ক্রমশঃ নিম্নগামী হয়।

প্রশ্ন নং ৪ ঃ Ns (W/P) = Nd (W/P) । নিয়োগৰ সংস্থাপিক তত্ত্বত এই সমীকৰণটোৰে কি বুজায়? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৫ ঃ নিয়োগৰ সংস্থাপিক তত্ত্বত ভাৰসাম্য সুতৰ হাৰ কেনেকৈ নির্দ্ধাৰণ কৰা হয়? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

৫.৫ সংস্থাপিক তত্ত্বক কেইন্সৰ সমালোচনা

অৰ্থনীতিটোৰ পূৰ্ণ নিয়োগ ভাৰসমতাৰ দিশত গতি কৰাৰ এক স্বয়ংচালিত প্ৰৱণতা আছে বুলি সংস্থাপিক তত্ত্বই দিয়া সিদ্ধান্ত বৰ্তমান সকলোৱে মানি নলয়। সংস্থাপিক তত্ত্বৰ সবাতোকৈ যুক্তিপূৰ্ণ সমালোচনা আগবঢ়াইছে জে এম কেইন্সে। এই সমালোচনাবিলাক তলত চমুকৈ উল্লেখ কৰা হ'ল ঃ

- সংস্থাপিক অৰ্থবিজ্ঞানীসকলে আগবঢ়োৱা দীৰ্ঘকালৰ বিশ্লেষণক কেইন্সে অবাস্তৱ বুলি নাকচ কৰিছে। এই ক্ষেত্ৰত তেওঁ কৈছে, 'দীৰ্ঘকালত আমি সকলোৱে মৰিব লাগিব' (in the long run we are all dead)।
- স্থিতিস্থাপক মজুৰিৰ নীতিৰ বাস্তৱতা সন্দৰ্ভতো কেইন্সে প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ কৈছে যে য'ত মজদুৰ সংঘবোৰ জীৱনৰ একোটা অংশৰ দৰে হৈ পৰে, তাত কৰ্মীসকলে তেওঁলোকৰ নিবনুৱা সতীৰ্থসকলৰ নিয়োগত সুবিধা হোৱাৰ আশাত নিজৰ মজুৰি হ্ৰাস কৰাত একমত হ'ব বুলি আশা কৰাটো অত্যন্ত অবাস্তৱ।
- আনকি মজুৰি যদিও হ্ৰাস কৰা হয়, তথাপি ই উদ্যোগীৰ সামৰ্থৰ ওপৰত কোনোধৰণৰ ইতিবাচক প্ৰভাব নেপেলায়; কিয়নো, মজুৰি হ্ৰাস মানে উৎপাদন ব্যয় হ্ৰাস, দ্ৰব্য মূল্য হ্ৰাস আৰু ফলস্বৰূপে প্ৰকৃত মজুৰি অপৰিবৰ্তিত হৈ থকাটোৱে বুজায়।
- মজুৰিৰ হ্ৰাসে সমুদায় চাহিদাও হ্ৰাস কৰিব আৰু ভৱিষ্যতলৈ চাহিদা অভাৱৰ এক সমস্যাৰ সৃষ্টি কৰিব। ইয়াৰ কাৰণ হৈছে, কৰ্মীসকলে সমাজৰ এটা বৃহৎ শাখাক প্ৰতিনিধিত্ব কৰে আৰু ভোগৰ চাহিদাৰ এটা বুজন অংশ তেওঁলোকৰ পৰাই উদ্ভৱ হয়।
- কেইন্সে অপূৰ্ণ নিয়োগ বা নিয়োগহীনতাক সচৰাচৰ ঘটনা বুলি কৈছে আৰু মুক্ত বজাৰ অৰ্থনীতিত পূৰ্ণ নিয়োগক এক আকস্মিক দুৰ্ঘটনা বুলি কৈছে। এই পৰিস্থিতিৰ বাবে তেওঁ বজাৰত ক্ৰিয়া কৰি থকা শক্তিবিলাকক জগৰীয়া কৰিছে আৰু সেইবিলাকে অৰ্থনীতিটোক পূৰ্ণ নিয়োগৰ ভাৰসমতাত কিয় উপনীত কৰে, তাৰে কোনো যুক্তিযুক্ততা বিচাৰি পোৱা নাই।
- ভোগ কাৰ্যত হোৱা ব্যয় সন্দৰ্ভত কেইন্সে তেওঁৰ 'ভোগৰ মৌলিক মনস্তাত্ত্বিক বিধি' (Fundamental Psychological Law of Consumption) আগবঢ়াইছে। এই বিধি অনুসৰি, যেতিয়া মানুহৰ উপাৰ্জন বাঢ়ে, তেওঁলোকৰ ভোগৰ ব্যয়ো বৃদ্ধি পায় । কিন্তু এই বৃদ্ধি উপাৰ্জনৰ বৃদ্ধি হোৱা অংশটোতকৈ কম। পৰিণাম স্বৰূপে, উপাৰ্জন আৰু ভোগৰ মাজত এক সময়ৰ ব্যৱধান পৰিলক্ষিত হয় আৰু ই সঞ্চয়ৰ ইংগিত বহন কৰাৰ লগতে ছে'ৰ বজাৰ বিধিৰ প্ৰয়োগ নাকচ কৰিছে।
- যিহেতু সঞ্চয়কাৰী আৰু বিনিয়োগকাৰীসকল সমাজৰ দুটা বেলেগ বেলেগ গোট, সেয়ে এই ব্যৱধানটো বিনিয়োগ ব্যয়ৰ দ্বাৰা পূৰ কৰা হ'ব বুলি ভবাৰ কোনো যুক্তি নাই।
- সংস্থাপিক অৰ্থবিজ্ঞানীসকলে ধাৰণা কৰা মতে, এক নমনীয় সুতৰ হাৰে সঞ্চয় বিনিয়োগৰ সমতা স্থাপন কৰে। কিন্তু কেইন্সে বিশ্বাস কৰে যে সঞ্চয় সুতৰ নহয়, আয়ৰহে এটা ফলন।

- আনকি যদি বিনিয়োগ সুতৰ হাৰৰ ওপৰত নির্ভৰ কৰেও, সুতৰ হাৰ সম্পূর্ণৰূপে নমনীয় নহয়। কেইন্সে কৈছে যে এক নির্দিষ্ট সুতৰ হাৰ আছে, য'ত ধনৰ চাহিদা সম্পূর্ণৰূপে স্থিতিস্থাপক আৰু ভৱিষ্যতলৈ সুতৰ হাৰ তাতকৈ নিম্নগামী নহয়। ইয়াক কোৱা হয় 'তাৰল্য ফান্দ' (liquidity trap)।
- বিনিয়োগক প্রভাৱান্বিত কৰা আন এটা উপাদান হৈছে আশা, যিটো মানুহৰ মানসিকতাত বর্তি থাকে। স্বাভাৱিকতে, ই বে-চৰকাৰী বিনিয়োগক অনিশ্চিত, অস্থিৰ আৰু অবিশ্বাস্য কৰি তোলে। সংস্থাপিক অর্থ বিজ্ঞানীসকলে আশা-প্রত্যাশাৰ ভূমিকাক একেবাৰে অবজ্ঞা কৰিছে।
- কেইন্সৰ মতে, মুদ্রাৰ মূল্য সংৰক্ষণ ক্রিয়া (Store Value Function of Money) ক সংস্থাপিক অর্থবিজ্ঞানীসকলে অস্বীকাৰ কৰিছে। তেওঁৰ মতে, মুদ্রা কেৱল এক চলনা (veil) নহয়, বৰঞ্চ তাতোকৈ বহু বেছি। ই হৈছে বর্তমান আৰু ভৱিষ্যতৰ এক যোগসূত্র আৰু মুদ্রাই কি কৰিব পাৰে, কেৱল তাকে লৈ ইয়াৰ চাহিদাৰ সৃষ্টি নহয় , বৰঞ্চ মুদ্রা কি সেয়াও গুৰুত্বপূর্ণ।
- সংস্থাপিক বিশ্লেষণত দ্রব্য সামগ্রীৰ বজাৰ আৰু মুদ্রাৰ বজাৰৰ মাজত এক পানী নসৰকা বিভাজন আছে। ইয়াক 'সংস্থাপিক দ্বিবিভাজন (classical dichotomy) বোলা হয়। কেইন্সে ইয়াক ভুল বুলি আঙুলিয়াই দিছে। এক বিশ্লেষণৰ জৰিয়তে তেওঁ দেখুৱাইছে যে সুতৰ হাৰৰ জৰিয়তে এই দুয়োখন বজাৰ সমন্বিত হৈ আছে।
- সংস্থাপিক জগতখন হৈছে এখন নিশ্চয়তাৰ জগত। কিন্তু কেইন্সে এই ধাৰণা অবাস্তৱ আৰু অযুক্তিকৰ বুলি দেখুৱাইছে। তেওঁৰ মতে, পুঁজিবাদী অর্থনীতি হৈছে এখন অনিশ্চয়তাৰ জগত। এখন অযুক্তিকৰ জগতত সম্পূর্ণৰূপে তৰল একমাত্র বিত্তীয় সম্পদ 'মুদ্রা' হাতত ৰাখি মানুহে যুক্তিসংগত হোৱাৰ চেষ্টা কৰে।



মুক্ত বজাৰ অর্থনীতিত কোনো ধৰণৰ চৰকাৰী বাধা- নিষেধ নাথাকে।

- সংস্থাপিক বিশ্লেষণ আৰু অৱস্থানে এক মুক্ত বজাৰ অর্থনীতিৰ দিশত গতি কৰে যিখন বজাৰ ***মুক্ত বজাৰ অর্থনীতি*** (laissez faire) মতবাদৰ ওপৰত প্রতিষ্ঠিত। কেইন্সে এই মতবাদক অস্বীকাৰ কৰিছে। এই মতবাদৰ বিশ্লেষণক নাকচ কৰি তেওঁ দেখুৱাইছে যে পুঁজিবাদৰ ব্যৱস্থাক বচাই ৰাখিবলৈ ৰাষ্ট্রৰ হস্তক্ষেপ আৱশ্যকীয় হৈ পৰে। এই ক্ষেত্রত কেইন্সৰ দৃষ্টিত চৰকাৰৰ বিত্তীয় নীতি হৈছে এক শক্তিশালী অস্ত্র। ইয়াৰ বিপৰীতে, সংস্থাপিক অর্থবিজ্ঞানীসকলে কেৱল মুদ্রা সম্পর্কীয় নীতিৰ ওপৰতে নির্ভৰ কৰিছে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৬ ঃ ৰেখাংকিত বাক্যাংশৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিয়াওক—

(ক) 'দীর্ঘকালত আমি সকলোৱে মৰিব লাগিব'— এই মন্তব্য— জে বি ছে'/জে এম কেইন্স/এ চি পিগ' ৰ।

(খ) কেইন্সে মুদ্রাৰ বিনিময় কার্য/মুদ্রাৰ মূল্য কার্যৰ সংৰক্ষণ/মুদ্রাৰ ধনাদায় কার্যৰ

উপায়ৰ মাধ্যমৰ ওপৰত আলোকপাত কৰিছে।

প্রশ্ন নং ৭ ঃ 'সংস্থাপিক দ্বি বিভাজন ' (classical dichotomy)ৰ অর্থ কি ? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আয়, উৎপাদন আৰু নিয়োগৰ সংস্থাপিক তত্ত্ব প্রাথমিকতে ছে'ৰ বজাৰ বিধিৰ ওপৰত প্রতিস্থিত । ছে'ৰ বজাৰ বিধিত ধৰি লোৱা হয় যে যোগানে সদায় নিজৰ চাহিদা সৃষ্টি কৰে। পৰিণামস্বৰূপে, অর্থনীতিত কেতিয়াও অতিৰিক্ত উৎপাদন বা নিম্ন পর্যায়ৰ ভোগ থাকিব নোৱাৰে।
- পৰৱর্ত্তী কালত সংস্থাপিক লেখকসকলে ছে'ৰ বিধিৰ সপক্ষে যুক্তি দর্শাইছিল, যি বিধি কেৱল বিনিময় অর্থনীতিতহে বাস্তৱিকতে সত্য। সংস্থাপিক অর্থবিজ্ঞানীসকলে আনকি মুদ্রাৰ পৰিমাণ তত্ত্ব, সুতৰ হাৰৰ নমনীয়তা, মজুৰিৰ নমনীয়তা আৰু সাধাৰণ দ্রব্য মূল্যৰ স্তৰৰ ওপৰত ভিত্তি কৰি হোৱা সঞ্চয়ৰ মুদ্রা অর্থনীতিতো ছে'ৰ বিধি সত্য বুলি যুক্তি দর্শাইছিল।
- জে এচ মিল, আলফ্রেড মার্শ্বাল আৰু এ চি পিগ'কে ধৰি যিসকল অর্থবিজ্ঞানীয়ে ডেভিড ৰিকার্ডোৰ অর্থবিজ্ঞানক গ্রহণ কৰিছিল আৰু সংসাধন কৰিছিল, সেইসকল অর্থবিজ্ঞানীক নিয়োগৰ সংস্থাপিক তত্ত্বৰ উদ্ভাৰক বুলিব পাৰি।
- সংস্থাপিক তত্ত্ব শ্রমৰ বজাৰ, অপৰিবর্তিত উৎপাদন ফলন, মুদ্রাৰ বজাৰ আৰু দ্রব্য সামগ্রীৰ বজাৰৰ সৈতে জড়িত।
- শ্রমৰ চাহিদা আৰু যোগানে নিয়োগৰ পর্যায় বা স্তৰ আৰু প্রকৃত মজুৰিৰ নিৰিখ নির্দ্ধাৰণ কৰে। শ্রমৰ চাহিদা আৰু যোগান উভয়ে হৈছে প্রকৃত মজুৰিৰ ফলন।
- সংস্থাপিক অভিধাৰণাবিলাকে কেৱল নিয়োগ, উৎপাদন, ভোগ, সঞ্চয়, সুতৰ হাৰ, দ্রব্যমূল্যৰ স্তৰ আৰু মুদ্রা মজুৰিৰ নিৰিখৰ স্তৰকে নির্দ্ধাৰণ নকৰে, বৰঞ্চ তাতোকৈও অধিক কৰে। সেই ধাৰণাবোৰ অনুসৰি, পূর্ণ নিয়োগৰ পৰিস্থিতিত নিয়োগৰ স্তৰ স্পষ্টভাৱে নির্দ্ধাৰিত হয়।
- সংস্থাপিক তত্ত্বৰ সবাতোকৈ ক্ষুৰধাৰ সমালোচনা আগবঢ়াইছে জে এম কেইন্সে। অর্থনৈতিক নীতিৰ ক্ষেত্রত ভুল পৰামর্শ দিয়াৰ উপৰি অৱাস্তৱ ধাৰণা গ্রহণ কৰা বাবে কেইন্সে সংস্থাপিক তত্ত্বৰ সমালোচনা কৰিছে।

- কেইন্সে এই কথাও আঙুলিয়াই দিছে যে এক পুঁজিবাদী অর্থনীতি অনিশ্চয়তাৰে ভৰা আৰু অর্থনৈতিক সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত মানুহৰ আশা আকাংক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই অর্থনীতিক অস্থিৰ আৰু অনিশ্চিত কৰি তোলে।



৫.৭ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.

2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.

3) Shapiro, E. (2013). *Macroeconomic Analysis*, New Delhi: Galgotia Publications Pvt. Ltd..

অসমীয়া গ্রন্থ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অর্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্রকাশন.



৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'যোগানে ইয়াৰ নিজৰ চাহিদা সৃষ্টি কৰি লয়'।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) বিনিময় অর্থনীতি, (খ) মুক্ত বজাৰ অর্থনীতি

(গ) সাময়িক কর্ম সংস্থানহীনতা কিন্তু দীর্ঘকালীন কর্ম-সংস্থানহীনতা নহয়

(ঘ) অব্যৱহৃত সম্পদ (ঙ) ওপৰৰ আটাইকেইটা।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) সুতৰ হাৰ (খ) সম্পূর্ণৰূপে অস্থিতিস্থাপক (গ) ক্রমহ্রাসমান প্রতিদান

৪ নং প্রশ্নৰ উত্তৰ ঃ নিয়োগৰ সংস্থাপিক তত্ত্বত $N_s (W/P) = N (W/P)$ সমীকৰণৰ অর্থ হৈছে শ্রমৰ বজাৰখন ভাৰসাম্য অৱস্থাত আছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সঞ্চয় আৰু বিনিয়োগ কার্যৰ কটাকটিয়ে ভাৰসাম্য সুতৰ হাৰ নির্দ্ধাৰণ কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) জে এম কেইন্সে (খ) মুদ্রাৰ মূল্য কার্যৰ সংৰক্ষণ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্থাপিক দ্বিবিভাজন (Classical Dichotomy) মানে দ্ৰব্য সামগ্ৰীৰ বজাৰ আৰু মুদ্ৰাৰ বজাৰৰ পানী নসৰকা বিভাজন ঘটোৱা বুজায়। সঞ্চয় বিনিয়োগ সমতাই দ্ৰব্য সামগ্ৰীৰ বজাৰৰ ভাৰসাম্য স্থাপন কৰে আৰু মুদ্ৰাৰ চাহিদা-যোগানৰ সমতাই মুদ্ৰাৰ বজাৰ ভাৰ সমতা নিৰ্দ্ধাৰণ কৰে, য'ত দুয়োখন বজাৰৰ মাজত কোনো যোগাযোগ নাই।



৫.৯ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ ছে'ৰ বজাৰ বিধিৰ প্ৰয়োগ সন্দৰ্ভত এটি চমুটোকা লিখক।

প্ৰশ্ন নং ২ ঃ কেইন্সৰ নিয়োগৰ সংস্থাপিক তত্ত্বৰ সমালোচনা সন্দৰ্ভত এটি চমুটোকা লিখক।

দীঘল প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ ছে'ৰ বজাৰ বিধি উল্লেখ কৰক আৰু ব্যাখ্যা কৰক। এই বিধিৰ সমালোচনাবিলাক কি কি?

প্ৰশ্ন নং ২ ঃ নিয়োগৰ সংস্থাপিক তত্ত্বৰ এক চমু ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ কিহৰ ভিত্তিত কেইন্সে নিয়োগৰ সংস্থাপিক তত্ত্বৰ সমালোচনা কৰিছে?

***

অধ্যায় ৬ ঃ কেইন্সৰ নিয়োগ তত্ত্ব

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ফলন

৬.৪ কেইন্সৰ তত্ত্বৰ মৌলিক গাঁথনি

৬.৫ সক্রিয় চাহিদাৰ নীতি

৬.৬ আয়ৰ ভাৰসাম্য স্তৰ নির্দ্ধাৰণ

৬.৭ সৰ্বমুঠ ব্যয়- সৰ্বমুঠ উৎপাদন সমতা

৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৯ অধিক জানিবৰ বাবে

৬.১০ অগ্রগতিৰ খতিয়ান

৬.১১ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান কার্য সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব আৰু সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ৰেখা অংকন কৰিব পাৰিব
- সক্রিয় চাহিদা নীতিটো বর্ণনা কৰিব পাৰিব আৰু কেইন্সৰ বিশ্লেষণত ই কেনেকৈ নিয়োগৰ ভাৰসাম্য স্তৰ নির্দ্ধাৰণ কৰে, সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- ভাৰসাম্য আয়ৰ প্রাথমিক চর্তাৱলী পূৰণ কৰি দুটা খণ্ডৰ এক ৰুদ্ধ অর্থনীতিত কেনেকৈ ভাৰসাম্য আয় নির্দ্ধাৰণ কৰা হয়, সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

কেইন্সৰ নিয়োগ তত্ত্বটো সক্রিয় চাহিদাৰ নীতিৰ ওপৰত প্রতিষ্ঠিত। সক্রিয় চাহিদা হৈছে সেই চাহিদা, যাৰ সৈতে প্রকৃততে ধন আদায় দিব পৰা সামর্থ জড়িত হৈ থাকে। সক্রিয় চাহিদাক সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ৰেখাৰ এক সম্পর্ক হিচাপে সংজ্ঞায়িত কৰা হয়। এই অধ্যায়টিত আমি সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান কার্যৰ বিষয়ে সবিস্তাৰে আলোচনা কৰিম আৰু সৰ্বমুঠ চাহিদা ৰেখা (ADC) আৰু সৰ্বমুঠ যোগান ৰেখা (ASC) অংকন কৰিম। তাৰ পাচত, এই ৰেখাদুডাল ব্যৱহাৰ কৰি কেনেকৈ নিয়োগৰ ভাৰসাম্য স্তৰ নির্দ্ধাৰণ কৰা হয়, সেই

বিষয়ে আলোচনা কৰিম। উল্লেখযোগ্য যে, নিয়োগৰ ভাৰসাম্য স্তৰটো পূৰ্ণ নিয়োগৰ স্তৰ হোৱাটো অপৰিহাৰ্য নহয় । তাৰ পাছত আমি কেইন্সৰ হ্ৰস্বকালৰ অসমানুপাতিক ভোগ ফলনৰ প্ৰয়োগেৰে ভাৰসাম্য আয় নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া আৰু ভাৰসাম্য আয়ৰ দুটা প্ৰাথমিক চৰ্ত সম্পৰ্কে আলোচনা কৰিম। ইয়াৰ বাবে আমি সংখ্যাগত আৰু চিত্ৰ দুয়োবিধ বৰ্ণনাৰ আশ্ৰয় ল'ম।

৬.৩ সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ফলন

সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ফলন সম্বন্ধে ধাৰণা অৰ্জন কৰিবলৈ হ'লে আমি ইয়াৰ আনুষঙ্গিক ধাৰণা সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান মূল্য সম্পৰ্কেও কিছু কথা জানিব লাগিব। সৰ্বমুঠ চাহিদা মূল্য বুলিলে নিয়োগৰ এক নিৰ্দ্ধাৰিত পৰিসৰত উৎপাদিত সামগ্ৰীৰ পৰা উদ্যোগীয়ে আশা কৰা সৰ্বাধিক বিক্ৰী বুজোৱা হয়। উদাহৰণস্বৰূপে, যদি ১০০জন শ্ৰমিক কামত নিয়োগ কৰি এজন উদ্যোগীয়ে সৰ্বাধিক ১০,০০০ টকাৰ উৎপন্ন সামগ্ৰী বিক্ৰী হোৱাটো বিচাৰে, তেন্তে সৰ্বমুঠ চাহিদা মূল্য (aggregate demand price) হ'ব ১০,০০০ টকা। নিয়োগৰ একোটা নিৰ্দিষ্ট গোট বা পৰিসৰ আৰু ই উৎপন্ন কৰা সামগ্ৰীৰ পৰা আশা কৰা সৰ্বাধিক বিক্ৰীৰ মাজৰ সম্পৰ্কক সৰ্বমুঠ চাহিদা ফলনে প্ৰতিফলিত কৰে। ফলনৰ এই সম্পৰ্কৰ ৰৈখিক বিৱৰণৰ পৰা আমি সৰ্বমুঠ চাহিদা ৰেখা (ADC) পাওঁ। নিয়োগৰ পৰিসৰৰ লগে লগে প্ৰত্যাশিত বিক্ৰীৰ পৰিমাণ যিহেতু বাঢ়ি যায়, সেয়ে সৰ্বমুঠ চাহিদা ৰেখাডাল ধনাত্মকভাৱে এঢলীয়া হৈ গতি কৰে; য'ত নিয়োগ বুজাবলৈ সমান্তৰাল ৰেখা আৰু বিক্ৰী সূচী বুজাবলৈ লম্বৰেখা ব্যৱহাৰ কৰা হয়।

আনহাতে, সৰ্বমুঠ যোগান মূল্য (aggregate supply price) বুলিলে নিয়োগৰ এক নিৰ্দ্ধাৰিত পৰিসৰত উৎপাদিত সামগ্ৰীৰ পৰা উদ্যোগীৰ বাবে আৱশ্যকীয় নিম্নতম বিক্ৰী আয় বুজোৱা হয়। ১০০ জন শ্ৰমিকে উৎপাদন কৰা সামগ্ৰীৰ পৰা যদি কমেও ৬০০০ টকাৰ সামগ্ৰী বিক্ৰী কৰিলেহে সেই ১০০জন শ্ৰমিকক কামত লগাই থাকিব পৰা যায়, তেন্তে সেই ১০০জন শ্ৰমিকৰ বিপৰীতে ন্যূনতম যোগান মূল্য হ'ব ৬০০০ টকা। নিয়োগৰ এক নিৰ্দিষ্ট পৰিসৰৰ বিপৰীতে আৱশ্যকীয় ন্যূনতম বিক্ৰী আয় আৰু নিয়োগৰ সেই পৰিসৰৰ মাজৰ সম্পৰ্কক সৰ্বমুঠ যোগান ফলনে দেখুৱায়। সৰ্বমুঠ যোগান ফলনৰ ৰেখা চিত্ৰৰ বিৱৰণে আমাক সৰ্বমুঠ যোগান ৰেখাডাল (ASC) দিয়ে। নিয়োগৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে ন্যূনতম প্ৰয়োজনীয় বিক্ৰী সূচীও যিহেতু বাঢ়ি যায়, সেয়ে দ্বি-মাত্ৰা(two-dimensional) ৰ এক চিত্ৰত সৰ্বমুঠ যোগান ৰেখাডাল ধনাত্মকভাৱে এঢলীয়া হয়, য'ত সমান্তৰাল ৰেখাৰে নিয়োগ বুজোৱা হয় আৰু লম্ব ৰেখাৰে বিক্ৰী সূচী বুজোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সৰ্বমুঠ চাহিদা ফলন বুলিলে কি বুজে?
(৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ সৰ্বমুঠ যোগান ফলনে কি সম্পৰ্ক প্ৰতিফলিত কৰে? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ ADC আৰু ASC কিয় ধনাত্মকভাৱে এঢলীয়া হয়? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....


৬.৪ কেইন্সৰ তত্ত্বৰ মৌলিক গাঁথনি

আধুনিক অৰ্থবিজ্ঞান, বিশেষকৈ সমষ্টিগত অৰ্থবিজ্ঞানৰ ক্ষেত্ৰখনত কেইন্সে এক অবিসম্বাদী আসন অধিকাৰ কৰি থৈছে। যথাৰ্থতে, ১৯৩৬ চনত 'General Theory' নামৰ কিতাপখন ৰচি কেইন্সে সমষ্টিগত অৰ্থ বিজ্ঞানৰ এক বিশেষ চিন্তাধাৰা- 'কেইন্সীয় অৰ্থবিজ্ঞান' প্ৰচলন কৰি থৈ গৈছে। কেইন্সীয় অৰ্থবিজ্ঞানৰ কেন্দ্ৰবিন্দু হৈছে নিয়োগ তত্ত্ব। কেইন্সৰ নিয়োগ তত্ত্ব সম্বন্ধে বিষদ ভাবে আলোচনা কৰাৰ আগতে কেইন্সীয় অৰ্থনীতিৰ ধ্যানধাৰণাৰ মৌলিক গাঁথনি আৰু লগতে সক্ৰিয় চাহিদা নীতি (Principle of effective demand)ৰ বিষয়ে আলোচনা কৰিম, যাৰ ভেঁটিতে কেইন্সৰ নিয়োগ তত্ত্বটি প্ৰতিষ্ঠিত।

চিত্ৰ ৬.১ ৰ সহায়ত কেইন্সৰ উৎপাদন, নিয়োগ আৰু আয় তত্ত্বৰ মৌলিক গাঁথনিটো দেখুওৱা হ'ল-

৬.১ নং চিত্ৰত দেখা গৈছে যে, কেইন্সৰ তত্ত্বটোত ৰাষ্ট্ৰীয় আয় উৎপাদন আৰু নিয়োগৰ সৈতে সমান। ৰাষ্ট্ৰীয় আয় নিৰ্ভৰ কৰে সক্ৰিয় চাহিদা (Effective demand) ৰ ওপৰত। সক্ৰিয় চাহিদা আকৌ নিৰ্ভৰ কৰে সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগানৰ ওপৰত। আনহাতে, সৰ্বমুঠ চাহিদা নিৰ্ভৰ কৰে ভোগ ফলন আৰু বিনিয়োগ ফলনৰ ওপৰত। মন কৰিব, ভোগ আকৌ নিৰ্ভৰ কৰে ভোগৰ প্ৰান্তীয় প্ৰৱণতা (Marginal Propersity to Consume) আৰু আয়ৰ পৰিমাণৰ

চিত্ৰ ৬.১ ঃ কেইন্সৰ **উৎপাদন, নিয়োগ আৰু আয় তত্ত্বৰ মৌলিক গাঁথনি**



ওপৰত। আনহাতে, বিনিয়োগ ফলন নিৰ্ভৰ কৰে মূলধনৰ প্ৰান্তিক কাৰ্যদক্ষতা (marginl efficiency of Capital) আৰু সুতৰ হাৰৰ ওপৰত। মূলধনৰ প্ৰান্তিক কাৰ্যদক্ষতা আকৌ মূলধনৰ যোগান দৰ বা মূলধনৰ ব্যয় আৰু লগতে প্ৰত্যাশিত উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। সেইদৰে, সুতৰ হাৰ মুদ্ৰাৰ চাহিদা বা নগদ জমা ৰখাৰ অগ্ৰাধিকাৰ (liquidity preference) আৰু মূলধনৰ যোগানৰ ওপৰত নিৰ্ভৰশীল।

মন কৰিব যে, উল্লিখিত ধাৰণাবোৰ আমি পৰ্যায়ক্ৰমে বিভিন্ন অধ্যায়ৰ পাঠ্যবিষয়ত আলোচনা কৰিম।

প্ৰথমে আমি সক্ৰিয় চাহিদাৰ নীতি সম্পৰ্কে আলোচনা কৰোঁ আহক।

৬.৫ সক্ৰিয় চাহিদাৰ নীতি

সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ৰেখাই কটাকটি কৰা বিন্দুটোৱে হৈছে সক্ৰিয় চাহিদাৰ বিন্দু। এই বিন্দুত সৰ্বমুঠ চাহিদা মূল্য সৰ্বমুঠ যোগান মূল্যৰ সমান। ই হৈছে সামগ্ৰী আৰু সেৱাৰ

সৰ্বমুঠ চাহিদাৰ সেইটো স্তৰ, যিটো আহৰণ কৰিব পৰাকৈ অৰ্থনীতিটোৰ পৰ্যাপ্ত সম্পদ আছে। ই অৰ্থনীতিৰ সৰ্বমুঠ চাহিদাও, যাক যোগান (corresponding supply)-ৰ দ্বাৰা পূৰণ কৰা হয়।


অৰ্থনীতিৰ মুঠ ব্যয়ৰ প্ৰবাহত সক্ৰিয় চাহিদা নিজে নিজে প্ৰকট হৈ উঠে। ৰাষ্ট্ৰীয় আয় (National Income) সম্পৰ্কীয় অধ্যায়টিৰ জৰিয়তে ইতিমধ্যে আমি জ্ঞাত হৈছোঁ যে অৰ্থনীতিৰ সৰ্বমুঠ ব্যয় মূল্য উৎপাদন মূল্যৰ সমান, যিটো আকৌ দেশৰ ৰাষ্ট্ৰীয় আয়ৰ সমান হয়। একোটা অৰ্থনীতিৰ সৰ্বমুঠ ব্যয়ে সামগ্ৰী আৰু সেৱাৰ সৰ্বমুঠ চাহিদাক প্ৰতিনিধিত্ব কৰে আৰু ইয়াত সমুদায় ভোগ আৰু বিনিয়োগ ব্যয় অন্তৰ্ভুক্ত হৈ থাকে। এনেদৰে, আমি লিখিব পাৰোঁ—

সক্ৰিয় চাহিদা (ED) = সৰ্বমুঠ ব্যয় = ভোগ্য সামগ্ৰী (C) ৰ ব্যয় + বিনিয়োগ সামগ্ৰী (I) ৰ ব্যয়

অথবা ED = C + I

সক্ৰিয় চাহিদা বিন্দু নিৰ্দ্ধাৰণ (Determination of the point of effective demand)ঃ আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ৰেখাই কটাকটি কৰা বিন্দুটোৱে হৈছে সক্ৰিয় চাহিদা বিন্দু। চিত্ৰ ৬.২ত সেয়া দেখুওৱা হৈছে।

চিত্ৰ ৬.২ঃ সক্ৰিয় চাহিদা নিৰ্দ্ধাৰণ



চিত্ৰ ৬.২ৰ Y অক্ষত সৰ্বমুঠ চাহিদা মূল্য বা বিক্ৰী আয় দেখুওৱা হৈছে আৰু X অক্ষত নিয়োগৰ সংখ্যা দেখুওৱা হৈছে। নিয়োগ বৃদ্ধি পোৱাৰ লগে লগে চাহিদাও বৃদ্ধি পোৱাটো প্ৰেতিফলিত কৰি সৰ্বমুঠ চাহিদা ৰেখা (AD) সোঁফালে ওপৰলৈ উঠি গৈছে। ইয়াৰ কাৰণ হৈছে, যিমানে অধিক শ্ৰমিক নিয়োগ কৰা হয়, উৎপাদনো সিমানে বৃদ্ধি পায়, আৰু মুঠ উৎপাদন অধিক হয়। অন্য কথাত ক'বলৈ গ'লে, নিয়োগৰ পৰিমাণ বৃদ্ধি পালে সৰ্বমুঠ চাহিদা মূল্য বৃদ্ধি পায় আৰু ইয়াৰ বিপৰীতে তাৰ ওলোটাটো ঘটে। নিয়োগৰ পৰিমাণ বৃদ্ধি পোৱাৰ লগে লগে

সৰ্বমুঠ যোগান ৰেখা (AS)-ও ওপৰলৈ এঢলীয়া হৈ উঠি গৈছে। ইয়াৰ কাৰণ হৈছে বিক্ৰী সূচী বৃদ্ধি পোৱাৰ লগে লগে নিয়োগকৰ্তাই কৰ্মীসকললৈ এক বৃহৎ পৰিমাণৰ নিয়োগ আগবঢ়ায়।

যদিও AD আৰু AS দুয়োডাল ৰেখাই ওপৰলৈ উঠি গৈছে কিন্তু সিহঁতে একে গতি অনুসৰণ কৰা নাই। তাত্ত্বিকভাৱে চাবলৈ গ'লে, নিয়োগৰ এটা নিদিষ্ট পৰিমাণ থাকিব, য'ত প্ৰত্যাশিত বিক্ৰী আয় শ্ৰমিকক কামৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে প্ৰয়োজনীয় বিক্ৰী আয়তকৈ বেছি হ'ব। নিয়োগৰ এনে এটাও পৰিমাণ থাকিব, য'ত প্ৰত্যাশিত বিক্ৰী আয় শ্ৰমিকক কামৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে প্ৰয়োজনীয় বিক্ৰী আয়তকৈ কম হ'ব। ইয়াৰ মাজতে নিয়োগৰ এনে এটা পৰিমাণ থাকিব, য'ত প্ৰত্যাশিত বিক্ৰী আয় শ্ৰমিকক কামৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে প্ৰয়োজনীয় বিক্ৰী আয়ৰ সমান হ'ব। অৰ্থাৎ এই স্তৰত উপাদানকাৰীয়ে নিজৰ উৎপাদন কাৰ্য্য এক স্বাভাৱিক লাভ অৰ্জন কৰি চলাই যাব পাৰে। এই বিন্দুতে AD আৰু AS ৰেখাই কটাকটি কৰে আৰু কটাকটি কৰা এই বিন্দুটোৱে যিকোনো সময়ৰ বাবে নিয়োগৰ প্ৰকৃত পৰিমাণ নিৰ্দ্ধাৰণ কৰে। চিত্ৰত কটাকটি কৰা বিন্দুটো হৈছে E, এই বিন্দুটোৱে হৈছে সক্ৰিয় চাহিদাৰ বিন্দু। এনেদৰে, এই সক্ৰিয় চাহিদাৰ বিন্দুটোৱে অৰ্থনীতিত যিকোনো সময়ৰ বাবে নিয়োগৰ পৰিসৰ নিৰ্দ্ধাৰণ কৰে। এয়াই হৈছে সক্ৰিয় চাহিদাৰ নীতি আৰু কেইন্সৰ নিয়োগ তত্ত্বৰ প্ৰমূল্য। আমি চিত্ৰত দেখিবলৈ পাইছোঁ যে Yo বিন্দুত নিয়োগৰ ভাৰসাম্য স্তৰ নিৰ্দ্ধাৰিত হৈছে।

এই কথাও মন কৰিবলগীয়া যে E বিন্দুৱে কেৱল নিয়োগৰ ভাৰসাম্য স্তৰকে দেখুওৱা নাই, বৰঞ্চ নিয়োগৰ বাবদ উদ্যোগীয়ে সৰ্বাধিক মুনাফা লাভ কৰা বিন্দুটোও দেখুৱাইছে। এই বিন্দুত উদ্যোগীয়ে তেওঁলোকৰ সৰ্বাধিক লাভ অৰ্জন কৰে। আমি লক্ষ্য কৰিছোঁ যে E-ৰ বাওঁফালে যিকোনো বিন্দুত প্ৰত্যাশিত বিক্ৰী আয় ন্যূনতম আৱশ্যকীয় বিক্ৰী আয়তকৈ অধিক। সেয়ে, মুনাফা বৃদ্ধি কৰিবলৈ উদ্যোগীয়ে নিয়োগৰ পৰিসৰ বৃদ্ধি কৰে। আকৌ, E বিন্দুৰ সোঁফালৰ যিকোনো বিন্দুত ন্যূনতম আৱশ্যকীয় আয় প্ৰত্যাশিত বিক্ৰী আয়তকৈ বেছি। স্বাভাৱিকতে, এনে অৱস্থাত উদ্যোগীৰ লোকচান হয় আৰু E বিন্দুৰ বাহিৰ হৈ যোৱাৰ ইচ্ছা নাথাকে। এনেকৈ, নিয়োগৰ কেৱল Yo স্তৰতহে অধিক মুনাফা অৰ্জন কৰি উদ্যোগী ভাৰসাম্য অৱস্থাত উপনীত হ'ব পাৰে।

এই কথাও মন কৰিবলগীয়া যে সক্ৰিয় চাহিদাৰ বিন্দুটোৱে পূৰ্ণ নিয়োগৰ স্তৰক প্ৰতিনিধিত্ব কৰাটো আৱশ্যকীয় নহয়। কেৱল সেই বিন্দুতহে অৰ্থনীতিত পূৰ্ণ নিয়োগ সাধিত হয় য'ত সৰ্বমুঠ যোগান ৰেখা সম্পূৰ্ণৰূপে অস্থিতিস্থাপক হয়। চিত্ৰত Y_1 স্তৰৰ নিয়োগে সেই বিন্দুক প্ৰতিনিধিত্ব কৰিছে, য'ত AS ৰেখাডাল সম্পূৰ্ণৰূপে অস্থিতিস্থাপক হৈছে। এনেকৈ, Y_1-এ পূৰ্ণ নিয়োগৰ পৰিসৰ বুজাইছে। সেয়ে, সক্ৰিয় চাহিদাৰ বিন্দু E-ত আমি Y_0Y_1 পৰিমাণৰ নিয়োগহীনতাৰ এটা স্তৰ দেখা পাইছোঁ।

চিত্ৰত দেখা গৈছে যে সৰ্বমুঠ চাহিদা ৰেখা (ADC) ক ADC_1 লৈ (ওপৰলৈ) স্থানান্তৰ কৰি পূৰ্ণ নিয়োগ আহৰণ কৰিব পাৰি; যাতে সক্ৰিয় চাহিদাৰ বিন্দু E_1 হয়; যি বিন্দুৱে পূৰ্ণ নিয়োগক প্ৰতিনিধিত্ব কৰে। কিন্তু বজাৰৰ স্বয়ংক্ৰিয় শক্তিসমূহে সামূহিক চাহিদা ৰেখাক কিয়

ওপৰলৈ স্থানান্তৰ কৰিব, কেইন্সে তাৰ কোনো কাৰণ দেখা নাই। আমি জানোঁ যে সৰ্বমুঠ চাহিদাৰ প্ৰধান অংশকেইটা হৈছে-- ভোগব্যয় আৰু বিনিয়োগ ব্যয়। ভোগৰ মৌলিক মনোবৈজ্ঞানিক বিধি (Fundamental Psychological Law of Consumption) অনুসৰি, ভোগ কাৰ্য সাধন হয়। এই বিধি মতে, ভোগ উপাৰ্জনৰ পৰিমাণতকৈ কম। আনহাতে, বিনিয়োগ হৈছে অস্থিৰ, অনিশ্চিত আৰু অনিৰ্ভৰযোগ্য। ভৱিষ্যৎ গুণা-গঁথা আৰু প্ৰত্যাশাৰ শক্তিশালী প্ৰভাৱৰ কাৰণেই এনেকুৱা হয়। এনে পৰিস্থিতিত এই সম্ভাৱনা অত্যন্ত প্ৰকট হৈ পৰে যে সৰ্বমুঠ চাহিদা ৰেখা (ADC)-ই সৰ্বমুঠ যোগান ৰেখা (ASC) ক পূৰ্ণ নিয়োগৰ তলৰ এটা স্তৰত কটাকটি কৰিব পাৰে। অৱশ্যে চৰকাৰে নিজৰ বিত্তীয় ব্যয়ৰ জৰিয়তে হস্তক্ষেপ কৰি পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিব পাৰে। যিহেতু যিকোনো ধৰণৰ মুনাফাৰ অভিপ্ৰায়ৰ প্ৰতি চৰকাৰে নিৰপেক্ষ ভূমিকা পালন কৰিব পাৰে, সেয়ে ই হস্তক্ষেপ কৰিব পাৰে আৰু সৰ্বসাধাৰণ লোকৰ ভোগব্যয়ক সহায় কৰিব পাৰে। এই কাৰণেই জে. এম. কেইন্সে চাহিদা হ্ৰাস পোৱা পুঁজিবাদী অৰ্থনীতিত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ সপক্ষে শক্তিশালীভাৱে যুক্তি দৰ্শাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ 'সক্ৰিয় চাহিদা' বুলিলে কি বুজে? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ সক্ৰিয় চাহিদাৰ প্ৰধান অংশ দুটা কি ? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ সক্ৰিয় চাহিদাৰ বিন্দুটো কিয় সৰ্বাধিক মুনাফাৰো বিন্দু হয়? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

৬.৬ আয়ৰ ভাৰসাম্য স্তৰ নিৰ্দ্ধাৰণ

অৰ্থনীতিত পৰিকল্পিত সৰ্বমুঠ ব্যয় যেতিয়া মুঠ উৎপাদন মূল্যৰ সমান হয় অথবা অৰ্থনীতিৰ পৰিকল্পিত সঞ্চয় পৰিকল্পিত বিনিয়োগৰ সমান হয়, তেতিয়াই আয়ৰ ভাৰসাম্য স্তৰ

পোৱা যায়। আন কথাত ক'বলৈ হ'লে, ভাৰসাম্য ৰাষ্ট্ৰীয় আয় নিৰ্দ্ধাৰণ কৰিবলৈ দুটা চর্ত পূৰণ হ'ব লাগে। এই চর্ত দুটা হ'ল —

(১) উৎপাদনৰ সর্বমুঠ ব্যয় =সর্বমুঠ ব্যয় $Y = C + I$ ।

(২) পৰিকল্পিত সঞ্চয় =পৰিকল্পিত বিনিয়োগ, অর্থাৎ পূর্ব-পূর্ব সঞ্চয় (Ex-ante S) =পূর্ব-পূর্ব বিনিয়োগ (Ex-ante I) ।

কেইন্সৰ ভোগ কার্যৰ বিশ্লেষণ অনুসৰি, আমি ভাৰসাম্য ৰাষ্ট্ৰীয় আয় সংখ্যাগত উদাহৰণ আৰু ৰৈখিক উপস্থাপন দুয়োটা মাধ্যমতে দেখুৱাব পাৰোঁ।

আমি জানোঁ যে কেইন্সৰ ভোগ ফলনৰ ৰূপটো হৈছে —

$C = Ca + bY$

য'ত, C ঃ ভোগ ব্যয়; Ca ঃ স্বায়ত্ত ভোগ (Autonomous Consumption) ; Y ঃ আয় (ইয়াত আয় ব্যয়যোগ্য আয়ৰ সমান, য'ত অর্থনীতিত ৰাষ্ট্ৰৰ হস্তক্ষেপ নাথাকে বুলি ধৰি লোৱা হয়); b ঃ ভোগৰ প্ৰান্তিক প্ৰৱণতা (অর্থনীতিত উপার্জনৰ পৰিবর্তন অনুসৰি ভোগৰ পৰিবর্তনৰ অনুপাত দিয়া থাকে)।

এতিয়া, ধৰি লোৱা হওক এক অর্থনৈতিক পৰিস্থিতিত $Ca = 500$, $b = 0.8$ আৰু $I = 1000$। এই ক্ষেত্ৰত ভাৰসাম্য ৰাষ্ট্ৰীয় আয় তলত দিয়াৰ দৰে হ'ব —

$Y = C + I$, অর্থাৎ, $Y = Ca + bY + I$

$Y = 500 + 0.8Y + 500$

$Y - 0.8Y = 1500$

$0.2Y = 1500$, অর্থাৎ, $Y = 7500$

আকৌ, $S = I$

$Y - C = I$


$Y - 500 - 0.8Y = 1000$

$0.2Y = 1500$ অর্থাৎ, $Y = 7500$

এনেকৈ, ভাৰসাম্য ৰাষ্ট্ৰীয় আয়ৰ স্বর্তৰ পৰা আমি ভাৰসাম্য আয়ৰ একেটা সংখ্যা 7500/-ত উপনীত হৈছোঁ। ইয়াক চিত্ৰ ৬.৩ ত দেখুৱাৰ দৰে ৰেখাৰ সহায়তো দেখুৱাব পাৰি—

চিত্ৰ ৬.৩ত, C ৰেখাডালে ভোগ ব্যয়ক প্ৰতিনিধিত্ব কৰিছে, যিটো কেইন্সৰ সৰল ৰৈখিক অসমানুপাতিক ভোগ কার্যৰ ওপৰত প্ৰতিষ্ঠিত। C ৰেখাডালৰ ঢালে (ইয়াক b ৰে বুজোৱা হৈছে) ভোগৰ প্ৰান্তিক প্ৰবণতা (MPC) ক বুজাইছে। C+I ৰেখাই সর্বমুঠ ব্যয়ক প্ৰতিনিধিত্ব কৰিছে। C আৰু C+I ৰ মাজৰ খালী ঠাইখিনিয়ে স্বায়ত্ত বিনিয়োগ ব্যয় I-ক সূচাইছে। 45 ডিগ্ৰীৰ ৰেখাডাল হৈছে আয় ব্যয় সমতা সূচক ৰেখা। এই ৰেখাডালত সর্বমুঠ ব্যয় আয়ৰ সমান। চিত্ৰত আমি দেখিছোঁ যে সর্বমুঠ ব্যয় ৰেখা (C+I)-ই 45 ডিগ্ৰীৰ ৰেখাডালক E বিন্দুত কটাকটি কৰিছে। সেয়ে, E বিন্দুত সর্বমুঠ ব্যয় মুঠ আয়ৰ সমান হৈছে আৰু সেয়ে, E হৈছে ভাৰসাম্য বিন্দু। এনেদৰেই আমি ভাৰসাম্য আয় Yo পাইছোঁ।

চিত্র ৬.৩ ঃ ভাৰসাম্য ৰাষ্ট্রীয় আয় নির্দ্ধাৰণ



এতিয়া, ভাৰসাম্য লাভৰ দ্বিতীয়টো ব্যাখ্যা কৰিবলৈ আমি তলৰখন চিত্রত সঞ্চয়-বিনিয়োগ (S-I) ৰেখাডাল অংকন কৰিব পাৰোঁ। ভোগ (C)ৰেখাডালৰ দৰে সঞ্চয়(S) ৰেখাডালৰো ঢাল ধনাত্মক । ইয়াক (1-b)-ৰে বুজোৱা হৈছে। ভোগ ৰেখাডাল যেতিয়ালৈকে 45 ডিগ্রী ৰেখাডালৰ ওপৰত আছে তেতিয়ালৈকে সঞ্চয় ৰেখাডালৰ এটা ঋণাত্মক অংশ আছে। 45 ডিগ্রী ৰেখাডালে ভোগ ৰেখাডাল অতিক্রম কৰাৰ লগে লগে সঞ্চয় ধনাত্মক হৈছে। I ৰেখাডালে স্বায়ত্ত বিনিয়োগ (autonomous investment)-ক প্রতিনিধিত্ব কৰিছে। ই আয়ৰ পৰা মুক্ত আৰু সেয়ে আয় ৰেখাৰ সমান্তৰাল হৈ আছে। আমি দেখিছোঁ যে E বিন্দুত I ৰেখাক S ৰেখাই কটাকটি কৰিছে। সেয়ে, E হৈছে সঞ্চয় আৰু বিনিয়োগৰ মাজৰ সমতাৰ বিন্দু আৰু কাজেই E হৈছে ভাৰসাম্য বিন্দু। পৰিমাণস্বৰূপে আমি ভাৰসাম্য আয় হিচাপে Yo পাইছোঁ।

মন কৰিবলগীয়া যে স্বায়ত্ত বিনিয়োগ বৃদ্ধি কৰাৰ ফলত যেতিয়া সর্বমুঠ ব্যয় বৃদ্ধি পায় তেতিয়া ভাৰসাম্য ৰাষ্ট্রীয় আয় বৃদ্ধি পাব। চিত্রত I ক Ia লৈ ওপৰলৈ স্থানান্তৰ কৰি এই কথা দেখুওৱা হৈছে। একেদৰে (C+I)-ক (C+I)a লৈ স্থানান্তৰ কৰা হৈছে। পৰিণামস্বৰূপে ভাৰসাম্য বিন্দু E ৰপৰা E_1লৈ সলনি হৈছে আৰু ভাৰসাম্য উপার্জন Y_o ৰ পৰা Y_1 লৈ সলনি হৈছে।

স্পষ্টভাৱে $Y_1 > Y_0$। একেদৰে, যেতিয়া স্বায়ত্ত বিনিয়োগ হ্ৰাস পায় তেতিয়া ভাৰসাম্য উপাৰ্জন হ্ৰাস পায়। চিত্ৰত I ৰেখাডাল I_bলৈ আৰু (C+I) ক $(C+I)_b$লৈ স্থানান্তৰ কৰি এই কথা দেখুওৱা হৈছে। পৰিণামস্বৰূপে ভাৰসাম্য বিন্দু E_2 লৈ সলনি হৈছে আৰু আমি Y_2ত নতুন ভাৰসাম্য উপাৰ্জন পাইছোঁ। স্পষ্টকৈ ক'ব পাৰি যে $Y_2 < Y_o$।

ওপৰৰ বিশ্লেষণখিনি কেইন্সৰ অভিধাৰণাৰ ভিত্তিত দেখুওৱা হৈছে আৰু সেয়ে ৰাষ্ট্ৰীয় আয় নিৰ্দ্ধাৰণৰ এই আৰ্হিক Keynesian Cross Model বুলিও কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ খালী ঠাই পূৰ কৰক —

মুঠ উৎপাদনৰ সৰ্বমুঠ মূল্য = ... ?

প্ৰশ্ন নং ৮ ঃ বিনিয়োগ ৰেখা (I) ডাল কিয় আয় অক্ষৰ সমান্তৰাল হয়? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ সঞ্চয় ৰেখাডাল কিয় ঊৰ্দ্ধমুখী হয়? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ১০ ঃ স্বায়ত্ত বিনিয়োগ হ্ৰাস পালে কি হয়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৬.৭ সৰ্বমুঠ ব্যয় - সৰ্বমুঠ উৎপাদনৰ সমতা

General Theory কিতাপখনত কেইন্সে সৰ্বমুঠ ব্যয়ৰ পৰিবৰ্তন আৰু মুঠ ঘৰুৱা উৎপাদন (GDP) ৰ পৰিবৰ্তনৰ মাজৰ সম্পৰ্কটো পদ্ধতিগতভাৱে ব্যাখ্যা কৰিছে। আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে, তেওঁৰ ব্যাখ্যা অনুসৰি, কোনো এক নিৰ্দিষ্ট বছৰত দেশ এখনৰ মুঠ ঘৰুৱা উৎপাদনৰ স্তৰ সৰ্বমুঠ ব্যয়ৰ স্তৰৰ ওপৰত নিৰ্ভৰ কৰে।

কেইন্সৰ মতে, সৰ্বমুঠ ব্যয় চাৰিটা উপাদানৰ ওপৰত নিৰ্ভৰ কৰেঃ

- ভোগ (Consumption) (C)ঃ দেশৰ পৰিয়ালসমূহে সেৱা আৰু সামগ্ৰীৰ বাবদ কৰা ব্যয়েই হ'ল ভোগ।
- পৰিকল্পিত বিনিয়োগ (Planned Investment) (I)ঃ পৰিকল্পিত বিনিয়োগে প্ৰতিষ্ঠানসমূহে মূলধনজাত সামগ্ৰীৰ বাবদ কৰা পৰিকল্পিত ব্যয় আৰু পৰিয়ালসমূহে নতুন গৃহৰ বাবদ কৰা পৰিকল্পিত ব্যয় অন্তৰ্ভুক্ত কৰে।
- চৰকাৰী ক্ৰয় (G)ঃ চৰকাৰী ক্ৰয়ে স্থানীয়, ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে সেৱা আৰু সামগ্ৰীসমূহৰ বাবদ কৰা ব্যয় সামৰি লয়।
- শুদ্ধ ৰপ্তানী (NX)ঃ শুদ্ধ ৰপ্তানীয়ে বিদেশী প্ৰতিষ্ঠান আৰু পৰিয়ালসমূহে স্বদেশ (যেনে, ভাৰত)ত উৎপাদিত সেৱা আৰু সামগ্ৰীৰ বাবদ কৰা ব্যয় আৰু দেশীয় প্ৰতিষ্ঠান আৰু পৰিয়ালসমূহে বিদেশত সেৱা আৰু সামগ্ৰীৰ বাবদ কৰা ব্যয়ৰ পাৰ্থক্যখিনি সামৰি লয়।

অৰ্থনীতিটোৰ ভাৰসমতা (Macroeconomic Equilibrium:) যেতিয়া মুঠ ব্যয় বা সৰ্বমুঠ ব্যয় মুঠ ঘৰুৱা উৎপাদনৰ সমান হয়, তেতিয়াই অৰ্থনীতিটোৱে ভাৰসমতা লাভ কৰে। এই ভাৰসমতা বিশ্লেষণ ৬.৬ ত ইতিমধ্যে আলোচনা কৰা বিশ্লেষণৰ সৈতে একে।



জনা উচিত

আমি উল্লেখ কৰি আহিছোঁ যে সৰ্বমুঠ ব্যয় আৰু সৰ্বমুঠ উৎপাদনৰ মাজৰ সম্পৰ্কক Keynesian Cross ৰ সহায়ত ব্যাখ্যা কৰা হয়। দৰাচলতে, Keynesian Cross হ'ল 45^0 ৰ এক সমতা ৰেখা, য'ত অৰ্থনীতিটোৰ ভাৰসমতাৰ বিন্দুটি দেখা যায়।

মন কৰিবলগীয়া কথাটো হ'ল 45^0 ৰ ৰেখাডালৰ সকলো বিন্দুৱেই যদিও ভাৰসমতা বিন্দু সূচায়, দৰাচলতে কিন্তু অৰ্থনীতিটোৰ এটাহে ভাৰসাম্য বিন্দু থাকে। 45^0 ৰেখাডালৰ যিটো বিন্দুত সৰ্বমুঠ ব্যয় ৰেখাডালে কটাকটি কৰে, তাতেই অৰ্থনীতিটোৰ ভাৰসমতা দেখা যায়। চিত্ৰ ৬.৩ লক্ষ্য কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ঃ অৰ্থনীতি এটাই ভাৰসমতা কেতিয়া লাভ কৰে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ১২ঃ Keynesian Cross কি? ইয়াৰ বিশেষত্ব কি? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সৰ্বমুঠ চাহিদা মূল্য বুলিলে নিয়োগৰ এক নির্দ্ধাৰিত পৰিসৰত উৎপাদিত সামগ্রীৰ পৰা উদ্যোগীয়ে আশা কৰা সৰ্বাধিক বিক্রী আয়ক বুজোৱা হয়।
- নিয়োগৰ একোটা নির্দিষ্ট গোট বা পৰিসৰ আৰু ই উৎপন্ন কৰা সামগ্রীৰ পৰা আশা কৰা সৰ্বাধিক বিক্রীৰ মাজৰ সম্পর্কক সৰ্বমুঠ চাহিদা ফলনে প্রতিফলিত কৰে। ফলনৰ এই সম্পর্কৰ ৰৈখিক বিৱৰণৰ পৰা আমি সৰ্বমুঠ চাহিদা ৰেখা (ADC) পাওঁ।
- নিয়োগৰ পৰিসৰ লগে লগে যেতিয়া প্রত্যাশিত বিক্রী আয়ৰ পৰিমাণ বাঢ়ি যায়, তেতিয়া সৰ্বমুঠ চাহিদা ৰেখাৰ চাল ধনাত্মক হয় যদিহে ৰেখাচিত্রত নিয়োগ আনুভূমিক অক্ষত আৰু বিক্রী আয় অভিলম্বীয় অক্ষত জোখা হয় ।
- সৰ্বমুঠ যোগান মূল্য বুলিলে নিয়োগৰ এক নির্দ্ধাৰিত পৰিসৰত উৎপাদিত সামগ্রীৰ পৰা উদ্যোগীজনে লাভ কৰিবলগীয়া আৱশ্যকীয় নিম্নতম বিক্রী আয় বুজোৱা হয়।
- নিয়োগৰ এক নির্দিষ্ট পৰিসৰৰ বিপৰীতে আৱশ্যকীয় ন্যূনতম বিক্রী সূচী আৰু নিয়োগৰ সেই পৰিসৰৰ মাজৰ সম্পর্কক সৰ্বমুঠ যোগান ফলনে প্রতিফলিত কৰে। সৰ্বমুঠ যোগান ফলনৰ ৰৈখিক বিৱৰণে আমাক সৰ্বমুঠ যোগান ৰেখাডাল (ASC) দিয়ে।
- নিয়োগৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে ন্যূনতম আৱশ্যকীয় বিক্রী আয় বাঢ়ি যায়, সেয়ে দ্বি-মাত্রাৰ এক চিত্রত সৰ্বমুঠ যোগান ৰেখাডালৰ ঢাল ধনাত্মক হয়, য'ত ভূমি অক্ষত নিয়োগ বুজোৱা হয় আৰু অভিলম্বীয় অক্ষত ৰেখাৰ বিক্রী আয় বুজোৱা হয়।
- সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ৰেখাই কটাকটি কৰা বিন্দুটোৱে হৈছে সক্রিয় চাহিদাৰ বিন্দু। এই বিন্দুত সৰ্বমুঠ চাহিদা মূল্য সৰ্বমুঠ যোগান মূল্যৰ সমান।
- অর্থনীতিৰ মুঠ ব্যয়ৰ প্রৱাহত সক্রিয় চাহিদা নিজে নিজে প্রকট হৈ উঠে। একোটা অর্থনীতিৰ সৰ্বমুঠ ব্যয়ে সামগ্রী আৰু সেৱাৰ সৰ্বমুঠ চাহিদাক প্রতিনিধিত্ব কৰে য'ত সদায় ভোগ আৰু বিনিয়োগ ব্যয় অন্তর্ভুক্ত হৈ থাকে।
- সক্রিয় চাহিদাৰ বিন্দুৱে অর্থনীতিত যিকোনো সময়ত নিয়োগৰ পৰিসৰ নির্দ্ধাৰণ কৰে। এয়াই সক্রিয় চাহিদাৰ নীতি আৰু কেইন্সৰ নিয়োগ তত্ত্বৰ সত্ত্বা।
- যেতিয়া অর্থনীতি এখনৰ পৰিকল্পিত সৰ্বমুঠ ব্যয়, মুঠ উৎপাদন মূল্য বা পৰিকল্পিত সঞ্চয়ৰ বা পৰিকল্পতি বিনিয়োগৰ সমান হয়, তেতিয়া অর্থনীতিখনে ৰাষ্ট্রীয় আয়ৰ ভাৰস্যম্য অৱস্থাত উপনীত হয়। ৰাষ্ট্রীয় আয়ৰ ভাৰসাম্য অৱস্থা নির্ণয়ৰ বাবে দুটা চর্ত পূৰণ কৰিব লাগে। সেই দুটা হ'লঃ
  - সৰ্বমুঠ ব্যয়= সৰ্বমুঠ উৎপাদন মূল্য অর্থাৎ $Y = C+I$ ।
  - পৰিকল্পিত সঞ্চয় = পৰিকল্পিত বিনিয়োগ,
    অর্থাৎ পূব- পূর্ব সঞ্চয় (Ex-ante S) = পূর্ব-পূর্ব বিনিয়োগ (Ex-ante I) ।



৬.৯ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.

2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.

3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অৰ্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্ৰকাশন।



৬.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নিয়োগৰ একোটা নিৰ্দিষ্ট গোট বা পৰিসৰ আৰু ই উৎপন্ন কৰা সামগ্ৰীৰ পৰা আশা কৰা সৰ্বাধিক বিক্ৰীৰ মাজৰ সম্পৰ্কক সৰ্বমুঠ চাহিদা ফলনে দেখুৱায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিয়োগৰ এক নিৰ্দিষ্ট পৰিসৰৰ বিপৰীতে আৱশ্যকীয় ন্যূনতম বিক্ৰী আয় আৰু নিয়োগৰ সেই পৰিসৰৰ মাজৰ সম্পৰ্কক সৰ্বমুঠ যোগান ফলনে দেখুৱায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিয়োগৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগে লগে প্ৰত্যাশিত বিক্ৰী আয়ো যিহেতু বাঢ়ি যায়, সেয়ে দ্বি-মাত্ৰাৰ এক চিত্ৰত সৰ্বমুঠ চাহিদা ৰেখাডালৰ ঢাল ধনাত্মক হয়, য'ত নিয়োগ বুজাবলৈ ভূমি অক্ষ আৰু বিক্ৰী বুজাবলৈ অভিলম্বীয় অক্ষ ব্যৱহাৰ কৰা হয়। একেদৰে, নিয়োগৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে ন্যূনতম আৱশ্যকীয় বিক্ৰী আয়ো যিহেতু বাঢ়ি যায়, সেয়ে দ্বি-মাত্ৰাৰ এক চিত্ৰত সৰ্বমুঠ যোগান ৰেখাডালৰ ঢাল ধনাত্মক হয় । ইয়াতো ভূমি অক্ষত নিয়োগ বুজোৱা হয় আৰু অভিলম্বীয় অক্ষত বিক্ৰী আয় বুজোৱা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগান ৰেখাই কটাকটি কৰা বিন্দুটোৱেই হৈছে সক্ৰিয় চাহিদাৰ বিন্দু। এই বিন্দুত সৰ্বমুঠ চাহিদা মূল্য সৰ্বমুঠ যোগান মূল্যৰ সমান হয়। ই হৈছে সামগ্ৰী আৰু সেৱাৰ সৰ্বমুঠ চাহিদাৰ সেই স্তৰ, যি স্তৰত সেইবিলাক ক্ৰয় কৰিব পৰাকৈ অৰ্থনীতিটোত পৰ্যাপ্ত সম্পদ থাকে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিৰ মুঠ ব্যয়ৰ প্ৰৱাহত সক্ৰিয় চাহিদা নিজে নিজে প্ৰকট হয়। একোটা অৰ্থনীতিৰ সৰ্বমুঠ ব্যয়ে সামগ্ৰী আৰু সেৱাৰ সৰ্বমুঠ চাহিদাক প্ৰতিনিধিত্ব

কৰে, য'ত সমুদায় ভোগ আৰু বিনিয়োগ ব্যয় অন্তর্ভুক্ত হৈ থাকে। কাজেই, সর্বমুঠ ভোগ ব্যয় (C) আৰু সর্বমুঠ বিনিয়োগ ব্যয় (I) হৈছে সক্রিয় চাহিদাৰ দুটা প্রধান অংশ।

৬ নং প্রশ্নৰ উত্তৰ ঃ সক্রিয় চাহিদা বিন্দুৰ বাওঁফালৰ যিকোনো বিন্দুত প্রত্যাশিত বিক্রী আয় ন্যূনতম আৱশ্যকীয় বিক্রী আয়তকৈ অধিক হয়। সেয়ে মুনাফা বৃদ্ধি কৰিবৰ বাবে উদ্যোগীয়ে নিয়োগৰ পৰিসৰ বৃদ্ধি কৰিব বিচাৰে। আকৌ, সক্রিয় চাহিদা বিন্দুৰ সোঁফালৰ যিকোনো বিন্দুত প্রত্যাশিত বিক্রী আয় ন্যূনতম আৱশ্যকীয় বিক্রী আয়তকৈ কম হয়। স্বাভাৱিকতেই, ই উদ্যোগীৰ লোকচান হোৱা বুজায় আৰু তেতিয়া সক্রিয় চাহিদা বিন্দুৰ বাহিৰ হৈ যোৱাৰ প্রৱণতা নাথাকে। গতিকে, কেৱল সক্রিয় চাহিদা বিন্দুতহে উদ্যোগীয়ে সর্বাধিক মুনাফা অর্জন কৰি ভাৰসাম্য অৱস্থাত থাকিব।

৭ নং প্রশ্নৰ উত্তৰ ঃ মুঠ উৎপাদনৰ সর্বমুঠ মূল্য = সর্বমুঠ ব্যয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ বিনিয়োগ ৰেখাডালে আয় অক্ষৰ সমান্তৰাল হোৱাৰ কাৰণ হ'ল কেইন্সৰ মতে বিনিয়োগ হৈছে স্বায়ত্ত বিনিয়োগ আৰু উপার্জনৰ পৰা মুক্ত।

৯ নং প্রশ্নৰ উত্তৰ ঃ ভোগৰ ৰেখাৰ পৰা আয়ৰ এক অৱশিষ্ট হিচাপে আয় বৃদ্ধিৰ লগে লগে ভোগো বৃদ্ধি পায় , কিন্তু আয় বৃদ্ধিৰ সমান নহয়, কাৰণ আয়ৰ লগত সঞ্চয়ো বৃদ্ধি হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ স্বায়ত্ত বিনিয়োগ হ্রাস পালে সর্বমুঠ ব্যয় হ্রাস পায়। অর্থনীতিত ই ভাৰসাম্য আয় হ্রাস কৰিব।

১১ নং প্রশ্নৰ উত্তৰ ঃ অর্থনীতি এখনে এনে এটা বিন্দুত ভাৰসমতা লাভ কৰিব য'ত সর্বমুঠ ব্যয় মুঠ উৎপাদন বা মুঠ ঘৰুৱা উৎপাদন (GDP) ৰ সমান হয়।

১২ নং প্রশ্নৰ উত্তৰ ঃ Keynenion Cross হ'ল 45 ডিগ্রীৰ এক সমতা ৰেখা যিয়ে সর্বমুঠ ব্যয় আৰু সর্বমুঠ আয়ৰ সম্পর্কক দেখুৱায় সকলো স্তৰতে একে থাকে। এই ৰেখাডালতে অর্থনীতিটোৰ ভাৰসমতাৰ বিন্দুটো দেখা যায়।



৬.১১ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০টা মান শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ সর্বমুঠ চাহিদা ফলন ধাৰণাটিৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ২ ঃ সর্বমুঠ যোগান ফলনৰ ধাৰণা সম্পর্কে চমুকৈ লিখক।

প্রশ্ন নং ৩ ঃ সক্রিয় চাহিদাৰ ধাৰণাৰ বিষয়ে এটা চমুটোকা লিখক।

প্রশ্ন নং ৪ ঃ সর্বমুঠ ব্যয় সর্বমুঠ উৎপাদন সমতাৰ ওপৰত এটা চমুটোকা লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০টা মান শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ সক্রিয় চাহিদা বিন্দুৰ নির্দ্ধাৰণ চিত্রসহ ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ কেইন্সৰ সক্রিয় চাহিদাৰ নীতি সম্পর্কে আলোচনা আগবঢ়াওক।

প্রশ্ন নং ৩ ঃ ভাৰসাম্য ৰাষ্ট্রীয় আয়ৰ চর্ত দুটা কি কি? এখন দেশৰ ভাৰসাম্য ৰাষ্ট্রীয় আয় নির্দ্ধাৰণ Keynesion Cross Model ৰ সহায়ত বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ৭ঃ সুতৰ হাৰ নির্দ্ধাৰণ ঃ কেইন্সৰ বিশ্লেষণ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ কেইন্সৰ মুদ্রাৰ চাহিদা

- ৭.৩.১ মুদ্রাৰ লেনদেনৰ চাহিদা
- ৭.৩.২ মুদ্রাৰ সতর্কতামূলক চাহিদা
- ৭.৩.৩ মুদ্রাৰ কল্পনাপ্রসূত চাহিদা
- ৭.৩.৪ বুল আৰু বিয়েৰ (Bulls and Bears)

৭.৪ সুতৰ হাৰ নির্দ্ধাৰণৰ তাৰল্যপ্রীতি তত্ত্ব

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অগ্রগতিৰ খতিয়ান

৭.৭ অধিক জানিবৰ বাবে

৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সুতৰ হাৰৰ অর্থ জানিব পাৰিব
- সুতৰ হাৰ নির্দ্ধাৰণ এক মৌদ্রিক বিষয় ৰূপে ব্যাখ্যা কৰিব পাৰিব
- মুদ্রাৰ চাহিদাৰ ধাৰণা, বিশেষকৈ, লেনদেনৰ চাহিদা, সতর্কতামূলক চাহিদা আৰু কল্পনাপ্রসূত চাহিদাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বুল আৰু বিয়েৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- সুতৰ তাৰল্যপ্রীতি তত্ত্ব ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে কেতবোৰ মৌলিক ধাৰণা, যেনে সুতৰ হাৰ নির্দ্ধাৰণ, মুদ্রাৰ লেন-দেনৰ চাহিদা, সতর্কতামূলক চাহিদা, কল্পনাপ্রসূত চাহিদা, তাৰল্য প্রীতি তত্ত্ব সম্পর্কে আপোনালোকক পৰিচয় কৰাই দিয়া হ'ব।

সাধাৰণ ভাষাত, সুত হ'ল মূলধন ব্যৱহাৰ কৰা দৰ। সংস্থাপিক অর্থনীতিবিদ আদাম স্মিথ, ডেভিদ ৰিকার্ডো ইত্যাদিকে ধৰি বহুতে সুতৰ প্রকৃতি আৰু সুতৰ হাৰ নির্দ্ধাৰণৰ বহুতো মতবাদ আগবঢ়াইছে।

মুদ্রাৰ লেন-দেনৰ চাহিদা হ'ল মানুহক দৈনন্দিন জীৱনত প্রয়োজন হোৱা মুদ্রা।

মুদ্রাৰ সতর্কতামূলক চাহিদা হ'ল বিপদ, দুর্ঘটনা, বেমাৰ-আজাৰ, নিয়োগহীনতা বা অন্যান্য-অর্থনৈতিক অৱনতিৰ বাবে দৰকাৰ হোৱা মুদ্রা।

মুদ্রাৰ কল্পনাপ্রসূত অভিপ্রায় ভৱিষ্যত বজাৰৰ সুবিধা লাভৰ লগত জড়িত।

'বুল' আৰু 'বিয়েৰ' শব্দ দুটা ষ্টক বজাৰৰ সাধাৰণ আচৰণ ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। এখন 'বিয়েৰ' (Bear) বজাৰে দৰ হ্রাস হোৱাক বুজায়। ই কিছু মাহৰ বাবে এটা চিকিউৰিটি (Security) বা সম্পত্তিৰ, বা বহুকেইটা চিকিউৰিটিৰ এটা গোটৰ বাবে বা গোটেই চিকিউৰিটি বজাৰ সাপেক্ষে উদ্ভৱ হয়। এখন বজাৰক 'বুল' (Bull) বজাৰ বুলি কোৱা হয় যদিহে বজাৰখনৰ চিকিউৰিটি বা সম্পত্তিৰ দৰ বৃদ্ধি হয়।

সুতৰ তাৰল্যপ্রীতি তত্ত্ব সুতৰ হাৰ নির্দ্ধাৰণৰ এটা গুৰুত্বপূর্ণ তত্ত্ব। এই তত্ত্ব অনুসৰি, সুত হ'ল এক নির্দ্দিষ্ট সময়ত তাৰল্য পৰিহাৰ কৰা পুৰষ্কাৰ।

৭.৩ কেইন্সৰ মুদ্রাৰ চাহিদা

জন মেয়নার্ড কেইন্সে তেওঁৰ 1936 চনত প্রকাশিত জনপ্রিয় গ্রন্থ "The General Theory of Employment, Interest and Money" ত মুদ্রাৰ চাহিদা তত্ত্ব সম্পর্কে ব্যাখ্যা কৰিছিল। কেইন্সৰ মতে, মুদ্রাৰ চাহিদা হ'ল দুটা চলক-আয় আৰু সুতৰ হাৰৰ ফলন। কেইন্সে ব্যাখ্যা কৰিছিল যে মানুহে তিনিটা অভিপ্রায়ৰ বাবে মুদ্রাৰ চাহিদা সৃষ্টি কৰে। সেই তিনিটা হ'ল - লেনদেন, সতর্কতামূলক আৰু কল্পনাপ্রসূত অভিপ্রায়। কেইন্সৰ চাহিদা তত্ত্বৰ গুৰুত্বপূর্ণ উপাদানটো হ'ল মুদ্রাৰ কল্পনাপ্রসূত চাহিদা। এই তিনিটা উপাদানৰ বিষয়ে তলৰ খণ্ডত বিষদভাৱে বর্ণনা কৰা হ'ল —

৭.৩.১ মুদ্রাৰ লেন-দেনৰ চাহিদা

মানুহৰ দৈনন্দিন লেনদেনৰ বাবে যি মুদ্রাৰ দৰকাৰ হয়, তাকেই মুদ্রাৰ লেন-দেনৰ চাহিদা বোলে। এটা পৰিয়ালে সাধাৰণতে ব্যৱহাৰ হোৱা সকলোবোৰ সামগ্রী ক্রয় কৰিবলগীয়া হয়। এজন উৎপাদকে উৎপাদনৰ বাবে বিভিন্ন কেঁচাসামগ্রী আৰু সেৱা ক্রয় কৰিবলগীয়া হয়। মুদ্রাৰ লেন-দেনৰ চাহিদাৰ উদ্ভৱ হোৱাৰ কাৰণ হ'ল আয় উপার্জন আৰু দ্রব্যসমূহত কৰা ব্যয়ৰ মাজত থকা সময়ৰ ব্যৱধান। এই সময়ৰ ব্যৱধান বিভিন্ন শ্রেণীৰ মানুহৰ বাবে বেলেগ বেলেগ হ'ব পাৰে। কিছুমান মানুহে আয়ৰ বৃহৎ অংশ প্রথম সপ্তাহতে ব্যয় কৰে, আন কিছুমানে আকৌ মাহটোৰ সমস্ত ব্যয় চাৰিটা সপ্তাহৰ মাজত সমভাৱে ব্যয় কৰে। এজন ব্যক্তি, পৰিয়াল বা ব্যৱসায় প্রতিস্থানে আয়ৰ কিছু অংশ এই ব্যৱধান পূৰণ কৰিবলৈ ধৰি ৰাখে। পৰিকল্পিত ব্যয় প্রকৃত আয়ৰ ওপৰত নির্ভৰ কৰে। সেয়েহে লেনদেনৰ চাহিদা প্রকৃত আয়ৰ ওপৰত নির্ভৰ কৰে। মুদ্রাৰ লেনদেনৰ চাহিদা আৰু আয়ৰ মাজত এক প্রত্যক্ষ সম্পর্ক আছে। এই সম্পর্কক তলত

দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$MD_T = f(Y)$ য'ত MD_T হ'ল মুদ্ৰাৰ লেনদেনৰ চাহিদা আৰু Y হ'ল আয়। এতিয়া, যদি উপযুক্ত সমীকৰণত থকা সম্পৰ্ক ৰৈখিক আৰু সমানুপাতিক হয়, তেন্তে ইয়াক তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$MD_T = KY$$

এতিয়া K বৃদ্ধি বা হ্ৰাস হ'লে চাহিদা ফলনটো সোঁফালে বা বাওঁফালে স্থানান্তৰিত হ'ব।

৭.৩.২ মুদ্ৰাৰ সতৰ্কতামূলক চাহিদা

মানুহৰ দৈনন্দিন প্ৰয়োজনীয় লেনদেনৰ চাহিদাৰ উপৰিও মানুহে কিছু পৰিমাণৰ নগদ মুদ্ৰা হাতত ৰাখিব বিচাৰে। এই অতিৰিক্ত মুদ্ৰা ভৱিষ্যত বিপদ, বেমাৰ-আজাৰ, দুৰ্ঘটনা ইত্যাদি পূৰণ কৰিবলৈ হাতত ৰাখে। অৰ্থনীতিবিদে ডব্লিউ.ডব্লিউ. হেইনচে আঙুলিয়াই দিছে যে সম্পত্তিৰ আকাৰ, বীমাকৰণ, ঋণৰ সুবিধা, ভৱিষ্যত আয় ইত্যাদিয়ে মুদ্ৰাৰ সতৰ্কতামূলক অভিপ্ৰায় প্ৰভাৱিত কৰে। সতৰ্কতামূলক চাহিদাৰ ক্ষেত্ৰত সম্পত্তিৰ আকাৰ আৰু নগদ মুদ্ৰা হাতত ৰখাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। বীমাকৰণৰ সুবিধাৰ পৰ্য্যাপ্ততাই নগদ সংৰক্ষণ হ্ৰাস কৰে। যদি এজন ব্যক্তিৰ মৃত্যুত বীমা কোম্পানীয়ে তেওঁৰ পৰিয়ালক দৰকাৰী সুবিধা প্ৰদান কৰে, তেন্তে তেওঁ সতৰ্কতামূলক অভিপ্ৰায়ৰ বাবে নগদ মুদ্ৰা হাতত ৰখাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। কিছুমান ৰাহি নগদে অপ্ৰত্যাশিতভাৱে সৃষ্টি হোৱা সুবিধা লোৱাত সহায় কৰে। উদাহৰণস্বৰূপে, পৰিকল্পনা নাথাকিলেও সামগ্ৰী এটা ভাল দৰত লাভ কৰিব পাৰে।

৭.৩.৩ মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা

আমি জানোঁ যে মানুহে সম্পদ ভূমি,বণ্ড, মুদ্ৰা ইত্যাদিৰ ৰূপত ৰাখিব পাৰে। সৰল অৰ্থত, মুদ্ৰাৰ বাহিৰেও অন্য ৰূপত সম্পত্তি থাকিব পাৰে, যাক 'বণ্ড' বুলি কোৱা হয়। দৰাচলতে, কেইন্সেও দুটা প্ৰকাৰৰ সম্পদৰ বিষয়ে উল্লেখ কৰিছে — মুদ্ৰা আৰু বণ্ড।

এজন বিবেচক অৰ্থনৈতিক অভিকৰ্ত্তাই সদায় লাভ বা আয় বৃদ্ধি কৰাৰ চেষ্টা কৰে। এতিয়া, মুদ্ৰা আৰু বণ্ড এই দুই প্ৰকাৰৰ সম্পত্তি মানুহৰ এজনে কেনেদৰে ব্যৱহাৰ কৰে, চাওঁ আহক। যদি আমি সঞ্চয় বেংকৰ একাউন্টত থওঁ, তেন্তে আমি সুত আহৰণ কৰিম আৰু যদি বণ্ড ক্ৰয় কৰোঁ, তেন্তে মুদ্ৰাগত আয় পাম। মানুহে সাধাৰণতে সুতৰ হাৰৰ লগত বণ্ডৰ আয় তুলনা কৰে। গতিকে, ভবিষ্যতে সুতৰ হাৰ আৰু বণ্ডৰ দামৰ পৰিবৰ্তন সম্বন্ধে কল্পনাপ্ৰসূতভাৱে লোৱা সিদ্ধান্তৰ ফলত হোৱা মুদ্ৰাৰ চাহিদাক মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা বুলি কোৱা হয়। এনে কাৰণতে, মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাক

বজাৰতকৈ ভৱিষ্যত সম্বন্ধে বেছিকৈ জানি আহৰণ কৰা লাভ বুলি কোৱা হয়। ইয়াৰ প্ৰধান ধাৰণা মুদ্ৰাৰ পৰা মুদ্ৰাগত লাভ আহৰণ কৰা।

এতিয়া, কেনেদৰে এজন ব্যক্তিয়ে দুটা সম্পদৰ পৰা তেওঁৰ লাভ সৰ্ব্বোচ্চ কৰে, সেই বিষয়ে আলোচনা কৰিম। এয়া কৰোঁতে আমি বণ্ডৰ দৰ আৰু মুদ্ৰাৰ সুতৰ হাৰৰ সম্পৰ্ক আৰু সুতৰ হাৰ আৰু কল্পনাপ্ৰসূত চাহিদা সম্পৰ্ক বিবেচনা কৰিম।

বণ্ডৰ দৰ আৰু বজাৰ সুতৰ হাৰৰ মাজত এক বিপৰীত সম্বন্ধ আছে। ইয়াক বৰ্ণনা কৰিবলৈ ধৰা হ'ল ১০০০ টকাৰ বণ্ডে বছৰি ১০% স্থায়ী আয় প্ৰদান কৰে। ই ইয়াকে বুজায় যে বণ্ডৰ স্থিৰ আয় ১০০ টকা। এতিয়া ধৰা হ'ল, বেংকৰ সঞ্চয় একাউন্টত সুতৰ হাৰ ১০% ৰ পৰা ৮% লৈ হ্ৰাস পালে। এতিয়া মুঠ এবছৰত ১০০ টকা পাবলৈ ৮ % সুদৰ হাৰত কিমান মুদ্ৰা বেংকত থব লাগিব?

ধৰা হ'ল, সেই পৰিমাণটো x, তেন্তে $\mathrm{X} = ১০০ \times \frac{১০০}{৮}$। এই ক্ষেত্ৰত এই পৰিমাণ হ'ব ১২৫০ টকা। গতিকে দেখা গৈছে যে, ১২৫০ টকা বেংকত থ'লে তাৰপৰা আয় লাভ কৰা ১০০ টকা (সুত) বণ্ডত বিনিয়োগ কৰা ১০০০ টকাৰ সমান। স্বাভাৱিকতে, মানুহে বেংকত জমা কৰাতকৈ বণ্ড ক্ৰয় কৰিব। সেয়েহে আমি কব পাৰোঁ যে বজাৰ সুতৰ হাৰ হ্ৰাস হ'লে বণ্ডৰ দৰ বৃদ্ধি হয়। আনহাতে, সুতৰ হাৰ আৰু বণ্ডৰ মাজৰ সম্পৰ্ক বিপৰীত। প্ৰকৃততে, ভবিষ্যতে সুতৰ হাৰ আৰু বণ্ডৰ দামৰ পৰিমাণ সম্বন্ধে কল্পনাপ্ৰসূতভাবে লোৱা সিদ্ধান্তৰ ফলতেই মূদ্ৰাৰ কল্পনা প্ৰসূত চাহিদা সৃষ্টি হয়।

এতিয়া কল্পনাপ্ৰসূত চাহিদা আৰু সুতৰ হাৰৰ সম্পৰ্ক বিবেচনা কৰিম। মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা মুদ্ৰাৰ সুতৰ হাৰৰ লগত বিপৰীতভাৱে জড়িত। অৰ্থাৎ সুতৰ হাৰ বৃদ্ধি হ'লে কল্পনাপ্ৰসূত চাহিদা হ্ৰাস পাব আৰু ইয়াৰ বিপৰীতে তাৰ ওলোটাটো ঘটে।

৭.৩.৪ বুল আৰু বিয়েৰ

ইতিমধ্যে আলোচনা কৰাৰ দৰে, 'বুল' আৰু 'বিয়েৰ' এই শব্দ দুটাক এজন লোক বা বজাৰৰ সাধাৰণ ক্ৰিয়া আৰু ধ্যান ধাৰণা বা মানসিকতা আদি বুজাবলৈ ব্যৱহাৰ কৰা হয়। এই শব্দ দুটা প্ৰায়ে ষ্টক বজাৰৰ অংশগ্ৰহণকাৰী বুজাবলৈ ব্যৱহাৰ কৰা হয়। বিয়েৰ বজাৰে দৰ হ্ৰাস হোৱাক বুজায়। ই সাধাৰণতে কিছু মাহৰ বাবে কোনো এটা চিকিউৰিটি বা সম্পত্তিৰৰ ক্ষেত্ৰত বা গোটেই চিকিউৰিটি বজাৰৰ বাবে উদ্ভৱ হ'ব পাৰে। 'বুল' বজাৰ উদ্ভৱ হয়, যেতিয়া দৰ বৃদ্ধি হয়। 'বুল' আৰু 'বিয়েৰ' শব্দ দুটা প্ৰতিটো জন্তুৰে ইয়াৰ প্ৰতিদ্বন্দীক কৰা আচৰণৰ সহায়ত আহৰণ কৰা হৈছে। বিয়েৰ (ভালুক) এটাই তললৈ আক্ৰমণ কৰে। আনহাতে বুল (ষাড় গৰু) এটাই শিঙেৰে ওপৰলৈ দলিয়াই দিয়ে। এই স্থানান্তৰ বজাৰ আচৰণৰ লগত জড়িত। যদি দালাল এজনৰ ক্ৰিয়াই ষ্টকৰ দৰ বৃদ্ধি কৰে, তেন্তে তেওঁক 'বুল' বুলি কোৱা হয়। আনহাতে, যদি

দালালজনৰ ক্রিয়াই ষ্টকৰ দৰ হ্রাস কৰে, তেন্তে তেওঁক 'বিয়েৰ' বুলি কোৱা হয় আৰু বজাৰখনক বিয়েৰ বজাৰ বুলি কোৱা হয়।

আগৰ আলোচনাত আমি উল্লেখ কৰিছোঁ যে মুদ্রাৰ কল্পনাপ্রসূত চাহিদা সুতৰ হাৰ আৰু বণ্ডৰ দৰৰ অপ্রত্যাশিত পৰিবর্তনৰ বাবে হয়। মানুহৰ কল্পনাপ্রসূত আচৰণক বুল আৰু বিয়েৰ এই দুটা ভাগত ভাগ কৰা হয়। বুলে বণ্ডৰ দৰ ভৱিষ্যতে বৃদ্ধি হোৱাটো আশা কৰে, আনহাতে বিয়েৰে বণ্ডৰ দৰ হ্রাস হোৱাটো আশা কৰে। কেইন্সৰ বিশ্লেষণত এই প্রত্যাশাবোৰক নিশ্চিত বুলি ধৰা হয়। যথার্থতে, বুল প্রকৃতিৰ লোকসকলে সকলোবোৰ ৰাহি নগদধন বণ্ডত বিনিয়োগ কৰিব বুলি অনুমান কৰিব পাৰি। ইয়াৰ বিপৰীতে, বিয়েৰ প্রকৃতিৰ লোকসকলে বণ্ডৰ পৰিৱর্তে নগধ ধন অধিক পছন্দ কৰিব, যদি তেওঁলোকে ভাৱে যে বণ্ডৰ পৰা হ'ব পৰা মূলধনৰ ক্ষতি বণ্ডৰ পৰা লাভ কৰিবলগীয়া সুততকৈ বেছি। এনেদৰে, তেওঁলোকে ক্ষয়-ক্ষতি হ্রাস কৰিব পাৰে। সেয়েহে কোৱা হয়, মুদ্রাৰ কল্পনাপ্রসূত চাহিদা কেৱল বিয়েৰৰ ক্ষেত্রতহে উদ্ভৱ হয়। এই বিয়েৰবোৰে বণ্ডলৈ স্থানান্তৰ কৰিবলৈ নগদ ধন জমা কৰি থয়, যাতে তেওঁলোকে আশা কৰা অনুযায়ী বণ্ডৰ দৰ হ্রাস হ'লে বা যদি তেওঁলোকে আশা কৰে যে বণ্ডৰ দৰ অতি সোনকালে বৃদ্ধি পাব, তেনে পৰিস্থিতিত তেওঁলোকে বণ্ডত বিনিয়োগ কৰিব পাৰে।



অনুশীলনী ৭.১

এক কাল্পনিক উদাহৰণৰ সহায়ত লেনদেন আৰু সতর্কতামূলক চাহিদাৰ বিষয়ে বর্ণনা কৰক।

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ?

(ক) লেনদেনৰ চাহিদা হ'ল আয়ৰ এটা ফলন। (শুদ্ধ /অশুদ্ধ)

(খ) সংস্থাপিত অর্থনীতিবিদৰ মতে মূলধনৰ চাহিদা আৰু যোগানে সুতৰ হাৰ নির্ধাৰণ কৰে। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন নং ২ ঃ মুদ্রাৰ চাহিদা বুলিলে কি বুজে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৭.৪ সুতৰ হাৰ নির্দ্ধাৰণৰ তাৰল্যপ্রীতি তত্ত্ব

সুতৰ হাৰ নির্দ্ধাৰণৰ তাৰল্যপ্রীতি তত্ত্ব অর্থনীতিবিদ জন মেইনার্ড কেইন্সে পোন প্রথমে আলোচনা কৰিছিল। কেইন্সে সুতৰ হাৰক এক নির্দিষ্ট সময়ত তাৰল্য পৰিহাৰ কৰাৰ পুৰস্কাৰ হিচাপে সংজ্ঞায়িত কৰিছে। কেইন্সৰ মতে, বিনিয়োগৰ বাবে সম্পদৰ চাহিদা আৰু সম্পদৰ উপভোগৰ পৰা বিৰত থকাৰ মাজৰ ভাৰসমতা দৰে স্থাপন নকৰে। দৰে নগদ ৰূপত সম্পদ ৰখাৰ ইচ্ছা আৰু নগদৰ পৰিমাণৰ মাজতহে সমতা স্থাপন কৰে। কেইন্সৰ মতে, মুদ্রাৰ চাহিদা আৰু যোগানে সুতৰ হাৰ নির্ধাৰণ কৰে। এই দুটা নির্দ্ধাৰকৰ ভিতৰত মুদ্রাৰ যোগানে সকলো উদ্দেশ্যতে দৰকাৰ হোৱা মুদ্রাৰ পৰিমাণক বুজায়। যদিও মুদ্রাৰ যোগান সুতৰ হাৰৰ ফলন, কিন্তু ইয়াক মুদ্রাগত কর্তৃপক্ষই স্থিৰ বুলি ধৰি লয়। সেয়েহে মুদ্রাৰ যোগান ৰেখা সম্পূর্ণ অস্থিতিস্থাপক।

মুদ্রাৰ চাহিদাৰ দ্বিতীয়টো উপাদান হিচাপে কেইন্সে 'তাৰল্যপ্রীতি' শব্দটো ব্যৱহাৰ কৰিছে, যাৰ বাবে এই তত্বটোক 'তাৰল্যপ্রীতি তত্ত্ব' বুলি কোৱা হয়। সুতৰ হাৰ এক কিস্তি (premium) হিচাপে ব্যাখ্যা কৰিব পাৰি; গতিকে, সুত হৈছে নগদ পৰিহাৰ কৰাৰ পুৰষ্কাৰ। তাৰল্যপ্রীতি বেছি হ'লে নগদ পৰিহাৰ কৰাৰ বাবদ বেছি সুতৰ হাৰ প্রদান কৰিবলগীয়া হয়। আকৌ তাৰল্যপ্রীতি কম হ'লে, কম সুত্তৰ হাৰ প্রদান কৰিব পাৰি। আমি আগতে আলোচনা কৰিছোঁ যে নগদ জমাৰ বাবে মানুহে তিনিটা অভিপ্রায়ৰ দ্বাৰা প্রভাৱিত হয় - লেনদেন, সতর্কতামূলক আৰু কল্পনাপ্রসূত অভিপ্রায়। লেনদেনৰ অভিপ্রায় বর্তমানৰ লেনদেন আৰু ব্যক্তিগত বিনিময়ৰ বাবে নগদৰ প্রয়োজনৰ লগত জড়িত। ইয়াক আকৌ আয় আৰু ব্যৱসায় অভিপ্রায় হিচাপে ভাগ কৰা হৈছে। আগতে উল্লেখ কৰা হৈছে যে আয়ৰ অভিপ্রায় বুলিলে ব্যক্তিগত আয় আহৰণ আৰু ব্যয়ৰ মাজৰ সময়খিনিৰ জোৰা মাৰিবলৈ নগদ ধন হাতত ৰখাটো বুজায়। ঠিক তেনেদৰে, ব্যৱসায় অভিপ্রায় বুলিলে ব্যৱসায়ী এজনে আয় আহৰণ আৰু ব্যয়ৰ মাজৰ জোৰা মাৰিবলৈ নগদ ধন হাতত ৰখাটো বুজায়। লেনদেনৰ অভিপ্রায়ৰ লগত আন এটা অভিপ্রায়ৰ বাবে মানুহে নগদ মুদ্রা হাতত ৰাখে, সেইটো হ'ল সতর্কতামূলক অভিপ্রায়। এই অভিপ্রায় ভৱিষ্যত হ'ব পৰা মানুহৰ বিপদৰ বাবে নগদ ধৰি ৰখাৰ ইচ্ছাৰ লগত জড়িত।

কেইন্সৰ মতে, মুদ্রাৰ লেনদেন আৰু সতর্কতামূলক চাহিদা তুলনামূলকভাৱে বেছি আয় স্থিতিস্থাপক আৰু সুতৰ হাৰ অস্থিতিস্থাপক। এই দুটা অভিপ্রায়ৰ বাবে হাতত জমা ৰখা নগদ মুদ্রা আয়ৰ ফলন হয়। ইয়াক এনেদৰে প্রকাশ কৰিব পাৰি —

$M_1=L_1(Y)$

ইয়াত M_1 হৈছে মুদ্রাৰ লেনদেন আৰু সতর্কতামূলক চাহিদা আৰু Y হৈছে আয়।

কেইন্সৰ মতে, কল্পনাপ্রসূত অভিপ্রায় হ'ল ভৱিষ্যত সম্বন্ধে বজাৰতকৈ বেছিকৈ জানি অর্জন কৰা লাভ। যদি লেনদেন আৰু সতর্কতামূলক চাহিদা পূৰ কৰাৰ পিছত নগদ মুদ্রা থাকি যায়, তেন্তে সেইখিনিক বিনিয়োগ কৰি বিত্তীয় সম্পদৰ লাভ অর্জন কৰাৰ ইচ্ছা থাকে। কেইন্সৰ মতে, কল্পনাপ্রসূত চাহিদা নির্ধাৰণ কৰে সম্পত্তিৰ দৰ বা সুতৰ হাৰ পৰিবর্তনৰ প্রত্যাশাই। মুদ্রাৰ

কল্পনাপ্রসূত চাহিদা সুতৰ হাৰৰ এক ক্রমহ্রাসমান ফলন। সুতৰ হাৰ বৃদ্ধি হ'লে মুদ্রাৰ কল্পনাপ্রসূত চাহিদা হ্রাস পাব। আনহাতে, সুতৰ হাৰ হ্রাস হ'লে, ই বৃদ্ধি হ'ব। ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি —

$M_2=L_2(r)_1$

----- ইয়াত M_2 এ মুদ্রাৰ কল্পনাপ্রসূত চাহিদা আৰু r এ সুতৰ হাৰক বুজাইছে।

মুদ্রাৰ কল্পনাপ্রসূত চাহিদা ৰেখা এডালৰ গঠন হৈছে বাওঁফালৰ পৰা সোঁফাললৈ অহা নিম্নগামী ৰেখা। এক নিম্ন সুতৰ হাৰত, কল্পনা প্রসূত চাহিদা সম্পূর্ণ স্থিতিস্থাপক। যিটো অংশত ই স্থিতিস্থাপক হয়, তাক তাৰল্যফান্দ বুলি কোৱা হয়।


এতিয়া, যদি মুঠ তৰল মুদ্রাক M ৰে বুজোৱা হয়, লেনদেন আৰু সতর্কতামূলক অভিপ্রায়ক M_1 ৰে বুজোৱা হয় আৰু কল্পনাপ্রসূত অভিপ্রায়ক M_2 ৰে বুজোৱা হয়, তেন্তে M হ'ল M_1আৰু M_2 ৰ যোগফল। ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি—

$M=M_1+M_2$

$M_2=L(Y, r)$

আমি মুদ্রাৰ চাহিদা আৰু যোগান বর্ণনা কৰি আহিছোঁ। এতিয়া মুদ্রাৰ চাহিদা আৰু যোগানে কেনেদৰে সুতৰ হাৰ নির্ধাৰণ কৰে, সিই বিষয়ে অধ্যয়ন কৰিম। সুতৰ হাৰ সেই স্তৰত নির্ধাৰণ কৰা হয়, য'ত মুদ্রাৰ চাহিদা আৰু যোগান সমান হয়। ইয়াক তলৰ চিত্র ৭.১ত বর্ণনা কৰা হ'ল —

চিত্র ৭.১ ঃ সুতৰ হাৰ নির্ধাৰণ



ওপৰৰ চিত্রত উলম্ব ৰেখাবোৰে মুদ্রাৰ যোগানক বুজাইছে, যি নির্দ্দিষ্ট সময়ৰ বাবে স্থিৰ। যদি মৌদ্রিক কর্তৃপক্ষই মুদ্রাৰ যোগান বৃদ্ধি কৰে, যি ক্ষেত্রত তাৰল্যপ্রীতি ৰেখাডাল স্থিৰে

থাকে, তেতিয়া সুতৰ হাৰ হ্রাস পাব। মন কৰিব, মুদ্রাৰ যোগান Q_2M_2 ৰ পৰা QM লৈ বৃদ্ধি পোৱাৰ ফলত সুতৰ হাৰ r_1 ৰ পৰা r লৈ হ্রাস হ'ল। একেদৰে, মুদ্রাৰ যোগান যদি QM ৰ পৰা Q_1M_1 লৈ বৃদ্ধি হয়, তেন্তে সুতৰ হাৰ r ৰ পৰা r_2 লৈ হ্রাস হয়। কিন্তু যদি মুদ্রাৰ যোগান Q_3M_3ৰ পিছত বৃদ্ধি পায়, তেন্তে ই সুতৰ হাৰৰ ওপৰত কোনো প্রভাৱ পেলাব নোৱাৰে, কাৰণ r_3 সুতৰ হাৰত তাৰল্যপ্রীতি ৰেখাডাল পূর্ণ স্থিতিস্থাপক হয়। তাৰল্যপ্রীতি ৰেখাৰ স্থিতিস্থাপক অংশক তাৰল্যফান্দ, বুলি কোৱা হয় য'ত L ৰেখাডাল X অক্ষৰ সমান্তৰাল হয়। এনেদৰে, তত্ত্বটোৱে দেখুৱায় যে সুতৰ হাৰ সেইটো বিন্দুত নির্ণয় কৰা হয়, য'ত তাৰল্যপ্রীতি ৰেখা মুদ্রাৰ যোগান ৰেখাৰ সমান হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ?

(ক) মুদ্রাৰ কল্পনাপ্রসূত চাহিদা সুতৰ হাৰৰ এটা ফলন। (শুদ্ধ /অশুদ্ধ)

(খ) মুদ্রাৰ যোগান এক নির্দিষ্ট সময়ত স্থিৰ। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন নং ৪ ঃ তাৰল্য ফান্দ বুলিলে কি বুজে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সুতৰ হাৰৰ প্রকৃতি আৰু নির্ণায়ক সম্পর্কে বহুতো মতবাদ আছে। সাধাৰণতে সুত হ'ল মূলধন ব্যৱহাৰৰ বাবে দিয়া দৰ।
- মুদ্রাৰ লেন-দেনৰ চাহিদাই দৈনন্দিন লেন-দেনৰ বাবে মানুহক দৰকাৰ হোৱা নগদ মুদ্রাক বুজায়।
- মুদ্রাৰ লেন-দেনৰ চাহিদা আয়ৰ এটা ফলন।
- বিপদৰ সময়ত, যেনে বেমাৰ-আজাৰ, দূর্ঘটনা, নিয়োগহীনতা ইত্যাদি পূৰণ কৰিবলৈ দৰকাৰ হোৱা মুদ্রাক সতর্কতামূলক চাহিদা বুলি কোৱা হয়।
- মুদ্রাৰ কল্পনাপ্রসূত চাহিদা ভৱিষ্যতৰ বিষয়ে বেছিকৈ জানি তাৰ পৰা আয় আহৰণ কৰাৰ চেষ্টাৰ ফলত উদ্ভৱ হয়।
- সুতৰ তাৰল্যপ্রীতি তত্ত্ব হ'ল কেইন্সৰ সুতৰ হাৰ বর্ণনাৰ এক গুৰুত্বপূর্ণ বিশ্লেষণ। এই তত্ত্ব অনুসৰি, সুত হ'ল কোনো এক নির্দিষ্ট সময়ছোৱাৰ বাবে তাৰল্য পৰিহাৰ কৰাৰ এক পুৰস্কাৰ।
- অতি নিম্ন সুতৰ হাৰত তাৰল্যপ্রীতি ৰেখাডাল আনুভূমিক অক্ষৰ সমান্তৰাল হয়। তাৰল্যপ্রীতি ৰেখাৰ এই আনুভূমিক অংশক তাৰল্য ফান্দ বুলি কোৱা হয়।

৭.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰঃ মুদ্রাৰ চাহিদা মানুহে বিভিন্ন কাৰণত যেনে বিনিময় মাধ্যম, জোখমাখৰ একক বিলম্বিত পৰিশোধৰ মানদণ্ড আৰু মূল্যৰ ভাণ্ডাৰ ইত্যাদিৰ বাবে নগদ মুদ্রা হাতত ৰখাৰ ইচ্ছাক বুজায়।

৩ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ

৪ নং প্রশ্নৰ উত্তৰঃ অতি নিম্ন সুতৰ হাৰত তাৰল্যপ্রীতি ৰেখাডাল সম্পূর্ণ স্থিতিস্থাপক হয়। অর্থাৎ এই ৰোখাডাল x- অক্ষৰ সমান্তৰাল হয়। তাৰল্যপ্রীতি ৰেখাডালৰ এই আনুভূমিক অংশকেই তাৰল্যফান্দ বুলি কোৱা হয়।

৭.৭ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.
2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.
3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অর্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্রকাশন।

৭.৮ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ঃ মুদ্রাৰ লেন-দেনৰ চাহিদা বুলিলে কি বুজা যায়?

প্রশ্ন নং ২ঃ মুদ্রাৰ কল্পনাপ্রসূত চাহিদাক প্রভাৱিত কৰা কাৰকসমূহ ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ঃ মুদ্রাৰ কল্পনাপ্রসূত চাহিদা কি বর্ণনা কৰক।

প্রশ্ন নং ৪ঃ বুল (Bull) আৰু বিয়াৰ (Bear) বুলিলে কি বুজ বিয়েৰ যায়?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ঃ তাৰল্যপ্রীতি বুলিলে কি বুজায়? নগদৰ প্রতি থকা মানুহৰ পছন্দই কেনেদৰে সুতৰ হাৰ নির্ণয়ত সহায়ক হয়?

*** ***** ***

অধ্যায় ৮ঃ কেইন্সৰ ভোগ ফলন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ আয়-ভোগ সম্পর্ক
৮.৪ ভোগৰ মনস্তাত্বিক তত্ত্ব
৮.৫ ভোগৰ গড় প্ৰৱণতা আৰু প্ৰান্তিক প্ৰৱণতা
৮.৫.১ APC আৰু MPC ৰ তাৎপর্য্য
৮.৫.২ APC আৰু MPC ৰ সম্পর্ক
৮.৬ ভোগ ব্যয়ক প্ৰভাৱিত কৰা কাৰক
৮.৬.১ ভোগ ফলনক প্ৰভাৱিত কৰা বিষয়নিষ্ঠ উপাদান
৮.৬.২ ভোগ ফলনক প্ৰভাৱিত কৰা বস্তুনিষ্ঠ উপাদান
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ অধিক জানিবৰ বাবে
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কেইন্সৰ ভোগ ফলন সম্পর্কে জানিব পাৰিব
- কেইন্সৰ ভোগৰ মনস্তাত্বিক তত্ত্বৰ বিষয়ে জানিব পাৰিব
- ভোগৰ গড় প্ৰৱণতা আৰু প্ৰান্তিক প্ৰৱণতাৰ সংজ্ঞা জানিব পাৰিব
- গড় আৰু প্ৰান্তিক প্ৰৱণতা কেনেদৰে গণনা কৰা হয় জানিব পাৰিব
- ভোগ ফলনক প্ৰভাৱিত কৰা কাৰকসমূহ জানিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টিত কিছুমান মৌলিক ধাৰণা — যেনে কেইন্সৰ ভোগ ফলন, ভোগৰ মনস্তাত্বিক তত্ত্ব, ভোগৰ গড় আৰু প্ৰান্তিক প্ৰৱণতা, ভোগক প্ৰভাৱিত কৰা কাৰক ইত্যাদি আলোচনা কৰা হৈছে।

কেইন্সৰ ভোগ ফলনটোৱে এখন অর্থনীতিত আয় আৰু ভোগৰ মাজৰ সম্পর্কক বুজায়। ভোগ ব্যয় হ'ল বর্তমানৰ প্ৰকৃত আয়ৰ এটা ফলন। ভোগ ফলনটোৱে উপভোক্তাৰ আয়ৰ স্তৰ আৰু ভোগ ফলনৰ পৰস্পৰ সম্পর্কক বুজায়।

ভোগৰ মনস্তাত্ত্বিক তত্ত্ব হ'ল আয়ৰ পৰিবৰ্তনৰ ফলত ভোগৰ সৈতে জড়িত কিছু মনস্তাত্ত্বিক ধাৰণা। সাধাৰণতে, আয় বৃদ্ধিৰ লগতে ভোগ বৃদ্ধি আয় বৃদ্ধিৰ অনুপাততকৈ কম হয়; অর্থাৎ আয় বৃদ্ধিৰ ফলত মানুহৰ ভোগ বৃদ্ধি হোৱাৰ প্ৰৱণতা দেখা যায়।

ভোগৰ গড় প্ৰৱণতা হ'ল ভোগ ব্যয় আৰু আয়ৰ অনুপাত।

ভোগৰ প্ৰান্তিক প্ৰৱণতা হ'ল আয়ৰ পৰিবৰ্তনৰ সাপেক্ষে হোৱা ভোগ ব্যয়ৰ পৰিবৰ্তন।

ভোগ ব্যয়ক প্ৰভাৱিত কৰা কাৰকসমূহ হ'ল — মজুৰি স্তৰৰ পৰিবৰ্তন, লাভ আৰু লোকচান, চৰকাৰৰ ৰাজকোষীয় নীতিৰ পৰিবৰ্তন, উপভোক্তাৰ আচৰণ আৰু প্ৰত্যাশা, আয়ৰ বিতৰণ, সামগ্ৰীৰ আপেক্ষিক দৰ, সুতৰ হাৰৰ পৰিবৰ্তন, বিত্তীয় নীতি ইত্যাদি।

৮.৩ আয়-ভোগ সম্পৰ্ক

আমি আগৰ খণ্ডত আলোচনা কৰিলোঁ যে ভোগ ফলনে ভোগ ব্যয় আৰু আয়ৰ সম্পৰ্কক বুজায়। পৃথিৱীৰ বহুতো অর্থনীতিবিদে এই দুটা চলকৰ মাজৰ সম্পৰ্কক বর্ণনা কৰিছে। সংস্থাপিত অর্থনীতিবিদ আডাম স্মিথেও ভোগ ফলনৰ বিষয়ে উল্লেখ কৰিছে। আন অর্থনীতিবিদ আৰ্ণেষ্ট এঞ্জেলে ১৮৫৭ চনত পৰিয়ালৰ বাজেটৰ সহায়ত ভোগৰ বিধি গঠন কৰিছিল, য'ত তেওঁ আয়ৰ পৰিবৰ্তনৰ ফলত ভোগৰ প্ৰৱণতাৰ পৰিবৰ্তন ব্যাখ্যা কৰিছিল। অধ্যাপক মালথাছ আৰু উইক্সেলেও ব্যৱসায় চক্ৰত ভোগ ফলনৰ বিষয়ে উল্লেখ কৰিছে। সংস্থাপিক অর্থনীতিবিদ আলফ্ৰেড মার্ছালে সঞ্চয় আৰু উপভোক্তাৰ আয়ৰ সম্পৰ্ক প্ৰতিস্থা কৰিছিল। মার্ছালে এই সম্পৰ্ক হ্ৰস্বকালীন তাৰতম্যতাৰ তুলনাত দীর্ঘকালীন বৃদ্ধিৰ ভিত্তিতহে বিশ্লেষণ কৰিছিল।

প্ৰকৃততে, কেইন্সে ভোগ আৰু আয় সম্পৰ্কক এক নির্দিষ্ট ক্ৰমত তাৎপর্য্যপূর্ণ ভাৱে ব্যাখ্যা কৰিছিল। কেইন্সৰ মতে, ভোগ ব্যয় হ'ল বর্তমানৰ প্ৰকৃত আয়ৰ এক ফলন। আমি এই সম্পৰ্কক ফলনীয় ৰূপত তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰোঁ।

$C = f(y)$

য'ত C হ'ল ভোগ ব্যয় আৰু Y হ'ল উপভোক্তাৰ আয়।

৮.৪ ভোগৰ মনস্তাত্ত্বিক তত্ত্ব

ওপৰৰ আলোচনাৰ পৰা আমি ভোগ ফলনৰ অর্থ আৰু ৰূপ জানিলোঁ। অধ্যায়টিৰ এই অংশত ভোগৰ মনস্তাত্ত্বিক তত্ত্ব আলোচনা কৰা হ'ব। অর্থনীতিবিদ কেইন্সে ভোগৰ মনস্তাত্ত্বিক তত্ত্বটো উদ্ভাৱন কৰিছিল। এই তত্ত্ব অনুসৰি, মানুহে বর্ধিত আয়ৰ বিপৰীতে তুলনামূলকভাৱে কম পৰিমাণত ভোগৰ ব্যয় বৃদ্ধি কৰে। এই তত্ত্বটোৱে মানুহৰ ভোগ ব্যয়ৰ ক্ষেত্ৰত মনস্তাত্ত্বিক আচৰণ সম্পৰ্কে ব্যাখ্যা কৰে। আয় আৰু ভোগৰ প্ৰৱণতা দিয়া থাকিলে, এই বিধিটোৱে মানুহে কেনেদৰে নিজৰ আয় ভোগ আৰু সঞ্চয়ৰ মাজত ব্যয় কৰে, সেই বিষয়ে বর্ণনা কৰে।

কেইন্সৰ ভাষাত "(ভোগৰ) মৌলিক মনস্তাত্ত্বিক বিধি যাৰ ওপৰত আমি আমাৰ পূর্বৰ জ্ঞান বা অভিজ্ঞতাৰ ভিত্তিত অতি বিশ্বাসযোগ্যভাৱে নির্ভৰশীল, সেই বিধি অনুসৰি, মানুহে

সাধাৰণতে আয় বৃদ্ধিৰ লগে লগে ভোগৰ পৰিমাণো বৃদ্ধি কৰে; কিন্তু আয় যি পৰিমাণে বৃদ্ধি হয়, সিমান পৰিমাণে নহয়, অর্থাৎ আয় বৃদ্ধিৰ তুলনাত ভোগ কম পৰিমাণে বৃদ্ধি পায়।"

এতিয়া আমি কেইন্সৰ মনস্তাত্বিক তত্ত্বৰ অভিধাৰণা তিনিটা আলোচনা কৰিম।

কেইন্সৰ মনস্তাত্বিক তত্ত্বৰ প্রথম অভিধাৰণা অনুসৰি, যেতিয়া সর্বমুঠ আয় বৃদ্ধি হয়, ভোগ ব্যয় বৃদ্ধি হয়, কিন্তু কিছু কম পৰিমাণে। অর্থাৎ

$$\partial C < \partial Y$$

বা $\frac{\partial C}{\partial Y} < 1$ আৰু $\partial C > 0$

য'ত ∂C হ'ল ভোগ ব্যয়ৰ পৰিবর্তন ∂Y হ'ল আয়ৰ পৰিবর্তন। আন অর্থত, স্বাভাৱিক অৱস্থাত ভোগৰ প্রান্তিক প্রৱণতা ধনাত্মক, কিন্তু 1 তকৈ কম হয়।

কেইন্সৰ দ্বিতীয় অভিধাৰণা অনুসৰি, বর্ধিত আয় কোনো এক নির্দিষ্ট অনুপাতত ভোগ আৰু সঞ্চয়ৰ মাজত ব্যয় কৰা হয়। দ্বিতীয় অভিধাৰণাটো প্রথম অভিধাৰণাটোৰ অনুঘটক। এই অভিধাৰণা তলৰ সমীকৰণৰ সহায়ত বর্ণনা কৰিব পাৰি —

$$\partial Y = \partial C + \partial S$$

য'ত ∂S হ'ল উপভোক্তাৰ সঞ্চয়ৰ পৰিবর্তন।

তৃতীয় অভিধাৰণা অনুসৰি, বর্ধিত আয়ৰ ফলত ব্যয় আৰু সঞ্চয় আগতকৈ কম হোৱাৰ সম্ভাৱনা খুব কম। আনহাতে, এই অভিধাৰণাই ভোগফলনৰ হ্রস্বকালীন স্থিৰতাক গুৰুত্ব দিয়ে।


সেয়েহে আমি কব পাৰোঁ যে কেইন্সৰ ভোগ ফলন ভোগৰ মনস্তাত্বিক বিধিৰ ওপৰত প্রতিস্থিত, যিয়ে আয় আৰু ভোগৰ সম্পর্ক বুজায়। ইয়াক তলৰ সমীকৰণৰ ৰূপত প্রকাশ কৰিব পাৰি —

$C = Ca + bYd, 0 < b < 1$।

য'ত C = উপভোগ, Ca = স্বয়ংক্রিয় উপভোগ b = ভোগৰ প্রান্তিক প্রৱণতা Yd = ব্যয়যোগ্য আয়।

সমীকৰণটোৱে ভোগ ফলনক অসমানুপাতিক আৰু ৰৈখিক ৰূপত প্রকাশ কৰে। ফলনটোৰ অসমানুপাতিক হোৱাৰ মূলতে হ'ল স্বয়ংক্রিয় উপাদান; আৰু সৰল ৰেখাৰ বা ৰৈখিক হোৱাৰ মূলতে হ'ল স্থিৰ প্রান্তিক প্রৱণতা। ভোগ ফলন ৮.১নং চিত্রৰ সহায়ত দেখুওৱা হ'ল —

চিত্ৰ ৮.১ কেইন্সৰ ভোগ ৰেখা



বিধিটোৰ তিনিওটা অভিধাৰণা তলৰ ৮.১ নং কাল্পনিক তালিকাৰ সহায়ত দেখুৱাব পাৰি —

তালিকা ৮.১ উপভোক্তাৰ আয় আৰু ভোগৰ অনুসূচী (কৌটিত)

ব্যয়যোগ্য আয় (Y)	ভোগ c = f (Y)	সঞ্চয় (S = Y – C)
0	30	– 30
70	80	– 10
130	130	00
190	180	10
250	230	20
310	280	30
370	330	40

তালিকা ৮.১ ত দেখুওৱা হৈছে যে ভোগ ব্যয় হ'ল আয়ৰ এক বৰ্ধিত ফলন। তালিকাত দেখা যায় যে যেতিয়া উপভোক্তাৰ আয় শূন্য, মানুহে ধাৰ লৈ বা সঞ্চয়ৰ সহায়ত ব্যয় কৰে। আয় বৃদ্ধিৰ লগে লগে ভোগ ব্যয় বৃদ্ধি হয়, কিন্তু ক্ৰমহ্ৰাসমান হাৰত। তালিকা ৮.১ ত দেখা যায় যে যেতিয়া আয় ৬০ কৌটি বৃদ্ধি হয়, তেতিয়া ভোগ ব্যয় ৫০ কৌটিলৈ বৃদ্ধি হয় আৰু বাকী ১০ কৌটি সঞ্চয়লৈ প্ৰবাহিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) কেইন্সে ভোগৰ মনস্তাত্ত্বিক তত্ত্বটো উদ্ভাৱন কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) ভোগ ফলন হ'ল ভোগ ব্যয় আৰু আয়ৰ অনুপাত। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ ভোগ ফলন বুলিলে কি বুজে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

৮.৫ ভোগৰ গড় প্ৰৱণতা আৰু প্ৰান্তিক প্ৰৱণতা

আগৰ আলোচনাত আমি কেইন্সৰ ভোগৰ মনস্তাত্ত্বিক তত্ত্ব আৰু ইয়াৰ ধৰ্ম সম্পৰ্কে জানিলোঁ। অধ্যায়টিৰ এই খণ্ডত ভোগ ফলনৰ ধৰ্ম সম্পৰ্কে বৰ্ণনা কৰিম।

ভোগ ফলনৰ দুটা ধৰ্ম আছে।


- **ভোগৰ গড় প্ৰৱণতা ঃ** ভোগ ব্যয় আৰু উপভোক্তাৰ আয়ৰ অনুপাতকে ভোগৰ গড় প্ৰৱণতা বুলি কোৱা হয়। ইয়াক উপভোক্তাৰ আয়ৰ শতাংশ হিচাপত ভোগ ব্যয়ৰ সহায়ত গণনা কৰা হয়। ভোগৰ গড় প্ৰৱণতা (APC) সদায় আয়ৰ উপভোগত ব্যয় কৰা অংশৰ সহায়ত প্ৰকাশ কৰা হয়। ইয়াক সাংকেতিকভাৱে তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$\text{ভোগৰ গড় প্ৰৱণতা (APC)} = \frac{C}{Y} \rightarrow (1)$$

য'ত C হ'ল ভোগ ব্যয়, Y হ'ল উপভোক্তাৰ আয়।

সাধাৰণতে, যেতিয়া উপভোক্তাৰ আয় বৃদ্ধি হয়, APC হ্ৰাস হয়। কাৰণ, আয় বৃদ্ধিৰ তুলনাত ভোগ ব্যয় কম পৰিমাণে বৃদ্ধি হয়। আমি ভোগৰ গড় প্ৰৱণতা চিত্ৰ ৮.২ ৰ সহায়ত প্ৰকাশ কৰিব পাৰোঁ।

চিত্ৰ ৮.২ ঃ ভোগৰ গড় প্ৰৱণতা



এতিয়া চিত্ৰ ৮.২ ৰ পৰা আমি cc ৰেখাৰ যিকোনো বিন্দুতেই ভোগৰ গড় প্ৰৱণতা নিৰ্ণয় কৰিব পাৰোঁ। যেনে S বিন্দুত ভোগৰ গড় প্ৰৱণতা হ'ব —

$$APC = \frac{OC}{OY}$$

- **ভোগৰ প্ৰান্তিক প্ৰৱণতা ঃ** ভোগৰ গড় প্ৰৱণতাৰ লগত ভোগৰ প্ৰান্তিক প্ৰৱণতাৰ আলোচনাও জড়িত। ভোগৰ প্ৰান্তিক প্ৰৱণতা হ'ল — আয়ৰ পৰিবৰ্তন আৰু ভোগৰ পৰিবৰ্তনৰ অনুপাত। আমি ভোগৰ প্ৰান্তিক প্ৰৱণতাক আয়ৰ পৰিবৰ্তনৰ সাপেক্ষে হোৱা ভোগৰ গড় প্ৰৱণতাৰ পৰিবৰ্তনৰ সহায়ত প্ৰকাশ কৰিব পাৰোঁ। আনহাতে, ভোগৰ প্ৰান্তিক প্ৰৱণতা হ'ল ভোগ ব্যয়ৰ হাৰৰ পৰিবৰ্তন।


$$MPC = \frac{\text{ভোগৰ পৰিবৰ্তন } (C_1C_2)}{\text{আয়ৰ পৰিবৰ্তন } (Y_1Y_2)}$$

সাংকেতিকভাৱে, ভোগৰ প্ৰান্তিক প্ৰৱণতা (MPC) তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$MPC = \frac{\Delta C}{\Delta Y} \quad \text{---------- (2)}$$

য'ত, ΔC আৰু ΔY হ'ল যথাক্ৰমে ভোগ আৰু আয়ৰ পৰিবৰ্তন। ভোগৰ গড় প্ৰৱণতাৰ দৰে প্ৰান্তিক প্ৰৱণতাও চিত্ৰ ৮.৩ ৰ সহায়ত দেখুৱাব পাৰি —

চিত্ৰ ৮.৩ ঃ ভোগৰ প্ৰান্তিক প্ৰৱণতা



চিত্ৰ ৮.৩ ত আমি ভোগৰ প্ৰান্তিক প্ৰৱণতা গণনা কৰিব পাৰোঁ। ওপৰত উল্লেখ কৰাৰ দৰে, ভোগৰ প্ৰান্তিক প্ৰৱণতা হৈছে আয়ৰ পৰিবৰ্তনৰ ফলত হোৱা আয় আৰু ভোগৰ পৰিবৰ্তনৰ মাজৰ অনুপাত। চিত্ৰত Y_1Y_2 য়ে আয়ৰ পৰিবৰ্তনক দেখুৱাইছে, ঠিক সেইদৰে C_1C_2 য়ে ভোগৰ পৰিবৰ্তনক দেখুৱাইছে। এতিয়া ভোগৰ পৰিবৰ্তনক (C_1C_2), আয়ৰ পৰিবৰ্তনেৰে (Y_1Y_2) ভাগ কৰি আমি ভোগৰ প্ৰান্তিক প্ৰৱণতা গণনা কৰিব পাৰোঁ। গতিকে ভোগৰ প্ৰান্তিক প্ৰৱণতা হৈছে —

$$MPC = \frac{\text{Change in Consumption (C1C2)}}{\text{Change in Income (Y1Y2)}}$$

৮.৫.১ APC আৰু MPC ৰ তাৎপর্য্য

আগৰ খণ্ডত ভোগৰ গড় আৰু প্ৰান্তিক প্ৰৱণতাৰ অর্থ সম্পর্কে আলোচনা কৰা হ'ল। আমি APC আৰু MPC গণনা কৰা পদ্ধতি সম্পর্কেও বিশ্লেষণ কৰিলোঁ। এই খণ্ডত ভোগৰ গড় আৰু প্ৰান্তিক প্ৰৱণতাৰ তাৎপর্য্য বর্ণনা কৰা হ'ব।

আগতে কোৱা হৈছে যে ভোগৰ প্ৰান্তিক প্ৰৱণতা হ'ল ভোগৰ গড় প্ৰৱণতাৰ পৰিবৰ্তনৰ হাৰ। সাধাৰণতে, যেতিয়া আয় বৃদ্ধি হয়, MPC হ্ৰাস পায়; কিন্তু APC তকৈ বেছি নহয়। আনহাতে, যেতিয়া আয় হ্ৰাস পায়, MPC বৃদ্ধি পায়; আৰু APC বৃদ্ধি হয়, কিন্তু এক ধীৰ গতিত। জন মেয়নার্ড কেইন্সে তেওঁৰ ভোগৰ মনস্তাত্ত্বিক তত্ত্বত MPC ক গুৰুত্ব দিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল কেইন্সে তেওঁৰ 'The General

Theory of Employment, Interest and Money' গ্ৰন্থখনত হ্ৰস্বকালত অধিক গুৰুত্ব দিছে। হ্ৰস্বকালত MPC ৰ তাৎপর্য্য APC তকৈ বেছি। কেইন্সৰ মতে, MPC ৰ মূল্য শূন্য (০) আৰু এক (১)ৰ মাজত থাকে (0<MPC<1)। ইয়ে সাধাৰণ অত্যধিক উৎপাদন বা অপূর্ণ নিয়োগৰ ভাৰসমতাৰ সম্ভাৱনাক তাত্ত্বিকভাৱে বর্ণনা কৰিব পাৰে। আকৌ, MPC য়ে গুণক তত্ত্বও বর্ণনা কৰিব পাৰে। MPC বেছি হ'লে, গুণকো বেছি হয়। MPC ভোগৰ আচৰণ অধ্যয়ন কৰাতো ব্যৱহাৰ কৰা হয়। সাধাৰণতে, ধনী শ্ৰেণীৰ MPC কম হয় আৰু দুখীয়া শ্ৰেণীৰ MPC বেছি হয়।

কিন্তু কেইন্সৰ পৰবর্তী অর্থনীতিবিদসকলৰ মতে, দীর্ঘকালত MPC আৰু APC সমান আৰু প্ৰায় ০.৯ ৰ সমান।

৮.৫.২ APC আৰু MPC ৰ সম্পর্ক

ইয়াৰ আগৰ খণ্ডত আমি APC আৰু MPC ৰ তাত্ত্বিক তাৎপর্য্য ব্যাখ্যা কৰিলোঁ। এই খণ্ডত APC আৰু MPC ৰ সম্পর্ক ব্যাখ্যা কৰা হ'ব। আগৰ খণ্ডত উল্লেখ কৰা হৈছে যে — APC হ'ল কোনো নির্দ্দিষ্ট আয় আৰু ভোগ ব্যয়ৰ অনুপাত। আকৌ MPC হ'ল আয়ৰ পৰিবর্তনৰ সাপেক্ষে হোৱা ভোগৰ পৰিবর্তন।

এতিয়া আমি ভোগ ফলনৰ এই দুটা ধর্ম সম্পর্ক বর্ণনা কৰিম। ইয়াক তলৰ তালিকা ৮.২ ত এটা কাল্পনিক উদাহৰণৰ সহায়ত দেখুওৱা হ'ল। এই উদাহৰণটোত আমি এটা স্থিৰ ভোগ ফলন ধৰি লৈছোঁ, য'ত আয় ৬০ কৌটি বৃদ্ধি হয় আৰু ইয়াৰ অনুপাতত ভোগ ৫০ কৌটি বৃদ্ধি হয়। এই সম্পর্কটো ৮.২ নং তালিকাৰ সহায়ত দেখুওৱা হৈছে।

তালিকা ৮.২ ঃ APC আৰু MPC ৰ সম্পর্ক (কৌটিত)

আয়	ভোগ	APC = C/Y	APS= 1 – APC (S/Y)	MPC = C/ Y	MPS = 1–MPC
(1)	(2)	(3)	(4)	(5)	(6)
150	150	150/150 = 1 or 100%	0	_____	_____
210	200	200/210 = 0.95 or 95%	0.05 (1-0.95)	50/60 = 0.83	0.17
270	250	250/270 = 0.93or 93%	0.07(1-0.93)	50/60 = 0.83	0.17
330	300	300/330 = 0.91or 91%	0.09(1-0.91)	50/60 = 0.83	0.17
390	350	350/390 = 0.90Or 90 %	0.10 (1-0.90)	50/60 = 0.83	0.17

তালিকা ৮.২ ত APC আৰু MPC, APC আৰু MPC ৰ সম্পর্কৰ ভিত্তিত গণনা কৰা হৈছে। ওপৰৰ তালিকাৰ স্তম্ভ ২ আৰু ৩ য়ে ভোগ আৰু আয়ৰ অনুপাতক দেখুৱাইছে। তালিকাত দেখা যায় যে, যেতিয়া আয় বৃদ্ধি হয়, উপভোক্তাৰ APC হ্ৰাস

হয়। যেতিয়া আয় ১৫০ কৌটিৰ পৰা ২১০ কৌটিলৈ বৃদ্ধি হয় APC ১ ৰ পৰা ০.৯৫ লৈ হ্রাস পায়। ঠিক সেইদৰে আয় যেতিয়া ২১০ কৌটিৰ পৰা ২৭০ কৌটিলৈ বৃদ্ধি পাইছে, APC ০.৯৫ ৰ পৰা ০.৯৩ লৈ কমি আহিছে। তালিকাখনৰ ৪র্থ স্তম্ভত দেখুওৱা সঞ্চয়ৰ গড় প্রৱণতা (APS) তলত দিয়া ধৰণে গণনা কৰা হৈছে।

$APC + APS = 1$

$APS = 1 – APC$

তালিকাৰ স্তম্ভ ৫ ত আয়ৰ পৰিবর্তন আৰু ভোগৰ পৰিবর্তনৰ সহায়ত MPC দেখুওৱা হৈছে। স্তম্ভ ৫ ত দেখুওৱা সঞ্চয়ৰ প্রান্তিক প্রৱণতা (MPS) তলত দিয়া ধৰণে সম্পর্কিত —

$MPC + MPS = 1$

$\Rightarrow MPS = 1 – MPC.$

৮.৬ ভোগ ব্যয়ক প্রভাৱিত কৰা কাৰক

ওপৰৰ আলোচনাৰ পৰা আমি ভোগৰ মনস্তাত্ত্বিক তত্ত্ব, ভোগ ফলনৰ ধর্ম সম্পর্কে আলোচনা কৰিলোঁ। অধ্যায়টিৰ এই খণ্ডত আমি ভোগ ব্যয়ক প্রভাৱিত কৰা কাৰকসমূহ ব্যাখ্যা কৰিম।

ভোগ ব্যয়ক প্রভাৱিত কৰা কাৰকসমূহ আমি বিশদভাৱে দুটা ভাগত ভগাব পাৰোঁ — বিষয়নিষ্ঠ আৰু বস্তুনিষ্ঠ উপাদান। প্রথমতে বিষয়নিষ্ঠ উপাদানৰ বিষয়ে আলোচনা কৰিম।

৮.৬.১ ভোগ ব্যয়ক প্রভাৱিত কৰা বিষয়নিষ্ঠ উপাদান

ভোগ ব্যয়ক প্রভাৱিত কৰা বিষয়নিষ্ঠ উপাদানে ভোগ ব্যয়ৰ ঢাল আৰু দিশ নির্ণয় কৰে। এই বিষয়নিষ্ঠ উপাদানবোৰ মনস্তাত্ত্বিক; এইবোৰ মানুহৰ সামাজিক আচৰণৰ লগত জড়িত। উপভোক্তাৰ বহুতো ব্যক্তিগত উদ্দেশ্য থকা দেখা যায় যাৰ ফলত তেওঁলোকে আয়ৰ এটা অংশ ব্যয় নকৰাকৈ থাকে — যথা, আকস্মিক বিপদৰ সৈতে মোকাবিলা কৰিবলৈ, বৃদ্ধ বয়স, ব্যাধি, মুনাফা অর্জনৰ প্রত্যাশা বা স্বাধীনচিতীয়া মনোভাৱ আদি।

ভোগ ব্যয়ক প্রভাৱিত কৰা বিভিন্ন ধৰণৰ ব্যৱসায়িক মনোবৃত্তি আছে। কেইন্সে চাৰিটা অভিপ্রায় উল্লেখ কৰিছে—

- **সংগঠন ঃ** ইয়ে ডাঙৰ মাত্রাত কিবা এটা কৰাৰ বা সম্প্রসাৰণ কৰাৰ ইচ্ছাক নির্দেশ দিয়ে।
- **তাৰল্য ঃ** এই অভিপ্রায়ে বিপদ আৰু অজ্ঞাত সমস্যাসমূহক সমাধান কৰাৰ ইচ্ছাক বুজায়।
- **আয় বৃদ্ধি ঃ** এই অভিপ্রায়ে উপভোক্তাই ব্যৱসায় পৰিচালনাৰ বাবে বৃহৎ পৰিমাণৰ আয় সংগ্রহ কৰাৰ ইচ্ছাক বুজায়।

- **বিত্তীয় নিপুণতা ঃ** এই অভিপ্রায়ে অৱক্ষয়ৰ বিপৰীতে বিত্তীয় সম্পদ আহৰণৰ ইচ্ছাক বুজায়।

৮.৬.২ ভোগ ব্যয়ক প্রভাৱিত কৰা বস্তুনিষ্ঠ উপাদান

ভোগ ব্যয়ক প্রভাৱিত কৰা বস্তুনিষ্ঠ উপাদানসমূহ তলত উল্লেখ কৰা হ'ল—

- **হঠাৎ উদ্ভৱ হোৱা লাভ আৰু লোকচান ঃ** ইয়াৰ ফলত ভোগ ফলন উৰ্দ্ধমুখী বা নিম্নগামী হয়। উদাহৰণস্বৰূপে, ষ্টক বজাৰত হঠাৎ হোৱা লাভ বা লোকচানে ভোগ ফলনক স্থানান্তৰিত কৰে।
- **ৰাজকোষীয় নীতিৰ পৰিৱর্তন ঃ** কৰ আৰু অনা-কৰা ৰাজহ আৰু ৰাজহুৱা ব্যয়ৰ ক্ষেত্রত হোৱা ৰাজকোষীয় নীতিৰ পৰিৱর্তনে ভোগ ব্যয়ক প্রভাৱিত কৰে। সামগ্রীত আৰোপ কৰা ক্রমবর্দ্ধমান কৰে ভোগ ফলনক প্রভাৱিত কৰে। আনহাতে, ক্রমহ্রাসমান কৰ নীতি আৰু লগতে কল্যাণমূলক কার্যসূচীত কৰা ব্যয়ে ভোগ ফলনক উৰ্দ্ধমুখী কৰে।
- **মজুৰি আৰু দৰমহাৰ পৰিৱর্তন ঃ** ইয়ে ভোগ ফলনক উৰ্দ্ধমুখী বা নিম্নমুখী কৰে। যদি শ্রমিকসকলে বর্দ্ধিত আয়ৰ ফলস্বৰূপে অধিক পৰিমাণে ব্যয় কৰে, তেন্তে ভোগ ৰেখাডাল উৰ্দ্ধমুখী হয়। কিন্তু যদিহে বর্দ্ধিত আয় সামগ্রীৰ দৰ বৃদ্ধিতকৈ কম হয়, তেন্তে ভোগ ৰেখাডাল নিম্নগামী হয়।
- **সুতৰ হাৰৰ পৰিৱর্তন ঃ** বজাৰ সুতৰ হাৰৰ পৰিবর্তনে পৰোক্ষভাৱে ভোগ ফলনক প্রভাৱিত কৰে। সুতৰ হাৰ বৃদ্ধিয়ে বণ্ড (Bond)ৰ দাম হ্রাস কৰে আৰু ইয়ে উপভোক্তাৰ সঞ্চয়ৰ প্রৱণতা নিৰুৎসাহিত কৰে। সুতৰ হাৰৰ পৰিবর্তনে উপভোক্তা সকলক এবিধ সম্পদৰ সলনি আন এবিধ সম্পদৰ পিনে ঢাল খুৱাব পাৰে।
- **নিগমসমূহৰ বিত্তীয় নীতি ঃ** সংৰক্ষণ বিনিয়োগ, লাভ্যাংশ বিতৰণ ইত্যাদিত নিগমসমূহে লোৱা বিত্তীয় নীতিয়ে ভোগ ফলনক প্রভাৱিত কৰে। উদাহৰণস্বৰূপে, যদিহে নিগমে সংৰক্ষণ হিচাপে অধিক নগদ মুদ্রা নিজৰ হাতত ৰাখি থয়, তেন্তে লাভৰ অংশ কম হ'ব আৰু ইয়ে ভোগ ফলনক নিম্নগামী কৰিব।
- **সঞ্চয়ৰ প্রৱণতা ঃ** সঞ্চয়ৰ প্রতি মানুহৰ ধ্যান-ধাৰণায়ো ভোগ প্রভাৱিত কৰে। যদি উপভোক্তাই বর্তমানৰ ভোগৰ তুলনাত ভৱিষ্যতৰ ভোগক বেছি মূল্য দিয়ে তেতিয়া তেওঁলোকে সঞ্চয় বেছি কৰিব আৰু ইয়ে ভোগ ফলনক প্রভাৱিত কৰিব। আন কিছুমান উপাদান যেনে জীৱন বীমা আঁচনি, ভৱিষ্য নিধি আৰু অন্য কল্যাণমূলক আঁচনি আদিয়েও ব্যয় প্রভাৱিত কৰে। সাধাৰণতে, কোনো এক অর্থনীতিত MPS বেছি হ'লে ভোগৰ প্রৱণতা কম হয়।
- **আয়ৰ বিতৰণৰ ধৰণ ঃ** ভোগ ফলনটো প্রভাৱিত কৰা এটা গুৰুত্বপূর্ণ উপাদান হৈছে আয়ৰ বিতৰণ ধৰণ। যদি কোনো এক সমাজত আয়ৰ বিতৰণত অসমতাই দেখা দিয়ে তেন্তে ভোগ ফলন কম হয়। কাৰণ ধনী শ্রেণীৰ ভোগৰ প্রৱণতা কম,

আনহাতে দুখীয়াৰ ভোগৰ প্ৰৱণতা বেছি। চৰকাৰে বিভিন্ন উন্নয়নমূলক কাম-কাজৰ জৰিয়তে ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজৰ অসমতা হ্ৰাস কৰিলে, ভোগ ফলন ঊৰ্দ্ধগামী হ'ব পাৰে।

- **ডুচেনবাৰীৰ (Dusenberry)ৰ অভিধাৰণা ঃ** জেমছ ডুচেনবাৰীয়েও মানুহৰ ভোগ আচৰণৰ ব্যাখ্যা আগবঢ়াইছে। ডুচেনবাৰীয়ে আপেক্ষিক আয়ৰ অভিধাৰণা প্ৰৱৰ্তন কৰিছিল। ইয়াত তেওঁ প্ৰদৰ্শন বিপাকে ভোগফলক প্ৰভাৱিত কৰা বুলি উল্লেখ কৰিছে। প্ৰদৰ্শন বিপাক মতে, মানুহৰ এক সহজাত প্ৰবৃত্তি হৈছে নিজৰ প্ৰতিবেশী ধনী লোকৰ ভোগৰ ধৰণ অৱলম্বন কৰিব বিচৰা। এনে ক্ষেত্ৰত ভোগৰ ধৰণ আনৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) ভোগৰ গড় প্ৰৱণতা আৰু সঞ্চয়ৰ গড় প্ৰৱণতা তলৰ সম্পৰ্কৰ সহায়ত ব্যাখ্যা কৰিব পাৰি —APC + APS = 1 (শুদ্ধ/অশুদ্ধ)

(খ) উপভোক্তা এজনৰ ভোগ ব্যয়ক প্ৰভাৱিত কৰা এটা গুৰুত্বপূৰ্ণ কাৰক হ'ল আয়ৰ বিতৰণ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ APC আৰু MPC ৰ মাজৰ যিকোনো এটা পাৰ্থক্য লিখক। (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভোগ ফলনে উপভোক্তাৰ আয় আৰু ভোগৰ সম্পৰ্কক দেখুৱায়।
- কেইন্সৰ মনস্তাত্বিক তত্ত্ব অনুসৰি, যেতিয়া আয় বৃদ্ধি হয়; উপভোগো বৃদ্ধি হয় কিন্তু আয়তকৈ কম হাৰত। বৰ্দ্ধিত আয় কোনো এক অনুপাতত ভোগ আৰু সঞ্চয়ৰ মাজত বিতৰণ কৰা হয়।
- ভোগ ফলনৰ দুটা ধৰ্ম আছে — ভোগৰ গড় আৰু প্ৰান্তিক প্ৰৱণতা।
- ভোগ ব্যয় আৰু উপভোক্তাৰ আয়ৰ অনুপাতক ভোগৰ গড় প্ৰৱণতা বুলি কোৱা হয়।
- ভোগৰ প্ৰান্তিক প্ৰৱণতা হ'ল ভোগ ব্যয়ৰ পৰিৱৰ্তন আৰু আয়ৰ পৰিৱৰ্তনৰ মাজৰ অনুপাত।
- ভোগ ব্যয়ক বিভিন্ন উপাদানে প্ৰভাৱিত কৰে। এই উপাদান সমূহক বিষয়নিষ্ঠ আৰু বস্তুনিষ্ঠ এই দুটা ভাগত ভগোৱা হয়।

৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰঃ APC হ'ল ভোগ ব্যয় আৰু আয়ৰ অনুপাত। আকৌ MPC হ'ল ভোগৰ পৰিবর্তন আৰু আয়ৰ পৰিবর্তনৰ মাজৰ অনুপাত।

৩ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ

৪ নং প্রশ্নৰ উত্তৰঃ APC আৰু MPC ৰ মাজৰ এটা পার্থক্য হ'ল —

APC হ'ল ভোগ ব্যয় আৰু আয়ৰ অনুপাত। আনহাতে, MPC হ'ল ভোগ ব্যয়ৰ পৰিবর্তন আৰু আয়ৰ পৰিৱর্তনৰ মাজৰ অনুপাত।

৮.৯ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.
2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.
3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অর্থতত্ত্ব*, যোৰহাট ঃ ইউনিকা প্রকাশন।

৮.১০ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ উপভোগৰ প্রান্তিক প্রৱণতাৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ উপভোগ ফলন কি? ব্যাখ্যা কৰক।

(খ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ এজন উপভোক্তাৰ উপভোগ ব্যয়ক প্রভাৱিত কৰা কাৰকসমূহ আলোচনা কৰক।

প্রশ্ন নং ২ ঃ উপভোগৰ মনস্তাত্বিক নীতি বহলাই ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ উপভোগ ফলনৰ ধর্মসমূহ কি কি?

প্রশ্ন নং ৪ ঃ APC আৰু MPC ৰ মাজৰ সম্পর্ক কাল্পনিক উদাহৰণৰ সহায়ত ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৯ঃ গুণকৰ ধাৰণা আৰু বিনিয়োগ গুণকৰ নির্ণয়

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ গুণকৰ ধাৰণা

৯.৪ বিনিয়োগ গুণকৰ বীজগণিতীয় নির্ণয়

৯.৫ গুণকৰ কার্য্য প্রক্রিয়া

৯.৬ গুণকৰ অভিধাৰণাসমূহ

৯.৭ গুণকৰ নির্গমন

৯.৮ গুণকৰ সমালোচনা আৰু গুৰুত্ব

৯.৯ উন্নয়ণশীল দেশত গুণকৰ প্রাসঙ্গিকতা

৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১১ অধিক জানিবৰ বাবে

৯.১২ অগ্রগতিৰ খতিয়ান

৯.১৩ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বিনিয়োগ গুণক আৰু ইয়াৰ কার্য্য প্রণালীৰ বিষয়ে বিশদ জ্ঞান লাভ কৰিব পাৰিব
- গুণকৰ স্বীকার্য্য সমূহৰ বিষয়ে জানিব পাৰিব
- গুণকৰ তত্ত্বৰ বিভিন্ন সমালোচনা সমূহৰ আভাস পাব পাৰিব
- উন্নয়ণশীল দেশত গুণকৰ প্রাসংগিকতা আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

আমি জানোঁ যে এখন অর্থনীতিৰ আয়, উৎপাদন আৰু নিয়োগৰ স্তৰ সক্রিয় চাহিদাৰ ওপৰত নির্ভৰ কৰে আৰু সক্রিয় চাহিদা নির্ভৰ কৰে ভোগ আৰু মূলধনী দ্রব্য বা বিনিয়োগ দ্রব্যৰ ওপৰত কৰা ব্যয়ৰ ওপৰত। অর্থাৎ, সাঙ্কেতিক ভাবে, $Y = C+I$, য'ত Y, C আৰু I য়ে ক্রমাৎ আয়, ভোগ আৰু বিনিয়োগ বুজাইছে। আমি ইতিমধ্যে আলোচনা কৰিছোঁ, ভোগ সদায় ভোগৰ প্রৱণতাৰ ওপৰত নির্ভৰ কৰে আৰু ভোগৰ এই প্রৱণতা হ্রস্বকালত কম-বেছি পৰিমাণ স্থিৰ। গতিকে, আয়ৰ মূল নির্ণায়ক হ'ল বিনিয়োগ। গতিকে আমি ক'ব পাৰোঁ, সক্রিয় চাহিদা বা আয়ৰ পৰিবর্তন বিনিয়োগৰ পৰিবর্তনৰ ওপৰত নির্ভৰশীল। বিনিয়োগে আয় আৰু উৎপাদন

বৃদ্ধি কৰে। আয় বৃদ্ধিৰ ফলত বিনিয়োগ আকৌ বৃদ্ধি হয় যাৰ ফলশ্রুতিত অর্থনৈতিক উন্নয়ন সম্ভৱ হয়। কিন্তু এইখিনিতে প্রশ্ন হয় - আৰম্ভণিত বিনিয়োগ বৃদ্ধিৰ ফলত আয় কিমান পৰিমাণে বৃদ্ধি পাব? বর্ধিত আয় আৰম্ভণিতে বৃদ্ধি হোৱা বিনিয়োগৰ সমান নে অধিক? এনে প্রশ্ন সমূহৰ উত্তৰ দিবলৈ আমি বিনিয়োগ গুণকৰ ধাৰণাৰ অৱতাৰণা কৰিছোঁ। চমুকৈ ক'বলৈ গ'লে, গুণক হ'ল এটা সংখ্যা যাক আৰম্ভণিৰ বিনিয়োগৰ পৰিমাণৰ লগত পূৰণ কৰিলে আমি প্রকৃততে কিমান আয় বৃদ্ধি পায়, সেই কথা জানিব পাৰোঁ।

৯.৩ গুণকৰ ধাৰণা

অর্থনৈতিক তত্ত্বৰ ক্ষেত্রখনত কেইন্সৰ এক যুগান্তকাৰী অৰিহণা হ'ল গুণক বা বিনিয়োগ গুণক। গুণকৰ ধাৰণাটো পোন প্রথমে আগবঢ়াইছিল আৰ এফ খান (R.F. Khan) এ। কিন্তু তেওঁ যি গুণকৰ ধাৰণাৰ অৱতাৰণা কৰিছিল, সেয়া আছিল নিয়োগ গুণক (Employment multiplier)। জে.এম্.কেইন্স (J.M.Keynes) এ গুণকৰ ধাৰণাটো বিনিয়োগৰ ক্ষেত্রখনত প্রয়োগ কৰে। পৰিবর্ত্তিত আয় আৰু বিনিয়োগৰ অনুপাতকে বিনিয়োগ গুণক বুলি কোৱা হয় আৰু সাংকেতিক ভাবে ইয়াক K ৰে সূচোৱা হয়।

অর্থাৎ $K = \frac{\Delta Y}{\Delta I}$

য'ত K - বিনিয়োগ গুণক

ΔY - আয়ৰ পৰিবর্তন

ΔI - বিনিয়োগৰ পৰিবর্তন

গতিকে, প্রাৰম্ভিক অতিৰিক্ত বিনিয়োগৰ পৰিণাম স্বৰূপে সৃষ্টি হোৱা সামগ্রিক আয়ৰ সাংখ্যিকীয় সম্পর্ককে বিনিয়োগ গুণক আখ্যা দিয়া হয়। প্রাৰম্ভিক বিনিয়োগৰ ফলত আয়ৰ কিমান পৰিবর্তন হয়, সেই সম্পর্কে বিনিয়োগ গুণকে আমাক ইঙ্গিত দিয়ে। উদাহৰণ স্বৰূপে, যদি প্রাৰম্ভিক বিনিয়োগৰ পৰিবর্তন (ΔI)100 কৌটি টকা হয়, আৰু ইয়াৰ পৰিণাম স্বৰূপে আয় 400 কৌটি টকালৈ বৃদ্ধি পায়, তেনেহ'লে গুণক হ'ব 4 ।



অনুশীলনী ৯.১

এখন অর্থনীতিত, ৰাজহুৱা খণ্ডৰ বিনিয়োগ 50 কৌটি টকালৈ বৃদ্ধি পালে। যদি গুণকৰ মান 3 হয় তেনেহ'লে আয় কিমান পৰিমাণলৈ বৃদ্ধি হ'ব নির্ণয় কৰক।

.....

.....

.....

.....



জনা উচিত

যেতিয়াই অর্থনীতি এখনত বিনিয়োগ বৃদ্ধি কৰা হয়, তাৰ পৰিণাম স্বৰূপে আয় কেৱল বিনিয়োগৰ সমানেই বৃদ্ধি নাপায়। বৰঞ্চ আয় বর্ধিত বিনিয়োগৰ কেইবাগুণো হয়গৈ। ইয়াৰ কাৰণ হ'ল, বর্ধিত বিনিয়োগে কেৱল বিনিয়োগ হোৱা ক্ষেত্ৰ বা উদ্যোগৰে আয় বৃদ্ধি নকৰে; ইয়াৰ লগতে বিনিয়োগ বৃদ্ধি হোৱা উদ্যোগ সমূহত নিয়োজিত লোক সকলে চাহিদা কৰা দ্ৰব্য সমূহ উৎপাদন কৰা উদ্যোগ সমূহৰো আয় বৃদ্ধি হয়।

আপোনালোকে জানি আচৰিত হ'ব যে গুণকে আয় বহুগুণে হ্ৰাসো কৰিব পাৰে যদিহে প্ৰাৰম্ভিক বিনিয়োগ কমি যায়। ইয়াক গুণকৰ পশ্চাৎক্ৰিয়া বুলি কোৱা হয়। আনহাতে প্ৰাৰম্ভিক বিনিয়োগ বৃদ্ধি হ'লে আয় গুণক পৰিমাণে বৃদ্ধি পায়, তাক গুণকৰ অগ্ৰৱর্তী ক্ৰিয়া বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গুণকৰ সংজ্ঞা লিখক (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ২ ঃ গুণকৰ অগ্ৰবর্তী ক্ৰিয়া কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ গুণকে পশ্চাৎগামী দিশত ক্ৰিয়া কৰিব পাৰেনে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

৯.৪ বিনিয়োগ গুণকৰ বীজগণিতিয় নির্ণয়

এতিয়া আয়, উপভোগ আৰু বিনিয়োগৰ সম্পর্কৰ পৰা গুণক নির্ণয় কৰোঁ আহক।

আমি জানোঁ যে,

$Y = C + I$ — (১)

আমি আৰু জানোঁ যে ভাৰসাম্য অৱস্থাত বর্তি থাকিবলৈ হ'লে ভোগ ব্যয় আৰু বিনিয়োগ ব্যয় মুঠ আয়ৰ সমান হ'ব লাগিব। আকৌ আয়ৰ পৰিবর্তন, ভোগ আৰু বিনিয়োগৰ পৰিবর্তনৰ

যোগফলৰ সৈতে সমান।

গতিকে, $\Delta Y = \Delta C + \Delta I$ — (২) (Δ পৰিবর্তন)

$\Delta I = \Delta Y - \Delta C$

এতিয়া সমীকৰণৰ দুই ফালে Y ৰে হৰণ কৰি আমি পাঁও,

$$\frac{\Delta I}{\Delta Y} = \frac{\Delta Y}{\Delta Y} - \frac{\Delta C}{\Delta Y}$$

$$\Rightarrow \frac{\Delta I}{\Delta Y} = 1 - \frac{\Delta C}{\Delta Y}$$

এতিয়া দুই ফালে প্রতিক্রম (reciprocal) ল'লে আমি পাঁও,

$$\frac{1}{\frac{\Delta I}{\Delta Y}} = \frac{1}{1 - \frac{\Delta C}{\Delta Y}}$$

$$\Rightarrow \frac{\Delta Y}{\Delta I} = \frac{1}{1 - \frac{\Delta C}{\Delta Y}}$$

$$\Rightarrow K = \frac{1}{1 - \frac{\Delta C}{\Delta Y}} \qquad \left[\because \frac{\Delta Y}{\Delta I} = K = Multiplier\right]$$

$$\Rightarrow K = \frac{1}{1 - MPC} = \frac{1}{MPS} \text{ — (৩)} \left[\because \frac{\Delta C}{\Delta Y} = \text{MPC},\ 1 - \text{MPC} = \text{MPS}\right]$$

৩ নং সমীকৰণৰ পৰা আমি পাঁও যে গুণকৰ মান ভোগৰ প্রান্তিক প্রৱণতা (MPC) বা সঞ্চয়ৰ প্রান্তিক প্রৱণতা (MPS) ৰ ওপৰত নির্ভৰ কৰে। যিমানে MPC বাঢ়িব, সিমানে গুণকৰ মান বৃদ্ধি হ'ব আৰু MPC কমিলে গুণকৰ মান হ্রাস পাব। অর্থাৎ গুণক আৰু ভোগৰ প্রান্তিক প্রৱণতাৰ সম্পর্ক একে মুখী। উপভোগৰ প্রান্তিক প্রৱণতা বেছি হোৱা এখন অর্থনীতিত, য'ত মানুহে ভোগত অধিক ব্যয় কৰে, প্রাৰম্ভিক বিনিয়োগে বহু বেছিকৈ আয় বৃদ্ধি কৰিব পাৰে। কাৰণ, এনে অর্থনীতিত গুণকৰ মান যথেষ্ট বেছি হয়।

আনহাতে, সঞ্চয়ৰ প্রান্তিক প্রৱণতাৰ লগত গুণকৰ এক বিপৰীতমুখী সম্পর্ক আছে। অর্থাৎ, অন্য ধৰণে ক'বলৈ হ'লে, যিমানে MPS বৃদ্ধি হয় গুণকৰ মান কমি যায় আৰু MPS হ্রাস হ'লে গুণকৰ মান বৃদ্ধি পায়। গতিকে, যি সমাজ বা অর্থনীতিত মানুহে অধিক সঞ্চয় কৰে বা সঞ্চয়ৰ প্রান্তিক প্রৱণতা উচ্চ, তেনে অর্থনীতিত প্রাৰম্ভিক বিনিয়োগে তেনেই কম পৰিমাণৰ চূড়ান্ত আয় বৃদ্ধি কৰিব পাৰে; কাৰণ তেনে অর্থনীতিত গুণকৰ মান কম।



জনা উচিত

ভোগৰ প্ৰান্তিক প্ৰৱণতা বা MPC ভোগ কার্য্যৰ লগত জড়িত। ভোগৰ পৰিবর্তন আৰু আয়ৰ পৰিবর্তনৰ অনুপাতেই হ'ল MPC। আন ধৰণে ক'বলৈ হ'লে, আয়ৰ ক্ষুদ্ৰ বা সামান্য পৰিবর্তনৰ ফলত হোৱা ভোগৰ অতিৰিক্ত পৰিবর্তনকে আমি ভোগৰ প্ৰান্তিক প্ৰৱণতা বুলি ক'ব পাৰোঁ। MPC ৰ মান সদায় 0 আৰু 1 ৰ মাজত থাকে।

একে ধৰণে, সঞ্চয়ৰ প্ৰান্তিক প্ৰৱণতা হ'ল সঞ্চয়ৰ পৰিবর্তন আৰু আয়ৰ পৰিবর্তনৰ অনুপাত। আকৌ, আয়ৰ ক্ষুদ্ৰ পৰিবর্তনৰ পৰিণাম স্বৰূপে হোৱা সঞ্চয়ৰ অতিৰিক্ত পৰিবর্তনেই হ'ল সঞ্চয়ৰ প্ৰান্তিক প্ৰৱণতা। MPS ৰ মানো MPC ৰ দৰেই 0 আৰু 1 ৰ মাজত থাকে। MPC আৰু MPS ৰ সম্পর্ক বিপৰীতমুখী আৰু MPC + MPS = 1



অনুশীলনী ৯.২

তালিকাখন সম্পূৰ্ণ কৰক —

MPC	MPS	Multiplier
0	1	–
1	–	α
$\frac{1}{2}$	–	–
$\frac{3}{4}$	–	–
$\frac{1}{4}$	–	–

যিহেতু MPC আৰু MPS ৰ মান সদায় 0 আৰু 1 ৰ ভিতৰত থাকে, গতিকে গুণকৰ মান সদায় 1 আৰু ∞ ৰ মাজত থাকে।

কাৰণ যদি MPC = 0

$$K = \frac{1}{1-MPC} = \frac{1}{1-0} = 1$$

আৰু যদি MPC = 1

$$K = \frac{1}{1-MPC} = \frac{1}{1-1} = \frac{1}{0} = \infty$$

জনা উচিত



প্রকৃততে MPC আৰু MPS কেতিয়াও 0 বা 1 হ'ব নোৱাৰে। যিহেতু আয় বৃদ্ধি হ'লে সদায়েই ভোগ বৃদ্ধি পায়, গতিকে MPC শূন্য হ'ব নোৱাৰে। সেয়ে গুণকৰ মান শূন্য হ'ব নোৱাৰে। আকৌ, MPC প্রকৃততে কেতিয়াও একৰ সমান নহয়। কাৰণ, সমগ্র আয় কেতিয়াও ভোগত ব্যয় কৰা নহয়। ইয়াৰ এটা অংশ সঞ্চয় কৰা হয়। সেয়ে গুণক কেতিয়াও অসীম হ'ব নোৱাৰে। অর্থাৎ বিনিয়োগৰ ফলস্বৰূপে আয় অসীমভাবে বৃদ্ধি পাব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ উচ্চ ভোগবাদে অর্থনীতিত বিনিয়োগৰ পৰিমাণ সাপেক্ষে আয় বেছি পৰিমাণ বৃদ্ধি কৰে। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৫ ঃ সঞ্চয়ৰ প্রান্তিক প্রৱণতা আৰু গুণকৰ বীজগণিতীয় সম্পর্ক নির্ণয় কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৬ ঃ দেখুৱাওক যেতিয়া mpc = 0.5, প্রাৰম্ভিক বিনিয়োগ বৃদ্ধিৰ ফলস্বৰূপে আয় বৃদ্ধিৰ পৰিমাণ প্রাৰম্ভিক বিনিয়োগৰ ঠিক দুগুণ।

.....

.....

.....

৯.৫ গুণকৰ কার্য প্রক্রিয়া

আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে গুণকে অগ্রবর্তী আৰু পশ্চাৎগামী দুই দিশতে ক্রিয়া কৰে। অৱশ্যে আমি এই অধ্যায়ত গুণকৰ অগ্রৱর্তী ক্রিয়াৰ বিষয়েই আমাৰ আলোচনা সীমাবদ্ধ ৰাখিম।

এতিয়া আমি গুণকে প্রকৃততে কেনেকৈ আয় বৃদ্ধি কৰিব পাৰে সেই কথা আলোচনা কৰিম। গুণকৰ কার্য্যপ্রক্রিয়া এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা হ'ল।

ধৰা হ'ল, এখন অর্থনীতিত ৰাজহুৱা ব্যয় হিচাপে মুঠ এশ কৌটি টকাৰ বিনিয়োগ কৰা হ'ল। ভোগৰ প্ৰান্তিক প্ৰৱণতা 0.5, গতিকে গুণকৰ মান হ'ব —

$$K = \frac{1}{1-mpc} = \frac{1}{1-0.5} = \frac{1}{0.5} = 2$$

এতিয়া আপোনালোকে ক'ব পাৰিবনে 100 কৌটি টকাৰ প্ৰাৰম্ভিক বিনিয়োগে আয় কিমান পৰিমাণ বৃদ্ধি কৰিব ? হয়, গুণকৰ প্ৰক্ৰিয়া অনুসৰি, 100 কৌটি টকাৰ প্ৰাৰম্ভিক বিনিয়োগে মুঠ আয় 200 কৌটি টকালৈ বৃদ্ধি কৰে ($\because K = 2$)

বিনিয়োগ গুণকৰ কার্য্য প্ৰক্ৰিয়া তলৰ ৯.১ নং তালিকাৰ সহায়ত দেখুওৱা হ'ল।

তালিকা ৯.১ ঃ গুণকৰ ক্ৰিয়া (কৌটি টকাৰ হিচাপত)


ΔI পর্য্যায়	ΔY বিনিয়োগৰ পৰিৱর্তন	ΔC আয় পৰিৱর্তন	ΔS ভোগৰ পৰিৱর্তন	সঞ্চয়ৰ পৰিৱর্তন
0	0	–	–	–
1	100	100	50	50
2	.	50	25	25
3	.	25	12.5	12.5
4	.	12.5	6.25	6.25
5	.	6.25	3.125	3.125
.	.	.	.	.
.	.	.	.	.
	-	0	0	0
	100	200	100	100

৯.১ নং তালিকাত দেখা গৈছে যে, প্ৰথম পর্য্যায়ত অর্থনীতিত 100 কৌটি টকাৰ প্ৰাৰম্ভিক বিনিয়োগ হোৱাৰ লগে লগে উৎপাদন বৃদ্ধি হৈছে যাৰ ফলত 100 কৌটি টকাৰ আয় সৃষ্টি হৈছে। ভোগৰ প্ৰান্তিক প্ৰৱণতা (MPC) 0.5 হোৱাৰ বাবে 100 কৌটি আয়ৰ আধা অংশ অর্থাৎ 50 কৌটি টকা ভোগত ব্যয় কৰা হৈছে আৰু বাকী থকা 50 কৌটি টকা সঞ্চয় কৰা হৈছে। প্ৰথম পর্য্যায়ৰ 50 কৌটি টকাৰ ভোগ ব্যয়ে দ্বিতীয় পর্য্যায়ত সম পৰিমাণৰ আয় আৰু উৎপাদন বৃদ্ধি কৰে। এই নতুনকৈ বৃদ্ধি হোৱা 50 কৌটি আয়ৰ 25 কৌটি টকা ভোগত ব্যয় কৰা হয় আৰু বাকী 25 কৌটি টকা সঞ্চয় কৰা হয়। আকৌ, এই 25 কৌটি টকা ভোগ ব্যয়ে তৃতীয় পর্য্যায়ত 25 কৌটি টকাৰ আয় সৃষ্টি কৰে। এনেদৰে এই প্ৰক্ৰিয়া চলি থাকে আৰু শেষত 100 কৌটি টকাৰ প্ৰাৰম্ভিক বিনিয়োগ 200 কৌটি টকাৰ আয় সৃষ্টি কৰে। MPC ৰ মান 0.5 হোৱাৰ বাবে গুণকৰ মান 2 হ'ল । ফলত, প্ৰাৰম্ভিক বিনিয়োগতকৈ আয় দুগুণ, অর্থাৎ, 200 কৌটি

টকা হ'ল। এয়াই হ'ল স্থিতিশীল পৰিস্থিতিত (সময়ৰ কোনো ব্যৱধান নথকা অর্থনীতিত) গুণকৰ অগ্ৰৱর্তী কার্য্য প্রক্রিয়া।

৯.১ নং চিত্রত গুণকৰ কার্য্য প্রক্রিয়া লৈখিক ভাবে দেখুওৱা হৈছে।

চিত্র ৯.১ ঃ গুণকৰ কার্য্য প্রক্রিয়া




৯.১ নং চিত্রত X অক্ষত সামগ্রিক আয় আৰু Yঅক্ষত ভোগ ব্যয় আৰু বিনিয়োগ ব্যয় দেখুওৱা হৈছে। চিত্রত দেখা C ৰেখাই ভোগ কার্য্যক প্রতিনিধিত্ব কৰিছে আৰু এই ৰেখা MPC=0.5 অভিধাৰণাৰ ওপৰত ভিত্তি কৰি অংকন কৰা হৈছে। গতিকে C ৰেখাৰ ঢাল হ'ল 0.5 । C + I হ'ল আয় ৰেখা যি 45^0 ৰেখা ডালক E_1 বিন্দুত ছেদ কৰে আৰু এই বিন্দুত ভাৰসমতা প্রতিষ্ঠা হয়। এই ভাৰসাম্য অৱস্থাত আয় হ'য় OY_1। এতিয়া, বিনিয়োগ পৰিমাণে বৃদ্ধি পোৱাত আয় ৰেখা C + I ৰ পৰা C + I + লৈ স্থানান্তৰিত হ'ল। এই নতুন আয় ৰেখা ডালে 45^0 ৰেখা ডালক E_2 বিন্দুত ছেদ কৰিছে। ফলত নতুন ভাৰসমতা প্রতিষ্ঠা হ'ল E_2 বিন্দুত আৰু নতুন ভাৰসাম্য আয় হ'ল OY_2। এতিয়া চিত্রৰ পৰা দেখা যায় যে আয়ৰ পৰিবর্তন $Y_1Y_2 = OY_2 - OY_1$ বিনিয়োগৰ প্রাৰম্ভিক পৰিৰ্বতন E_2A ৰ দুগুণ।

গতিকে, দেখা গ'ল যে MPC $^1/2$ বা 0.5 হোৱা অৱস্থাত গুণকৰ মান হ'ল 2। ফলস্বৰূপে, প্রাৰম্ভিক বিনিয়োগত কৈ চূড়ান্ত আয় দুগুণ বৃদ্ধি পায়।

সঞ্চয় কার্য্যৰ সহায়তো আমি গুণক ক্রিয়াৰ জৰিয়তে আয় বৃদ্ধি প্রক্রিয়াটো ব্যাখ্যা কৰিব পাৰোঁ।

৯.২ নং চিত্রৰ যোগেদি গুণকৰ কার্য্য লৈখিক ভাবে উপস্থাপন কৰা হৈছে।

চিত্র ৯.২ ঃ MPS ফলনৰ সহায়ত গুণকৰ কার্য্য প্রক্রিয়া।



চিত্র (৯.২)ৰ X অক্ষত আয় আৰু Y অক্ষত সঞ্চয় আৰু বিনিয়োগ দেখুৱাইছোঁ। S হ'ল সঞ্চয় ৰেখা আৰু এই ৰেখা ডাল, ঢাল 0.5, যিহেতু MPS = 0.5 । বিনিয়োগ ৰেখা I এ সঞ্চয় ৰেখা S ক E_1 বিন্দুত ছেদ কৰি ভাৰসমতা লাভ কৰিছে। যাৰ পৰিণাম স্বৰূপে ভাৰসাম্য আয় হৈছে OY_1। এতিয়া, বিনিয়োগ বৃদ্ধি পোৱাৰ ফলত বিনিয়োগ ৰেখা $I + \Delta I$ লৈ স্থানান্তৰিত হৈছে। এই নতুন বিনিয়োগ ৰেখাই সঞ্চয় ৰেখাক E_2 বিন্দুত ছেদ কৰিছে আৰু ভাৰসমতা লাভ কৰিছে। এই নতুন ভাৰসাম্য অৱস্থাত আয় হৈছে OY_2। চিত্রৰ পৰা এই কথা স্পষ্ট হৈছে যে বিনিয়োগৰ পৰিবর্তন (ΔI) আয়ৰ পৰিবর্তন (ΔY) ($Y_1Y_2=OY_2-OY_1$) ৰ আধা, অর্থাত, আয়ৰ পৰিবর্তন বিনিয়োগৰ পৰিবর্তনৰ দুগুণ। গতিকে, MPS = 0.5 আৰু K = 2 হ'লে প্রাৰম্ভিক বিনিয়োগৰ দুগুণ পৰিমাণে আয় বৃদ্ধি হয়।

৯.৬ গুণকৰ অভিধাৰণাসমূহ

গুণকৰ তত্ত্ব কিছুমান অভিধাৰণাৰ ওপৰত নির্ভৰশীল। এই অভিধাৰণা সমূহ পূৰণ হ'লেহে গুণকে সম্পূর্ণ দক্ষতাৰে ইয়াৰ কার্য্য সম্পাদন কৰিব পাৰে। এই অভিধাৰণা সমূহ তলত আলোচনা কৰা হ'ল।

- **ভোগৰ প্রান্তিক প্রৱণতা অপৰিবর্তিত ঃ** গুণকৰ কার্য্য প্রক্রিয়া চলি থকাৰ সময়ত ভোগৰ প্রান্তিক প্রৱণতা অপৰিৱর্তিত হৈ থাকে বুলি ধৰি লোৱা হয়। কাৰণ যদি MPC সলনি হয় তেন্তে গুণকৰ মানো সলনি হ'ব।
- **গুণকৰ কার্য্য প্রক্রিয়াত সময়ৰ কোনো ব্যৱধান নাথাকে ঃ** গুণকে সুচাৰুৰূপে কার্য্য সম্পাদন কৰিবলৈ হ'লে ধৰি লোৱা হয় যে আয় লাভ কৰা আৰু ব্যয় কৰাৰ মাজত

সময়ৰ কোনো ব্যৱধান নাই। অর্থাৎ, উপভোক্তাই আয় লাভ কৰাৰ লগে লগে ইয়াক ভোগ কার্য্যত ব্যয় কৰে।

- **নিগুট শুদ্ধ বিনিয়োগ বৃদ্ধি ঃ** এই অভিধাৰণাটোৰ মতে, অর্থনীতিত বিনিয়োগ বৃদ্ধি পাব লাগিব। তদুপৰি, এই অভিধাৰণাটোৰ মতে, অর্থনীতিৰ এটা খণ্ডৰ বিনিয়োগৰ প্রভাৱ আন এটা খণ্ডত নির্বিনিয়োগৰ দ্বাৰা ক্ষতিগ্রস্ত নহয়।
- **সক্রিয় চাহিদা অনুযায়ী উপভোক্তাৰ দ্রব্য সামগ্রী সমূহ উপলব্ধ ঃ** গুণকৰ এই প্রক্রিয়াটো উপভোগ্য দ্রব্য সামগ্রীৰ সহজলভ্যতাৰ ওপৰত নির্ভৰশীল। যেতিয়া উপভোক্তাৰ দ্রব্য সামগ্রী সমূহ সহজলভ্য হয়, গুণকে অবিৰাম ক্রিয়া কৰি থাকিব আৰু আয় বৃদ্ধি পাব।
- **উপভোক্তাৰ দ্রব্য সামগ্রী উৎপাদন কৰা উদ্যোগ সমূহৰ অতিৰিক্ত ক্ষমতা ঃ** গুণকৰ ক্রিয়াৰ বাবে উপভোক্তাৰ উদ্যোগ সমূহত অতিৰিক্ত ক্ষমতা আছে বুলি ধৰি লোৱা হয়, যাতে বিনিয়োগ বৃদ্ধি পোৱাৰ ফলত চাহিদা বৃদ্ধি পালে এই চাহিদা ততালিকে পূৰণ কৰিব পৰা যায়।
- **মূলধনৰ যোগান স্থিতিস্থাপক ঃ** আমি জানোঁ যে বিনিয়োগ বৃদ্ধি হ'লে কর্মচাৰী আৰু শ্রমিকৰ নিয়োগৰ পৰিমাণ বাঢ়ে, ফলস্বৰূপে, ভোগ ব্যয় আৰু গুণকৰ মান অধিক হয়। কিন্তু এয়া হ'বলৈ হ'লে উদ্যোগৰ সম্প্রসাৰণৰ বাবে প্রয়োজনীয় মূলধন, কেঁচা সামগ্রী আদিৰ অভাৱ হ'ব নালাগিব। এই অভিধাৰণাটোৱে সূচাইছে যে গুণকৰ ক্রিয়া কৃষিভিত্তিক অর্থনীতিৰ তুলনাত উদ্যোগ প্রধান অর্থনীতিত অধিক তীব্র হয়।
- **বিদেশী প্রভাৱৰ পৰা মুক্ত ৰুদ্ধ অর্থনীতি ঃ** গুণকৰ কার্য্য দক্ষতাৰে সম্পাদন কৰিবৰ বাবে অর্থনীতিটো এখন ৰুদ্ধ অর্থনীতি হ'ব লাগিব। যদি অর্থনীতিখন এখন মুক্ত অর্থনীতি হয়, তেনেহ'লে ইয়াৰ আমদানি বা ৰপ্তানিৰ ৰাহি থাকিব, ফলত গুণকৰ প্রকৃত মানত ইয়াৰ প্রভাৱ পৰিব।
- **অর্থনীতিত কেৱল *স্বতন্ত্র বিনিয়োগহে* আছে, *উদ্‌গনিমূলক বিনিয়োগ* নাই ঃ** যদি অর্থনীতিত উদ্‌গনিমূলক বিনিয়োগ থাকে তেনেহ'লে গুণকৰ মান প্রকৃত মানতকৈ বহুত বেছি বৃদ্ধি পাব। কাৰণ, ইয়াত ত্বৰকেও ক্রিয়া কৰিব। সেয়ে গুণকৰ আন এটা অভিধাৰণা হ'ল যে ইয়াত উদ্‌গনিমূলক বিনিয়োগ নাই, কেবল স্বতন্ত্র বিনিয়োগহে আছে।
- **অপূর্ণ নিয়োগ অৱস্থা ঃ** অপূর্ণ নিয়োগ অৱস্থাতহে বিনিয়োগ বৃদ্ধিৰ ফলস্বৰূপে গুণকে আয়, উৎপন্ন আৰু নিয়োগ বৃদ্ধি কৰিব পাৰিব। যি মুহূর্ততে অর্থনীতিখনে পূর্ণ নিয়োগ ব্যৱস্থা লাভ কৰিব, ভোগৰ প্রান্তিক প্রৱণতা যিমান বৃদ্ধি পালেও আয় বা নিয়োগ বৃদ্ধি কৰিব নোৱাৰি। সেয়ে গুণকৰ ক্রিয়াৰ বাবে অর্থনীতিটোত অপূর্ণ নিয়োগ অৱস্থা বাহাল থকাৰ প্রয়োজন।



স্বতন্ত্র বিনিয়োগ ঃ যি বিনিয়োগ আয়ৰ ওপৰত নির্ভৰ নহয়, তেনে বিনিয়োগক স্বতন্ত্র বিনিয়োগ বুলি কোৱা হয়। উদাহৰণঃ ৰাজহুৱা বা চৰকাৰী বিনিয়োগ।

উদ্‌গনিমূলক বিনিয়োগঃ যি বিনিয়োগ আয়ৰ ওপৰত নির্ভৰশীল, তেনে বিনিয়োগক উদ্‌গনিমূলক বিনিয়োগ বুলি কোৱা হয়। উদাহৰণঃ ব্যক্তিগত বিনিয়োগ।

পিছৰ অধ্যায়ত স্বতন্ত্র আৰু উদগনিমূলক বিনিয়োগৰ বিষয়ে আলোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ গুণকৰ কার্য্যৰ বাবে অপূর্ণ নিয়োগ অৱস্থা কিয় দৰকাৰী। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ গুণকে উদ্যোগ প্রধান অর্থনীতিতহে সুচাৰুৰূপে কার্য্য কৰিব পাৰে। উত্তৰৰ সপক্ষে যুক্তি আগবঢ়াওক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

৯.৭ গুণকৰ নির্গমন

আমি জানোঁ যে বাস্তৱত গুণক কেতিয়াও এক বা অসীমৰ সমান নহয়। সমগ্র বর্ধিত আয় কেতিয়াও সম্পূর্ণভাবে ভোগত খৰচ কৰা নহয় বা সম্পূর্ণভাবে সঞ্চয়ো কৰা নহয়। ইয়াৰ মূল কাৰণ হ'ল গুণকৰ দ্বাৰা আয় সৃষ্টি প্রক্রিয়াত কিছুমান নির্গমন (leakages) উদ্ভৱ হয়, যিবোৰে ভোগ ব্যয় হ্রাস কৰে; ফলত গুণকৰ আকাৰ হ্রাস হয়। তলত গুণকৰ গুৰুত্বপূর্ণ নির্গমনৰ বিষয়ে আলোচনা কৰা হ'ল।

- **সঞ্চয়ঃ** সঞ্চয় হৈছে গুণক প্রক্রিয়াৰ নির্গমন যি গুণকৰ আকাৰ হ্রাস কৰে। যদি সঞ্চয় নহয় আৰু সমগ্র আয় ভোগ কার্য্যতে ব্যয় কৰা হয়, তেনেহ'লে ভোগৰ প্রান্তিক প্রৱণতা একৰ সমান হ'ব আৰু গুণকৰ মান হ'ব অসীম। কিন্তু প্রকৃততে এনে নহয়; আয়ৰ এটা অংশ সঞ্চয় কৰা হয়। ফলত ভোগ ব্যয়ৰ পৰিমাণ কমি যায় আৰু গুণকৰ আকাৰো হ্রাস পায়। সঞ্চয় যিমান বৃদ্ধি পাব, গুণকৰ মান সিমান কমি যাব। গতিকে, সঞ্চয় গুণকৰ এক গুৰুত্বপূর্ণ নির্গমন।
- **অংশপত্র ক্রয় ঃ** কেতিয়াবা বর্ধিত আয়ৰ এটা অংশ অংশপত্র আদি ক্রয় কৰাত ব্যয় কৰা হয়। ফলত ভোগ ব্যয় হ্রাস পায় আৰু গুণকৰ আকাৰ হ্রাস পায়।

- **ঋণ পৰিশোধ ঃ** যদি আয়ৰ এটা অংশ ঋণ পৰিশোধ কৰিবলৈ ব্যৱহাৰ কৰা হয় তেতিয়া ভোগ ব্যয়ত ইয়াৰ প্ৰভাব পৰে। ভোগ ব্যয় হ্ৰাস পোৱাৰ ফলত গুণকৰ মান হ্ৰাস পায়।
- **তাৰল্য প্ৰীতি ঃ** যদি জনসাধাৰণৰ তাৰল্য প্ৰীতি অধিক হয়, তেতিয়া গুণকৰ মান হ্ৰাস পায়। কাৰণ তাৰল্য প্ৰীতি অধিক হ'লে জনসাধাৰণে খৰচ কৰাৰ সলনি হাতত নগদ ধন ৰাখিবলৈ ভাল পায়, ফলত ভোগ ব্যয় কমে আৰু পৰিণামস্বৰূপে গুণকৰ মান হ্ৰাস পায়।
- **মুদ্ৰাস্ফীতি ঃ** মুদ্ৰাস্ফীতিৰ ফলত ভোগ দ্ৰব্যৰ দৰ দ্ৰুতগতিত বৃদ্ধি পায়। ফলস্বৰূপে দ্ৰব্য সামগ্ৰীৰ ভোগৰ পৰিমাণ বৃদ্ধি নোহোৱাকৈ কেৱল মুদ্ৰাৰ হিচাপত ব্যয় বৃদ্ধি পায়। ই গুণকৰ কাৰ্য্যপ্ৰক্ৰিয়াত প্ৰভাৱ পেলায়।
- **আমদানি ঃ** যদি অৰ্থনীতিত ৰপ্তানিতকৈ আমদানিৰ পৰিমাণ বৃদ্ধি পায়, তেনেহ'লে দেশৰ আয়ৰ এটা অংশ বিদেশলৈ গমন কৰে। ফলস্বৰূপে দেশীয় দ্ৰব্য সামগ্ৰীত কৰা ব্যয়ৰ পৰিমাণ কমি যায় আৰু গুণকৰ মান হ্ৰাস পায়।
- **কৰ আৰু নিগম সঞ্চয় ঃ** কৰ আৰু নিগম সঞ্চয় (corporate savings) এই দুয়োটাই জনসাধাৰণৰ ভোগৰ প্ৰৱণতাত প্ৰভাৱ পেলায়। যাৰ ফলস্বৰূপে গুণকৰ ক্ৰিয়া সীমাবদ্ধ হয়।

৯.৮ গুণকৰ সমালোচনা আৰু গুৰুত্ব

কেইন্সৰ বিনিয়োগ গুণকৰ সমালোচনা সমূহ তলত আলোচনা কৰা হ'ল।

- গুণকৰ ধাৰণাটো কিছুমান অবাস্তৱ ধাৰণাৰ ওপৰত ভিত্তি কৰি আগবঢ়োৱা হৈছে। আয়, উপভোগ আৰু বিনিয়োগৰ সম্পৰ্ক তাৎক্ষণিক, ভোগৰ প্ৰান্তিক প্ৰৱণতা স্থিৰ, উদ্‌গনিমূলক বিনিয়োগৰ অনুপস্থিতি, ৰুদ্ধ অৰ্থনীতি আদি অভিধাৰণাবোৰ বাস্তৱ ক্ষেত্ৰত প্ৰযোজ্য নহয়।
- ৰবার্টচন, গুডউইন আৰু লার্ণাৰ আদি অৰ্থনীতিবিদ সকলে উদ্‌গনিমূলক বিনিয়োগক আওকাণ কৰা বাবে গুণকৰ তত্ত্বটো সমালোচনা কৰিছে। কেইন্সৰ বিনিয়োগ গুণকে কেৱল আয় পৰিবৰ্তন হ'লে ভোগ কাৰ্য্যত কি প্ৰভাৱ পৰে, সেয়েহে ব্যাখ্যা কৰে, কিন্তু ই ভোগ বৃদ্ধিৰ বাবে বিনিয়োগ (উদ্‌গনিমূলক) কেনেকৈ সলনি হয় সেয়া ব্যাখ্যা কৰা নাই।
- কেইন্সৰ গুণকে ব্যাখ্যা আগবঢ়ায়- আয় বৃদ্ধি হ'লে ভোগ বৃদ্ধি হয়। কিন্তু প্ৰকৃততে বিভিন্ন অধ্যয়নে দেখুৱাইছে যে আয় আৰু ভোগৰ সম্পৰ্ক কেইন্সে ভবাৰ দৰে ইমান সৰল নহয় আৰু ভোগ কেৱল আয়ৰে ফলন (function) নহয়।
- গুণকক ইয়াৰ স্থিতিশীল স্বভাৱৰ বাবে সমালোচনা কৰা হয়। বৰ্তমানৰ গতিশীল পৃথিৱীখনত গুণকৰ ধাৰণাটো খাপ নাখায়। অৱশ্যে হেৱড, হেনচ্‌ন আৰু চেমুৱেলচন প্ৰভৃতি অৰ্থনীতিবিদ সকলে গুণকৰ ব্যাখ্যা গতিশীল বিশ্লেষণৰ সহায়ত দিবলৈ যত্ন কৰিছে।

গুণকৰ গুৰুত্ব ঃ যদিও গুণকৰ তত্ত্বটো বহুলভাবে সমালোচিত, তথাপি অৰ্থনৈতিক তত্ত্ব আৰু নীতিৰ জগতখনত ইয়াৰ গুৰুত্ব নুই কৰিব নোৱাৰি। গুণকৰ তত্ত্বই অৰ্থনৈতিক উন্নয়নত

বিনিয়োগৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। তদুপৰি, বিনিয়োগ বৃদ্ধিৰ পৰিণাম স্বৰূপে আয় বৃদ্ধিৰ প্রক্রিয়াটো গুণকৰ তত্ত্বই উদঙাই দেখুৱায়। ব্যৱহাৰিক দিশত গুণকে চৰকাৰী ব্যয়ৰ গুৰুত্ব সোঁৱৰাই দিয়ে। বাণিজ্য চক্র অধ্যয়ন কৰিবৰ বাবে আৰু অর্থনৈতিক পূর্বানুমানৰ বাবেও গুণকৰ জ্ঞানৰ প্রয়োজন। তদুপৰি, নিয়োগৰ উপযুক্ত নীতি নির্ধাৰণৰ বাবে গুণকৰ প্রয়োজন অসীম।

৯.৯ উন্নয়ণশীল দেশত গুণকৰ প্রাসঙ্গিকতা

ইতিমধ্যে আমি আঙুলিয়াই দেখুৱাইছোঁ যে মন্দাৱস্থাৰ পৰা উন্নত আৰু আগবঢ়া দেশ বোৰত গুণকেই হল পুনৰুত্থানৰ মূল আহিলা। অর্থনীতিটোৱে পূর্ণ নিয়োগ অৱস্থা নোপোৱা পর্য্যন্ত গুণকে অবিৰাম বিনিয়োগ বৃদ্ধিৰ জৰিয়তে আয় আৰু নিয়োগ বৃদ্ধি কৰি গৈ থাকে। কিন্তু উন্নয়ণশীল দেশত কথাটো অলপ বেলেগ হয়। এনে দেশবোৰত ভোগৰ প্রান্তিক প্রৱণতা উচ্চ হোৱা স্বত্ত্বেও গুণকে সুচাৰুৰূপে কার্য্য সম্পাদন কৰিব নোৱাৰে। কাৰণ, এনে অর্থনীতি সমূহত বহুতো গাঁথনিগত প্রতিবন্ধকতা থাকে। আমি জানোঁ যে গুণকৰ ক্রিয়াৰ বাবে অর্থনীতিত অনিচ্ছাকৃত নিবনুৱা, অতিৰিক্ত ক্ষমতা, শ্রম আৰু মূলধনৰ স্থিতিস্থাপক যোগান ইত্যাদি থকাৰ দৰকাৰ। কিন্তু অনুন্নত দেশত এই চর্তসমূহ সাধাৰণতে খুব কমেইহে পূৰ হোৱা দেখা যায়। অনুন্নত দেশত চদ্মবেশী নিবনুৱাৰহে পয়োভৰ দেখা যায়। এনে দেশত শ্রমিক সকলে পৰিয়ালৰ কৃষিপাম সমূহতে জড়িত হৈ থাকে যদিও তেওঁলোকৰ প্রান্তিক উৎপাদনশীলতা শূন্য। তথাপি প্রচলিত মজুৰিত তেওঁলোকক তাৰ পৰা আঁতৰাব নোৱাৰি। তেওঁলোকক কৃষিখণ্ডৰ পৰা আঁতৰ কৰিবলৈ হলে অধিক মজুৰি আৰু অন্যান্য সা-সুবিধা দিব লাগিব। অর্থাৎ, প্রচলিত মজুৰিত এনে দেশত অতিৰিক্ত শ্রমিক উপলব্ধ নহয়। ফলস্বৰূপে, বিনিয়োগ বৃদ্ধি পালেও নিয়োগ বিশেষ বৃদ্ধি নাপায় আৰু অনিচ্ছাকৃত নিবনুৱাৰ অনুপস্থিতিয়ে গুণকৰ মান এনে অর্থনীতিত হ্রাস কৰে। তদুপৰি, বিনিয়োগ বৃদ্ধি পালে গৌণ আৰু সেৱা খণ্ডৰ আয়, উৎপাদন আৰু নিয়োগৰ ওপৰত গুণকৰ বিশেষ প্রভাৱ নপৰে। এনে বিনিয়োগে কেৱল প্রাথমিক খণ্ডৰ কৃষকৰ আয়হে বৃদ্ধি কৰে। মৌদ্রিক আয় হয়তো বৃদ্ধি পায়, কিন্তু প্রকৃত আয় বৰকৈ বৃদ্ধি নাপায়।

কিন্তু যদি বৃদ্ধিৰ হাৰে অতিৰিক্ত ক্ষমতা সৃষ্টি কৰি চাহিদাৰ হাৰৰ সৈতে ফেৰ মাৰিব পৰা হয়, তেন্তে এনে অর্থনীতি সমূহত গুণকৰ ক্রিয়া সুচাৰুৰূপে সম্পদিত কৰা হয়। এনে অর্থনীতি সমূহ হ'ল ৰূপান্তৰ স্তৰত ৰোৱা উন্নয়ণশীল অর্থনীতি।



৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গুণক আয় আৰু বিনিয়োগৰ পৰিবর্তনৰ অনুপাত।
- গুণকে আয় প্রাৰম্ভিক বিনিয়োগৰ গুণক গুণ বৃদ্ধি কৰিব পাৰে। গুণকৰ মান ভোগৰ

প্রান্তিক প্রৱণতাৰ ওপৰত নির্ভৰশীল। ভোগৰ প্রান্তিক প্রৱণতা উচ্চ হ'লে গুণকৰ মান উচ্চ হয় আৰু নিম্ন হ'লে গুণকৰ মান নিম্ন হয়।

- ভোগৰ প্রান্তিক প্রৱণতাৰ মান শূন্য আৰু একৰ ভিতৰত থাকে। সেইদৰে গুণকৰ মান এক আৰু অসীমৰ মাজত থাকে।
- আয়ৰ প্রৱাহৰ বহুতো নির্গমন আছে, যি গুণকৰ মান হ্রাস কৰে।
- গুণকৰ তত্ত্বটো কিছুমান অবাস্তৱ ধাৰণাৰ ওপৰত প্রতিষ্ঠিত বুলি বহুতো অর্থনীতিবিদে সমালোচনা কৰিছে। কিন্তু বাণিজ্য চক্রৰ অধ্যয়ন আৰু অর্থনীতিৰ পূর্বানুমানৰ ক্ষেত্রত গুণকৰ গুৰুত্ব নুই কৰিব নোৱাৰি।

৯.১১ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.
2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.
3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অর্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্রকাশন।
২) বৰুৱা, মিনতি গগৈ; ভৰালী, ৰঞ্জু; হাজৰিকা, বিদিশা মহন্ত আৰু নেওগ, ব্রজেন চন্দ্র, *সমষ্টিগত অর্থনৈতিক তত্ত্ব,* ডিব্রুগড় ঃ বনলতা।

৯.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সংজ্ঞা অনুযায়ী, গুণক হ'ল আয়ৰ পৰিবর্তন আৰু বিনিয়োগৰ পৰিবর্তনৰ অনুপাত। সাংকেতিকভাবে, $K = \frac{\Delta Y}{\Delta I}$, য'ত গুণক আয়ৰ পৰিবর্তন, বিনিয়োগৰ পৰিবর্তন।

২ নং প্রশ্নৰ উত্তৰঃ গুণকে প্রাৰম্ভিক বিনিয়োগৰ গুণক গুণ আয় বৃদ্ধি কৰে, যদি অর্থনীতিখনত বিনিয়োগ বৃদ্ধি পায়। এয়া হ'ল গুণকৰ অগ্রৱর্তী ক্রিয়া।

৩ নং প্রশ্নৰ উত্তৰঃ গুণকে প্রাৰম্ভিক বিনিয়োগৰ গুণক গুণ আয় হ্রাস কৰিব পাৰে, যদি অর্থনীতিখনত বিনিয়োগ হ্রাস পায়। এয়া হ'ল গুণকৰ পশ্চাৎগামী ক্রিয়া।

৪ নং প্ৰশ্নৰ উত্তৰঃ এখন সমাজত উচ্চ ভোগবাদৰ উপস্থিতিয়ে সমাজখনত ভোগৰ প্ৰান্তিক প্ৰৱণতা উচ্চ হোৱাটোৱেই সূচায়। ভোগৰ প্ৰান্তিক প্ৰৱণতা উচ্চ হোৱা মানে গুণকৰ মানো উচ্চ হয়। সেয়ে আয় বৃদ্ধিও অধিক পৰিমাণে হয়।

৫ নং প্ৰশ্নৰ উত্তৰঃ MPS আৰু গুণকৰ সম্পৰ্ক বিপৰীতমুখী। MPS ৰ মান উচ্চ হ'লে গুণকৰ মান নিম্ন হয় আৰু MPS ৰ মান নিম্ন হলে গুণকৰ মান উচ্চ হয়। অৰ্থাৎ $K = \frac{1}{MPS}$

৬ নং প্ৰশ্নৰ উত্তৰঃ দিয়া আছে MPC = 0.5

$$\therefore K = \frac{1}{1-MPC} = \frac{1}{1-0.5} = \frac{1}{0.5} = 2$$

যিহেতু গুণকৰ মান ২, গতিকে, বিনিয়োগ বৃদ্ধিৰ ফলস্বৰূপে বৃদ্ধি হোৱা আয় প্ৰাৰম্ভিক বিনিয়োগৰ ঠিক দুগুণ হ'ব।

৭ নং প্ৰশ্নৰ উত্তৰঃ অপূৰ্ণ নিয়োগ অৱস্থা প্ৰাপ্ত এখন অৰ্থনীতিতহে গুণকে সূচাৰুৰূপে কাৰ্য্য সম্পাদন কৰিব পাৰে। কিয়নো, বৰ্ধিত বিনিয়োগে গুণকৰ ক্ৰিয়াৰ দ্বাৰা আয় উৎপাদন আৰু নিয়োগ বৃদ্ধি কৰিব পাৰিব যদিহে অৰ্থনীতিত অনিচ্ছাকৃত নিবনুৱা থাকে। কিন্তু যেতিয়া অৰ্থনীতিখন পূৰ্ণ নিয়োগ অৱস্থাপ্ৰাপ্ত হয়, তেতিয়া বিনিয়োগ বৃদ্ধি পালেও আয় উৎপাদন বা নিয়োগ বৃদ্ধি নাপায়। গতিকে, গুণকে কেৱল অপূৰ্ণ নিয়োগ অৱস্থাতহে ক্ৰিয়া কৰিব পাৰে।

৮ নং প্ৰশ্নৰ উত্তৰঃ গুণকে উদ্যোগ প্ৰধান অৰ্থনীতিতহে দক্ষতাৰে কাৰ্য্য সম্পাদন কৰিব পাৰে। কাৰণ, উপভোক্তা দ্ৰব্য সামগ্ৰীৰ চাহিদা কৃষিভিত্তিক অৰ্থনীতিতকৈ উদ্যোগ ভিত্তিক অৰ্থনীতিত অধিক। সেয়ে, উদ্যোগ ভিত্তিক অৰ্থনীতিত বিনিয়োগ বৃদ্ধি হ'লে গুণকৰ ক্ৰিয়াৰ দ্বাৰা আয় অধিক বৃদ্ধি হয়। তদুপৰি, কৃষিজাত উৎপাদন সমূহ বৰষুণ, বতৰ ইত্যাদি প্ৰাকৃতিক কাৰকৰ ওপৰত নির্ভৰ কৰে। সেয়ে, বিনিয়োগ বৃদ্ধি পালেও প্ৰতিকূল প্ৰাকৃতিক কাৰকৰ বাবে উৎপাদন আৰু আয় বৃদ্ধি নহ'বও পাৰে।



৯.১৩ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক) $K\frac{?}{\Delta I}$

(খ) ———— গুণকৰ নির্গমন।

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) গুণকে বিপৰীত দিশতো ক্রিয়া কৰিব পাৰে।

(খ) গুণকৰ ক্রিয়াৰ বাবে অনিচ্ছাকৃত নিবনুৱাৰ উপস্থিতি প্রয়োজনীয়।

প্রশ্ন নং ৩ ঃ MPS আৰু গুণকৰ সম্পর্কটো কি?

প্রশ্ন নং ৪ ঃ যদি MPS উচ্চ হয়, তেন্তে গুণকে বিপৰীত দিশত ক্রিয়া কৰিলে কি হ'ব?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ গুণকৰ কার্য্যৰ বাবে উপভোক্তাৰ দ্রব্য সামগ্রীৰ উদ্যোগত অতিৰিক্ত ক্ষমতা কিয় প্রয়োজনীয়?

প্রশ্ন নং ২ ঃ কৃষিভিত্তিক অর্থনীতিত গুণকে কিয় সুচাৰুৰূপে কার্য্য কৰিব নোৱাৰে?

প্রশ্ন নং ৩ ঃ MPC, MPS আৰু গুণকৰ সম্পর্ক দেখুৱাওক।

প্রশ্ন নং ৪ ঃ 'সঞ্চয় গুণকৰ নির্গমন', ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ চিত্রৰ সহায়ত গুণকৰ অগ্রৱর্তী ক্রিয়া ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ যদি এখন অর্থনীতিত প্রাৰম্ভিক বিনিয়োগ ১০০ কৌটি টকা আৰু গুণকৰ মান ০.৬ হয় তেন্তে গুণকৰ দ্বাৰা আয় বৃদ্ধি প্রক্রিয়াটো ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ গুণকৰ নির্গমন ব্যাখ্যা কৰক।

প্রশ্ন নং ৪ ঃ উন্নয়ণশীল দেশত গুণকৰ প্রাসঙ্গিকতা আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ বিনিয়োগ ফলন আৰু মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ বিনিয়োগ ঃ প্ৰাথমিক ধাৰণা

- ১০.৩.১ বিনিয়োগৰ অৰ্থ
- ১০.৩.২ মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগ
- ১০.৩.৩ স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগ

১০.৪ বিনিয়োগ ফলনক প্ৰভাৱিত কৰা কাৰকসমূহ

- ১০.৪.১ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা (MEC)
- ১০.৪.২ সুতৰ হাৰ
- ১০.৪.৩ বিনিয়োগৰ প্ৰান্তিক কৰ্মদক্ষতা (MEI)

১১.৫ সুতৰ হাৰ, MEC আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পৰ্ক

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবৰ বাবে

১০.৮ অগ্ৰগতিৰ খৰিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি, আপুনি —

- স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগৰ অৰ্থ আগবঢ়াব পাৰিব
- মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা ধাৰণাটি বৰ্ণনা কৰিব পাৰিব
- মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা (MEC) আৰু সুতৰ হাৰৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব
- বিনিয়োগৰ প্ৰান্তিক কৰ্মদক্ষতা (MEI) ধাৰণাটি বৰ্ণনা কৰিব পাৰিব
- MEC, সুতৰ হাৰ আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পৰ্ক আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে বিনিয়োগৰ কিছু প্ৰাথমিক ধাৰণাৰ সৈতে আপোনাক পৰিচয় কৰোৱা হ'ব। অধ্যায়টিৰ জৰিয়তে বিনিয়োগৰ অৰ্থ, স্বয়ংক্ৰিয় বিনিয়োগ আৰু উদগনিমূলক বিনিয়োগৰ অৰ্থ আৰু লগতে সিহঁতৰ মাজৰ প্ৰভেদ জানিব পাৰিব।

স্বয়ংক্ৰিয় বিনিয়োগ আয়ৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰশীল নহয়। তদৰ্থতে, তাক স্বয়ক্ৰিয়

বোলা হয়। উদগনিমূলক বিনিয়োগ আয়ৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰশীল। আয়ৰ পৰিবৰ্তনৰ লগে লগে উদগনিমূলক বিনিয়োগৰ পৰিবৰ্তন হয়। বেছিভাগ ব্যক্তিগত বিনিয়োগেই উদগনিমূলক বিনিয়োগৰ অন্তৰ্ভুক্ত।

মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা হৈছে এক বাট্টা হাৰ যিয়ে স্থায়ী মূলধনৰ প্ৰত্যাশিত আয়ৰ বৰ্তমানৰ মূল্যক মূলধনবিধৰ যোগান দৰৰ সমান কৰে। ইয়াৰ বাদেও, বিনিয়োগৰ প্ৰান্তিক কৰ্মদক্ষতা সম্পৰ্কেও অধ্যায়টিত আলোচনা কৰা হৈছে। শেষত, MEC, সুতৰ হাৰ আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা হৈছে।

১০.৩ বিনিয়োগ ঃ মৌলিক ধাৰণা

এই অংশত আমি বিনিয়োগৰ অৰ্থ, মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগৰ পাৰ্থক্য আৰু স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগৰ মাজৰ পাৰ্থক্যৰ বিষয়ে বৰ্ণনা কৰিম।

১০.৩.১ বিনিয়োগৰ অৰ্থ

অৰ্থনীতিত বিনিয়োগে প্ৰকৃত বিনিয়োগক বুজায়, যিয়ে মূলধন মজুতত সংযোজন ঘটায়। এনে বিনিয়োগে আয় আৰু উৎপাদন বৃদ্ধি কৰে আৰু ইয়াৰ ফলত মূলধনজাত সামগ্ৰী ক্ৰয় বৃদ্ধি হয়। সেয়েহে, অৰ্থনীতিত নতুন সজুঁলি, ৰাজহুৱা কাৰ্য যেনে ৰাষ্টা-ঘাট, দলং ইত্যাদি বিনিয়োগৰ অন্তৰ্ভুক্ত। জ'ন ৰবিনচনৰ মতে, "বিনিয়োগ হ'ল মূলধনত হোৱা সংযোজন, যিটো নতুন ঘৰ তৈয়াৰ কৰা বা নতুন কাৰখানা তৈয়াৰ কৰাৰ লগত জড়িত। ইয়াত 'মূলধন' শব্দটোৱে প্ৰকৃত সম্পত্তি যেনে কাৰখানা, সজুঁলি বা অন্যান্য উৎপাদিত সামগ্ৰীক বুজাইছে। মূলধনে পূৰ্বতে উৎপাদন হোৱা উপাদানকো বুজায় যি পুনৰ উৎপাদনত ব্যৱহাৰ হয়। এখন ৰাষ্ট্ৰত থকা মূলধনৰ পৰিমাণ দৰাচলতে ৰাষ্ট্ৰখনৰ মুঠ মূলধনৰ মজুত। সেয়েহে মূলধন হ'ল এক মজুত ধাৰণা।

ওপৰৰ আলোচনাৰ পৰা আমি গ'ম পালোঁ যে বিনিয়োগ হ'ল প্ৰকৃত মূলধনজাত সম্পদৰ কোনো এক নিৰ্দ্দিষ্ট সময়ছোৱাত হোৱা উৎপাদন। ধৰা হ'ল, ২০১১ চনৰ ৩১ মাৰ্চত কোনো এটা কোম্পানীৰ মূলধনজাত সম্পতি ১০ হাজাৰ কৌটি আৰু কোম্পানীটোৱে ২০১১-১২ বিত্তীয় বৰ্ষত ৫০০ কৌটি টকা বিনিয়োগ কৰে। এনেদৰে, বিত্তীয় বৰ্ষটোৰ শেষত অৰ্থাৎ ৩১ মাৰ্চ ২০১২ চনত কোম্পানীটোৰ সৰ্বমুঠ মূলধন মজুত হ'ব ১০ হাজাৰ ৫০০ কৌটি টকা। যদি বিনিয়োগ I হয় আৰু মূলধন K হয় তেন্তে, t বৰ্ষত বিনিয়োগ তলত দিয়া ধৰণে নিৰ্ণয় কৰিব পাৰি -

$$I_t = K_t - k(t-1)$$

ইয়াত $(t-1)$ -এ পূৰ্ববৰ্তী বছৰক বুজাইছে।

১০.৩.২ মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগ

মূলধন আৰু বিনিয়োগৰ মাজৰ সম্বন্ধ শুদ্ধ বিনিয়োগৰ সহায়ত দেখুওৱা হয়। আগৰ উদাহৰণটোত, যেতিয়া ২০১১-১২ ত ৫০০ কৌটিৰ বিনিয়োগৰ কথা কোৱা হৈছিল, সেইটো আছিল মুঠ বিনিয়োগ। সেয়েহে, মুঠ বিনিয়োগ হ'ল নতুন মূলধনজাত সম্পত্তিত হোৱা সংযোজন। উল্লেখযোগ্য যে কেতবোৰ মূলধনজাত মজুত প্ৰতি বছৰে নষ্ট হৈ যায়, যিবোৰ অৱক্ষয় বুলি কোৱা হয়। শুদ্ধ বিনিয়োগ পাবলৈ এই অবক্ষয়ক মুঠ বিনিয়োগৰ পৰা বিয়োগ কৰিব লাগিব। যেতিয়া মুঠ বিনিয়োগ অৱক্ষয়ৰ সমান হয়, তেতিয়া শুদ্ধ বিনিয়োগ শূন্য হয় আৰু তেতিয়া অৰ্থনীতিখনত কোনো নতুন মূলধন সংযোজন নহয়। যেতিয়া মুঠ বিনিয়োগ অৱক্ষয়তকৈ কম হয়, তেতিয়া অৰ্থনীতিত নিৰ্বিনিয়োগ সৃষ্টি হয় আৰু মূলধন হ্ৰাস হয়। এনে ক্ষেত্ৰত ক'ব পাৰি যে অৰ্থনীতি ক্ষেত্ৰখনৰ প্ৰকৃত মূলধন মজুত বৃদ্ধি কৰিবলৈ মুঠ বিনিয়োগ অৱক্ষয়তকৈ বেছি হব লাগিব। ইয়ে কিছু পৰিমানৰ শুদ্ধ বিনিয়োগৰ অৱস্থিতিক বুজাব।

১০.৩.৩ স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগ

বিনিয়োগ স্বয়ংক্ৰিয় আৰু উদগনিমূলক এই দুটা ভাগত ভাগোৱা হয়। স্বয়ংক্ৰিয় বিনিয়োগ আয়, উৎপাদন, লাভ আৰু ব্যৱসায় প্ৰতিস্থানৰ বিক্ৰীৰ লগত জড়িত নহয়। প্ৰফেছাৰ 'Alvin Hanson' আৰু কিছুমান আন অৰ্থনীতিবিদৰ মতে, এই বিনিয়োগ সাধাৰণতে নতুন সম্পদৰ উন্নয়ন, জনসংখ্যা বৃদ্ধি, শ্ৰমিক শক্তি, প্ৰযুক্তিগত উন্নয়ন, নতুনত্ব ইত্যাদিৰ লগত জড়িত।

বিনিয়োগ ব্যয়ৰ যিটো অংশ কিছু ক্ষেত্ৰত বৰ্তমান আয়, উৎপাদন আৰু বিক্ৰীৰ লগত জড়িত তাকেই উদগনিমূলক বিনিয়োগ বুলি কোৱা হয়। যদি আয় আৰু উৎপাদনৰ পৰিবৰ্তন হয়, তেন্তে, ই উদগনিমূলক বিনিয়োগক পৰিৱৰ্তিত কৰিব, যিহেতু এই বিনিয়োগ প্ৰত্যক্ষভাৱে বৰ্তমান আয়, উৎপাদন আৰু চাহিদাৰ প্ৰভাৱৰ লগত জড়িত।


স্বয়ংক্ৰিয় বিনিয়োগ সাধাৰণতে ৰাজহুৱা প্ৰতিস্থান যেনে ৰাজ্য বা স্থানীয় চৰকাৰ ইত্যাদিয়ে কৰে। আনহাতে, বেছিভাগ উদগনিমূলক বিনিয়োগেই ব্যক্তিগত খণ্ডই কৰে। ইয়াৰ কাৰণ হ'ল এই বিনিয়োগৰ উদ্দেশ্য লাভ অৰ্জন কৰা। স্বয়ংক্ৰিয় বিনিয়োগ সাধাৰণতে লাভৰ উদ্দেশ্যত কৰা নহয়।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগৰ মাজত কোনো সম্পৰ্ক নাই। দুয়োটাই বেলেগ ধাৰণা। কিন্তু ইহঁতৰ মাজত কেতবোৰ সম্পৰ্ক থকা দেখা যায়। ইয়াক তলৰ উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা হ'ল। ধৰা হ'ল, চৰকাৰে ২০ কৌটি স্বয়ংক্ৰিয় বিনিয়োগ কৰিলে। ধৰা হ'ল বিনিয়োগ গুণক ২। ই

স্বয়ংক্ৰিয়ভাৱে আয় ৪০ কৌটিলৈ বৃদ্ধি কৰিব। আয়ৰ এই বৃদ্ধিয়ে ব্যক্তিগত বিনিয়োগকাৰীসকলক উৎসাহিত কৰিব আৰু ইয়াৰ ফলত উদগনিমূলক বিনিয়োগ বৃদ্ধি হব। ইইয়াকে বুজায় যে স্বয়ংক্ৰিয় বিনিয়োগে উদগনিমূলক বিনিয়োগক প্ৰভাৱিত কৰে।

স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগৰ পাৰ্থক্য তলৰ চিত্ৰ ১০.১ ত দেখুওৱা হ'ল। চিত্ৰত a_1 আৰু a_2 এ স্বয়ংক্ৰিয় বিনিয়োগক বুজাইছে, আকৌ I_1 আৰু I_2 য়ে উদগনিমূলক বিনিয়োগক বুজাইছে।

চিত্ৰ ১০.১ ঃ স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগ





অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) উদগনিমূলক বিনিয়োগ চৰকাৰী কৰ্তৃপক্ষই কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) স্বয়ংক্ৰিয় বিনিয়োগৰ প্ৰধান উদ্দেশ্য সৰ্ব্বোচ্চ লাভ অৰ্জন কৰা। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ঃ স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগৰ পাৰ্থক্য লিখক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ৩ঃ উদগনিমূলক বিনিয়োগ বুলিলে আপুনি কি বুজে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

১০.৪ বিনিয়োগ ফলনক প্ৰভাৱিত কৰা কাৰকসমূহ

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে উদগনিমূলক বিনিয়োগ বা ব্যক্তিগত বিনিয়োগ প্ৰধানতঃ লাভৰ উদ্দেশ্যত কৰা যায়। যিহেতু ব্যক্তিগত সংগঠকসমূহৰ প্ৰধান উদ্দেশ্য হৈছে লাভ অৰ্জন, সেয়েহে, তেওঁলোকে মূলধনজাত সামগ্ৰীত কৰা বিনিয়োগৰ দুটা প্ৰধান উদ্দেশ্য থাকে — অৱক্ষয় হোৱা মূলধনজাত সামগ্ৰীৰ পুনৰস্থাপন বা উৎপাদন প্ৰতিস্থানৰ সম্প্ৰসাৰণ। ব্যক্তিগত বিনিয়োগ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা আৰু সুতৰ হাৰৰ ওপৰত নিৰ্ভৰশীল। মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা আকৌ ভৱিষ্যত প্ৰত্যাশাৰ ওপৰত নিৰ্ভৰশীল, যিটো সম্পূৰ্ণৰূপে পৰিবৰ্তনশীল। সেয়েহে, ব্যক্তিগত বিনিয়োগ খুব নিৰ্ভৰযোগ্য নহয়।

মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতাই সুতৰ হাৰৰ সৈতে নতুন বিনিয়োগ নিৰ্ণয় কৰে। আগৰ অধ্যায়সমূহত কেইন্সৰ Y=C+I সমীকৰণটোত আলোচনা কৰা হৈছিল যে ভোগৰ প্ৰান্তিক প্ৰৱণতা দিয়া থাকিলে আৰু যিহেতু হ্ৰস্বকালত ভোগ, স্থিৰ বিনিয়োগৰ স্তৰে নিযুক্তি নিৰ্ণয় কৰে। সেয়েহে বিনিয়োগ পূৰ্ণ নিয়োগৰ বাবে গুৰুত্বপূৰ্ণ। দৰাচলতে, কেৱল শুদ্ধ বিনিয়োগেই নহয়, শুদ্ধ বিনিয়োগৰ বৰ্ধিত হাৰো দীৰ্ঘকালত পূৰ্ণ নিয়োগৰ বাবে দৰকাৰী।

১০.৪.১ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা

কেইন্সে মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা (Marginal Efficiency of Capital - MEC)ক সৰ্ব্বোচ্চ ব্যয়ৰ তুলনাত সৰ্ব্বোচ্চ আয়ৰ প্ৰতিদানৰ হাৰ হিচাপে বুজাইছে, যিটো পৰিমাণ মূলধনজাত সম্পত্তিটোৱে জীৱনকালত আহৰণ কৰে। সেয়েহে, কোনো এটা মূলধনজাত সম্পত্তিৰ প্ৰান্তিক কৰ্মদক্ষতা হ'ল — ইয়াৰ ব্যয়ৰ অনুপাতে লাভ কৰা প্ৰত্যাশিত সৰ্ব্বোচ্চ আয়, যিটো প্ৰান্তিক গোটৰ পৰা আহৰণ কৰা হয়। সাধাৰণতে ইয়াক মূলধনজাত সম্পত্তিৰ ব্যয় অনুপাতে সৰ্বোচ্চ আয় হিচাপে বুজোৱা হয়। সেয়েহে প্ৰত্যাশিত আয় (Y) হ'ল সম্পত্তিটোৰ জীৱনকালত আহৰণ কৰা মুঠ আয় আৰু যোগান দৰ হ'ল (Sp) সম্পত্তিটোৰ উৎপাদনত হোৱা ব্যয়। গাণিতিকভাৱে, MEC তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$S_p = \sum_{i=1}^{n} \frac{R}{(1+i)^z}$$

য'ত i = হ'ল মূলধন প্ৰান্তিক কৰ্মদক্ষতা,

R হ'ল প্ৰত্যাশিত আয় আৰু

Sp হ'ল সম্পত্তিৰ যোগান দৰ।

উদাহৰণস্বৰূপে, যদি কোনো এটা সম্পত্তিৰ বছৰি আয় 22,000 টকা হয় আৰু যোগান দৰ 20,000 টকা হয় আৰু সম্পত্তিটো 1 বছৰ বৰ্তি থাকে, তেন্তে —

$$20{,}000 = \frac{22000}{1+i}$$
$$\Rightarrow 20.000 + 20{,}000i = 22000$$
$$\Rightarrow 20{,}000i = 22{,}000 - 20{,}000$$
$$\Rightarrow 20{,}000i = 2{,}000$$
$$\therefore i = \frac{2{,}000}{20{,}000}$$
$$= \frac{2'}{20}$$
$$= \frac{1}{10}$$
$$\therefore i = 10\%$$

যোগান দৰ Spৰ বৃদ্ধিয়ে বাৰ্ষিক আয় একে থকা অৱস্থাত মূলধনৰ প্ৰান্তিক দক্ষতা i হ্ৰাস কৰিব। ঠিক সেইদৰে, যোগান দৰ হ্ৰাস হলে মূলধনৰ প্ৰান্তিক দক্ষতা বৃদ্ধি হ'ব। সেয়েহে i প্ৰত্যক্ষভাৱে বৰ্ধিত R ৰ লগত জড়িত আৰু Sp ৰ লগত বিপৰীতভাৱে জড়িত।

অতি সাধাৰণভাৱে, কেইন্সৰ মতে, মূলধনৰ প্ৰান্তিক দক্ষতা হ'ল এনে এক হাৰ, যিয়ে সম্পত্তিৰ বৰ্তমানৰ মূল্য যিটো মূলধনজাত সম্পত্তিৰ প্ৰত্যাশিত আয়ৰ সহায়ত পোৱা যায়, যোগান দৰৰ সমান হয়।

সাংখ্যিকভাৱে ইয়াক তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$Sp = \frac{R_1}{1+i} + \frac{R_2}{(1+i)^2} + \frac{R_3}{(1+i)^3} + \ldots\ldots\ldots\ldots + \frac{R_n}{(1+i)^n}$$

য'ত Sp হ'ল যোগান দৰ বা মূলধনজাত সম্পত্তিৰ ব্যয়, R_1, $R_2 \ldots R_n$ হ'ল প্ৰত্যাশিত আয় যি ক্ৰমে 1,2,...,n বছৰত পৰ্যন্ত লাভ কৰাৰ আশা কৰা যায়, আৰু i হ'ল মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা।

কোনো এটা মূলধনজাত সামগ্ৰীৰ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা হ'ল ব্যয়ৰ ওপৰত লাভ কৰা সৰ্ব্বোচ্চ আয়, যিটো মূলধনজাত সম্পত্তিৰ অতিৰিক্ত প্ৰান্তিক গোটৰ পৰা পোৱা যায়।

১০.৪.২ সুতৰ হাৰ

বিনিয়োগৰ প্ৰৱণতাক প্ৰভাৱিত কৰা প্ৰথম উপাদানটো হ'ল সুতৰ হাৰ। সুতৰ হাৰৰ লগত জড়িত কেইন্সৰ তত্ত্বটোক তাৰল্যপ্ৰীতি তত্ত্ব বুলি কোৱা হয়। কেইন্সৰ মতে, মুদ্ৰাৰ চাহিদা তিনিটা অভিপ্ৰায়ৰ ফলত উদ্ভৱ হয়। সেই তিনিটা হ'ল — লেনদেনৰ অভিপ্ৰায়, সতৰ্কতামূলক অভিপ্ৰায় আৰু কল্পনাপ্ৰসূত অভিপ্ৰায়। লেনদেনৰ অভিপ্ৰায়ে মানুহে কোনো বস্তু বা সোৱাকাৰ্য ক্ৰয় কৰিবলৈ ব্যৱহাৰ কৰা মুদ্ৰাক বুজায়। লেন-

দেনৰ উপৰিও মানুহে সতৰ্কতামূলক অভিপ্ৰায়ৰ বাবে, যেনে দুৰ্ঘটনা, নিবনুৱা, বেমাৰ-আজাৰ, বৃদ্ধাৱস্থা ইত্যাদিৰ বাবে নগদ টকা হাতত ৰাখে। কেইন্সৰ মতে, মানুহে বণ্ড (bond)ৰ দাম হ্ৰাস বা বৃদ্ধিৰ সুবিধা গ্ৰহণ কৰিবলৈও নগদ মুদ্ৰা হাতত ৰাখিব বিচাৰে। ইয়াকে কেইন্সে কল্পনাপ্ৰসূত অভিপ্ৰায় বুলি কৈছে। কেইন্সৰ মতে, এনে অভিপ্ৰায় প্ৰধানতঃ অনিশ্চিত ভৱিষ্যত সুতৰ হাৰৰ বাবে উদ্ভৱ হয়।

এই তিনিটা অভিপ্ৰায়ে মুদ্ৰাৰ চাহিদা নিৰ্ণয় কৰে। লেনদেন আৰু সতৰ্কতামূলক অভিপ্ৰায়ৰ তাৰল্যপ্ৰীতি কম বেছি পৰিমানে স্থিৰ আৰু সুত অস্থিতিস্থাপক। প্ৰধানতঃ ই আয়ৰ ওপৰত নিৰ্ভৰশীল। আনহাতে, কল্পনাপ্ৰসূত অভিপ্ৰায় অনুসৰি, হাতত ৰখা নগদ মুদ্ৰা বজাৰ সুতৰ হাৰৰ ওপৰত অধিক সংবেদনশীল। যদি বিনিয়োগত সুতৰ হাৰ বেছি হয়, যেনে ধৰক, বণ্ডৰ বাবে ই ১০%, তেন্তে মানুহে কম পৰিমাণত নগদ মুদ্ৰা হাতত ৰাখিব বিচাৰে। ইয়াৰ বিপৰীতে, যদি বণ্ডৰ (Bond) সুতৰ হাৰ কম হয়, যেনে ধৰক ২%, তেন্তে মানুহে বেছি পৰিমাণে বণ্ডত বিনিয়োগ কৰাৰ সলনি নিজৰ হাতত জমা ৰাখিব বিচাৰিব।

ধৰা হ'ল, মুদ্ৰাৰ চাহিদাৰ লেনদেন আৰু সতৰ্কতামূলক অভিপ্ৰায়ক M_1 ৰে বুজোৱা হয় আৰু কল্পনাপ্ৰসূত অভিপ্ৰায়ক M_2 ৰে বুজোৱা হয়, তেন্তে আমি মুদ্ৰাৰ চাহিদা তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰোঁ —

$M = M_1 + M_2$

য'ত M হ'ল মুদ্ৰাৰ মুঠ চাহিদা।

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে মুদ্ৰাৰ লেন-দেন আৰু সতৰ্কতামূলক অভিপ্ৰায়ৰ সুতৰ হাৰ অস্থিতিস্থাপক আৰু কল্পনাপ্ৰসূত অভিপ্ৰায়ৰ সুতৰ হাৰ স্থিতিস্থাপক। গতিকে $M = M_1(Y) + M_2(r)$

য'ত $M_1(Y)$ এ আয়ৰ এটা ফলন বুজাইছে আৰু $M_2(r)$ এ M_2 সুতৰ হাৰৰ ফলন বুজাইছে।

কেইন্সৰ মতে, মুদ্ৰাৰ চাহিদা আৰু মুদ্ৰাৰ যোগান যি বিন্দুত সমান হয়, তাতেই ভাৰসাম্য সুতৰ হাৰ নিৰ্ণয় কৰা হয়।

১০.৪.৩ বিনিয়োগৰ প্ৰান্তিক কৰ্মদক্ষতা

বিনিয়োগ ফলনৰ আন এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল বিনিয়াগৰ প্ৰান্তিক কৰ্মদক্ষতা (Marginal Efficiency of Investment-MEI)। উল্লেখনীয় যে, বিনিয়োগৰ প্ৰান্তিক কৰ্মদক্ষতা, মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতাৰ সৈতে একে, যদিহে মূলধনৰ বৰ্দ্ধিত যোগান দৰৰ সম্ভাৱনা থাকে। কেইন্সৰ মতে, মূলধনৰ যোগান দৰ স্থিৰ হৈ থাকে। ই এইটোকে বুজায় যে, মূলধনৰ যোগান সম্পূৰ্ণৰূপে স্থিতিস্থাপক, কিন্তু বাস্তৱ জগতত মূলধন

সীমিত। সেয়েহে যেতিয়াই বিনিয়োগৰ আকাৰ বৃদ্ধি হয়, তেতিয়া মূলধনজাত সামগ্ৰীৰ দৰ বৃদ্ধি পায়। গতিকে, বিনিয়োগৰ প্ৰান্তিক কৰ্মদক্ষতা মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতাতকৈ উন্নত ধাৰণা, যি বাস্তৱ জগতত ব্যৱহাৰ হয়।

১০.৫ সুতৰ হাৰ, MEC আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পৰ্ক

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, সুতৰ হাৰ আৰু MEC হ'ল বিনিয়োগ নিৰ্দ্ধাৰণ কৰা দুটা উপাদান। আমি জানোঁ যে, সুতৰ হাৰ হ'ল ঋণৰ পুঁজিৰ বাবে দিবলগীয়া দাম। ইয়াক ঋণৰ পুঁজিৰ চাহিদা আৰু যোগানৰ সহায়ত নিৰ্দ্ধাৰণ কৰা হয়। সম্ভাব্য বিনিয়োগকাৰী এজনে নতুন বিনিয়োগ কৰিবলৈ লওতে সুতৰ হাৰক MEC ৰ লগত তুলনা কৰে। যেতিয়ালৈ MEC সুতৰ হাৰতকৈ অধিক হয়, তেতিয়ালৈ বিনিয়োগ কৰা হয়। যেতিয়া MEC সুতৰ হাৰৰ সমান হয়, তেতিয়া ভাৰসাম্য বিনিয়োগ নিৰ্ণয় কৰা হয়।

বিনিয়োগৰ প্ৰৱণতা নিৰ্দ্ধাৰণত MEC আৰু সুতৰ হাৰৰ মাজৰ সম্পৰ্ক তলৰ তালিকা ১০.১ ত দেখুওৱা হৈছে ঃ

তালিকা ১০.১ ঃ MEC, সুতৰ হাৰ আৰু বিনিয়োগৰ প্ৰভাৱৰ মাজৰ সম্পৰ্ক

যোগান দৰ	বাৰ্ষিক আয়	MEC	সুতৰ হাৰ	বিনিয়োগৰ প্ৰভাৱ
২৫,০০০ টকা	১,০০০ টকা	৪%	৪%	স্বাভাৱিক
২০,০০০ টকা	১,০০০ টকা	৫%	৪%	অনুকূল
৫০,০০০ টকা	১,০০০ টকা	২%	৪%	প্ৰতিকূল

ওপৰৰ তালিকা ১০.১ত এইটো দেখা হৈছে যে, নতুন মূলধনজাত সামগ্ৰীয়ে স্থিৰ আয় ১০০০ টকা বাৰ্ষিক উপাৰ্জন কৰিব। এতিয়া দেখা যায় যে যেতিয়া MEC সুতৰ হাৰৰ সমান হয় (৪%), বিনিয়োগৰ প্ৰভাৱ স্বাভাৱিক। যদি MEC (৫%) সুতৰ হাৰ (৪%) তকৈ বেছি হয়, তেতিয়া বিনিয়োগ অনুকূল। আনহাতে, যদি MEC (২%) সুতৰ হাৰ (৪%) তকৈ কম হয়, তেতিয়া বিনিয়োগৰ প্ৰভাৱ প্ৰতিকূল হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক ঃ

মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা হ'ল —

(ক) প্ৰত্যাশিত আয় আৰু যোগান দৰৰ অনুপাত।

(খ) মূলধনজাত সামগ্ৰীৰ যোগান দৰ আৰু ইয়াৰ প্ৰত্যাশিত আয়ৰ মাজৰ অনুপাত।

(গ) অন্যান্য।

প্ৰশ্ন নং ৫ঃ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ বিনিয়োগ নিৰ্দ্ধাৰণ কৰা তিনিটা উপাদান উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....
.....
.....
.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিনিয়োগ হ'ল অৰ্থনীতি এখনৰ মূলধনজাত সামগ্ৰীত হোৱা সংযোজন।
- এখন ৰাষ্ট্ৰৰ প্ৰকৃত মূলধন মজুত বৃদ্ধি হ'বলৈ মুঠ বিনিয়োগ অৱক্ষয়তকৈ বেছি হ'ব লাগিব।
- বিনিয়োগ স্বয়ংক্ৰিয় বা উদ্‌গনিমূলক হ'ব পাৰে। স্বয়ংক্ৰিয় বিনিয়োগ লাভৰ উদ্দেশ্যত কৰা নহয়। কিন্তু উদগনিমূলক বিনিয়োগ লাভৰ ওপৰত নিৰ্ভৰশীল।
- MEC হ'ল এনে এক বাট্টা হাৰ, যিয়ে মূলধনজাত সামগ্ৰীৰ বৰ্তমানৰ মূল্য যোগান দৰৰ লগত সমান কৰে।
- MEI হ'ল MEC ৰ এটা পৰিৱৰ্তিত ৰূপ, য'ত যোগান দৰৰ পৰিবৰ্তন বিবেচনা কৰা হয়।
- কেইন্সে MEC আৰু MEI ৰ মাজত কোনো পাৰ্থক্য বিচাৰ কৰা নাছিল; কিন্তু পিছৰ অৰ্থনীতিবিদসকলে ব্যক্ত কৰিছিল যে MEI হ'ল এক বাস্তৱধৰ্মী ধাৰণা, কাৰণ মূলধন দুষ্প্ৰাপ্য আৰু ইয়াৰ যোগান সম্পূৰ্ণৰূপে স্থিতিস্থাপক।



১০.৭ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.
2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.
3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অৰ্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্ৰকাশন।



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ স্বয়ংক্ৰিয় বিনিয়োগ আয়ৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰশীল নহয়, কিন্তু

উদগনিমূলক বিনিয়োগ আয়ৰ ওপৰত নিৰ্ভৰশীল।

৩ নং প্ৰশ্নৰ উত্তৰঃ বিনিয়োগ ব্যয় যিটো ক্ষেত্ৰত আয়, উৎপাদন আৰু বিক্ৰীৰ লগত জড়িত তাকেই উদগনিমূলক বিনিয়োগ বুলি কোৱা হয়। যদি আয় আৰু উৎপাদন পৰিৱৰ্তন হয় তেন্তে এনে বিনিয়োগৰো পৰিৱৰ্তন হয়। গতিকে, এনে বিনিয়োগৰ ক্ষেত্ৰত আয়, উৎপাদন আৰু চাহিদাত হোৱা পৰিৱৰ্তনৰ প্ৰভাৱ ধনাত্মক।

৪ নং প্ৰশ্নৰ উত্তৰঃ (খ)

৫ নং প্ৰশ্নৰ উত্তৰঃ ব্যৱসায় প্ৰতিস্থানে বিনিয়োগ নিৰ্দ্ধাৰণ কৰিবলৈ বিবেচনা কৰা ৩ টা উপাদান হ'ল —

- মূলধনজাত সম্পত্তিৰ ব্যয়,
- মূলধনৰ জীৱনকালত প্ৰত্যাশিত আয়, আৰু
- বজাৰ সুতৰ হাৰ।



১০.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতাৰ বিষয়ে এটা চমুটোকা লিখক।

প্ৰশ্ন নং ২ ঃ স্বয়ংক্ৰিয় আৰু উদগনিমূলক বিনিয়োগৰ পাৰ্থক্য বিচাৰ কৰি এটা টোকা লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতা বুলিলে কি বুজা যায়? কেনেদৰে ই সুতৰ হাৰৰ লগত জড়িত?

*** ***** ***

অধ্যায় ১১ ঃ IS- LM আৰ্হি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ IS ৰেখা

১১.৩.১ IS ৰেখাৰ প্ৰাপ্তি

১১.৩.২ IS ৰেখাৰ ঢাল

১১.৩.৩ IS ৰেখাৰ বিচ্যুতি

১১.৪ LM ৰেখা

১১.৪.১ LM ৰেখাৰ প্ৰাপ্তি

১১.৪.২ LM ৰেখাৰ ঢাল

১১.৪.৩ LM ৰেখাৰ বিচ্যুতি

১১.৫ IS-LM সংযোগ ঃ সাধাৰণ ভাৰসমতা

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবৰ বাবে

১১.৮ অগ্ৰগতি নিৰীক্ষণ

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি —

- সামগ্ৰীৰ বজাৰ আৰু মুদ্ৰাৰ বজাৰৰ ভাৰসমতাৰ ক্ষেত্ৰত IS আৰু LM ৰ অৰ্থ জানিব পাৰিব
- IS ৰেখাৰ প্ৰাপ্তিৰ বিষয়ে জানিব পাৰিব
- IS ৰেখাৰ বিচ্যুতিৰ বিষয়ে জানিব পাৰিব
- LM ৰেখাৰ প্ৰাপ্তিৰ বিষয়ে জানিব পাৰিব
- LM ৰেখাৰ বিচ্যুতিৰ বিষয়ে জানিব পাৰিব
- IS আৰু LM ৰেখাৰ মাজৰ ছেদন ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

আগৰ অধ্যায়টিত আমি বিনিয়োগ ফলন আৰু মূলধনৰ প্ৰান্তিক দক্ষতা (MEC)ৰ বিষয়ে আলোচনা কৰিছিলোঁ। সেই অধ্যায়টিৰ পৰা আপোনালোকে সুতৰ হাৰ আৰু বিনিয়োগৰ মাজৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিছে। এই অধ্যায়টিত আমি বিনিয়োগ-সঞ্চয় (IS) ফলন আৰু মুদ্ৰাৰ চাহিদা-মুদ্ৰাৰ যোগান (LM) ফলনৰ বিষয়ে আলোচনা কৰাৰ উপৰিও IS-LM ৰেখাৰ প্ৰাপ্তিৰ বিষয়ে ব্যাখ্যা কৰিম। ইয়াৰ উপৰিও, এই অধ্যায়টিত আমি IS-LM ৰ বিচ্যুতি আৰু ঢাল আৰু IS-LM আৰ্হিৰ সাধাৰণ ভাৰসমতাৰ বিষয়ে ব্যাখ্যা কৰিম।

সাধাৰণ কেইন্সৰ আৰ্হিত, এখন অৰ্থনীতিৰ সামগ্ৰীৰ বজাৰ ভাৰসমতাই ৰাষ্ট্ৰীয় আয় নিৰ্ধাৰণ কৰে আৰু মুদ্ৰা বজাৰৰ ভাৰসমতাই সুতৰ হাৰ নিৰ্ণয় কৰে। সামগ্ৰীৰ বজাৰে সেই অৱস্থাত ভাৰসমতা অৰ্জন কৰে, য'ত সঞ্চয় আৰু বিনিয়োগ বা সামগ্ৰিক চাহিদা আৰু সামগ্ৰিক যোগান পৰস্পৰ সমান হয়। সামগ্ৰীৰ বজাৰত সঞ্চয় আৰু বিনিয়োগৰ ছেদন IS ৰেখাত প্ৰতিফলিত হয়। আকৌ, মুদ্ৰা বজাৰৰ ভাৰসমতাই মুদ্ৰাৰ চাহিদা আৰু মুদ্ৰাৰ যোগান পৰস্পৰ সমান হোৱা অৱস্থাক বুজায়, সেয়া LM ৰেখাই প্ৰতিফলিত কৰে।

১১.৩ IS ৰেখা

আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে IS ৰেখাই সমগ্ৰী বজাৰৰ সঞ্চয় আৰু বিনিয়োগৰ সম্পৰ্ক প্ৰকাশ কৰে। 'IS' শব্দটো হ'ল — সঞ্চয় (Saving) আৰু বিনিয়োগ (Investment)ৰ সমতা, যিয়ে মুদ্ৰা বজাৰৰ ভাৰসমতাক বুজায়। IS ৰেখা হ'ল বিভিন্ন সুতৰ হাৰ আৰু আয়ৰ স্তৰক বুজোৱা কিছুমান জোঁট য'ত সঞ্চয় আৰু বিনিয়োগ সমান হয়। আন কথাত ক'বলৈ গ'লে, IS ৰেখাডালে সঞ্চয় আৰু বিনিয়োগ অনুসূচীৰ বিভিন্ন গোটবোৰ বুজায়।


১১.৩.১ IS ৰেখা প্ৰাপ্তি

IS ৰেখা আহৰণ কৰোঁতে, আমি সামগ্ৰীৰ বজাৰৰ দ্বাৰা নিৰূপিত ৰাষ্ট্ৰীয় আয়ৰ ভাৰসাম্য স্তৰৰ বিপৰীতে বিনিয়োগৰ পৰিমাণ লাভ কৰিবলৈ চেষ্টা কৰোঁ। মন কৰিব যে, বিনিয়োগৰ স্তৰ আকৌ সুতৰ হাৰৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে, IS ৰেখাই বিভিন্ন আয়ত বিভিন্ন সুত প্ৰকাশ হাৰৰ সম্পৰ্ক কৰে। আমি জানোঁ যে, সঞ্চয় (S) হ'ল আয়ৰ (Y) এক ধনাত্মক ফলন আৰু বিনিয়োগ হ'ল সুতৰ হাৰৰ (r) এক নিম্নগামী ফলন।

অৰ্থাৎ, $S = f(Y)$ আৰু $I = f(r)$.

সামগ্ৰীৰ বজাৰে তেতিয়া ভাৰসমতা লাভ কৰে, যেতিয়া আয় আৰু সুতৰ বিভিন্ন স্তৰত $S = I$ হয়। এইটো IS ৰেখাৰ সহায়ত প্ৰতিফলিত কৰা হয়। গতিকে, IS ৰেখাই আয় আৰু সুতৰ হাৰৰ বিভিন্ন জোঁটসমূহ প্ৰদৰ্শন কৰে, য'ত সঞ্চয় বিনিয়োগৰ সমান হয়। ইয়াক সামগ্ৰীৰ বজাৰৰ বা প্ৰকৃত বজাৰৰ ভাৰসমতা বুলি কোৱা হয়।

চিত্ৰ ঃ ১১.১: IS ৰেখা আহৰণ



ওপৰৰ চিত্ৰৰ প্ৰথম অংশত OS হ'ল সঞ্চয় ৰেখা যিয়ে, সঞ্চয়ক আয়ৰ বৰ্ধিত ফলন হিচাবে প্ৰকাশ কৰে। I_1, I_2, আৰু I_3 হ'ল বিনিয়োগ ৰেখা। ধৰা হ'ল বিভিন্ন সুতৰ হাৰত যেনে ৪%, ৫% আৰু ৬% সুততা আয় হ'ল ক্ৰমে ১০০ কৌটি, ২০০ কৌটি আৰু ৩০০ কৌটি।


এতিয়া, ৫% সুতৰ হাৰত সঞ্চয় আৰু বিনিয়োগৰ সমতা স্থাপন হয় E_2 বিন্দুত, য'ত আয় হ'ল OY_2। যদি সুতৰ হাৰ ৪% লৈ হ্ৰাস পায়, বিনিয়োগ ৰেখা ওপৰলৈ স্থানান্তৰিত হয় আৰু নতুন ভাৰসাম্য স্থাপন হয় E_3 বিন্দুত, য'ত আয় হ'ল OY_3। একেদৰে, যেতিয়া সুতৰ হাৰ ৬% লৈ বৃদ্ধি হয়, বিনিয়োগ ৰেখা তলৰ ফালে স্থানান্তৰিত হয় আৰু নতুন ভাৰসমতা স্থাপন হয় E_1 বিন্দুত, য'ত আয় OY_1।

চিত্ৰৰ দ্বিতীয় অংশত সুতৰ বিভিন্ন হাৰৰ বিপৰীতে আয়ৰ বিভিন্ন স্তৰৰ সহায়ত IS ৰেখা আহৰণ কৰা হৈছে। IS ৰেখাডালৰ প্ৰতিটো বিন্দুতে আয় স্তৰ প্ৰদৰ্শন কৰা হয়, য'ত সঞ্চয় বিনিয়োগৰ সমান হয়। এনেদৰে, চিত্ৰৰ প্ৰথম অংশৰ E_1, E_2 আৰু E_3 বিন্দুৰ সমানুপাতিক বিন্দু A, B আৰু C ক সংলগ্ন কৰা ৰেখাডালেই হ'ল IS ৰেখা। সেয়েহে, IS ৰেখাডাল বাওফাললৈ নিম্নগামী আকৃতিৰ, কাৰণ, যেতিয়া সুতৰ হাৰ হ্ৰাস হয়, বিনিয়োগ বৃদ্ধি হয় আৰু সেয়েহে আয় বৃদ্ধি হয়।

১১.৩.২ IS ৰেখাৰ ঢাল

ওপৰত ইতিমধ্যে উল্লেখ কৰিছোঁ যে নিম্ন সুতৰ হাৰ উচ্চ আয়ৰ লগত জড়িত আৰু ইয়াৰ বিপৰীতে, তাৰ ওলোটাটো ঘটে। ইয়ে IS ৰেখাক ঋণাত্মক ঢালযুক্ত কৰে। IS ৰেখা চেপেটা বা থিয় হ'ব পাৰে। ই নির্ভৰ কৰে সুতৰ হাৰৰ পৰিৱর্তনৰ সাপেক্ষে হোৱা বিনিয়োগৰ পৰিৱর্তনৰ ওপৰত। যদি বিনিয়োগ সুতৰ হাৰৰ সাপেক্ষে বেছি সংবেদনশীল হয়, তেন্তে IS ৰেখাডাল চেপেটা হ'ব। আনহাতে, যদি বিনিয়োগ সুতৰ হাৰৰ সাপেক্ষে কম সংবেদনশীল হয় তেন্তে IS ৰেখাডাল থিয় হ'ব। এইটো তলৰ চিত্র ১১.২ ত দেখুওৱা হ'ল।

চিত্র ১১.২ -IS ৰেখাৰ ঢাল



ওপৰৰ চিত্র ১১.২ ৰ IS ৰেখাডালৰ AB অংশটো চেপেটা। কাৰণ, ইয়াত সুতৰ হাৰৰ নিম্ন পৰিৱর্তন অর্থাৎ r_3 ৰ পৰা r_2 লৈ হোৱা পৰিৱর্তনে আয় Y_1 ৰ পৰা Y_2 লৈ বৃদ্ধি কৰে। আকৌ, IS ৰেখাৰ BC অংশটো থিয় । কাৰণ, ইয়াত সুতৰ হাৰৰ ডাঙৰ পৰিৱর্তন অর্থাৎ r_2 ৰ পৰা r_3 লৈ হোৱা পৰিৱর্তনে আয় Y_2 ৰ পৰা Y_3 লৈ বৃদ্ধি কৰে। যদি সুতৰ হাৰ r_3 তকৈ হ্রাস হয়, তেন্তে আয়ৰ কোনো পৰিৱর্তন নহয়। কাৰণ, এনেক্ষেত্রত IS ৰেখাডাল উলম্ব আকৃতিৰ।

IS ৰেখাৰ ঢাল দুটা কাৰকৰ ওপৰত নির্ভৰ কৰে। সেই দুটা হ'ল বিনিয়োগৰ স্থিতিস্থাপকতা আৰু গুণকৰ পৰিমাণ। যদি গুণকৰ পৰিমাণ ডাঙৰ হয়, তেন্তে সুতৰ হাৰ পৰিবর্তনৰ সাপেক্ষে আয় যথেষ্ট সংবেদনশীল হয়, আৰু IS ৰেখাডাল চেপেটা হয়। আনহাতে, বিনিয়োগ গুণকৰ আকৃতি সৰু হ'লে IS ৰেখাডাল থিয় হয়। আকৌ, বিনিয়োগৰ স্থিতিস্থাপকতা বেছি হ'লে IS ৰেখাডাল চেপেটা হয় আৰু কম হ'লে IS ৰেখাডাল থিয় হয়। গতিকে দেখা যায় যে, গুণকৰ পৰিমাণ কম হ'লে IS ৰেখাডাল থিয় হয়। আকৌ, চাহিদাৰ স্থিতিস্থাপকতা বেছি হ'লে ৰেখাডাল চেপেটা আকৃতিৰ হয় আৰু বিনিয়োগৰ স্থিতিস্থাপকতা কম হ'লে IS ৰেখাডাল থিয় আকৃতিৰ হয়।

১১.৩.২ IS ৰেখাৰ বিচ্যুতি


IS ৰেখাৰ স্থান নির্ণয় কৰে সঞ্চয় আৰু বিনিয়োগৰ পৰিমাণৰ ওপৰত। IS ৰেখা সোঁফালে স্থানান্তৰিত হয় যদিহে বিনিয়োগ ফলন বৃদ্ধি হয়, বা সঞ্চয় ফলন হ্রাস হয়। এনেধৰণৰ বিচ্যুতি সম্ভব হয় যদিহে নতুন প্রযুক্তিবিদ্যা বা নতুন আৱিষ্কাৰৰ ফলস্বৰূপে লাভৰ প্রত্যাশা ভাল হয়।

ঠিক সেইদৰে, IS ৰেখা বাঁওফালে স্থানান্তৰ হ'ব পাৰে যদি সঞ্চয় ফলন বৃদ্ধি হয় বা বিনিয়োগ ফলন হ্রাস হয়। IS ফলনৰ এনে বিচ্যুতি ***ৰাজস্ব নীতি***ৰ ফলত হ'ব পাৰে। এক প্রসাৰণমূলক (expansional) ৰাজস্ব নীতিয়ে IS ৰেখা সোঁফালে স্থানান্তৰ কৰে, আৰু এক সংকুচিত ৰাজস্ব নীতিয়ে IS ৰেখা বাঁওফাললৈ স্থানান্তৰিত কৰে।

ৰাজস্ব নীতি হ'ল চৰকাৰে প্রস্তুত কৰা এক নীতি য'ত চৰকাৰে আয় আৰু কৰ নিয়ন্ত্রণ কৰে, যিয়ে এখন ৰাষ্ট্রৰ অর্থনীতিক প্রভাৱিত কৰে। মুদ্রা নীতিৰ পৰিৱর্তনে চৰকাৰী ব্যয়, কৰ ইত্যাদিক সামৰি লয়।

IS ৰেখাৰ বিচ্যুতি তলৰ চিত্র ১১.৩ ত দেখুওৱা হ'ল।

চিত্র ১১.৩ - IS ৰেখাৰ বিচ্যুতি





ৰাজস্ব নীতি হ'ল চৰকাৰে প্রস্তুত কৰা এক নীতি য'ত চৰকাৰে আয় আৰু কৰ নিয়ন্ত্রণ কৰে, যিয়ে এখন ৰাষ্ট্রৰ অর্থনীতিক প্রভাৱিত কৰে। মুদ্রা নীতিৰ পৰিৱর্তনে চৰকাৰী ব্যয়, কৰ ইত্যাদিক সামৰি লয়।



জনা উচিত

আমি সামগ্রীৰ বজাৰ, সঞ্চয়, বিনিয়োগ ইত্যাদি সম্পর্কে জানিব লাগিব। সামগ্রীৰ বজাৰ মানে সেইখন বজাৰ বুজোৱা হয়, য'ত সামগ্রী আৰু সেৱাকার্য সমূহ বেচা-কিনা কৰা হয়। সামগ্রীৰ বজাৰে আয় নির্ধাৰণ কৰে, যি পৰিকল্পিত বিনিয়োগৰ ওপৰত নির্ভৰশীল। পৰিকল্পিত বিনিয়োগ আকৌ সুতৰ হাৰৰ ওপৰত নির্ভৰশীল।

কেইন্সৰ মতে সঞ্চয় হ'ল আয়ৰ এক অৱশিষ্ট যিখিনি উপভোগ কৰাৰ পিছত ৰৈ যায়। আকৌ, বিনিয়োগ হ'ল সামগ্রী আৰু সেৱাত কৰা ব্যয় যাক ভোগ কৰা নাযায় কিন্তু স্থায়ী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) IS হ'ল সঞ্চয় আৰু আয়ৰ সংক্ষিপ্ত ৰূপ। (শুদ্ধ/ অশুদ্ধ)

(খ) IS ৰেখাডাল ৰাজস্ব নীতিৰ পৰিৱর্তনৰ বাবে বাওঁফালে স্থানান্তৰিত হয়। (শুদ্ধ/ অশুদ্ধ)

প্রশ্ন নং ২ঃ IS ৰেখাৰ সংজ্ঞা দিয়ক। ই কিয় ঋণাত্মক ঢালযুক্ত হয়?

(৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৩ঃ IS ৰেখাৰ ঢালক প্রভাৱিত কৰা কাৰক সমূহ উল্লেখ কৰক।

(৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১১.৪ LM ৰেখা

আমি আগতে কৈছোঁ যে, LM ৰেখাই মুদ্রা বজাৰৰ চাহিদা আৰু যোগানৰ সমতাক দেখুৱায়। LM শব্দটোৰ L য়ে মুদ্রাৰ চাহিদাক বুজায় আৰু M য়ে মুদ্রাৰ যোগানক বুজায়। সেয়ে, মুদ্রা বজাৰ ভাৰসমতাত L = M বা $M_d = M_s$

মুদ্রাৰ চাহিদা হ'ল , য'ত হ'ল মুদ্রাৰ বিনিময় চাহিদা, যিটো আয়ৰ এটা প্রত্যক্ষ ফলন, অর্থাৎ $L_t = f(Y)$। আকৌ, L_s হ'ল মুদ্রা কল্পনাপ্রসুত চাহিদা যিটো সুদৰ হাৰৰ এটা ক্রমহ্রাসমান ফলন Ls = f(r), সেয়েহে মুদ্রাৰ বজাৰৰ ভাৰসাম্যতাক তলত দিয়া ধৰনে প্রকাশ কৰিব পাৰি —

$$M = L_t(Y) + L_s(r)$$

১১.৪.১ LM ৰেখাৰ প্রাপ্তি


LM ৰেখাডাল কেইন্সৰ তত্ত্বৰ মুদ্রা বজাৰৰ ভাৰসমতাৰ আলোচনাৰ পৰা আহৰণ কৰিব পাৰি। LM ৰেখাই সুতৰ হাৰ আৰু আয়ৰ জোঁটসমূহক দেখুৱায়, য'ত

মুদ্রাৰ চাহিদা আৰু যোগান সমান হয়। আন কথাত ক'বলৈ গ'লে, LM অনুসুচীয়ে সুতৰ হাৰ আৰু আয়ৰ জোঁটসমূহক দেখুৱায়, য'ত মুদ্রা বজাৰৰ ভাৰসমতা নিৰূপিত হয়।

LM ৰেখাই আয়ৰ বিভিন্ন স্তৰত বিভিন্ন সুতৰ হাৰ (মুদ্রাৰ যোগান আৰু মুদ্রাৰ চাহিদা দিয়া থাকিলে) প্ৰকাশ কৰে। কিন্তু, কেৱল মুদ্রা চাহিদা সুতৰ হাৰ কি হ'ব, সেয়া নির্দিষ্টকৈ ইঙ্গিত দিব নোৱাৰে। ইয়াক তলৰ চিত্ৰ ১১.৪ ত বৰ্ণনা কৰা হ'ল —

চিত্ৰ ১১.৪ ঃ LM ৰেখা আহৰণ

(ক)



ওপৰৰ চিত্ৰ ১১.৪ (ক) আৰু (খ) ত আমি মুদ্রা চাহিদা ৰেখাৰ সহায়ত LM ৰেখা আহৰণ কৰিছোঁ। যেতিয়া আয় বৃদ্ধি হয়, মুদ্রা চাহিদা ৰেখা ঊৰ্দ্ধমুখী হয় আৰু সেয়েহে, সুতৰ হাৰ বৃদ্ধি হয়, যিয়ে মুদ্রাৰ যোগান আৰু মুদ্রা চাহিদাৰ সমতা স্থাপন কৰে।

চিত্ৰ ১১.৪ (ক) ত M_0d, M_1d আৰু M_2d হ'ল বিভিন্ন আয়ৰ স্তৰত চাহিদা ৰেখাৰ সমষ্টি। এই ৰেখাবোৰে অস্থিতিস্থাপক মুদ্রাৰ যোগান ৰেখা M_s ৰ লগত লগ হৈ LM ৰেখা আহৰণ কৰে।

যদি আয় Y_0 হয়, মুদ্রাৰ চাহিদা M_0d r_0 সুদৰ হাৰত মুদ্রাৰ যোগানৰ সমান হয়। Y_1 আয়ৰ স্তৰত, r_1 সুতৰ হাৰত মুদ্রাৰ চাহিদা (M_1d) মুদ্রাৰ যোগানৰ সমান হয়। সেইদৰে, Y_2 আয়ৰ স্তৰত, r_2 সুতৰ হাৰত মুদ্রাৰ চাহিদা (M_2d) মুদ্রাৰ যোগানৰ সমান হয়। মুদ্রাৰ যোগান, চাহিদা আৰু সুতৰ হাৰে চিত্ৰ ১১.৪ (খ) ত দেখুওৱাৰ দৰে LM ৰেখাডাল আহৰণ কৰে। সেইদৰে, E_1, E_2 আৰু E_3 বিন্দুৰ সমানুপাতিক বিন্দু A, B আৰু C সংযোগ কৰিলে LM ৰেখা পাব পাৰি। এই ৰেখাডালে বিভিন্ন সুতৰ হাৰত বিভিন্ন আয়ৰ লগত জড়িত হৈ থাকে।

১১.৪.২ LM ৰেখাৰ ঢাল

LM ৰেখাৰ ঢাল দুটা উপাদানৰ ওপৰত নির্ভৰশীল— আয়ৰ পৰিবর্তনৰ সাপেক্ষে মুদ্রাৰ চাহিদাৰ পৰিবর্তন আৰু সুদৰ হাৰৰ পৰিবর্তনৰ সাপেক্ষে মুদ্রাৰ চাহিদাৰ পৰিবর্তন।

চিত্র ১১.৪ (খ) ত দেখা যায় যে, LM ৰেখা সোঁফালে উর্দ্ধমুখী আকৃতিৰ। ইয়াৰ কাৰণ হ'ল বর্ধিত আয়ত মুদ্রাৰ চাহিদা (Md)ও বৃদ্ধি হয়, যিয়ে সুতৰ হাৰ বৃদ্ধি কৰে। ইয়াৰ অর্থ হ'ল, সুতৰ হাৰ আয়ৰ লগত প্রত্যক্ষভাৱে জড়িত। LM ৰেখাৰ ঢাল দুটা উপাদানৰ ওপৰত নির্ভৰশীল। ইয়াৰে প্রথমটো হ'ল — আয়ৰ পৰিবর্তনৰ সাপেক্ষে হোৱা মুদ্রাৰ চাহিদাৰ পৰিবর্তন। লেনদেনৰ বাবে মুদ্রাৰ বিনিময় চাহিদা আয়ৰ লগত যিমানেই বৃদ্ধি হ'ব, সিমানেই সুতৰ হাৰ বৃদ্ধি হ'ব আৰু LM ৰেখাডাল থিয় হ'ব।


LM ৰেখাৰ ঢাল নির্ণয় কৰা দ্বিতীয় উপাদানটো হ'ল — সুতৰ হাৰৰ পৰিবর্তনৰ সাপেক্ষে হোৱা মুদ্রাৰ চাহিদাৰ পৰিবর্তন। মুদ্রাৰ কল্পনাপ্রসূত চাহিদা সুতৰ হাৰৰ লগত যিমানেই কম স্থিতিস্থাপক হয়, সিমানেই LM ৰেখাডাল থিয় হয়। আনহাতে, যদি সুতৰ হাৰৰ পৰিবর্তনৰ সাপেক্ষে মুদ্রাৰ চাহিদা বৃদ্ধি হয়, তেন্তে LM ৰেখাডাল চেপেটা বা কমকৈ থিয় হয়।

১১.৪.৩ LM ৰেখাৰ বিচ্যুতি

LM ৰেখাৰ বিচ্যুতিয়ে মুদ্রাৰ যোগানৰ তাৰতম্য আৰু মুদ্রা চহিদাৰ স্থানান্তৰ দেখুৱায়। যদি মুদ্রা যোগান বৃদ্ধি বা মুদ্রা যোগান ফলন সোঁফালে স্থানান্তৰিত হয়, বা মুদ্রা চাহিদা বাওঁফালে স্থানান্তৰিত হয়, তেন্তে LM ৰেখা সোঁফালে স্থানান্তৰিত হয়।

মুদ্রাৰ চাহিদা হ্রাস হোৱা মানে প্রত্যেক আয় আৰু সুতৰ হাৰৰ স্তৰত চাহিদাৰ সমতাৰ পৰিমাণ কমি যোৱাকে বুজায়। মুদ্রাৰ চাহিদাৰ এনে হ্রাসে অতিৰিক্ত মুদ্রা যোগানৰ সৃষ্টি কৰে। এই অতিৰিক্ত মুদ্রা যোগানে LM ৰেখা সোঁফালে স্থানান্তৰিত কৰে। ইয়াক চিত্র ১১.৫ ত দেখুওৱা হ'ল —

চিত্র ১১.৫ ঃ LM ৰেখাত বিচ্যুতি



মুদ্রাৰ যোগান বৃদ্ধিৰ লগে লগে LM ৰেখা সোঁফালে LM_2 লৈ স্থানান্তৰিত হয়, যিয়ে অর্থনীতিখনক নতুন ভাৰসাম্য বিন্দু E_2 লৈ স্থানান্তৰিত কৰে। মুদ্রা যোগানৰ এই বৃদ্ধিয় মুদ্রা বজাৰত সুতৰৰ হাৰক r_2 লৈ হ্রাস কৰিব। ইয়াৰ ফলত বিনিয়োগ বৃদ্ধি হৈ আয় Y_2 লৈ বৃদ্ধি হব।

আনহাতে, মুদ্রাৰ যোগান হ্রাস হোৱাৰ ফলতবা মুদ্রাৰ চাহিদা বৃদ্ধি হোৱাৰ ফলত LM ৰেখা বাওঁফালে স্থানান্তৰিত হয়। নতুন ভাৰসাম্য অৱস্থাত সুতৰ হাৰ বৃদ্ধি পায় আৰু আয় নিম্নগামী হয়। ইয়াক LM_2 ৰেখাডালক প্রকৃত ৰেখা হিচাপে লৈ দেখুৱাব পাৰি।

জনা উচিত



LM ৰেখাৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যবোৰ হ'ল —

- LM ৰেখা হ'ল এক অনুসূচী, যিয়ে সুতৰ হাৰ আৰু আয়ৰ বিভিন্ন জোঁট উপস্থাপন কৰে, য'ত মুদ্রা বজাৰে ভাৰসমতা লাভ কৰে।
- LM ৰেখাডাল সোঁফালে উর্দ্ধমুখী আকৃতিৰ।
- যদি মুদ্রাৰ চাহিদাৰ স্থিতিস্থাপকতা বেছি হয়, LM ৰেখাডাল চেপেটা হয়, আনহাতে মুদ্রাৰ চাহিদাৰ যদি সুতৰ স্থিতিস্থাপকতা হ্রাস হয়, LM ৰেখাডাল থিয় হয়।
- যদি মুদ্রা যোগানৰ পৰিসৰ বৃদ্ধি হয়, LM ৰেখাডাল সোঁফালে স্থানান্তৰিত হয় আৰু যদি মুদ্রা যোগানৰ পৰিসৰ হ্রাস হয়, LM ৰেখাডাল বাওঁফালে স্থানান্তৰিত হয়।
- LM ৰেখাডাল বাঁওফালে স্থানান্তৰিত হয়, যদিহে সুতৰ হাৰ আয় স্থিৰ থকা অৱস্থাত মুদ্রাৰ চাহিদা ফলনে মুদ্রাৰ চাহিদা বৃদ্ধি কৰে। আনহাতে LM ৰেখাডাল সোঁফালে স্থানান্তৰিত হয় যদিহে সুতৰ হাৰ আৰু আয় স্থিৰ থকা অৱস্থাত মুদ্রা চাহিদা ফলনে মুদ্রাৰ চাহিদা হ্রাস কৰে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) LM ৰেখা মুদ্রাৰ চাহিদা আৰু মুদ্রাৰ যোগানৰ সংযোগৰ সহায়ত আহৰণ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

(খ) LM ৰেখাডাল নিম্নগামী ঢালযুক্ত। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ LM ৰেখাৰ ঢাল নির্ণয় কৰা উপাদানবোৰ উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ LM ৰেখাৰ সংজ্ঞা আগবঢ়াওক। LM ৰেখাৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১১.৫ IS-LM সংযোগ ঃ সাধাৰণ ভাৰসমতা


সামগ্ৰীৰ বজাৰ বা প্ৰকৃত বজাৰ ভাৰসমতাৰ পৰা আমি IS ৰেখাডাল আহৰণ কৰিব পাৰোঁ, যিয়ে আয় আৰু সুতৰ হাৰৰ বিভিন্ন জোঁটত সঞ্চয় আৰু বিনিয়োগৰ মাজৰ সমতা স্থাপন কৰে। ঠিক সেইদৰে, মুদ্ৰা বজাৰৰ ভাৰসমতাই সুতৰ হাৰ আৰু আয়ৰ বিভিন্ন জোঁটসমূহৰ সহায়ত মুদ্ৰাৰ চাহিদা আৰু যোগানৰ সমতা প্ৰতিস্থা কৰে। যদি দুয়োখন বজাৰতে একেলগে ভাৰসমতা কৰে, তেন্তে গোটেই ব্যৱস্থাটোৱে সাধাৰণ ভাৰসমতা লাভ কৰিছে বুলি কোৱা হয়। ই সম্ভৱ হয়, যদিহে —

(১) সঞ্চয় আৰু বিনিয়োগ সমান হয় (S = I)

(২) মুদ্ৰাৰ চাহিদা আৰু মুদ্ৰাৰ যোগান সমান হয় (Md = Ms)

IS আৰু LM ৰেখা দুটা চলকৰ ওপৰত নিৰ্ভৰশীল — ক) আয় আৰু খ) সুতৰ হাৰ। সেয়েহে সুতৰ হাৰ আৰু আয় দুয়োডাল ৰেখাৰ ছেদন বিন্দু পাওঁ। চিত্ৰৰ E বিন্দুয়ে সেয়া দেখুৱাইছে। ইয়াৰ পৰা ভাৰসাম্য সুতৰ হাৰ Or_2 আৰু ভাৰসাম্য আয় OY_2 নিৰ্দ্ধাৰণ কৰিব পাৰি। এই বিন্দুত আয় আৰু সুতৰ হাৰ পৰস্পৰ সমান।

চিত্ৰ ১১.৬ ঃ সাধাৰণ ভাৰসমতা



জনা উচিত



IS-LM ৰেখাৰ আর্হিটো কেইটামান ধাৰণাৰ ওপৰত প্রতিষ্ঠিত ঃ (১) বিনিয়োগ-চাহিদা ফলন, (২) উপভোগ ফলন, (৩) মুদ্রা-চাহিদা ফলন আৰু (৪) মুদ্রাৰ পৰিমাণ। সেয়েহে, IS-LM আর্হি অনুসৰি, বিভিন্ন প্রকৃত উপাদান, যথা সঞ্চয় আৰু বিনিয়োগ, মূলধনৰ উৎপাদনশীলতা, সঞ্চয় আৰু ভোগৰ প্রৱণতা আৰু মৌদ্রিক উপাদান, যথা — মুদ্রাৰ চাহিদা-যোগান ইত্যাদিয়ে ক্রমে সুতৰ হাৰ আৰু আয় নির্ণয় কৰে। এনেবোৰ উপাদানৰ পৰিৱর্তনে IS বা LM ৰেখা স্থানান্তৰিত কৰে আৰু ইয়ে ভাৰসাম্য সুত আৰু আয় পৰিৱর্তন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ ভাৰসমতা যেতিয়া একেলগে প্রতিস্থা হয় তাকেই সাধাৰণ ভাৰসমতা বুলি কোৱা হয়।

(খ) য'ত IS আৰু LM ৰেখাই পৰস্পৰক ছেদ কৰে তাকেই সাধাৰণ ভাৰসমতা বুলি কোৱা হয়।

প্রশ্ন নং ৮ঃ IS - LM ৰেখাৰ আর্হিটো কি কি উপাদানৰ ওপৰত নির্ভৰশীল?

(৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণ কেইন্সৰ আর্হিত সামগ্রীৰ বজাৰৰ ভাৰসমতা আৰু সুতৰ হাৰৰ সহায়ত ৰাষ্ট্রীয় আয় নির্দ্ধাৰণ কৰা হয়।
- সামগ্রী বা প্রকৃত বজাৰৰ ভাৰসমতা তেতিয়া স্থাপন হয়, যেতিয়া সঞ্চয় আৰু বিনিয়োগ সমান হয় বা মুঠ সামগ্রীৰ চাহিদা আৰু যোগান সমান হয়।
- IS ৰেখা হ'ল সুতৰ হাৰ আৰু আয়ৰ বিভিন্ন জোঁটসমূহক সংলগ্ন কৰা এডাল ৰেখা, য'ত সঞ্চয় আৰু বিনিয়োগ সমান।
- সঞ্চয় হ'ল আয়ৰ এক উর্দ্ধমুখী ফলন আৰু বিনিয়োগ হ'ল সুতৰ নিম্নগামী ফলন। অর্থাৎ $S = f(Y)$ আৰু $I = f(r)$।
- IS ৰেখাডালৰ ঢাল নিম্নগামী হয় কাৰণ সুতৰ হাৰ কমাৰ লগে লগে বিনিয়োগ বাঢ়ি আয়

বৃদ্ধি হয় অর্থাৎ সুতৰ হাৰ আৰু আয়ৰ সম্বন্ধ ওলোটা।

- IS ৰেখাডাল চেপেটা বা থিয় হ'ব পাৰে যদিহে সুতৰ হাৰৰ সাপেক্ষে বিনিয়োগ পৰিৱৰ্তন হয়। যদি সুতৰ হাৰৰ সাপেক্ষে বিনিয়োগ অতি সংবেদনশীল হয়, তেন্তে IS ৰেখাডাল বহল হ'ব। আৰু যদি সুতৰ হাৰৰ সাপেক্ষে বিনিয়োগ অতি সংবেদনশীল নহয়, তেন্তে IS ৰেখাডাল থিয় হ'ব।
- IS ৰেখাৰ আকৃতি বিনিয়োগ গুণকৰ আকাৰৰ ওপৰত নির্ভৰ কৰে। যদি বিনিয়োগ গুণক (K) ডাঙৰ হয়, তেন্তে IS ৰেখাডাল চেপেটা হ'ব। ঠিক সেইদৰে, যদি বিনিয়োগ গুণকৰ আকাৰ কম হয়, তেন্তে IS ৰেখাডাল থিয় হ'ব।
- IS ৰেখাডালৰ অৱস্থিতি বিনিয়োগ আৰু সঞ্চয় ফলনৰ ওপৰত নির্ভৰশীল।
- IS ৰেখাডালে সোঁফালে স্থানান্তৰিত হ'ব যদিহে বিনিয়োগ ফলন বৃদ্ধি হয় বা সঞ্চয় ফলন হ্রাস হয়।
- IS ফলনটো বাঁওফালে স্থানান্তৰিত হ'ব যেতিয়া সঞ্চয় ফলন বৃদ্ধি আৰু বিনিয়োগ ফলন হ্রাস হয়। ই কেতিয়াবা ৰাজস্ব নীতি পৰিবর্তনৰ ফলতো হ'ব পাৰে।
- LM ৰেখাই সুতৰ হাৰ আৰু আয়ৰ বিভিন্ন জোঁটৰ সহায়ত মুদ্রাৰ চাহিদা আৰু যোগানৰ সমতা দেখুৱায়।
- LM ৰেখা সোঁফালে উর্দ্ধমুখী ঢালযুক্ত। ইয়াৰ কাৰণ হ'ল, উচ্চ আয়ৰ স্তৰত মুদ্রাৰ চাহিদা বৃদ্ধি হয়, যিয়ে সুতৰ হাৰ বৃদ্ধি কৰে।
- LM ৰেখাৰ ঢাল দুটা উপাদানৰ ওপৰত নির্ভৰশীল। প্রথমতে, আয়ৰ পৰিবর্তনৰ সাপেক্ষে মুদ্রাৰ চাহিদাৰ পৰিৱর্তন আৰু দ্বিতীয়তে সুতৰ হাৰৰ পৰিৱর্তনৰ সাপেক্ষে মুদ্রাৰ চাহিদাৰ পৰিৱর্তন।
- LM ৰেখাৰ স্থানান্তৰ মুদ্রাৰ যোগানৰ পৰিৱর্তন বা মুদ্রা চাহিদা ফলনৰ পৰিৱর্তনৰ ফলত হ'ব পাৰে।
- IS আৰু LM ৰেখা দুডালৰ সংযোগে মুদ্রা বজাৰ আৰু সামগ্রীৰ বজাৰৰ সমতাক বুজায়।
- IS-LM ৰেখা আর্হি — (ক) বিনিয়োগ চাহিদা ফলন, (খ) উপভোগ ফলন (গ) মুদ্রা-চাহিদা ফলন আৰু (ঘ) মুদ্রা-পৰিমাণৰ ওপৰত নির্ভৰশীল।



১১.৭ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.

2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.

3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অৰ্থতত্ত্ব*, যোৰহাট ঃ ইউনিকা প্ৰকাশন।

১১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ IS ৰেখা হৈছে সুতৰ হাৰ আৰু আয়ৰ স্তৰৰ মাজৰ বিভিন্ন সংমিশ্ৰণ, য'ত সঞ্চয় আৰু বিনিয়োগ পৰস্পৰ সমান।

IS ৰেখাডালে নিম্নগামী, কাৰণ সুতৰ হাৰ যেতিয়া হ্ৰাস পায়, তেতিয়া বিনিয়োগ বৃদ্ধি হয় আৰু ইয়াৰ ফলস্বৰূপে আয়ো বৃদ্ধি হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ IS ৰেখাৰ ঢাল দুটা উপাদানৰ ওপৰত নিৰ্ভৰশীল —

(ক) বিনিয়োগ ৰেখাৰ স্থিতিস্থাপকতা আৰু

(খ) বিনিয়োগৰ আকাৰ।

IS ৰেখাডাল চেপেটা বা থিয় হ'ব পাৰে। ই নিৰ্ভৰ কৰে সুতৰ হাৰৰ পৰিৱৰ্তনৰ সাপেক্ষে বিনিয়োগৰ সংবেদনশীলতাৰ ওপৰত। যদি সুতৰ হাৰৰ সাপেক্ষে বিনিয়োগ অধিক সংবেদনশীল হয়, তেন্তে IS ৰেখাডাল অধিক চেপেটা হ'ব। ঠিক সেইদৰে যদি সুতৰ হাৰৰ সাপেক্ষে বিনিয়োগ কম সংবেদনশীল হয়, তেন্তে IS ৰেখাডাল কম চেপেটা বা থিয় হ'ব।

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰঃ LM ৰেখাৰ ঢাল দুটা উপাদানৰ ওপৰত নিৰ্ভৰশীল। প্ৰথমটো, আয়ৰ পৰিৱৰ্তন সাপেক্ষে হোৱা মুদ্ৰাৰ চাহিদাৰ পৰিৱৰ্তন। যিমানেই মুদ্ৰাৰ বিনিময় চাহিদা আয়ৰ লগত বৃদ্ধি হয়, সিমানেই LM ৰেখাডাল অধিক ঠেক হয়। দ্বিতীয়টো হ'ল সুতৰ পৰিৰ্তনৰ সাপেক্ষে হোৱা মুদ্ৰাৰ চাহিদাৰ পৰিৱৰ্তন।

৬ নং প্ৰশ্নৰ উত্তৰঃ LM ৰেখাই সুতৰ হাৰ আৰু আয়ৰ বিভিন্ন জোঁটৰ সহায়ত মুদ্ৰাৰ চাহিদা আৰু যোগানৰ মাজত সমতা স্থাপন কৰে। LM ৰেখাৰ তিনিটা বৈশিষ্ট্য হ'ল —

(ক) LM ৰেখা হ'ল এক অনুসূচী, যিয়ে সুতৰ হাৰ আৰু আয়ৰ বিভিন্ন জোঁটৰ সহায়ত মুদ্ৰাৰ বজাৰৰ ভাৰসমতা দেখুৱায়।

(খ) LM ৰেখাডাল সোঁফাল উৰ্দ্ধমুখী ঢালযুক্ত।

(গ) যদি মুদ্ৰাৰ চাহিদা বৃদ্ধি হয়, তেন্তে LM ৰেখাডাল চেপেটা হয়। ঠিক সেইদৰে, যদি

মুদ্রাৰ চাহিদা কম হয়, তেন্তে LM ৰেখাডাল থিয় হয়।

৭ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ

৮ নং প্রশ্নৰ উত্তৰঃ IS-LM ৰেখা আর্হি — (১) বিনিয়োগ চাহিদা ফলন, (২) ভোগ ফলন, (৩) মুদ্রা চাহিদা ফলন, (৪) মুদ্রাৰ পৰিমাণৰ ওপৰত নির্ভৰশীল।



১১.৯ আর্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ IS ৰেখাৰ ঢাল আৰু বিচ্যুতি বর্ণনা কৰক।

প্রশ্ন নং ২ ঃ LM ৰেখাৰ ঢাল আৰু বিচ্যুতি বর্ণনা কৰক।

প্রশ্ন নং ৩ ঃ সাধাৰণ ভাৰসমতাৰ নির্দ্ধাৰণ প্রক্রিয়া ব্যাখ্যা কৰক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ IS ৰেখাৰ সংজ্ঞা আগবঢ়াওক। সামগ্রীৰ বজাৰত IS ৰেখা কিদৰে আহৰণ কৰা হয়, বর্ণনা কৰক।

প্রশ্ন নং ২ ঃ LM ৰেখাৰ সংজ্ঞা আগবঢ়াওক। LM ৰেখাডাল মুদ্রা বজাৰত কিদৰে আহৰণ কৰা হয় বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ত্বৰণ নীতি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ত্বৰণ নীতিৰ ধাৰণা
১২.৪ ত্বৰণ নীতি
১২.৫ ত্বৰণৰ কার্যকৰণ
১২.৬ ত্বৰণ নীতিৰ অভিধাৰণা আৰু সীমাবদ্ধতা
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবৰ বাবে
১২.৯ অগ্রগতি নিৰীক্ষণ
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ত্বৰণৰ ধাৰণা সম্পর্কে জানিব পাৰিব
- ত্বৰণ নীতিৰ ব্যাখ্যা জানিব পাৰিব
- ত্বৰণ নীতিৰ কার্যকৰণ জানিব পাৰিব
- ত্বৰণ নীতিৰ অভিধাৰণা আৰু সীমাবদ্ধতা সম্পর্কে জানিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিত প্রধানতঃ ত্বৰণৰ বিষয়ে আলোচনা কৰা হৈছে। সমষ্টিবাদী অর্থনীতিৰ অধ্যয়নত ত্বৰণে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এখন অর্থনীতিত বিনিয়োগ ব্যয় আৰু ভোগ ব্যয় এটা আনটোৰ লগত জড়িত।

বিশেষভাৱে মূলধনজাত সামগ্রীৰ চাহিদা ভোগ্য বস্তুৰ ওপৰত নির্ভৰ কৰে; কাৰণ, প্রথমটো পিছৰটো উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰা হয়, যদিও মূলধনজাত সামগ্রীৰ চাহিদা সদায় স্বাভাৰিক অৱস্থাত ভোগ্য সামগ্রীৰ চাহিদাতকৈ বেছি হয়। এই অধ্যায়টিত আমি ভোগ আৰু বিনিয়োগৰ মাজত সম্পর্ক অধ্যয়ন কৰিম। ইয়াক ত্বৰণ নীতি বুলি কোৱা হয়।

১২.৩ ত্বৰণ নীতিৰ ধাৰণা

অর্থনীতি এটাত বিনিয়োগ ব্যয় আৰু ভোগ ব্যয় এটা আনটোৰ লগত জড়িত।

বিশেষভাৱে, মূলধনজাত সামগ্ৰীৰ চাহিদা ভোগ্য সামগ্ৰীৰ চাহিদাৰ ওপৰত নিৰ্ভৰশীল, কাৰণ প্ৰথমটো পিছৰটো উৎপাদন হোৱাত ব্যৱহাৰ কৰা হয়। মূলধনজাত সামগ্ৰীৰ চাহিদাৰ পৰিৱৰ্তন স্বাভাৱিক অৱস্থাত সদায় ভোগ্য বস্তুতকৈ তীব্ৰ হয়।



জনা উচিত

- মূলধন হ'ল (ক) গাঁথনি বা সঁজুলিৰ মজুত, যাক উৎপাদানত ব্যৱহাৰ কৰা হয় আৰু (খ) সঁজুলি আহৰণ তথা আন ভৌতিক উপাদান আহৰণৰ বাবে দৰকাৰ হোৱা প্ৰয়োজনীয় বিত্তৰাশি।
- ত্বৰণৰ নীতিটো প্ৰথমে JM Clark এ অধ্যয়ন কৰিছিল। তেওঁৰ প্ৰকাশিত "Business Accelerator and Law of Demand." শীৰ্ষক লেখাটি *Journal of Political Economy* নামৰ পত্ৰিকাখনৰ, পৃষ্ঠা ২১৭-৩৫ ত ত্বৰণ নীতি সম্পৰ্কে আলোচনা কৰা হৈছে।
- **মূলধনত হোৱা ব্যয় ঃ** মূলধনৰ এক একক কোনো এক সময়সীমাৰ বাবে ধৰি ৰখাৰ বাবদ হোৱা ব্যয়, য'ত অৱক্ষয় ব্যয়, লাভ ইত্যাদিৰ বাবদ মূলধনৰ দৰত হোৱা পৰিবৰ্তন অন্তৰ্ভুক্ত হৈ থাকে।
- **বিনিয়োগত হোৱা ব্যয় ঃ** এয়া হ'ল যিকোনো সামগ্ৰী বা সেৱা কাৰ্যৰ বাবে ব্যক্তি বা প্ৰতিষ্ঠানে কৰা ব্যয়, যাৰ ফলত মূলধনৰ মজুত বৃদ্ধি হয় ।

সাধাৰণ অৰ্থত, ত্বৰণ নীতিয়ে ভোগ ব্যয় আৰু বিনিয়োগ ব্যয়ৰ সম্পৰ্ক স্থাপন কৰে। ইয়াক, ভোগৰ পৰিবৰ্তনৰ ফলত মূলধনজাত সামগ্ৰী বিনিয়োগত বৃহৎ পৰিবৰ্তনৰ প্ৰক্ৰিয়া হিচাপে সংজ্ঞাবদ্ধ কৰিব পৰা যায়। ইয়াক তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি -

$$\nu = \frac{\Delta I}{\Delta C}$$ বা,

য'ত হ'ল ত্বৰণৰ সহগ, I হ'ল বিনিয়োগৰ শুদ্ধ পৰিবৰ্তন, আৰু C হ'ল ভোগৰ শুদ্ধ পৰিবৰ্তন। উদাহৰণ স্বৰূপে, যদি ভোগ ব্যয় 10 লাখ টকাৰ বৃদ্ধিয়ে বিনিয়োগ ব্যয় 30 লাখ টকালৈ বৃদ্ধি কৰে, তেন্তে ত্বৰণৰ সহগ হ'ব – 3।

বিশেষ অৰ্থত, ত্বৰণক এক অনুপাত হিচাপেও সংজ্ঞাৱদ্ধ কৰিব পাৰি- বিনিয়োগ ব্যয় উৎপাদনৰ পৰিমাণৰ পৰিবৰ্তনৰ সমানুপাতিক, আৰু ই মূলধন ব্যয়ৰ দ্বাৰা প্ৰভাৱিত নহয়। এইক্ষেত্ৰত, ত্বৰণ সহগ তলত দিয়া ধৰণে মূলধন বা উৎপাদনৰ অনুপাত হিচাপে প্ৰকাশ কৰিব পাৰি -

$$v = \frac{I_t}{\Delta Y}$$

য'ত It হ'ল t সময়ৰ মুঠ বিনিয়োগ, Y হ'ল ৰাষ্ট্ৰীয় উৎপাদন আৰু $\Delta Y = Y_t - Y_{t-1}$।

এই ক্ষেত্ৰত Shapiro (2000) ৰ নিয়মাৱলী তলত দিয়া ধৰণৰ —

"উৎপাদনৰ ক্ষমতা বৃদ্ধিৰ ফলত মূলধনৰ মজুতৰ দৰকাৰ যাৰ ফলত সাধাৰণতকৈ বেছি হাৰত বিনিয়োগ ব্যয় বৃদ্ধি হয়। সেই হেতুকে, বিনিয়োগ ব্যয়ৰ বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় আয়ৰ

পৰিবৰ্তনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰশীল" (পৃষ্ঠা ৩৯৮)

১২.৪ ত্বৰণৰ নীতি

খণ্ড ১২.১ ত বৰ্ণনা কৰা অনুসৰি, উৎপাদনৰ পৰিবৰ্তন আৰু বিনিয়োগৰ পৰিবৰ্তনৰ সম্পৰ্ককে ত্বৰণ নীতি বুলি কোৱা হয়। মূলধন আৰু উৎপাদনৰ অনুপাত ν ক ত্বৰণ বুলি কোৱা হয়। সৰলভাৱে, বিনিয়োগৰ তত্ত্ব এই সম্পৰ্কৰ ওপৰত প্ৰতিস্থিত, যাক আমি ত্বৰণ বুলি কওঁ।

এই নীতিটো তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰি —

যদি K মূলধনৰ মজুত হয়, Y ৰাষ্ট্ৰীয় উৎপাদন হয়, আৰু ν মূলধন-উৎপাদনৰ অনুপাত হয়, তেন্তে

$K = vY$ ..... (1)

[সমীকৰণ (1) এ ইয়াকে বুজায় যে, যদি v2 হয়, তেন্তে 200 টকা বিনিয়োগ (বা মূলধন)ৰ প্ৰত্যাশিত আয় (Y) হ'ব 400 টকা।]

যিহেতু এই নীতিটো স্থিৰ মূলধন আৰু উৎপাদনৰ অনুপাতৰ সহায়ত প্ৰতিস্থিত,সেয়ে, সমীকৰণ (1) ৰ K কেৱল Y ৰ ধাৰাবাহিক পৰিবৰ্তন সাপেক্ষেহে পৰিবৰ্তন হয়। যদি 't' য়ে সময়ক বুজায়, তেন্তে সময়ক অন্তৰ্ভুক্ত কৰি সমীকৰণ (1) তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি -

$K_{t-1} = vY_{t-1}$ ..... (2)

ইয়াত (t – 1) য়ে পূৰ্ববতী সময়ক বুজাইছে আৰু 't' হ'ল বৰ্তমান সময়।

যদি উৎপাদন (t – 1) ৰ পৰা (t) লৈ বৃদ্ধি হয়, তেন্তে মূলধন মজুত হ'ব

$K_t = vY_t$ ..... (3)

সমীকৰণ (2) আৰু (3)ৰ পৰা এইটো ক'ব কৰিব পাৰি যে মূলধন মজুতৰ প্ৰকাশ্য পৰিবৰ্তন হ'ল $K - K_{t-1}$ আনহাতে, মূলধন মজুত K_{t-1} ৰ পৰা K_t লৈ বৃদ্ধি কৰোঁতে দৰকাৰী হোৱা বিনিয়োগ ব্যয় মূলধন মজুতৰ সমান হয়।

অৰ্থাৎ $I_t = K_t - K_{t-1}$ ..... (4)

ইয়াত I_t হ'ল t সময়ত হোৱা শুদ্ধ বিনিয়োগ। সংজ্ঞা অনুসৰি, শুদ্ধ বিনিয়োগ মুঠ বিনিয়োগৰ পৰা অৱক্ষয় বিয়োগ কৰি পোৱা যায়।

সমীকৰণ (3) সমীকৰণ (4) ত বহুৱাই পাওঁ —

$I_t = vY_t - vY_{t-1}$

বা $I_t = v(Y_t - Y_{t-1})$ ..... (5)

(5) নং সমীকৰণে বুজায় যে, শুদ্ধ বিনিয়োগ উৎপাদনৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰশীল যেতিয়া উৎপাদনৰ (Y) মূলধন উৎপাদনৰ অনুপাত (ν)ৰ গুণক হিচাপে 't' ৰ পৰা (t –1) লৈ পৰিবৰ্তন হয়। যদি $Y_t > Y_{t-1}$ হয়, সমীকৰণটোৱে বুজায় যে, $I_t > 0$ হব। গতিকে ν ৰ মূল্য দিয়া থাকিলে আৰু উৎপাদন (t – 1) ৰ পৰা t লৈ পৰিবৰ্তন হয়, তেন্তে শুদ্ধ বিনিয়োগ মুঠ উৎপাদনৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰশীল। যদি অৰ্থনীতিটোৱে কোনো অতিৰিক্ত উৎপাদন নকৰে আৰু যদি

মূলধন-উৎপাদন অনুপাত স্থিৰ হয়, তেন্তে, উৎপাদন বৃদ্ধিৰ ফলত মূলধন মজুতৰ বৃদ্ধিৰ দৰকাৰ হয়। তদুপৰি, যদি ত্বৰণ 1 তকৈ বেছি হয়, তেন্তে দৰকাৰী মূলধন মজুত উৎপাদনৰ পৰিমাণৰ বৃদ্ধিতকৈ বেছি হ'ব লাগিব, যাতে, বিনিয়োগ ব্যয়ৰ পৰিবৰ্তন উৎপাদনৰ পৰিবৰ্তনতকৈ বেছি হয়।

১২.৫ ত্বৰণৰ কার্য্যকৰণ

ত্বৰণৰ মৌলিক নীতি বৰ্ণনা কৰা পিছত এতিয়া আমি ত্বৰণে কেনেদৰে কার্য্য কৰে, সেই বিষয়ে আলোচনা কৰিম। ত্বৰণৰ কার্য্যকৰণ আলোচনা কৰিবলৈ আমি উৎপাদনৰ পৰিবর্তনৰ সাপেক্ষে মুঠ বিনিয়োগৰ সময় অনুপাতে হোৱা পৰিবর্তন গণনা কৰিব লাগিব। ইয়াক বুজাবলৈ এক কাল্পনিক উদাহৰণ তালিকা ১২.১ ত দেখুওৱা হৈছে। সমষ্টিবাদী অর্থনীতিৰ পাঠ্যপুথি 'E-Shapiro' ৰ Macroeconomic Analysis (২০০০) ৰ পৰা লোৱা হৈছে।

তালিকা ১২.১ ঃ ত্বৰণ নীতিৰ কার্য্যকৰণ

(ইয়াত $\nu = 2$ ধৰা হৈছে)

সময় (বছৰ হিচাপত)	উৎপাদন (গোট হিচাপত)	প্রত্যাশিত মূলধন (কৌটিৰ হিচাপত)	প্রকৃত মূলধন (কৌটৰ হিচাপত)	প্রতিস্থাপন বিনিয়োগ (কৌটিৰ হিচাপত)	শুদ্ধ বিনিয়োগ (কৌটিৰ হিচাপত)	সর্বমুঠ বিনিয়োগ (কৌটিৰ হিচাপত)
t	200	400	400	20	0	20
t + 1	210	420	420	20	20	40
t + 2	220	440	440	20	20	40
t + 3	250	500	500	20	60	80
t + 4	270	540	540	20	40	60
t + 5	260	520	520	20	– 20	0
t + 6	256	512	512	20	– 8	12
t + 7	250	500	500	20	– 12	8
t + 8	230	460	480	20	– 40	– 20
t + 9	200	400	460	20	– 60	– 40
t + 10	190	380	440	20	– 20	0
t + 11	210	420	420	20	40	60
t + 12	220	440	440	20	20	40

তলিকা ১২.১ ৰ স্তম্ভ ১ত সময়, স্তম্ভ ২ ত স্থিৰ আয় বা উৎপাদন সময় অনুপাতে দেখুওৱা হৈছে। মূলধন আৰু উৎপাদনৰ অনুপাত স্থিৰ ২ বুলি ধৰা হৈছে। এই মূলধনৰ অনুপাতৰ সহায়ত প্রকাশ্য স্তম্ভ ৩ ত দেখুওৱা হৈছে। মূলধন মজুতৰ প্রকাশ্য পৰিমাণটো উৎপাদনৰ লগত স্থিৰ অনুপাতটো পূৰণ কৰি পোৱা যায়। যিহেতু প্রকৃত মূলধন মজুত প্রকাশ্য মূলধন মজুতৰ

সৈতে একে নহ'বও পাৰে, সেয়ে স্তম্ভ ৫ ত প্ৰকৃত মূলধন মজুত উপস্থাপন কৰা হৈছে। মূলধনৰ সাধাৰণ গড় আয়ুস হিচাপত প্ৰত্যেক সময়ত প্ৰতিস্থাপন বিনিয়োগ (replacement investment) প্ৰথম বৰ্ষৰ প্ৰকৃত মূলধন মজুতৰ ৫ শতাংশ হিচাপে সমগ্ৰ সময়ছোৱাৰ বাবে ধৰি লোৱা হৈছে। গতিকে, প্ৰতিস্থাপন বিনিয়োগ হ'ব ২০ কোটি আৰু ই সকলো সময়তেই স্থিৰ হৈ থাকিব। স্তম্ভ ৬ ত শুদ্ধ বিনিয়োগক দেখুওৱা হৈছে যিটো বৰ্তমান আৰু পূৰ্ববৰ্তী সময়ৰ উৎপাদনৰ পৰিবৰ্তনৰ গুণক হিচাপে দেখুওৱা হৈছে। আকৌ স্তম্ভ ৭ ত প্ৰতিস্থাপন আৰু শুদ্ধ বিনিয়োগ যোগ কৰি সৰ্বমুঠ বিনিয়োগ দেখুওৱা হৈছে।

ওপৰৰ তালিকাৰ পৰা আমি ত্বৰণ নীতি সম্পৰ্কে তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰোঁ —

যেতিয়া (t + 1) সময়ত উৎপাদনৰ চাহিদা 10 এককলৈ (200 এককৰ পৰা 210 এককলৈ) বৃদ্ধি হয়, তেতিয়া নতুন দৰকাৰী বিনিয়োগ হ'ব

$I_t = v(Y_t - Y_{t-1})$, অৰ্থাৎ $2(210-200) = 2 \times 10 = 20$ কৌটি।

মূলধনজাত সামগ্ৰী (শুদ্ধ বিনিয়োগ আৰু প্ৰতিস্থাপন বিনিয়োগৰ যোগফল), t সময়ত 20 ৰ পৰা (t + 1) ত 40 লৈ বৃদ্ধি হৈছে। গতিকে দেখা গ'ল যে, যেতিয়া ত্বৰণ (v) ৰ মান হৈছে 2, তেতিয়া উৎপাদন যেতিয়া 200 কৌটিৰ পৰা 210 কৌটিলৈ (অৰ্থাৎ 5%) বৃদ্ধি পাইছে, তেতিয়া মূলধনজাত সামগ্ৰীত কৰা ব্যয় 20 কৌটিলৈ (অৰ্থাৎ 100%) বৃদ্ধি হৈছে।

ইয়াক বুজাবলৈ আন এখন কাল্পনিক তালিকা ১২.২ ত দেখুওৱা হৈছে —

তালিকা ১২.২ ঃ ত্বৰণ নীতিৰ কাৰ্য্যকৰণ


(ইয়াত $\nu = 5$ ধৰা হৈছে)

সময় (বছৰ হিচাপত)	উৎপাদন (গোট হিচাপত)	প্ৰত্যাশিত মূলধন (কোটিৰ হিচাপত)	প্ৰকৃত মূলধন (কোটিৰ হিচাপত)	পুনৰ স্থাপন বিনিয়োগ (কোটিৰ হিচাপত)	শুদ্ধ বিনিয়োগ (কোটিৰ হিচাপত)	সৰ্বমুঠ বিনিয়োগ (কৌটিৰ হিচাপত)
t	200	1000	1000	50	0	50
t + 1	200	1000	1000	50	0	50
t + 2	205	1025	1025	50	25	75
t + 3	215	1075	1075	50	50	100
t + 4	230	1150	1150	50	75	125
t + 5	240	1200	1200	50	50	100
t + 6	245	1225	1225	50	25	75
t + 7	240	1200	1200	50	– 25	25
t + 8	230	1150	1150	50	– 50	0
t + 9	225	1125	1125	50	– 25	25

ওপৰৰ তালিকা ১২.২ ত উৎপাদনৰ পৰিবৰ্তন, মুলধনৰ মজুত, মুঠ বিনিয়োগ, শুদ্ধ বিনিয়োগ ১০ বছৰৰ বাবে দেখুওৱা হৈছে। ত্বৰণৰ মূল্য ৫ বুলি ধৰা হৈছে দিয়া আছে $K_t=vY_t$ অর্থাৎ মূলধনৰ মজুত প্রতিটো সময়তে উৎপাদনৰ পৰিমাণৰ ৫ গুণ হ'ব, যিটো স্তম্ভ ৩ ত দেখুওৱা হৈছে। বিনিয়োগ পুনৰস্থাপনৰ ৫ শতাংশ বুলি ধৰা হৈছে য'ত প্রথম বর্ষত ইয়াক ৫০ কোটি বুলি দেখুওৱা হৈছে। স্তম্ভ ৫ ত উৎপাদনৰ পৰিমাণ দেখুওৱা হৈছে য'ত $I_t= v(Y_t-Y_{t-1})$ ইয়াৰ পৰা এইটো নির্ণয় কৰিব পাৰি, যে মুঠ বিনিয়োগ উৎপাদনৰ পৰিমাণৰ পৰিবর্তনৰ ওপৰত নির্ভৰশীল। যেতিয়ালৈ উৎপাদনৰ পৰিমাণ বৃদ্ধি হয়, তেতিয়ালৈ শুদ্ধ বিনিয়োগ ধনাত্মক হয়। শুদ্ধ বিনিয়োগ ঋণাত্মক হয়, যেতিয়া দুটা সময়ত উৎপাদনৰ পৰিবর্তন ঋণাত্মক হয়। তালিকাখনত, (t + 4) সময়লৈ উৎপাদন ক্রমবর্ধমান হাৰত বৃদ্ধি পায়। ইয়াৰ পিছত (t + 5) সময়লৈ ই হ্রাস পায় আৰু শুদ্ধ বিনিয়োগ হ্রাস পায়। (t + 6) সময়ৰ পৰা উৎপাদন হ্রাস পাইছে আৰু শুদ্ধ বিনিয়োগ ঋণাত্মক হোৱা দেখা গৈছে।

ত্বৰণ নীতি তালিকা ১২.২ ব্যৱহাৰ কৰি তলৰ চিত্র ১২.১ আৰু ১২.২ ত দেখুওৱা হ'ল —


চিত্র ১২.১ ঃ ত্বৰণ নীতি ঃ উৎপাদন ৰেখা



ওপৰৰ চিত্র ১২.১ ত মুঠ উৎপাদন ৰেখা দেখুওৱা হৈছে। মুঠ উৎপাদন সময় (t + 4) লৈ ক্রমবর্ধমান হাৰত বৃদ্ধি হৈছে, ইয়াৰ পিছত (t + 6) সময়লৈ ই ক্রমহ্রাসমান হাৰত আৰু ইয়াৰ পিছত হ্রাস হৈছে।

মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগ ৰেখা তলৰ চিত্র ১২.২ ত দেখুওৱা হ'ল —

চিত্র ১২.২ ঃ ত্বৰণ নীতিঃ মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগ ৰেখা



শুদ্ধ বিনিয়োগ ৰেখা চিত্র ১২.২ ত দেখুওৱা হৈছে য'ত শুদ্ধ বিনিয়োগ (t + 4) সময়লৈ উৎপাদন বৃদ্ধিৰ ফলত হৈছে। কাৰণ উৎপাদন ক্রমহ্রাসমান হাৰত বৃদ্ধি পায়। কিন্তু যেতিয়া উৎপাদন (t + 4) ৰ পৰা (t + 6) লৈ বৃদ্ধি হয়, তেতিয়া শুদ্ধ বিনিয়োগ হ্রাস হয়। আকৌ যদি উৎপাদনৰ পৰিমাণ (t + 7) বছৰলৈ বৃদ্ধি হয়, শুদ্ধ বিনিয়োগ ঋণাত্মক হয়। চিত্র ১২.২ ত মুঠ বিনিয়োগ ৰেখা শুদ্ধ বিনিয়োগৰ দৰে দেখুওৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ত্বৰণ কিয় ব্যৱহাৰ কৰা হয়? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ২ ঃ ত্বৰণ নীতিৰ সংজ্ঞা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক ঃ

$I_t = v (Y_t - _____)$

১২.৬ ত্বৰণ নীতিৰ অভিধাৰণা আৰু সীমাবদ্ধতা

ত্বৰণ নীতি তলৰ অভিধাৰণাৰ ওপৰত প্ৰতিস্থিত

- প্ৰতিষ্ঠানখনৰ মূলধন- উৎপাদনৰ অনুপাত স্থিৰ বুলি ধৰা হয়।
- প্ৰতিষ্ঠানখনে কোনো অতিৰিক্ত ক্ষমতা নোহোৱাকৈ কাৰ্য্য কৰে। অৰ্থাৎ প্ৰতিস্থানখনে কোনো সম্প্ৰসাৰণ কৰিব নোৱাৰে।
- প্ৰতিষ্ঠানসমূহে প্ৰকৃত ব্যয় বৃদ্ধি কৰিবলৈ ক্ষমতা বৃদ্ধি কৰিব নোৱাৰে। চাহিদাৰ সৃষ্টি কৰা সম্পদসমূহ স্থিতিস্থাপক বুলি ধৰা।
- প্ৰত্যক্ষ মূলধন আৰু প্ৰকৃত মূলধনৰ মাজত কোনো পাৰ্থক্য নাই।
- উৎপাদনৰ বৃদ্ধিয়ে শুদ্ধ বিনিয়োগৰ বৃদ্ধিক বুজায়।

ত্বৰণ নীতিৰ অভিধাৰণাকেইটা তলত দিয়া ধৰণে সমালোচনা কৰা হৈছে।

- **মূলধন উৎপাদনৰ অনুপাত স্থিৰ নহয় ঃ** ত্বৰণ নীতি স্থিৰ উৎপাদন মূলধন অনুপাত ধাৰণাৰ ওপৰত প্ৰতিস্থিত। কিন্তু মূলধন কেতিয়াও স্থিৰ হ'ব নোৱাৰে। যেনে, প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে মূলধন প্ৰান্তিক দক্ষতা বৃদ্ধি কৰে, যাৰ ফলত প্ৰতি একক মূলধনত উৎপাদনৰ পৰিমাণ বৃদ্ধি পায়। আকৌ, বিনিয়োগকাৰীসকলৰ কল্পনাপ্ৰসূত আচৰণে ভৱিষ্যত চাহিদাক প্ৰভাৱিত কৰে।
- **সম্পদ স্থিতিস্থাপক নহয় ঃ** ত্বৰণ নীতিয়ে ধৰি লয় যে, সম্পদ হ'ল স্থিতিস্থাপক, অৰ্থাৎ সম্পদসমূহ মূলধনজাত সামগ্ৰীৰ উদ্যোগ সমূহত ব্যৱহাৰ কৰা হয় আৰু উদ্যোগসমূহ সম্প্ৰসাৰণ কৰা হয়। কিন্তু ই যুক্তি সংগত হ'ব যদিহে অৰ্থনীতিত নিবনুৱাৰ সৃষ্টি হয়। যেতিয়াই অৰ্থনীতি এটাই পূৰ্ণ নিয়োগৰ স্তৰত উপনীত হয়, মূলধনজাত সামগ্ৰীৰ উদ্যোগবোৰ সম্প্ৰসাৰণ হোৱাত ব্যৰ্থ হয়। এয়াই হ'ল ত্বৰণ নীতিৰ সীমাবদ্ধতা।
- **অতিৰিক্ত ক্ষমতাৰ কোনো সম্ভাৱনা নাই ঃ** ত্বৰণ নীতিয়ে ধৰি লয় যে প্ৰতিষ্ঠানসমূহৰ কোনো অতিৰিক্ত ক্ষমতা নাই। কিন্তু এই অভিধাৰণা সকলো প্ৰতিস্থানৰ বাবে প্ৰযোজ্য নহ'বও পাৰে। কিছু ক্ষেত্ৰত, ভোগ্য দ্ৰব্যসামগ্ৰীৰ চাহিদা বৃদ্ধিয়ে মূলধনজাত সমাগ্ৰীৰ চাহিদা বৃদ্ধি নকৰে। এনে ক্ষেত্ৰত ত্বৰণ নীতি প্ৰযোজ্য নহয়।
- **দৰকাৰী আৰু প্ৰকৃত মজুত ভাণ্ডাৰৰ মাজৰ পাৰ্থক্য**

ত্বৰণ নীতিয়ে ধৰি লয় যে দৰকাৰী আৰু প্ৰকৃত মজুত ভাণ্ডাৰৰ কোনো পাৰ্থক্য নাই। যদি ই উদ্ভৱো হয়, সেই নিৰ্দিষ্ট সময়ছোৱাতে শেষো হয়। কিন্তু যদি কোনো প্ৰতিষ্ঠানে ইতিমধ্যে মূলধনজাত সামগ্ৰী সম্পূৰ্ণ উৎপাদন শক্তি প্ৰয়োগ কৰি উৎপাদন কৰি আছে, তেন্তে অতিৰিক্তভাৱে উৎপাদন কৰা খিনি কোনো এটা সময়ত সম্পূৰ্ণৰূপে শেষ কৰা সম্ভৱ নহয়।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণতে, শুদ্ধ বিনিয়োগৰ পৰিৱৰ্তনৰ সাপেক্ষে উপভোগ ব্যয়ৰ পৰিৱৰ্তনক ত্বৰণ সহগ বুলি কোৱা হয়। সাংকেতিকভাৱে, য'ত I হৈছে বিনিয়োগ আৰু C হৈছে উপভোগ ব্যয়।
- বিশেষভাৱে, ত্বৰণ নীতি হ'ল এক অনুপাত যিয়ে বিনিয়োগ ব্যয় আৰু উৎপাদনৰ পৰিবৰ্তনক প্ৰকাশ কৰে।
- মূলধনত হোৱা ব্যয় হ'ল মূলধনৰ এক একক ধৰি ৰাখিবলৈ হোৱা ব্যয়। ইয়াত সুতৰ হাৰ, অৱক্ষয়, দৰৰ পৰিবৰ্তনৰ ফলত হোৱা লাভ বা লোকচান ইত্যাদি অন্তৰ্ভুক্ত হয়।
- ত্বৰণ নীতিৰ পূৰ্বৱৰ্তী অধ্যয়ন J.M. Clark এ 'Business Accelerator and Law of Demand' গ্ৰন্থৰ সহায়ত প্ৰকাশ কৰে।
- উৎপাদনৰ পৰিবৰ্তন আৰু বিনিয়োগৰ আকাৰৰ মাজৰ সম্পৰ্কক ত্বৰণ নীতি বুলি কোৱা হয়। মূলধন আৰু উৎপাদনৰ অনুপাতক ত্বৰণ নীতি কোৱা হয়।
- শুদ্ধ বিনিয়োগ হ'ল মুঠ বিনিয়োগৰ পৰা অৱক্ষয়ক বিয়োগ কৰি পোৱা অংশ।
- স্থিৰ মূলধন উৎপাদনৰ অনুপাতৰ অভিধাৰণাৰ ওপৰত ত্বৰণ নীতি প্ৰতিষ্ঠিত।
- বহুতো সমালোচকে কৈছে, ত্বৰণ নীতি প্ৰধানত কেতবোৰ অবাস্তৱ অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত।



১২.৮ অধিক জানিবৰ বাবে

1) Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy,* USA: Kessinger Publishing, LLC.
2) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.
3) Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*, Singapore: Schaum's Outline Series, McGraw-Hill Book Company.

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, ৰফিক. ২০০৯ . *সমষ্টিগত অৰ্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্ৰকাশন।



১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সাধাৰণতে ত্বৰণ নীতিয়ে ভোগ ব্যয় আৰু বিনিয়োগ ব্যয়ৰ সম্পৰ্ক স্থাপন কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ বিশেষভাৱে ত্বৰণ হ'ল এটা অনুপাত, যিয়ে বিনিয়োগ ব্যয়ৰ

অনুপাতে উৎপাদনৰ পৰিবৰ্ত্তনক বুজায়। ইয়াত ত্বৰণৰ গুণক হ'ল বা মূলধন — উৎপাদনৰ অনুপাত) য'ত It হ'ল 't' সময়ত শুদ্ধ সময়ত বিনিয়োগ, Y উৎপাদন পৰিমান আৰু $\Delta Y = Y_t - Y_{t-1}$

IS ৰেখাডালে নিম্নগামী কাৰণ সুতৰ হাৰ যেতিয়া হ্রাস পায় তেতিয়া বিনিয়োগ বৃদ্ধি হয় আৰু ইয়াৰ ফলস্বৰূপে আয়ো বৃদ্ধি হয়।

৩ নং প্রশ্নৰ উত্তৰঃ $I_t = v(Y_t - Y_{t-1})$



১২.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন

প্রশ্ন নং ১ ঃ মূলধন কি?

প্রশ্ন নং ২ ঃ বিনিয়োগ কি?

প্রশ্ন নং ৩ ঃ মুঠ বিনিয়োগ কি?

প্রশ্ন নং ৪ ঃ শুদ্ধ বিনিয়োগ কি?

প্রশ্ন নং ৫ ঃ মূলধন উৎপাদনৰ অনুপাত কি?

প্রশ্ন নং ৬ ঃ ত্বৰণ নীতি কি?

প্রশ্ন নং ৭ ঃ হিক্সৰ ত্বৰণ নীতি উল্লেখ কৰক।

প্রশ্ন নং ৮ ঃ মূলধন উৎপাদনৰ অনুপাত স্থিৰ নে?

প্রশ্ন নং ৯ ঃ অতিৰিক্ত ক্ষমতা মানে কি বুজে?

প্রশ্ন নং ১০ ঃ ত্বৰণ নীতিৰ বাবে দৰকাৰী মূলধন কেনেদৰে পোৱা যায়?

প্রশ্ন নং ১১ ঃ মূলধন ব্যয় বুলিলে কি বুজে?

খ) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ ত্বৰণ নীতিৰ উপযুক্ত সংজ্ঞা দিয়ক।

প্রশ্ন নং ২ ঃ ত্বৰণ নীতি সমীকৰণ নির্ণয় কৰক।

প্রশ্ন নং ৩ ঃ বিনিয়োগৰ সংজ্ঞা দিয়ক। মুঠ আৰু শুদ্ধ বিনিয়োগৰ পার্থক্য বিচাৰ কৰক।

প্রশ্ন নং ৪ ঃ মূলধন-উৎপাদনৰ অনুপাত কি? কি অৱস্থাত ই স্থিৰ হয় ব্যাখ্যা কৰক।

প্রশ্ন নং ৫ ঃ যদিহে ত্বৰণৰ সহগ এককতকৈ বেছি হয়, কি হ'ব বর্ণনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ ত্বৰণ কি? ত্বৰণ নীতি সম্পর্কে বর্ণনা কৰক।

প্রশ্ন নং ২ ঃ এটা উদাহৰণৰ সহায়ত ত্বৰণ নীতিৰ কার্য্যকৰণ বর্ণনা কৰক। ত্বৰণ নীতিৰ মূল সীমাবদ্ধতাবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ ব্যৱসায় চক্ৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ব্যৱসায় চক্ৰ

১৩.৩.১ অৰ্থ আৰু সংজ্ঞা

১৩.৩.২ ব্যৱসায় চক্ৰৰ বৈশিষ্টসমূহ

১৩.৩.৩ ব্যৱসায় চক্ৰৰ বিভিন্ন পৰ্যায়সমূহ

১৩.৩.৪ পৰ্যায়সমূহৰ গুৰুত্ব

১৩.৪ ব্যৱসায় চক্ৰ সৃষ্টিৰ কাৰণসমূহ

১৩.৫ ব্যৱসায় চক্ৰ প্ৰতিৰোধৰ উপায়

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবৰ বাবে

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্যৱসায় চক্ৰৰ ধাৰণাটো বৰ্ণনা কৰাৰ লগতে ইয়াৰ বিভিন্ন স্তৰ আৰু স্তৰসমূহৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব
- হিক্সে আগবঢ়োৱা ব্যৱসায় চক্ৰৰ তত্ত্বটো ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায় চক্ৰৰ প্ৰতিৰোধমূলক ব্যৱস্থা সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

কোনো কোনো অৰ্থবিজ্ঞানীয়ে এই বুলি মত প্ৰকাশ কৰে যে এক পুঁজিবাদী অৰ্থনীতি নিৰ্দিষ্ট স্তৰ কেইটামানৰ মাজেৰে প্ৰৱাহিত হয়। ইয়াৰ অৰ্থ এয়ে যে, যদিও এক পুঁজিবাদী অৰ্থনীতি (উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰ অথবা বৃটেইনৰ অৰ্থনীতি) দীঘলীয়া সময় ধৰি বিকাশ লাভ কৰি থাকে (উৎপাদন, আয় আৰু নিয়োগৰ বিকাশ), তথাপিও সেই অৰ্থনীতিৰ অৰ্থনৈতিক কাৰ্যকলাপত বহুতো উত্থান-পতনৰ সৃষ্টি হয়। এই অৰ্থনৈতিক উত্থান-পতনবোৰ সাধাৰণতে এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত ঘটে, যদিও এইবোৰৰ সঠিক সময়টো

নিৰূপণ কৰিব নোৱাৰি।

এই অৰ্থনৈতিক উঠা-নমাসমূহকে অৰ্থবিজ্ঞানীসকলে *'বাণিজ্য চক্ৰ'* (business cycles) বুলি অভিহিত কৰিছে। কেইন্সে অৱশ্যে বাণিজ্য চক্ৰৰ পৰিবৰ্ত্তে *'ব্যৱসায় চক্ৰ'* (trade cycles) শব্দটোহে ব্যৱহাৰ কৰিছিল। এই চক্ৰসমূহক কিছুমান পৰ্যায়ত বিভক্ত কৰা হৈছে । এই অধ্যায়টিত ব্যৱসায় চক্ৰৰ বিভিন্ন পৰ্যায়সমূহৰ লগতে ইয়াৰ অৰ্থ, সংজ্ঞা আৰু চৰিত্ৰ আলোচনা কৰা হৈছে। অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি কিছুমান গুৰুত্বপূৰ্ণ বাণিজ্য-চক্ৰ প্ৰতিৰোধী ব্যৱস্থা আগবঢ়াব পাৰিব।

১৩.৩ ব্যৱসায় চক্ৰ

পুঁজিবাদী অৰ্থনীতিত থকা জটিল পৰিঘটনাসমূহৰ ভিতৰত ব্যৱসায় চক্ৰ অন্যতম। অৰ্থবিজ্ঞানীসকলে এই পৰিঘটনাক বিভিন্ন দৃষ্টিভঙ্গীৰে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। ব্যৱসায় চক্ৰৰ সৈতে জড়িত বিভিন্ন কাৰক তথা পৰ্যায়সমূহ আলোচনা কৰোঁতে অৰ্থবিজ্ঞানীসকল বিভিন্ন মতত বিভক্ত হোৱা দেখা যায়। ইয়াত অৱশ্যে আমি কেতবোৰ উমৈহতীয়া দিশহে আলোচনাৰ বাবে বাচি লৈছোঁ।

১৩.৩.১ অৰ্থ আৰু সংজ্ঞা

বহল অৰ্থত ক'বলৈ গ'লে ব্যৱসায় চক্ৰসমূহ হৈছে অৰ্থনৈতিক কাৰ্যকলাপত হোৱা কেতবোৰ উত্থান-পতন, যিবোৰ নিৰ্দিষ্ট সময়ৰ ব্যৱধানত, নিয়মিতভাৱে আৰু পৰ্যায়ক্ৰমে সংঘটিত হয়। বিভিন্ন অৰ্থবিজ্ঞানীয়ে নিজ নিজ ধৰণে ব্যৱসায় চক্ৰৰ সংজ্ঞা আগবঢ়াইছে। ইয়াত তেনে কেতবোৰ গুৰুত্বপূৰ্ণ সংজ্ঞাৰ বিষয়ে আলোচনা কৰিম।

ৱেছলী চি. মিটশ্ৱেল্ (Wesley C. Mitchell) আৰু আৰ্থাৰ্ এফ্ বাৰ্নচ্ (Arthur F. Burns)-এ আগবঢ়োৱা সংজ্ঞাটো এই দিশত সবাতোকৈ সৰ্বাত্মক বুলি ধৰা হয়। এই সংজ্ঞাটো এনেধৰণৰ—

> [ব্যৱসায় চক্ৰ হ'ল মূলতঃ ব্যৱসায়িক কাম-কাজখিনিক প্ৰভাৱান্বিত কৰা এক ধৰণৰ অৰ্থনৈতিক পৰিঘটনা। সাধাৰণতে, ব্যৱসায় চক্ৰ এটা উদ্ভৱ হয় অৰ্থনীতিটোৰ সৰ্বাত্মক বাণিজ্যিক কাম-কাজখিনি উৎসাহিত কৰা এক সমৃদ্ধিৰ পৰ্যায় হিচাপে। এই পৰ্যায়টো অনুক্ৰম কৰে সংকোচন পৰ্যায়টোৱে, যিয়ে অৰ্থনীতিটোৰ সাধাৰণ কাম-কাজখিনি বহু পৰিমাণে সীমাবদ্ধ কৰে। তাৰ অনুকৰণত অৰ্থনীতিটোত মন্দাৱস্থাৰ সৃষ্টি হয়; আৰু ইয়াৰ অনুক্ৰমৰ পৰ্যায়টো হ'ল অৰ্থনীতিটোৰ পুনৰ্নিৰ্মাণ। এই পুনৰ্নিৰ্মাণ পৰ্যায়টোৱে অৰ্থনীতিটোক পুনৰাই সমৃদ্ধিৰ পৰ্যায়লৈ লৈ যায়। এই পৰ্যায়সমূহ এই অনুক্ৰমতে সংঘটিত হয়; যদিও পৰ্যায় এটাৰ কোনো নিৰ্দিষ্ট সময়-

সীমা নাই। দৰাচলতে, এনে এটা পর্যায় এবছৰৰ পৰা দহ বা বাৰ বছৰ পর্যন্ত চলি থাকিব পাৰে। এই পর্যায়সমূহ সৰু সৰু পর্যায়ত ভাগ কৰিব নোৱাৰি। আকৌ, পর্যায়সমূহ স্বয়ংক্রিয়, অর্থাৎ কাৰো দ্বাৰা এইবোৰৰ প্রভাৱ সীমাবদ্ধ কৰিব নোৱাৰি।"

উপর্যুক্ত সংজ্ঞাটোৱে নিম্নোলেখিত বিষয়বোৰ পোহৰলৈ আনিছে—

- ব্যৱসায় চক্রসমূহ সুসমন্বিত পুঁজিপতি অর্থনীতিত সৃষ্টি হয়।
- চক্রাকাৰ উত্থান-পতন তথা ব্যক্তিগত খণ্ডৰ অগ্রণীমূলক ভূমিকা অর্থনীতিসমূহৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য।
- ব্যৱসায় চক্রসমূহ হৈছে মুঠ অর্থনৈতিক কার্যকলাপত সৃষ্টি হোৱা কেতবোৰ উত্থান-পতন।
- সম্প্রসাৰণ, সংকোচন, মন্দাৱস্থা আৰু পুনর্নির্মাণ— এই চাৰিটা পর্যায় এক নির্দিষ্ট ক্রমত সংঘটিত হয়।
- চক্রাকাৰ উত্থান-পতনবোৰ নিয়মীয়া, কিন্তু এইবোৰৰ কোনো নির্দিষ্ট সময়-সীমা নাই। অর্থাৎ, এই চক্রসমূহ এক ক্রম অনুযায়ী সংঘটিত হৈ থাকে। কিন্তু, এই চক্রবোৰে কোনো নির্দিষ্ট সময়সীমা মানি নচলে।

কেইন্সে ব্যৱসায় চক্রৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে (তেওঁ অৱশ্যে ইয়াক ব্যৱসায় চক্রহে বুলিছিল)— *'ব্যৱসায় চক্রসমূহক লাভজনক বাণিজ্যিক কাম-কাজৰ পর্যায় (যি পর্যায়ৰ বৈশিষ্ট্য হৈছে মূল্যবৃদ্ধি তথা নিৰনুৱা হ্রাস) আৰু তাৰ অনুক্রমত, নিম্ন স্তৰৰ বাণিজ্যিক কাম-কাজৰ পর্যায় (য'ত মূল্য হ্রাস তথা নিবনুৱা বৃদ্ধি হয়) হিচাপে ব্যাখ্যা কৰিব পাৰি।'*

হাবার্লাৰ্ (Haberler)-এ অতি সহজ ভাৱে ব্যৱসায় চক্রৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে ঃ *'সাধাৰণ অর্থত, বাণিজ্যিক চক্র হৈছে লাভজনক বাণিজ্যৰ এক সুস্থ পর্যায় আৰু নিম্নমানৰ বাণিজ্যৰ এক মন্দাৱস্থা দ্বাৰা গঠিত এক চক্রাকাৰ আৰু ক্রমানুসাৰে সমঘটিত পৰিঘটনা।'*

১৩.৩.২ ব্যৱসায় চক্রৰ বৈশিষ্টসমূহ

ব্যৱসায় চক্র এক অতি জটিল প্রক্রিয়া। তৎস্বত্বেও ইয়াৰ কিছুমান উমৈহতীয়া চৰিত্র তলত দিয়া ধৰণে বর্ণনা কৰিব পাৰিঃ

- **সমগ্র অর্থনীতিৰ ওপৰত প্রভাৱ ঃ** ব্যৱসায় চক্রই সমগ্র অর্থনীতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। ব্যৱসায় চক্রৰ পর্যায়সমূহ এটা অনুক্রমত সংঘটিত হয় আৰু অর্থনীতিৰ বিভিন্ন খণ্ডক প্রভাৱান্বিত কৰে। অস্থায়ী আৰু আংশিক উত্থান-পতনক বাণিজ্য চক্র বা ব্যৱসায় চক্র বুলি কোৱা নহয়।
- **অর্থনীতিৰ বিভিন্ন খণ্ডৰ ওপৰত বিভিন্ন প্রাবল্যত প্রভাৱ ঃ** ব্যৱসায় চক্রৰ ফলত (বিশেষকৈ মন্দাবস্থা আৰু উন্নতি পর্যায়ত) যদিওবা অর্থনীতি এটাৰ প্রতিটো


খণ্ডই প্ৰভাৱান্বিত হয় কিন্তু সকলো খণ্ডই ইয়াৰ তীব্ৰতা সমানে অনুভৱ নকৰে। উদাহৰণ স্বৰূপে, ইয়াৰ ফলত মূলধন সামগ্ৰী উৎপাদন কৰা প্ৰতিস্থানে বেছিকৈ প্ৰভাৱান্বিত হয়।

- **অনিয়মিত সময়সীমা ঃ** চক্ৰাকাৰ উত্থান- পতনবোৰৰ কোনো নিৰ্দিষ্ট সময়সীমা নাথাকে। এটা ব্যৱসায় চক্ৰই ইয়াৰ বিভিন্ন পৰ্যায় সমূহ ৫ ৰ পৰা ১০ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰে যদিও কেতিয়াবা এই সময় ১০ বছৰতকৈও বেছি বিস্তৃত হ'ব পাৰে আৰু কেতিয়াবা ৫ বছৰৰ আগতে সম্পূৰ্ণ হ'ব পাৰে।
- **আন্তঃৰাষ্ট্ৰীয় চৰিত্ৰ ঃ** গোলকীকৰণে পৃথিৱীৰ বিভিন্ন দেশক আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰত ওচৰ চপাই আনিছে। সেয়েহে কোনো এখন দেশত আৰম্ভ হোৱা উত্থান-পতন (উন্নতি বা মন্দাবস্থা) আন বোৰ দেশলৈ প্ৰসাৰিত হয়। ইয়াৰ ফলস্বৰূপে বিশ্বৰ বিভিন্ন উন্নত দেশত দেখা দিয়া মন্দৱস্থাৰ ফল আন আন দেশেও ভোগ কৰে।
- **পুনৰ্নিৰ্মাণৰ গতি সংকোচনতকৈ লেহেমীয়া ঃ** ধৰাতল বিন্দু (trough) অৰ্থাৎ মন্দাৱস্থাৰ একেবাৰে নিম্ন অংশটোত অৰ্থনীতি এখনৰ পুনৰ্নিৰ্মাণৰ বীজ নিহিত হৈ থাকে। ঠিক তেনেদৰে, অৰ্থনীতি এখনৰ সংকোচনৰ বীজাণু নিহিত হৈ থাকে সম্প্ৰসাৰণৰ একেবাৰে শীৰ্ষ অংশ অৰ্থাৎ শীৰ্ষ বিন্দুত (Boom)। কিন্তু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ পূৰ্ব অভিজ্ঞতা মতে, পুণৰ্নিৰ্মাণৰ গতি সংকোচনৰ গতিতকৈ লেহেমীয়া।
- **জটিল চৰিত্ৰৰ ঃ** ব্যৱসায় চক্ৰ এটা অতি জটিল প্ৰক্ৰিয়া। ইয়াৰ সৃষ্টি বিভিন্ন উপাদানৰ ক্ৰিয়াৰ ফলত হয়। সেয়েহে সকলো ব্যৱসায় চক্ৰ একক চৰিত্ৰৰ নহয় আৰু প্ৰতিটোৰ সৃষ্টিৰ আঁৰৰ কাৰণো বেলেগ বেলেগ। সেয়ে, ই ঘটাৰ আগতে ইয়াৰ সঠিক পূৰ্বানুমান কৰাটো জটিল।
- **বিভিন্ন ব্যৱসায় চক্ৰক সামৰি এটা সৰ্বাত্মক বিকাশযুক্ত ধাৰণা ঃ** যদিও সময়ে সময়ে অৰ্থনীতি একোখনে ব্যৱসায় চক্ৰৰ কবলত পৰে, তথাপিও যেতিয়া দীঘলীয়া সময়ত বজাৰ অৰ্থনীতিয়ে বিকাশৰ দিশে ধাবিত হয়, তেতিয়া সৰ্বাত্মক বিকাশযুক্ত ধাৰাই গোটেই অৰ্থনীতখনত গা কৰি উঠে। এনে অৱস্থাত প্ৰতিটো আহিবলগীয়া ব্যৱসায় চক্ৰৰ শীৰ্ষ স্তৰ আগতকৈ বেছি ৰাষ্ট্ৰীয় আয়ৰ স্তৰত দেখা যায়। আমি ইয়াৰ বিষয়ে এই পাঠটিৰ পৰৱৰ্তী ভাগত চিত্ৰ সহকাৰে আলোচনা আগবঢ়াম।
- **অৰ্থনীতিৰ উপৰিও অন্যান্য ক্ষেত্ৰত ব্যৱসায় চক্ৰৰ প্ৰভাৱ ঃ** ব্যৱসায় চক্ৰৰ প্ৰভাৱ অকলমাত্ৰ অৰ্থনৈতিক কাৰ্য্যকলাপতে সীমাবদ্ধ নাথাকে। ইয়াৰ বিভিন্ন সামাজিক প্ৰভাৱো প্ৰতিফলিত হয়। যেনে, ই মানুহৰ আচৰণত পৰিবৰ্তন অনাৰ উপৰিও সামাজিক অপৰাধৰ মাত্ৰা বৃদ্ধি কৰে।

১৩.৩.৩ ব্যৱসায় চক্ৰৰ বিভিন্ন পৰ্যায়সমূহ

ব্যৱসায় চক্ৰৰ চাৰিটা পৰ্যায় থাকে, যথা—সম্প্ৰসাৰণৰ স্তৰ (যাক সমৃদ্ধিৰ স্তৰ বা দ্ৰুত উন্নয়নৰ স্তৰ বুলিও কোৱা হয়), শীৰ্ষস্তৰ (যাক উচ্চ সন্ধিক্ষণৰ বিন্দু বুলিও কোৱা হয়), নিম্নমুখী স্তৰ (যাক অধোগতিৰ স্তৰ, সংকোচন বা মন্দাৱস্থাৰ স্তৰ বুলিও কোৱা হয়), আৰু ধৰাতল বিন্দু (যাক নিম্ন সন্ধিক্ষণৰ স্তৰ বুলিও কোৱা হয়)। ১৩.১ নং চিত্ৰৰ জৰিয়তে এই পৰ্যায়কেইটা দেখুওৱা হৈছে। তৎপশ্চাৎ, প্ৰতিটো পৰ্যায়ৰে বৈশিষ্ট্যসমূহ আমি আলোচনা কৰিম।

চিত্ৰ নং ১৩.১ ঃ অৰ্থনীতিৰ বিকাশহীন ধাৰা প্ৰতিফলিত কৰা বাণিজ্য চক্ৰৰ চাৰিটা স্তৰ




১৩.১ নং চিত্ৰত ব্যৱসায় চক্ৰৰ বিভিন্ন পৰ্যায়সমূহ দেখুওৱা হৈছে। চিত্ৰটিত দেখুওৱাৰ দৰে অৰ্থনীতিৰ সৰ্বপ্ৰথম পৰ্যায়টো ‘a’ বিন্দুত আছে। ইয়াক ধৰাতল বিন্দু বোলা হৈছে। এইটো স্তৰত সকলো অৰ্থনৈতিক কাম-কাজ (উৎপাদন, কৰ্মসংস্থান) নিম্নমানৰ হয়। অৰ্থনীতিত পুনৰ্নিৰ্মাণৰ জৰিয়তে এই প্ৰক্ৰিয়াটো ‘a’-ৰ পৰা ‘b’ বিন্দুলৈ স্থানান্তৰিত হয়। এই পৰ্যায়টোক সম্প্ৰসাৰণ স্তৰ বোলা হয়। ‘b’ বিন্দুত এই পৰ্যায়টোৱে শীৰ্ষাৱস্থা লাভ কৰিছে। এই স্তৰত উৎপাদন, কৰ্মসংস্থান আৰু আয়, এই সকলোবোৰ শীৰ্ষাৱস্থাত থাকে। কিন্তু অৰ্থনৈতিক কাৰ্যকলাপ সমূহ দীঘলীয়া সময় এছোৱাৰ বাবে এই শীৰ্ষাৱস্থাত নাথাকে (ইয়াৰ কাৰণ সমূহ পৰ্যায়ক্ৰমে আলোচনা কৰা হ’ব)। কিছুসময় পিছতে অৰ্থনীতিটোৰ কাম-কাজসমূহ নিম্নমুখী হ’বলৈ ধৰে। এনেদৰে, সকলো অৰ্থনৈতিক কাৰ্যকলাপ নিম্নগামী হৈ ‘b’ ৰ পৰা ‘c’ লৈ গতি কৰি থকা পৰ্যায়টোক সংকোচন বোলা হয়। আৰু ‘c’ বিন্দু পোৱাৰ লগে লগে অৰ্থনীতিটোৱে আকৌ এবাৰ নিম্নাৱস্থা (অথবা মন্দাৱস্থা) পায়। অৰ্থাৎ, এইটো হ’ল ‘a’ ৰ পুনৰাবৃত্তি। মন্দাৱস্থা পোৱাৰ পিছত অৰ্থনীতিটো ক্ৰমান্বয়ে পুনৰুজ্জীৱিত হ’বলৈ ধৰে আৰু ব্যৱসায়িক কাম-কাজবোৰৰ সম্প্ৰসাৰণ হ’বলৈ ধৰে। ইয়াৰ অৰ্থ এয়ে যে, ‘c’-ৰ পৰা ‘d’লৈ যি গতি, সেয়া ‘a’ -ৰ পৰা

'b' লৈ কৰা গতিৰ পুনৰাবৃত্তি। যেতিয়া অর্থনীতিটো 'd' স্তৰত উপনীত হয়, সেয়াই হৈছে অর্থনীতিটোৰ বিকাশৰ শীর্ষ স্তৰ। কিছুসময়ৰ পাছত ই পুনৰ 'd'ৰ পৰা 'c' বিন্দুলৈ অৱনমিত হওঁতে আগৰ স্তৰৰ পুনৰাবৃত্তি হয়। 'e' বিন্দু পোৱাৰ লগে লগে পুনৰ অর্থনৈতিক মন্দাৱস্থাৰ সৃষ্টি হয়।

মন কৰিবলগীয়া যে, এই চিত্রটিত দেখুওৱাৰ দৰে অর্থনীতিয়ে বিভিন্ন পর্যায় অতিক্রম কৰি থকা অৱস্থাত মুঠ অর্থনৈতিক কার্য-কলাপ প্রায় একেটা স্তৰতে থাকে। অর্থাৎ, এই সকলোবোৰ পর্যায়তে উৎপাদন, কর্মসংস্থান আৰু আয়ৰ স্তৰ একেই থাকে। চিত্রটিত মন কৰক, অর্থনীতিটো যেতিয়া 'a', 'c' আৰু 'e' ৰ দৰে নিম্ন পর্যায়সমূহত উপনীত হৈছে, তেতিয়া পর্যায়কেইটা স্পর্শ কৰাকৈ অংকন কৰা tt ৰেখাডাল OX- অক্ষৰ সমান্তৰাল হৈছে। অর্থাৎ, অর্থনীতিটোৰ নিম্ন পর্যায়কেইটা একে স্তৰতেই আছে। পর্যায়কেইটাৰ উত্থান-পতনৰ মাজৰ বিন্দু কেইটাৰ মাজেৰে ৰেখা এডাল অংকন কৰিলেও সেই কথাকে দেখা যাব। চিত্রটিৰ ডট্-ডট্ টনা ৰেখাডালে তাকেই সূচাইছে। এই কথাটোৱে ইয়াকে সূচাইছে যে, দীঘলীয়া সময়ছোৱাত অর্থনীতিটো বিভিন্ন উত্থান-পতনৰ মাজেৰে গতি কৰিলেও, প্রকৃতার্থত ই কোনো বিকাশ লাভ কৰা নাই। অর্থাৎ, অর্থনীতিটোৱে দীর্ঘ সময়ছোৱাত বিকাশহীন ধাৰা এটা প্রতিফলিত কৰিছে; অর্থাৎ ই 'চলন্ত সুস্থিৰতা' (dynamic stability) পৰিঘটনাটো প্রমাণ কৰিছে।

ইয়াৰ বিপৰীতে, জে. আৰ হিক্সৰ দৰে অর্থবিজ্ঞানীসকলে কৈছে যে যেতিয়া অর্থনীতি বাৰম্বাৰ এই পর্যায়সমূহৰ মাজেৰে পাৰ হয়, তেতিয়া গতিশীল সুস্থিৰতাৰ (Dynamic stability) পৰিবর্তে প্রকৃততে উত্থান-পতনৰ ধাৰা এটাহে প্রতিফলিত কৰে। ইয়াৰ অর্থ এয়ে যে, প্রতি বছৰে অর্থনৈতিক কাম-কাজ একে স্তৰতে নাথাকে, বৰঞ্চ ই একেটা স্তৰতেই বিকশিত হৈ থাকে। এনে ক্ষেত্রত উত্থান-পতনৰ চক্রসমূহৰ মাজেৰে যদি এডাল ৰেখা অংকন কৰা হয়, তেতিয়া এই ৰেখাডাল আগৰ ৰেখাডালৰ দৰে X অক্ষৰ সমান্তৰাল নহয়; বৰঞ্চ ক্রমাৎ ওপৰলৈ গতি কৰা ৰেখা এডালহে হ'ব। অর্থাৎ, দীর্ঘ সময়ছোৱাত যে অর্থনীতিটো উত্থান-পতনৰ মাজেৰে বিকাশ লাভ কৰিছে, তাকে ই সূচায়। এয়া ১৩.২ নং চিত্রৰ মাজেৰে দেখুওৱা হৈছে।

চিত্ৰ নং ১৩.২ ঃ অৰ্থনীতিৰ বিকাশযুক্ত ধাৰা প্ৰতিফলিত কৰা বাণিজ্য চক্ৰৰ চাৰিটা স্তৰ



১৩.২ নং চিত্ৰটিত এয়া স্পষ্ট হৈ পৰিছে যে ইয়াৰ পূৰ্বৰ ১৩.১ নং চিত্ৰটিত দেখুওৱাৰ দৰে একেবোৰ পৰ্যায়েৰে অৰ্থনীতিটোৱে গতি কৰে। দুয়োটাৰে পাৰ্থক্য হৈছে যে আগৰ চিত্ৰটিত বিভিন্ন পৰ্যায়কেইটিৰ মধ্যবিন্দুৰেদি অংকন কৰা ডট-ডট্ ৰেখাডাল X-অক্ষৰ সমান্তৰাল আছিল; কিন্তু এই চিত্ৰটিত সেই ৰেখাডালে সোঁফাললৈ ক্ৰমান্বয়ে ওপৰলৈ গতি কৰা দেখা গৈছে। অৰ্থাৎ, ইমানবোৰ উত্থান পতনৰ পৰ্যায়েৰে গতি কৰা সত্বেও উৎপাদন, কৰ্মসংস্থান আৰু আয় ক্ষেত্ৰত যথেষ্ট সম্প্ৰসাৰণ হৈছে। ব্যৱসায় চক্ৰৰ এনেধৰণৰ গতিয়ে চক্ৰাকাৰ উত্থান-পতনৰ পৰিৱৰ্তে গতিশীল সুস্থিৰতা সূচায়।



জনা উচিত

উল্লেখযোগ্য যে চিত্ৰত দেখুওৱাৰ দৰে, অৰ্থনীতি এটাৰ বাণিজ্য চক্ৰ সমূহে নিৰ্দিষ্ট ক্ৰমত প্ৰতিটো পৰ্যায় অতিক্ৰম নকৰিবও পাৰে। এই সংক্ৰান্তত যথেষ্ট উদাহৰণো উপলব্ধ। ১৯২৯ চনত ইংলেণ্ডৰ অৰ্থনীতি এক বৃহৎ মন্দাৱস্থাৰ সন্মুখীন হৈছিল। এই বৃহৎ মন্দাৱস্থাৰ পূৰ্বে ইংলেণ্ডৰ অৰ্থনীতিৰ মন্দাৱস্থা এক সুস্থিৰ স্তৰলৈ অহা যেন লাগিছিল। গতিকে প্ৰকৃতাৰ্থত ই সম্প্ৰসাৰণ মুখীহে হ'ব লাগিছিল। কিন্তু ইয়াৰ পৰিৱৰ্ত্তে বৃহৎ মন্দাৱস্থাৰহে সৃষ্টি হ'ল। আনহাতে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থনীতিয়েও ১৯৩৭ চনত এক সংকুচিত পৰ্য্যায় অৰ্থাৎ মন্দাৱস্থা পাৰ কৰাৰ পিছত পুনৰ তেনে অৱস্থালৈ গতি কৰিছিল।

তদুপৰি, প্ৰতিটো পৰ্যায়ৰ সময়-সীমাও নিৰ্দিষ্ট নহয়। কোনো ক্ষেত্ৰত অৰ্থনীতিয়ে অতি সোনকালে পৰবৰ্তী পৰ্য্যায় লাভ কৰে, কিন্তু কোনো ক্ষেত্ৰত যথেষ্ট সময়ৰ প্ৰয়োজন হয়।

১৩.৩.৪ পর্যায়সমূহৰ গুৰুত্ব

এই পর্যায়সমূহৰ বৈশিষ্ট্যৰ বিষয়ে এতিয়া আমি চমুকৈ আলোচনা কৰিম।

সম্প্রসাৰণ আৰু শীর্ষাৱস্থা ঃ সম্প্রসাৰণ পর্যায়ত অর্থনৈতিক কাম-কাজবোৰ সম্প্রসাৰিত হ'বলৈ ধৰে। ব্যৱসায় চক্ৰৰ শীর্ষাৱস্থাত উপনীত হৈ ই সমৃদ্ধিৰ চূড়ান্ত পর্যায় লাভ কৰে; অর্থাৎ, অর্থনীতিটোৱে ৰাষ্ট্রীয় আয় তথা নিয়োগৰ ক্ষেত্রত চূড়ান্ত পর্য্যায় লাভ কৰে। অর্থাৎ, অর্থনীতিৰ ৰাষ্ট্রীয় আয়ৰ সম্ভৱপৰ সর্বাধিক স্তৰ আৰু প্রকৃত স্তৰৰ মাজত কোনো পার্থক্য নাথাকে। উৎপাদিত সামগ্রীৰ (সামগ্রী আৰু সেৱা, উপভোক্তাৰ স্থায়ী ভোগ্য সামগ্রীসমূহকে ধৰি) চাহিদা যথেষ্ট বৃদ্ধি পায়, লগতে সম্পূর্ণ কর্মসংস্থানো দেখা যায়।

অৱশ্যে এই নির্দিষ্ট পর্যায়টোত অর্থনীতি কেতিয়াও স্থায়ী নহয়। ক্রমান্বয়ে অর্থনৈতিক কাম-কাজবোৰ হ্রাস পাবলৈ ধৰে। এনেধৰণৰ হ্রাসৰ কাৰণসমূহৰ সংক্রান্তত অর্থবিজ্ঞানীসকলৰ বিভিন্ন মতামত আছে। কেইন্সৰ মতে, মূলধনৰ প্রান্তিক কর্মদক্ষতা (MEC) (প্রত্যাশিত লাভ ক্রমান্বয়ে কমি যোৱা)ৰ নিম্নমুখী গতিয়েই ইয়াৰ বাবে দায়ী। মৌদ্রিক অর্থবিজ্ঞানীসকলে অৱশ্যে বেংকৰ ঋণ প্রদানৰ সংকোচনকহে ইয়াৰ বাবে জগৰীয়া কৰে।

সংকোচন ঃ আগতে উল্লেখ কৰাৰ দৰে অর্থনৈতিক কাম-কাজবোৰ হ্রাস পাবলৈ ধৰে। ফলস্বৰূপে কর্মসংস্থান, উৎপাদন আৰু আয় হ্রাস পাবলৈ ধৰে। অর্থনীতিত বৃহৎ সংখ্যক অনৈচ্ছিক নিৰনুৱা (involuntary unemployment)-ৰ সৃষ্টি হয়। আকৌ, সুতৰ হাৰ কমিবলৈ ধৰে। ইয়াৰ ফলস্বৰূপে জনসাধাৰণে বেংকত ধন জমা ৰখাৰ পৰিৱর্ত্তে নিজৰ হাততে নগদ ধন ৰখাটো গুৰুত্ব দিয়ে। উৎপাদনৰ স্তৰ হ্রাস হোৱাৰ লগে লগে উদ্যোগসমূহত অতিৰিক্ত উৎপাদন ক্ষমতাও বৃদ্ধি পাবলৈ ধৰে।

ধৰাতল বিন্দু বা মন্দাৱস্থা ঃ অর্থনৈতিক কাম-কাজবোৰে নিম্নতম পর্যায়লৈ গতি কৰাৰ ফলত অর্থনীতিত মন্দাৱস্থাৰ সৃষ্টি হয়। এই পর্য্যায়টোত সম্পূর্ণ অর্থনৈতিক ব্যৱস্থাটোৱেই ক্ষতিগ্রস্ত হয়। এই অৱস্থাটো বেছি সময়লৈ চলি থাকিলে, ই মন্দাৱস্থাৰ সৃষ্টি কৰে । ১৯২৯-৩৩ চনৰ বৃহৎ মন্দাৱস্থাটো এই ক্ষেত্রত উদাহৰণ স্বৰূপে ব্যৱহাৰ কৰিব পাৰি, য'ত জনসাধাৰণৰ যথেষ্ট ক্ষতি হৈছিল ।

অর্থনীতিৰ মন্দাৱস্থাই অৱশ্যে স্বংক্রিয়ভাৱে সমৃদ্ধিৰ সৃষ্টি নকৰে। কোনো ব্যৱস্থা গ্রহণ নকৰিলে এই মন্দাৱস্থা এক দীঘলীয়া সময় জুৰি স্থায়ী হ'ব পাৰে। এই ক্ষেত্রত চৰকাৰে পদক্ষেপ লোৱা উচিত। অর্থাৎ, অর্থনীতিটোৰ পুনর্নির্মাণৰ বাবে কিছুমান নীতি যেনে, সুস্থিৰতা নীতি, বাণিজ্যিক ঋণ প্রদান আদিৰ দৰে আর্থিক পদক্ষেপ ইত্যাদি গ্রহণ কৰা উচিত যাতে ব্যৱসায়িক কাম-কাজ ত্বৰান্বিত হয়।

১৩.৪ ব্যৱসায় চক্ৰ সৃষ্টিৰ কাৰণসমূহ

আমি আগতে উল্লেখ কৰি আহিছোঁ যে ব্যৱসায় চক্ৰ এটা জটিল প্ৰক্ৰিয়া। গতিকে ইয়াৰ সৃষ্টিৰ কাৰণৰ বিষয়ে আলোচনা কৰাটোও তেনেই জটিল। তৎস্বত্বেও অৰ্থনীতিবীদ সকলে ব্যৱসায় চক্ৰ সৃষ্টিৰ কিছুমান কাৰণৰ বিষয়ে উল্লেখ কৰা দেখা যায়। তেওঁলোকৰ মাজৰ কিছুমানে ব্যৱসায় চক্ৰ সৃষ্টিৰ কাৰণক মৌদ্ৰিক আৰু অনা মৌদ্ৰিক এই দুই ভাগত ভাগ কৰিছে আৰু আন কিছুমানে ইয়াক মনস্তত্বৰ লগত জড়িত বুলি ক'ব খোজে। চেমুৱেলচন (Samuelson) ৰ মতে দুই ধৰণৰ উপাদানে ব্যৱসায় চক্ৰ সৃষ্টিৰ বাবে দায়ী ঃ বাহ্যিক আৰু আভ্যন্তৰীণ। আমি তলত এই দুই ধৰণৰ উপাদানৰ বিষয়ে আলোচনা কৰিম।

বাহ্যিক উপাদানঃ ব্যৱসায় চক্ৰ সৃষ্টিৰ বাহ্যিক কাৰকবোৰ অৰ্থনীতি এখনৰ পৰিসৰৰ বাহিৰৰ পৰা আৰম্ভ হয়; যেনে, সৌৰ কলংক, পৰিৱেশ জনিত ব্যাঘাত, যুদ্ধ বিপ্লব, ৰাজনৈতিক ঘটনা প্ৰবাহ, সোনৰ খনি আৱিস্কাৰ, জনসংখ্যা বৃদ্ধি, প্ৰবজন, আবিস্কাৰ, উদ্ভাৱন ইত্যাদি। ইয়াৰ ভিতৰত আমি ক'ব পাৰোঁ যে ৰাজনৈতিক অস্থিৰতাই এখন দেশৰ অৰ্থনৈতিক পৰিবেশৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰাৰ উপৰিও আন আন দেশ যিবিলাক সেই দেশখনৰ লগত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ জৰিয়তে জড়িত, তেনে দেশৰ অৰ্থনীতিও প্ৰভাৱান্বিত হয়। কিছুমান উদ্ভাৱন, যেনে ৰেল আৰু দূৰ সংযোগ ব্যৱস্থা ইত্যাদিয়ে বিশ্বৰ বিভিন্ন অৰ্থনীতি বোৰলৈ যথেষ্ট ব্যৱসায়ৰ সুযোগ কঢ়িয়াই আনিছে। আনকি এনে উদ্ভাৱনে অৰ্থনৈতিক কাৰ্যকলাপ (যেনে বিনিয়োগ, ভোগ ইত্যাদি)ৰ স্তৰ যথেষ্ট বৃদ্ধি কৰে। একেদৰে যুদ্ধ, দুৰ্ভিক্ষ, ভূমিকম্প ইত্যাদি পৃথিৱীৰ যিকোনো এটা অংশত হ'লে ইয়াৰ কুফল গোটেই পৃথিৱীয়ে ভোগ কৰে।

আভ্যন্তৰীণ উপাদান ঃ ব্যৱসায় চক্ৰ সৃষ্টিৰ আভ্যন্তৰীণ কাৰণবোৰ অৰ্থনীতি একোখনৰ ভিতৰচ'ৰাত আৰম্ভ হয়। হাবাৰ্লাৰ্ (Haberler) এ তেনে কাৰণবোৰক মৌদ্ৰিক আৰু অনা-মৌদ্ৰিক উপাদান- এই দুই ভাগত ভাগ কৰিছে। মৌদ্ৰিক উপাদানৰ ভিতৰত বেংকৰ ঋণ, অত্যধিক জমা (over saving) বা অপূৰ্ণ-ভোগ (under-consumption) আৰু অত্যধিক বিনিয়োগ (over investment)।

হ'ট্ৰে (Hawtrey), ফ্ৰিডমেন (Friedman) আৰু আন কিছুমান মৌদ্ৰিক অৰ্থনীতিবীদে আঙুলিয়াই দিছে যে ব্যৱসায় চক্ৰৰ উত্থান-পতনৰ বাবে বেংক ঋণ ব্যৱস্থাই দায়ী। বেংক ঋণৰ পৰিমান বঢ়াৰ লগে লগে অৰ্থনীতি একোখনত বস্তু আৰু সেৱাৰ চাহিদা প্ৰসাৰিত হয়। আনহাতে, ঋণৰ পৰিমাণ সংকুচিত হৈ অহাৰ লগে লগে বস্তু আৰু সেৱাৰ চাহিদাও সংকুচিত হয়। সেয়ে, তেওঁলোকে মত পোষণ কৰে যে বেংকৰ ঋণ বৃদ্ধিৰ ফলত মুদ্ৰাৰ যোগান বৃদ্ধি হৈ অৰ্থনীতিত সমৃদ্ধি আহে আৰু হ্ৰাস হ'লে মন্দাৱস্থাৰ সৃষ্টি হয়।

হবচ্ন (Hobson), ফ'ষ্টাৰ (Foster), দগ্লাচ্ (Douglas) আদি অৰ্থনীতিবীদ সকলে মত পোষণ কৰে যে অতিৰিক্ত জমা (over saving) বা অপূৰ্ণ ভোগে (under

consumption) অর্থনীতি একোখনক মন্দাৱস্থাৰ পিনে আগুৱাই নিয়ে। তেওঁলোকে মতপোষণ কৰে যে ধনী শ্রেণীয়ে তেওঁলোকৰ গোটেই আয় ভোগত ব্যয় নকৰে কাৰণ জমা আৰু বিনিয়োগৰ প্রতি তেওঁলোকে বেছি আগ্রহী। সেয়ে, অর্থনীতিত ভোগ্য সামগ্রীৰ অতিৰিক্ত উৎপাদন (over production) ৰ উদ্ভৱ হয়। আনহাতে, দুখীয়া শ্রেণীৰ লোকৰ আয় কম হোৱাৰ বাবে ভোগৰ প্রতি বেছি প্রবণতা থাকিলেও ভোগ্য সামগ্রীত তেওঁলোকে বেছি ব্যয় কৰিব নোৱাৰে। সেয়ে, অর্থনীতি একোখনত যোগান আৰু চাহিদাৰ মাজত ব্যৱধানৰ সৃষ্টি হৈ এনে অৱস্থালৈ গতি কৰে য'ত যোগানে চাহিদাক চেৰ পেলায় আৰু অর্থনীতিত ভোগ্য সামগ্রীৰ মজুত অপ্রয়োজনীয় ভাৱে বৃদ্ধি পায়। ফলত ভোগ্য বস্তুৰ দাম কমি আহে আৰু উৎপাদনকাৰীৰ আয় নিম্নগামী হৈ অর্থনীতি খন মন্দাবস্থাৰ পিনে গতি কৰে।

অর্থনীতিবিদ হায়েক (Hayek), কেচেল (Cassel) আৰু ৰবার্টচন (Robertson) আদিয়েও একে যুক্তিকে আগবঢ়াইছে। তেওঁলোকে মত পোষণ কৰে যে অর্থনীতিত মন্দৱস্থা সৃষ্টি কৰাত অপূর্ণ-ভোগ (under consumption) -তকৈ অতিৰিক্ত বিনিয়োগ (over investment) এ বেছি ভূমিকা পালন কৰে। তেওঁলোকৰ মতে, বেংকৰ ঋণ বৃদ্ধিৰ লগে লগে মূলধনজাত সামগ্রীৰ উদ্যোগত অতিৰিক্ত বিনিয়োগে গা কৰি উঠে আৰু ই তুলনামূলক ভাবে ভোগ্য সামগ্রীৰ উদ্যোগত হোৱা অতিৰিক্ত বিনিয়োগতকৈ বেছি হয়। ইয়াৰ ফলস্বৰূপে মুদ্রাৰ যোগান ইচ্ছাকৃত জমাতকৈ বেছি হয়। যদিও মুদ্রাৰ যোগান বৃদ্ধিয়ে অর্থনীতিক সমৃদ্ধিৰ শ্রেষ্ঠ স্থানলৈ পর্যবেশিত কৰে। তথাপিও ইচ্ছাকৃত জমাৰ অভাৱত বেংকে বেছি সময়লৈ প্রয়োজনীয় ঋণৰ সঠিক যোগান ধৰিব নোৱাৰে। আৰু এনেকেয়ে অতিৰিক্ত বিনিয়োগে অর্থনীতিত মন্দাৱস্থাৰ সৃষ্টি কৰে।

ব্যৱসায় চক্র সৃষ্টিত সহায়ক হোৱা অনা-মৌদ্রিক উপাদানবোৰ হ'ল- সমষ্টিগত অর্থনৈতিক পৰিৱেশ, প্রতিযোগিতা, মনস্বাত্বিক কাৰক, উদ্ভাৱন ইত্যাদি।

যেতিয়া ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সমষ্টিগত অর্থনৈতিক পৰিৱেশ এক সুস্থিৰ আৰু সমৃদ্ধিৰ শীর্ষ স্তৰেৰে গতি কৰে, তেতিয়া গোটেই বিশ্ব অর্থনীতিত এটা ইতিবাচক আবেগৰ সৃষ্টি হয়। ইয়াৰ ফলস্বৰূপে বিশ্বৰ বেছিভাগ দেশতে ব্যৱসায়ৰ চাহিদা বৃদ্ধি হয় আৰু অর্থনীতিবিলাক উচ্চ উন্নতিৰ চক্রলৈ ধাৱিত হয়। ইয়াৰ বিপৰীতে, যেতিয়া বিশ্ব অর্থনৈতিক উন্নয়ন লেহেমীয়া হয় আৰু নিবনুৱা অৱস্থাই বিশ্ব অর্থনীতিক গ্রাস কৰে, তেতিয়া বিশ্ব ব্যৱসায় পৰিৱেশত সংকোচনে গা কৰি উঠে। ই দেশ বিলাকৰ আভ্যন্তৰীণ অর্থনৈতিক পৰিৱেশকো প্রভাৱান্বিত কৰা দেখা যায়। আনহাতে, যদি বিশ্বৰ প্রধান অর্থনৈতিক ভাৱে অগ্রসৰ দেশবোৰৰ আভ্যন্তৰীণ অর্থনৈতিক অৱনতি ঘটে, ইয়াৰ ফলস্বৰূপে সেই দেশবিলাকৰ লগতে বিশ্বৰ আন আন দেশবোৰতো ইয়াৰ বিৰূপ প্রভাৱ পৰিব।

চেপমেন (Chapman)ৰ মতে, অত্যধিক প্রতিযোগিতায়ো অতিৰিক্ত উৎপাদন (over-production)ৰ সৃষ্টি কৰিব পাৰে আৰু অর্থনীতিটোক মন্দাৱস্থাৰ পিনে আগুৱাই

নিব পাৰে। পিগু (Pigou) এ আঙুলিয়াই দিয়াৰ দৰে, মনস্বাত্বিক উপাদান, যেনে অত্যধিক ইতিবাচক মনোভাৱ (over optimism) আৰু অত্যধিক নেতিবাচক মনোভাৱ (over pessimism) এও মন্দাৱস্থাৰ সৃষ্টিত অৱিহণা যোগায়। তেওঁৰ মতে, ব্যৱসায়ীসকলৰ অত্যুৎসাহী মনোভাৱে অর্থনীতিত অতিৰিক্ত উৎপাদনৰ সৃষ্টি কৰে। আনহাতে, ব্যৱসায়ীসকলৰ মাজত থকা অত্যধিক নেতিবাচক মনোভাৱে অর্থনীতিত অপূর্ণ উৎপাদনৰ সৃষ্টি কৰে। পিগুৰ মতে, ব্যৱসায়ী সকলৰ মাজত থকা এনে মনস্তাত্বিক উপাদানে বিকল্পিত লহৰৰ সৃষ্টি কৰিব আৰু এনে ধৰণৰ বিপৰীত কৰণৰ ফলস্বৰূপে অর্থনীতিত ব্যৱসায় চক্ৰৰ সৃষ্টি হয়।

চুমপিটাৰ (Schumpeter) এ আঙুলিয়াই দিছে যে অর্থনীতিত হোৱা উদ্ভাৱনেও ব্যৱসায় চক্ৰৰ সৃষ্টিৰ কাৰক। তেওঁ এই ক্ষেত্ৰত কৈছে যে "সমৃদ্ধিয়ে হৈছে মন্দাৱস্থাৰ কাৰণ" । তেওঁৰ মতে, এটা ক্ষেত্ৰত হোৱা উদ্ভাৱনৰ ফলত বেলেগ এটা ক্ষেত্ৰতো উদ্ভাৱনৰ সৃষ্টি হয় আৰু অর্থনীতিত অতিৰিক্ত উৎপাদনৰ সৃষ্টি হয়। এনেকৈয়ে অর্থনীতিখন মন্দাৱস্থাৰ পিনে ধাৱিত হয়।

১৩.৫ ব্যৱসায় চক্ৰ প্ৰতিৰোধৰ উপায়

অর্থবিজ্ঞানীসকলে ব্যৱসায় চক্ৰৰ ওপৰত আগবঢ়োৱা তেওঁলোকৰ বিভিন্ন মতবাদৰ আধাৰত বিভিন্ন প্ৰতিকাৰমূলক ব্যৱস্থা আগবঢ়াইছে। তেওঁলোক অৱশ্যে এটা ক্ষেত্ৰত একমত যে অর্থনীতিত চক্ৰাকাৰ উত্থান-পতন সম্পূর্ণৰূপে ৰোধ কৰাটো সম্ভৱ নহয়। সেয়েহে তেওঁলোকে দুই ধৰণৰ মত পোষণ কৰে। প্ৰতিষেধক ব্যৱস্থাসমূহে এই পৰিঘটনা উদ্ভৱৰ সময় পাছুৱাবহে পাৰে, কিন্তু প্ৰতিকাৰক ব্যৱস্থাসমূহে অর্থনীতিটোক এই সংকটৰ পৰা মুক্ত কৰিব পাৰে।

অর্থনৈতিক সংকট নিবাৰণৰ বাবে সেই সংকটৰ এক যথোচিত কাৰণ নির্ণয় কৰাটো দৰকাৰ। কিছুমান কাৰকৰ পূর্বানুমান কৰাটো অসম্ভৱ, যেনে বতৰৰ পৰিবর্তন, কেঁচা সামগ্ৰীৰ উপলব্ধতা ইত্যাদি। সেইবাবে, এই কাৰকসমূহ নিয়ন্ত্ৰণ কৰিব নোৱাৰি। তদুপৰি, এক কৃষি ভিত্তিক অর্থনীতিৰ অর্থনৈতিক পৰিৱেশ এক উদ্যোগ ভিত্তিক অর্থনীতিতকৈ যথেষ্ট বেলেগ। কৃষি ভিত্তিক অর্থনীতিয়ে উপযুক্ত জলসিঞ্চন ব্যৱহাৰ প্ৰয়োগেৰে প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত থকা নির্ভৰশীলতা হ্ৰাস কৰিব পাৰে। অৱশ্যে দুর্ভিক্ষ, ভূমিকম্প আৰু মহামাৰীৰ দৰে ঘটনাবোৰৰ সঠিক পূর্বানুমান কৰাটো যথেষ্ট কঠিন।

এক অত্যাধুনিক পৰিসাংখ্যিক ব্যৱহাৰৰ সহায়ত কেতবোৰ গুৰুত্বপূর্ণ অর্থনৈতিক চলকৰ মান নিখুঁতভাৱে পূর্বানুমান কৰিব পাৰি, যেনে— চাহিদা, ৰপ্তানি আৰু আমদানি, জনমুৰি আয়, জীৱন নির্বাহৰ ব্যয় সূচাংক, মূল্যৰ গতি ইত্যাদিৰ পৰিবর্তন নির্ধাৰণ কৰিব পাৰি। এই ব্যৱস্থাই ব্যৱসায়ী সম্প্ৰদায়টোক অর্থনৈতিক গতি-বিধিৰ পূর্বানুমান কৰিবলৈ আৰু সেই অনুযায়ী বাণিজ্যিক সিদ্ধান্ত গ্ৰহণ কৰাত যথেষ্ট সহায় কৰে।

আনহাতে, প্ৰতিকাৰমূলক ব্যৱস্থাসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি ঃ

মৌদ্ৰিক ব্যৱস্থা ঃ আমি জানোঁ যে মৌদ্ৰিক ব্যৱস্থাসমূহ কোনো এখন দেশৰ বেংক বৰসায় তথা বাণিজ্যিক ঋণ নীতিৰ সৈতে জড়িত। গতিকে, এখন দেশৰ কেন্দ্ৰীয় বেংকে বেংক ব্যৱসায় আৰু বাণিজ্যিক ঋণ ব্যৱস্থাটোৰ নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কেন্দ্ৰীয় বেংকৰ ভূমিকা সম্পৰ্কে আমি পৰবৰ্তী পাঠ্যবিষয়ত বিশদভাৱে আলোচনা কৰিম। ইয়াত আমি কেৱল ইয়াকেই উল্লেখ কৰিছোঁ যে কেন্দ্ৰীয় বেংকৰ বেংক হাৰ আৰু মুক্ত বজাৰ ব্যৱস্থা হৈছে এনে দুটি গুৰুত্বপূৰ্ণ উপাদান। সেয়েহে, সমৃদ্ধিৰ সময়ছোৱাত অৰ্থনীতিটোত ঋণ যোগান হ্ৰাস কৰিবলৈ কেন্দ্ৰীয় বেংকে "বেংকৰ হাৰ" বৃদ্ধি কৰে। আনহাতে, মন্দাৱস্থাত এক সহজ ঋণদান নীতিয়ে ব্যৱসায় ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰি অৰ্থনীতিক পুনৰ সুস্থিৰ অৱস্থালৈ আনিব পাৰে। তদুপৰি, অৰ্থনীতিৰ কোনো বিশেষ ক্ষেত্ৰৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় বেংকে ক্ষেত্ৰ-বিশেষ ঋণ নীতি গ্ৰহণ কৰিব পাৰে।

অৱশ্যে অৰ্থনীতিৰ চক্ৰাকাৰ উত্থান-পতন ৰোধ কৰাৰ ক্ষেত্ৰত মুদ্ৰাবিষয়ক ব্যৱস্থাসমূহৰ ফলপ্ৰসূতাক লৈ অৰ্থবিজ্ঞানীসকল একমত নহয়।


ৰাজকোষীয় ব্যৱস্থাঃ পৰৱৰ্তী পাঠ্যবিষয়ত আমি চৰকাৰে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ৰাজকোষীয় ব্যৱস্থাসমুহৰ বিষয়ে আলোচনা কৰিম। বহল অৰ্থত চাবলৈ গ'লে, ৰাজকোষীয় ব্যৱস্থা ৰাজহুৱা ব্যয় আৰু উপযুক্ত কৰ আৰোপৰ সৈতে জড়িত। মন্দাৱস্থাৰ কালছোৱাত চৰকাৰী ব্যয় বৃদ্ধিৰ কথাটোক কেইন্সে মুকলিভাৱে প্ৰশংসা কৰিছিল। মন্দাৱস্থাত চৰকাৰে নিজৰ ৰাজহ আয়তকৈ অধিক ব্যয় কৰিব লাগে। অৰ্থাৎ, ঘাটি বাজেট উত্থাপন হৈছে মন্দাৱস্থাৰ গুৰুত্ব পূৰ্ণ প্ৰতিষেধক। এনেধৰণৰ চৰকাৰী বিনিয়োগে অৰ্থনীতিত কৰ্মসংস্থানৰ স্তৰ উন্নত কৰে। অৱশ্যে অৰ্থনীতি স্থিতাৱস্থালৈ অহাৰ পাছত চৰকাৰে অৰ্থনীতিত বিৰূপ প্ৰভাৱসমূহ ৰোধ কৰিবলৈ বাজেট সন্তুলনৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। এনে ব্যৱস্থাসমূহে অদূৰ ভৱিষ্যতে অৰ্থনীতিত সুস্থিৰ অৱস্থাত আহিবলৈ সহায় কৰে।

আনহাতে, কৰ ব্যৱস্থাটোৰ ক্ষেত্ৰত নিম্ন উল্লিখিত কথাকেইটা মন কৰিবলগীয়া ঃ

- কৰৰ গঠন আৰু কৰৰ হাৰ এনেধৰণে নিৰ্ধাৰণ কৰা উচিত, যাতে ব্যৱসায়ী প্ৰতিষ্ঠান সমূহে বিনিয়োগ বৃদ্ধি কৰিবলৈ উৎসাহিত হয়।
- চৰকাৰে কৰ্মচাৰীসকলক সংস্থাপনৰ সা-সুবিধা প্ৰদান কৰা উচিত। ইয়াৰ দ্বাৰা ঘৰুৱা উপভোগৰ স্তৰ বৃদ্ধি হ'ব।
- মুদ্ৰা সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে ঋণ লাভ প্ৰক্ৰিয়া সুলভ হৈ উঠে।
- এক উপযুক্ত আন্তঃৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰা উচিত যাতে দেশীয় ৰপ্তানী ক্ষেত্ৰৰ বিকাশ সাধন হয়।

আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা ঃ ব্যৱসায় চক্ৰ এক আন্তঃৰাষ্ট্ৰীয় পৰিঘটনা। আকৌ, কোনো দেশৰ উত্থান-পতনে আন দেশসমূহৰ ওপৰতো প্ৰভাৱ পেলায় (বিশেষকৈ বৰ্তমানৰ বিশ্বায়নৰ যুগত)। ব্যৱসায় চক্ৰৰ মন্দাৱস্থাক নিয়ন্ত্ৰণ কৰিবলৈ তিনিপ্ৰকাৰৰ ব্যৱস্থা আগবঢ়োৱা হৈছে,

যথা— আন্তঃৰাষ্ট্ৰীয় উৎপাদন নিয়ন্ত্ৰণ, আন্তঃৰাষ্ট্ৰীয় ***'বাফাৰ্ ষ্টক্'*** আৰু আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ নিয়ন্ত্ৰণ। আন্তঃৰাষ্ট্ৰীয় উৎপাদন নিয়ন্ত্ৰণৰ জৰিয়তে মৌলিক সামগ্ৰীসমূহৰ মূল্য নিয়ন্ত্ৰণ কৰা হয়। ***'বাফাৰ্ ষ্টক্'*** নিয়ন্ত্ৰণৰ ব্যৱস্থাটো উৎপাদন আৰু মূল্য নিয়ন্ত্ৰণৰ সমান্তৰালভাৱে চলি থাকে। 'বাফাৰ্ ষ্টক্' ৰ অৰ্থ হৈছে মূল্যৰ উত্থান-পতন নিৰ্মূল কৰিবলৈ মৌলিক সামগ্ৰীসমূহ মজুত ৰখা। সেয়েহে, কম মূল্যৰ সময়ত ***'বাফাৰ্ ষ্টক্'*** ক্ৰয় কৰি মূল্যবৃদ্ধিৰ সময়ত সেয়া যোগান ধৰিলে অৰ্থনীতিয়ে যথেষ্ট সকাহ পায়। একেদৰে, উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ অনগ্ৰসৰ অঞ্চলসমূহৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰি তুলিবলৈ আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ নিয়ন্ত্ৰণ কৰা হয়। এনে ব্যৱস্থাসমূহে অনগ্ৰসৰ শ্ৰেণীৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে অৰ্থনৈতিক অসমতা দূৰ কৰাত যথেষ্ট সহায় কৰে।



'বাফাৰ্ ষ্টক্' (Buffer stock) মানে হৈছে দৰৰ উত্থান-পতনৰ হাত সাৰিবলৈ মৌলিক সামগ্ৰীসমূহ মজুত ৰখা এক ব্যৱস্থা। এয়া এক আন্তঃৰাষ্ট্ৰীয় স্তৰত বা এক উদ্যোগীৰ ক্ষেত্ৰতো হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ধাৰণ কৰক—

(ক) প্ৰতিৰোধক ব্যৱস্থাসমূহে অৰ্থনীতিক মন্দাৱস্থাৰ পৰা মোকলাই অনাত সহায় কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) কেইনছে মন্দাৱস্থাৰ সময়ত চৰকাৰী বিনিয়োগক যথেষ্ট সমালোচন কৰিছে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ মন্দাৱস্থা ৰোধ কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাসমূহ কেনেদৰে গুৰুত্বপূৰ্ণ? কেনেধৰণৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা সাধাৰণতে গ্ৰহণ কৰা হয়? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পুঁজিবাদী অৰ্থনীতিত থকা জটিল পৰিঘটনাসমূহৰ ভিতৰত ব্যৱসায় চক্ৰ অন্যতম।
- ব্যৱসায় চক্ৰৰ চাৰিটা পৰ্যায় থাকে, যথা—সম্প্ৰসাৰণৰ স্তৰ (যাক সমৃদ্ধিৰ স্তৰ বা দ্ৰুত উন্নয়নৰ স্তৰ বুলিও কোৱা হয়), শীৰ্ষাস্তৰ (যাক উচ্চ সন্ধিক্ষণৰ স্তৰ বুলিও কোৱা হয়), নিম্নমুখী স্তৰ (যাক অধোগতিৰ স্তৰ, সংকোচন বা মন্দাৱস্থাৰ স্তৰ বুলিও কোৱা হয়), আৰু ধৰাতল বিন্দু (যাক নিম্ন সন্ধিক্ষণৰ স্তৰ বুলিও কোৱা হয়)।

- উল্লেখযোগ্য যে, অৰ্থনীতি এটাৰ ব্যৱসায় চক্ৰ নিৰ্দিষ্ট ক্ৰমত প্ৰতিটো পৰ্যায় অতিক্ৰম নকৰিবও পাৰে। তদুপৰি, প্ৰতিটো পৰ্যায়ৰ সময়-সীমাও নিৰ্দিষ্ট নহয়। কোনো ক্ষেত্ৰত অৰ্থনীতিয়ে অতি সোনকালে পৰবৰ্তী পৰ্য্যায় লাভ কৰে, কিন্তু কোনো ক্ষেত্ৰত যথেষ্ট সময়ৰ প্ৰয়োজন হয়।
- ব্যৱসায় চক্ৰৰ প্ৰতিৰোধ তথা নিৰাময়ৰ বাবে বিভিন্ন ব্যৱস্থা আগবঢ়োৱা হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য মৌদ্ৰিক ব্যৱস্থাসমূহ হ'ল বেংক হাৰৰ সালসলনি তথা ঋণ নিয়ন্ত্ৰণ। অৱশ্যে এই ব্যৱস্থসমূহৰ ফলপ্ৰসূতা সম্পৰ্কে অৰ্থবিজ্ঞানীসকল একমত নহয়।
- ব্যৱসায় চক্ৰ প্ৰতিৰোধকাৰী উল্লেখযোগ্য ৰাজহুৱা ব্যৱস্থাসমূহ হ'ল ৰাজহুৱা ব্যয় তথা কৰৰ ক্ষেত্ৰত উপযুক্ত নীতি গ্ৰহণ।



১৩.৭ অধিক জানিবৰ বাবে

1) Ajuja, H.L. (2007). *Macroeconomics: Theory and Policy*, New Delhi: S.Chand & Co..Gupta, R.D., &
2) Mannur, H.G. (1995). I*nternational Economics,* New Delhi:Vikas Publishing House Pvt. Ltd..
3) Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*, Jalandhar: Vishal Publications.
4) Shapiro, E. (2013). *Macroeconomic Analysis*, New Delhi: Galgotia Publications Pvt. Ltd..

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, ৰফিক; ২০০৯, *সমষ্টিগত অৰ্থতত্ত্ব*, যোৰহাট ঃ ইউনিকা প্ৰকাশন।



১৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ

'ক' অংশ	'খ' অংশ
(i) সম্প্ৰসাৰণ	(খ) উচ্চ সন্ধিক্ষণৰ স্তৰ
(ii) শীৰ্ষস্তৰ	(ক) সমৃদ্ধিৰ স্তৰ
(iii) সংকোচন	(ঘ) নিম্ন সন্ধিক্ষণৰ স্তৰ
(iv) ধৰাতল বিন্দু	(গ) মন্দাৱস্থা

২ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিৰ মন্দাৱস্থাই স্বংক্ৰিয়ভাৱে সমৃদ্ধিৰ সৃষ্টি নকৰে। কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে এই মন্দাৱস্থা এক দীঘলীয়া সময় জুৰি স্থায়ী হ'ব পাৰে। এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ লোৱা উচিত। অৰ্থাৎ, অৰ্থনীতিটোৰ পুনৰ্নিৰ্মাণৰ বাবে কিছুমান নীতি যেনে সুস্থিৰতা নীতি, বাণিজ্যিক ঋণ ব্যৱস্থাৰ দৰে আৰ্থিক পদক্ষেপ ইত্যাদি গ্ৰহণ কৰা উচিত যাতে ব্যৱসায়িক কাম-কাজ ত্বৰান্বিত হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱসায় চক্ৰ এক আন্তঃৰাষ্ট্ৰীয় পৰিঘটনা। আকৌ, কোনো দেশৰ উত্থান-পতনে আন দেশসমূহৰ ওপৰতো প্ৰভাৱ পেলায় (বিশেষকৈ বৰ্তমানৰ বিশ্বায়নৰ যুগত)। সেয়ে, ব্যৱসায় চক্ৰ নিয়ন্ত্ৰণৰ বাবে আন্তঃ ৰাষ্ট্ৰীয় ব্যৱস্থা গ্ৰহণ কৰাটো আৱশ্যকীয় হৈ পৰে।

ব্যৱসায় চক্ৰৰ মন্দাৱস্থাক নিয়ন্ত্ৰণ কৰিবলৈ তিনিপ্ৰকাৰৰ ব্যৱস্থা আগবঢ়োৱা হৈছে, (ক) আন্তঃৰাষ্ট্ৰীয় উৎপাদন নিয়ন্ত্ৰণ, (খ) আন্তঃৰাষ্ট্ৰীয় বাফাৰ্ ষ্টক্ নিয়ন্ত্ৰণ আৰু (গ) আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ নিয়ন্ত্ৰণ।



১৩.৯ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ ব্যৱসায় চক্ৰ বুলিলে কি বুজে? ইয়াৰ বিভিন্ন স্তৰসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ ব্যৱসায় চক্ৰৰ বিভিন্ন স্তৰসমূহ সম্পৰ্কে এক চমু টোকা লিখক।

প্ৰশ্ন নং ৩ ঃ ব্যৱসায় চক্ৰৰ বিভিন্ন স্তৰসমূহৰ বৈশিষ্ট্য আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ ব্যৱসায় চক্ৰ প্ৰতিৰোধৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ হিক্সে আগবঢ়োৱা ব্যবসায় চক্ৰৰ তত্ত্বটোৰ সমালোচনামূলক আলোচনা কৰক

প্ৰশ্ন নং ২ ঃ ব্যৱসায় চক্ৰ বুলিলে কি বুজে? ব্যৱসায় চক্ৰ প্ৰতিৰোধৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ব্যৱসায় চক্ৰৰ তত্ত্ব

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ গুণক-ত্বৰণ সংযোগ ঃ ছেমুৱেলচনৰ ব্যৱসায় চক্ৰৰ তত্ত্ব
১৪.৪ হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্ব
১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৬ অধিক জানিবৰ বাবে
১৪.৭ অগ্ৰগতিৰ খতিয়ান
১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ছেমুৱেলচনে আগবঢ়োৱা ব্যৱসায় চক্ৰৰ গুণক-ত্বৰন নীতি বৰ্ণনা কৰিব পাৰিব
- হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্ব ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়টিত আমি ইতিমধ্যে ব্যৱসায় চক্ৰৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত, আমি ব্যৱসায় চক্ৰৰ দুটা গুৰুত্বপূৰ্ণ তত্ত্বৰ বিষয়ে আলোচনা কৰিম। প্ৰথম তত্ত্বটো হৈছে ছেমুৱেলচনৰ ব্যৱসায় চক্ৰৰ তত্ত্ব। এই তত্ত্বটোত আমি কেনেকৈ ছেমুৱেচনে গুণক আৰু ত্বৰণ সংযোগ ব্যৱহাৰ কৰি ব্যৱসায় চক্ৰৰ ধাৰণাটো বৰ্ণনা কৰিছে তাকে আলোচনা কৰিম। পিছৰটো হৈছে হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্ব।

১৪.৩ গুণক-ত্বৰণ সংযোগ ঃ ছেমুৱেলছনৰ ব্যৱসায় চক্ৰৰ তত্ত্ব

আগৰ অধ্যায়টিত আমি ব্যৱসায় চক্ৰ উদ্ভৱ হোৱা কিছুমান কাৰণ আলোচনা কৰিছোঁ। জে. এম কেইন্সেও ব্যৱসায় চক্ৰৰ তত্ত্বটোলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছিল। তেওঁৰ মতে, ব্যৱসায় চক্ৰ হৈছে বিনিয়োগ চাহিদাৰ উত্থান আৰু পতনৰ ফলাফল। কেইন্সৰ "The General Theory of Employment, Interest and Money" গ্ৰন্থখনৰ 'Notes on the Trade Cycles' শীৰ্ষক ২২ নং অধ্যায়ত কৈছিল যে এখন "অৰ্থনীতিত ব্যৱসায় চক্ৰ (কেইন্সৰ মতে বাণিজ্য চক্ৰ) উদ্ভৱ হোৱাৰ কাৰণ হৈছে মূলধনৰ প্ৰান্তিক কৰ্মদক্ষতাৰ চক্ৰীয় পৰিবৰ্তন, যদিও কেতিয়াবা অৰ্থনৈতিক ব্যৱস্থাৰ কিছুমান হ্ৰস্বকালীন চলকসমূহৰ পৰিবৰ্ত্তনৰ ফলত উদ্ভৱ হয়"। গতিকে,

কেইন্সৰ মতে, এখন অর্থনীতিৰ চক্রীয় উত্থান-পতনৰ মুখ্য কাৰণ হৈছে বিনিয়োগৰ পৰিবৰ্ত্তন আৰু এই পৰিবৰ্ত্তন সাধন হয় মূলধনৰ প্রান্তিক কর্মদক্ষতাৰ চক্রীয় পৰিবৰ্ত্তনৰ ফলত।

কেইন্সে তেওঁৰ ব্যৱসায় চক্র তত্ত্বৰ আলোচনাত, গুণক তত্ত্বৰ সহায়ত দেখুৱাইছে- বিনিয়োগৰ বৃদ্ধি আৰু হ্রাসৰ ফলত কেনেকৈ উৎপাদন আৰু নিয়োগত প্রভাৱ পৰে, যেতিয়া, গুণকে ব্যৱসায় চক্রৰ উর্দ্ধগতি নাইবা অধোগতিত কার্য্য কৰি থাকে। কিন্তু তেওঁ অর্থনৈতিক কার্যকলাপৰ চক্রীয় (cyclical) আৰু সঞ্চয়ী (cumulative) প্রকৃতিৰ উত্থান-পতন বর্ণনা কৰা নাছিল। ইয়াৰ কাৰণ হ'ল ব্যৱসায় চক্রৰ বর্ণনাত তেওঁ ত্বৰণ নীতি ব্যৱহাৰৰ ওপৰত জোৰ দিয়া নাছিল।

পিছৰ অর্থবিজ্ঞানী সকলে বাণিজ্য চক্রৰ লগতে অন্য অর্থনৈতিক পৰিঘটনা বর্ণনা কৰিবলৈ গুণক আৰু ত্বৰণৰ সংযোগ নীতি ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছিল। সেইসকলৰ ভিতৰত ছেমুৱেলচন আগৰণুৱা আছিল। তেও গুণক আৰু ত্বৰণৰ মাজৰ সংযোগ দেখুৱাইছিল আৰু এই সংযোগে কেনেকৈ অর্থনৈতিক কার্যকলাপসমূহত চক্রীয় উত্থান-পতন সৃষ্টি কৰে, সেয়া বর্ণনা কৰিছিল।


ছেমুৱেলচনৰ তত্ত্বৰ মুখ্য বৈশিষ্ট্য হৈছে, গুণকে অকলে অর্থনৈতিক উত্থান-পতনৰ চক্রীয় আৰু সঞ্চয়ী (cyclical and cumulative) স্বভাৱৰ বিষয়ে সঠিক ভাৱে বর্ণনা কৰিব নোৱাৰে। বিনিয়োগৰ স্বতন্ত্র বৃদ্ধিয়ে আয়ক বহুত বেছি পৰিমাণে বৃদ্ধি কৰিব আৰু সেইটো নির্ভৰ কৰিব গুণকৰ মানৰ ওপৰত। এই বর্দ্ধিত আয়ে পিছলৈ ত্বৰণৰ প্রভাৱৰ জৰিয়তে বিনিয়োগ বৃদ্ধিক অনুপ্রাণিত কৰে। সেয়েহে, বর্দ্ধিত আয়ে সামগ্রী আৰু সেৱাৰ সামগ্রিক চাহিদা বৃদ্ধি কৰে। সামগ্রীৰ বর্দ্ধিত চাহিদা পূৰণ কৰিবলৈ, অর্থনীতিটোত আগতকৈ বেছি মূলধনী দ্রব্য লাগিব আৰু তাৰ বাবে অতিৰিক্ত বিনিয়োগৰ প্রয়োজন হ'ব। এনেদৰে, দেখা যায় যে বিনিয়োগ আৰু আয়ৰ মাজত এটা পৰস্পৰ সংযোগ আছে, বিনিয়োগে আয়ক প্রভাৱিত কৰে, যিয়ে বিনিয়োগৰ চাহিদাক প্রভাৱিত কৰে আৰু এনেদৰে, আয় আৰু নিয়োগৰ চক্রীয় উত্থান-পতন ঘটে।

ছেমুৱেলচনৰ তত্ত্বৰ অভিধাৰণাসমূহ হ'ল —

- চলিত সময়ৰ উপভোগ ব্যয় আগৰ সময়ৰ আয়ৰ পৰিবর্ত্তনৰ লগত জড়িত।
- চলিত সময়ৰ বিনিয়োগ এবছৰ ব্যৱধানৰ আয়ৰ পৰিবর্তনৰ লগত জড়িত।
- এই আর্হিটোত জড়িত আন উপাদান হৈছে বাহ্যিক ব্যয়(চৰকাৰী ব্যয়), যিটো অপৰিবর্ত্তিত হৈ থাকে।
- এই আর্হি টোৱে বাহ্যিক ব্যয়ৰ উপাদানসমূহ আৰু ইয়াৰ আয়ৰ পৰিবর্ত্তনৰ ওপৰত হোৱা প্রভাৱ সম্পর্কে আলোচনা নকৰে।

আর্হিটোৰ কার্য্যকৰণ ঃ ছেমুৱেলচনৰ তত্ত্বৰ কার্য বুজিবলৈ ১৪.১ নং চিত্রৰ সহায় ল'ব পাৰোঁ। চিত্রটিত দেখুওৱা হৈছে- কেইন্সৰ গুণকৰ লগত ত্বৰণৰ সংযোগৰ ফলত আয় আৰু উৎপাদন আৰু অধিক পৰিমাণে বৃদ্ধি পায়।

চিত্ৰ ১৪.১ ঃ কেইন্সৰ গুণকৰ লগত ত্বৰণৰ সংযোগ



চিত্ৰ ১৪.১ ত, "Ia = স্বতন্ত্ৰ বিনিয়োগ বৃদ্ধি", "Y = আয় বৃদ্ধি" 1/1 – MPC = গুণকৰ আকাৰ য'ত MPC = প্ৰান্তিক উপভোগ প্ৰৱণতা, "Id = উদগনিমূললক বিনিয়োগ বৃদ্ধি, v = ত্বৰণৰ আকাৰ।

গুণক আৰু ত্বৰণৰ সংযোগ তত্ত্বটো গাণিতিকভাৱে তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$Y_t = C_t + I_t \quad \ldots(i)$$
$$C_t = C_a + c\,(Y_{t-1}) \quad \ldots(ii)$$
$$I_t = I_a + v\,(Y_{t-1} - Y_{t-2}) \quad \ldots.(iii)$$

ইয়াত, Y_t, C_t আৰু I_t য়ে 't' সময়ত আয়, উপভোগ আৰু বিনিয়োগক বুজাইছে। C_a মানে স্বতন্ত্ৰ উপভোগ, I_a মানে স্বতন্ত্ৰ বিনিয়োগ, c মানে প্ৰান্তিক উপভোগ প্ৰৱণতা আৰু v য়ে মূলধন উৎপাদন অনুপাত বা ত্বৰণক বুজাইছে।

ওপৰত আলোচনা কৰা অভিধাৰণাসমূহ আৰু তিনিটা সমীকৰণৰ পৰা ইয়াকে ক'ব পাৰি যে 't' সময়ৰ উপভোগ তাৰ আগৰ Y_{t-1} সময়ৰ আয়ৰ ফলন। ঠিক তেনেদৰে, 't' সময়ৰ উদগণিমূলক বিনিয়োগ তাৰ আগৰ সময়ৰ আয়ৰ পৰিবৰ্ত্তনৰ ফলন। ইয়ে ইয়াকে বুজায় যে আয়ৰ পৰিবৰ্ত্তনৰ বাবে দুটা সময়ৰ ব্যৱধান থাকে, যিয়ে উদগণিমূলক বিনিয়োগ গঠন কৰে (আৰ্হিটোৰ দ্বিতীয় অভিধাৰণাটো মন কৰক)।

এতিয়া, ওপৰৰ (iii) সমীকৰণটোত, উদগণিমূলক বিনিয়োগ v $(Y_{t-1} - Y_{t-2})$ বা v (Y_{t-1}) ৰ সমান।


সমীকৰণৰ (ii) আৰু (iii), সমীকৰণ (i)ত বহুৱাই আমি তলত দিয়া আয়ৰ সমীকৰণ (iv) পাম —

$$Y_t = C_a + c\,(Y_t - _1) + I_a + v\,(Y_{t-1} - Y_{t-2}) \quad \ldots(iv)$$

সমীকৰণ (iv) য়ে কেনেকৈ আয়ৰ বৃদ্ধি প্ৰান্তিক উপভোগ প্ৰৱণতাৰ মান আৰু মূলধন উৎপাদনৰ অনুপাত v (মানে ত্বৰণ) ৰ ওপৰত নিৰ্ভৰশীল, তাকে বুজাইছে।


প্ৰান্তিক উপভোগ প্ৰৱণতা (c) আৰু মূলধন-উৎপাদনৰ অনুপাতৰ বিভিন্ন মানৰ সহায়ত, ছেমুৱেলচনে অৰ্থনীতি এখনে অনুসৰণ কৰিবলগীয়া বিভিন্ন পথ বৰ্ণনা কৰিছে। প্ৰান্তিক উপভোগ প্ৰৱণতা আৰু মূলধন উৎপাদনৰ অনুপাত (যিয়ে ক্ৰমে গুণক আৰু ত্বৰণৰ মাত্ৰা নিৰূপণ কৰে)ৰ বিভিন্ন জোঁটসমূহ ১৪.২ নং চিত্ৰৰ সহায়ত বৰ্ণনা কৰিব পাৰি —

চিত্র ১৪.২ ঃ গুণক আৰু ত্বৰণৰ সম্বন্ধ



ওপৰৰ চিত্র ১৪.২ যদিও দেখিবলৈ সৰল, আচলতে ই হৈছে পাঁচটা নির্দিষ্ট ক্রমৰ সংযোগ, যাক A ৰ পৰা E লৈ নির্দেশ কৰা হৈছে। এই স্থানান্তৰৰ পথ বা ক্রম যাৰ ওপৰত ভিত্তি কৰি অর্থনৈতিক কার্যকলাপে গতি কৰে সেইবোৰ উপভোগ প্রৱণতা (c) আৰু মূলধন-উৎপাদনৰ অনুপাত (v) ৰ বিভিন্ন মানৰ ওপৰত নির্ভৰশীল, আৰু ইয়াক তলৰ ১৪.৩ চিত্রৰ দ্বাৰা বর্ণনা কৰিব পাৰি —

চিত্র ঃ ১৪.৩ (a ৰ পৰা e লৈ) ঃ গুণক আৰু ত্বৰণ সংযোগ (আয়ৰ বিভিন্ন ক্রম (উৎপাদন) ৰ c আৰু v ৰ মূল্য সাপেক্ষে পৰিবর্তন)



চিত্র ১৪.২ আৰু ১৪.৩ ৰ বর্ণনা ঃ যেতিয়া প্রান্তিক উপভোগ প্রৱণতা (c) আৰু মূলধন-উৎপাদনৰ অনুপাত (v)A অঞ্চলটিত ঠাইত অৱস্থান কৰিব (চিত্র ১৪.২ ত), স্বতন্ত্র

বিনিয়োগৰ পৰিবৰ্ত্তনৰ ফলস্বৰূপে মুঠ ৰাষ্ট্ৰীয় উৎপাদন বা আয় ক্ৰমহ্ৰাসমান হাৰত উৰ্দ্ধমুখী বা নিম্নমুখী গতি কৰিব আৰু অৱশেষত এক নতুন ভাৰসাম্য বিন্দুত মিলিত হ'ব যাক চিত্ৰ ১৪.৩ ৰ (a) অংশৰ দ্বাৰা দেখুওৱা হৈছে।

যদি c আৰু v এ 'B' ৰ দৰ্শোৱা ঠাইত অৱস্থান কৰে (চিত্ৰ ১৪.২), তেন্তে স্বতন্ত্ৰ বিনিয়োগ বা স্বতন্ত্ৰ উপভোগৰ পৰিবৰ্তনে আয়ৰো পৰিবৰ্ত্তন সাধন কৰিব, যিয়ে বাণিজ্য চক্ৰৰ ক্ৰমনমিত ক্ৰম অনুসৰণ কৰে। চিত্ৰ ১৪.৩ ৰ (b) অংশত দেখুওৱাৰ দৰে চক্ৰৰ পতন নোহোৱালৈকে ই হ্ৰাস হৈ থাকে।

ঠিক তেনেদৰে, ১৪.২ নং চিত্ৰৰ 'C' অঞ্চলটিয়ে c আৰু v ৰ উচ্চমান নিৰ্দ্দেশ কৰিছে যি 'B' ৰ তুলনাত ডাঙৰ ই গুণক আৰু ত্বৰণৰ এনে মান নিৰ্ণয় কৰে যিয়ে এক সুবৃহৎ চক্ৰৰ উদ্ভৱ কৰাব, অৰ্থাৎ আমি আয়ৰ পৰিবৰ্ত্তনৰ লগত বৃহত্তৰ বিস্তাৰিত বিকাশ দেখিবলৈ পাওঁ। এই অৱস্থাটো ১৪.৩ নং চিত্ৰৰ (c) অংশৰ দ্বাৰা দেখুওৱা হৈছে। এই চিত্ৰটোত ইয়াকে দেখিবলৈ পোৱা হৈছে যে এই প্ৰণালীটোৱে অত্যধিক মাত্ৰাৰ বিকাশ লাভ কৰে আৰু ভাৰসাম্য অৱস্থাৰ পৰা বহুখিনি আঁতৰি আহে।

১৪.২ চিত্ৰৰ 'D'অংশটিত c আৰু v ৰ কোনো জোঁটক নিৰ্দেশ কৰিছে যাৰ ফলত আয় ক্ৰমবৰ্দ্ধমান হাৰত উৰ্দ্ধমুখী বা নিম্নমুখী গতি লাভ কৰিছে, যদিও অৰ্থনীতি এটাৰ চক্ৰীয় গতিক বাধা দিবলৈ হ'লে c আৰু v ৰ এনে ক্ৰমবৰ্দ্ধমান গতি কোনো প্ৰকাৰে ৰোধ কৰাটো দৰকাৰ। ইয়াক ১৪.৩ নং চিত্ৰৰ (d)অংশত বৰ্ণনা কৰা হৈছে। C অংশৰ গুণক আৰু ত্বৰণৰ মানে ব্যৱস্থাটোত যেনেদৰে অত্যধিক বিকাশৰ সৃষ্টি কৰে, ঠিক তেনেদৰে, গুণক আৰু ত্বৰণৰ মানে অৰ্থনীতিটোক ভাৰসমতাৰ পৰা দূৰত ৰাখে, সেয়া D অংশত দেখুওৱা হৈছে।

বিশেষভাৱে, যেতিয়া c আৰু v চিত্ৰ ১৪.২ ৰ E অংশত থাকে, তেতিয়া আয়ৰ স্থিৰ মাত্ৰাৰ তাৰতম্যতা উদ্ভৱ হয় আৰু ইয়াক চিত্ৰত ১৪.৩ (e) অংশত দেখুওৱা হৈছে।

গতিকে, আমি উপভোগৰ প্ৰান্তিক প্ৰৱণতা (c) আৰু মূলধন-উৎপাদনৰ অনুপাত (v)ৰ বিভিন্ন মানৰ ভিত্তিত গুণক আৰু ত্বৰণৰ সংযোগ দেখিবলৈ পালোঁ। গুণক আৰু ত্বৰণৰ সংযোগৰ ওপৰত ভিত্তি কৰি ব্যৱসায় চক্ৰৰ দুটা তত্ত্ব আগবঢ়োৱা হৈছে।

ব্যৱসায় চক্ৰ তত্ত্বৰ এটা ভাগে গুণক আৰু ত্বৰণৰ মানসমূহ ধৰি লয়, যাৰ ফলত বিস্ফোৰক চক্ৰৰ উৎপত্তি হয়। উদাহৰণস্বৰূপে, হিক্সৰ ব্যৱসায় চক্ৰ তত্ত্বটো ইয়াৰ অন্তৰ্গত। আনহাতে, হেনচেন (Hansen)এ ব্যৱসায় চক্ৰৰ এটা তত্ত্ব আগবঢ়াইছিল যি গুণকৰ লগত দুৰ্বল ত্বৰণৰ সংযোগ ওপৰত প্ৰতিষ্ঠিত, যিয়ে কেৱল তাৰতম্যতাহে উৎপন্ন কৰে। ইয়াৰ পিছৰ খণ্ডত আমি হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্বটো আলোচনা কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক —

(ক) কেইন্সে গুণক-ত্বৰণ সংযোগটো বাণিজ্য চক্ৰ বৰ্ণনা কৰোঁতে ব্যৱহাৰ কৰিছিল। (শুদ্ধ/অ শুদ্ধ)

(খ) ছেমুৱেলচনৰ মতে, উপভোগ হৈছে আগৰ সময়ৰ আয়ৰ ফলন। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ ছেমুৱেলচনৰ ব্যৱসায় চক্ৰ তত্ত্বটোৰ অভিধাৰণাসমূহ উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১৪.৪ হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্ব

হিক্সে তেখেতৰ ব্যৱসায় চক্ৰৰ তত্ত্বটো ১৯৫০ চনত প্ৰকাশিত তেওঁৰ "A Contribution to the Theory of Trade Cycle" কিতাপখনৰ যোগেদি আগবঢ়াইছিল। কিতাপখন প্ৰকাশিত হোৱাৰ ৫০ বছৰ পিছতো তেওঁ বাণিজ্য চক্ৰৰ বিষয়ে বিভিন্ন আলোচনা আগবঢ়াই থকা দেখা গৈছে। হিক্সৰ বাণিজ্য চক্ৰ তত্ত্বটো তিনিটা গুৰুত্বপূৰ্ণ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত, সেইসমূহ হ'ল — জে.এম কেইন্সৰ গুণক নীতি, জে. এম. ক্লাৰ্কৰ ত্বৰণ নীতি আৰু হেৰ'ডৰ বিকাশ নীতি।

তত্ত্বটোৰ অভিধাৰণাসমূহ ঃ হিক্সৰ ব্যৱসায় তত্ত্বটো বিতংভাৱে আলোচনা কৰাৰ আগতে, আহকচোন আমি এই তত্ত্বটো প্ৰতিষ্ঠিত অভিধাৰণাসমূহৰ বিষয়ে আলোচনা কৰো। অভিধাৰণাসমূহ হ'ল —

- হিক্সৰ মতে অৰ্থনীতিখন প্ৰাৰম্ভিক কালতে ভাৰসাম্য অৱস্থাত থাকে।
- অৰ্থনীতিটো প্ৰগতিশীল এই অৰ্থত যে স্বতন্ত্ৰ বিনিয়োগ সমান হাৰত বৃদ্ধি হয় আৰু সময়ৰ ব্যৱধানৰ লগে লগে অৰ্থনীতিটোৱে এটা বিন্দুত স্থিৰ হৈ নাযায়। ইয়াৰ অৰ্থ হ'ল, অৰ্থনীতিটো এক গতিশীল ভাৰসাম্য অৱস্থাটোৰ সন্মুখীন হয়। (আগৰ অধ্যায়টিৰ আলোচনা মনত পেলাওঁক)
- চলিত সময়ৰ উপভোগ তাৰ আগৰ সময়ৰ আয়ৰ ফলন। সাংকেতিকভাৱে, ইয়াক এনেদৰে প্ৰকাশ কৰিব পাৰি $C_t = f Y_{t-1}$, য'ত C হ'ল উপভোগ, Y হ'ল আয় আৰু t হ'ল সময়। দেখাত একে যেন লাগিলেও কেইন্সৰ নীতিটো এই সমীকৰণটোতকৈ ভিন্ন, য'ত উপভোগ

হৈছে চলিত সময়ৰ আয়ৰ ফলন।

- চলিত সময়ৰ উদগণিমূলক বিনিয়োগ হৈছে আগৰ সময়ৰ উৎপাদনৰ পৰিবৰ্ত্তনৰ ফলন। সাংকেতিকভাৱে, ইয়াক এনেদৰে প্ৰকাশ কৰিব পাৰি $I_t = f(Y_{t-1} - Y_{t-2})$; য'ত I হ'ল বিনিয়োগ, Y হ'ল আয় আৰু t হ'ল সময়।
- গুণক আৰু ত্বৰণৰ মান স্থিৰ হৈ থাকে।
- এক অৰ্থনীতিৰ বিকাশৰ উৰ্দ্ধমুখী সীমা আছে (হিক্সে যাক উৰ্দ্ধতম বুলি ব্যৱহাৰ কৰিছিল)। ই কেতিয়াও উৎপাদনৰ পূৰ্ণ নিয়োগ অৱস্থাৰ পিছত বৃদ্ধি হ'ব নোৱাৰে।
- অৰ্থনীতিটোৰ নিম্নগামী (মানে সংকোচন) গতিত কোনো প্ৰত্যক্ষ বাধা নাথাকে। অৱশ্যে, কিছুমান পৰোক্ষ বাধা থাকে। ইয়াৰ কাৰণ এইটোৱে যে ***নিৰ্বিনিয়োগ*** কেতিয়াও অৱক্ষয় ব্যয়তকৈ বেছি হ'ব নোৱাৰে (ইয়াক ত্বৰণৰ বিৱৰ্তন (Transformation of the accelerator) বুলি কোৱা হয়), ই হৈছে এক প্ৰকাৰৰ পৰোক্ষ বাধা। আকৌ, মুঠ বিনিয়োগ শূন্যৰ তলত হ'ব নোৱাৰে। গতিকে, ই বুজায় যে উৰ্দ্ধমুখী সীমাৰ দৰে এক নিম্নমুখী সীমাও আছে (যাক হিক্সে 'নিম্নতম' বুলি ব্যৱহাৰ কৰিছিল)।

তত্ত্বটোৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য ঃ যদিও হিক্সৰ তত্ত্বটো তিনিটা ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত, তেওঁৰ তত্ত্বটোৱে কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য দাঙি ধৰা দেখা গৈছে। তত্ত্বটো বৰ্ণনা কৰাৰ আগতে তলত দিয়া নিৰ্দিষ্ট বৈশিষ্ট্যসমূহ বিশদভাৱে আলোচনা কৰাটো অতি জৰুৰী —

- **বিকাশৰ উৰ্দ্ধতম আৰু নিম্নতম সীমা ঃ** হিক্সৰ মতে, বিকাশৰ উৰ্দ্ধতম সীমা থাকে। গতিকে, তেওঁৰ মতে, গুণক-ত্বৰণৰ সংযোগে ***উত্তোলন বিপাক*** অৰ্থনীতিখনক এক বৰ্দ্ধিত হাৰত গতিশীল কৰে। এই বিকাশ পূৰ্ণ নিয়োগ অৱস্থা নোপোৱালৈ বৃদ্ধি হৈ গৈ থাকে। গতিশীল অৰ্থনীতিত উৰ্দ্ধতম সীমা বৃদ্ধি হয়; কিন্তু ই উৰ্দ্ধতম সীমা পাবলৈ অধিক সময় লয় (স্থবিৰ অৰ্থনীতিৰ তুলনাত)।

এক অৰ্থনীতিয়ে উৰ্দ্ধতম সীমাত উপনীত হোৱাৰ পিছতে নিম্নমুখী অৱস্থা আৰম্ভ কৰিব। এই নিম্নমুখী ধাৰাটো সম্পদৰ প্ৰাচুৰ্য্যতাৰ ওপৰত নিৰ্ভৰ কৰে; যেনে - জনসংখ্যা, কাৰিকৰী কৌশল, মূলধন মজুত ইত্যাদি। অৰ্থনীতিটোৱে উৰ্দ্ধতম সীমাত উপনীত হ'বলৈ আৰু নিম্নমুখী গতি ল'বলৈ সামৰ্থ নহ'বও পাৰে যদি উত্তোলন বিপাক (Leverage Effects) (গুণক আৰু ত্বৰণৰ আন্তঃক্ৰিয়া) প্ৰভাৱশালী নহয়। আচলতে, অৰ্থনীতিখনে উৰ্দ্ধতম সীমাত বৰ্তি থাকিবও পাৰে আৰু কিছুসময়ৰ কাৰণে সেই অৱস্থাতে থাকিবও পাৰে। (আমি তত্ত্বটো বৰ্ণনা কৰোঁতে এই বিষয়ে আলোচনা কৰিম)।

এইটো মনত ৰখা উচিত যে হিক্সৰ মতে, যদিও গুণক আৰু ত্বৰণ দুয়োটাই অৰ্থনীতিটো উৰ্দ্ধতম দিশে গতি কৰায়, কিন্তু ইয়াৰ নিম্নমুখী গতি অকল গুণকৰ ওপৰতহে নিৰ্ভৰ কৰে (যিহেতু বহুসময়ত ত্বৰণ অকাৰ্য্যক্ষম হৈ থকা দেখা যায়)। ইয়াৰ বাবে অৰ্থনীতিটোৰ নিম্নমুখী গতিৰ হাৰ তুলনামূলকভাৱে মন্থৰ হোৱা পৰিলক্ষিত হয়। অন্যথা, গুণক আৰু ত্বৰণ একেলগে ক্ৰিয়া কৰি থাকিলে অৰ্থনীতিটোৰ নিম্নমুখী গতিৰ হাৰ অধিক হ'লহেতেন।

নিৰ্বিনিয়োগ ঃ দৰাচলতে, নিৰ্বিনিয়োগ মানে মূলধন মজুত নকৰাকে বুজায়, মানে, অৱক্ষয়নৰ বাবে ক্ষতিপূৰণ নকৰা। মূলধনী সম্পদ বিক্ৰী কৰাকো নিৰ্বিনিয়োগ বুলি কোৱা হয়। উদাহৰণস্বৰূপে, ৰাজহুৱা খণ্ডত নিৰ্বিনিয়োগ হ'ল ৰাজহুৱা খণ্ডৰ অংশপত্ৰ বজাৰত বিক্ৰী কৰা।


উত্তোলন বিপাক ঃ উত্তোলন বিপাকে এনে এক ক্ৰিয়া বুজায়, যাৰ ফলত অৰ্থনীতিটো এক বৰ্দ্ধনশীল (Cumulative) হাৰত গতি কৰে।

আকৌ, হিক্সৰ মতে, যদিও অৰ্থনীতিখনৰ নিম্নমুখী অৱস্থানত কোনো প্ৰত্যক্ষ বাধা নাথাকে, কিন্তু আগত উল্লেখ কৰাৰ দৰে পৰোক্ষ বাধা দেখিবলৈ পোৱা যায়। এই বাধাসমূহ হৈছে - প্ৰথম, মুঠ বিনিয়োগ শূন্যৰ তলত হ'ব নোৱাৰে। দ্বিতীয়তে, এনে এক নিম্ন অৱস্থাতো কিছুমান মৌলিক বিনিয়োগ (বা নিৰ্বিনিয়োগ), যেনে মজুত (inventories) বা আহিলাপাতিৰ বদলিকৰণ (Replacement) ৰ কাম চলি থাকে। আকৌ, স্বতন্ত্ৰ বিনিয়োগ বৃদ্ধি হ'বলৈ ধৰে আৰু ই নিৰ্বিনিয়োগতকৈ বেছি হয়। গতিকে, শুদ্ধ বিনিয়োগ বৃদ্ধিয়ে সামগ্ৰিক আয়টোক বৃদ্ধি কৰে আৰু অৰ্থনীতি সম্প্ৰসাৰণ অৱস্থালৈ লৈ যোৱাত সহায় কৰে।

- **চক্ৰৰ ঊৰ্দ্ধমুখী গতি** ঃ হিক্সৰ ব্যৱসায় চক্ৰ তত্ত্বটোৰ অন্য এক বৈশিষ্ট্য হৈছে চক্ৰসমূহৰ ঊৰ্দ্ধমুখী গতি। হিক্সে ধৰি লৈছিল যে যদিও অৰ্থনীতি এটাই বাণিজ্য চক্ৰৰ বিভিন্ন অৱস্থাৰ সন্মুখীন হয়, তথাপিও এছোৱা দীঘলীয় সময়ৰ প্ৰেক্ষাপটত সেই অৰ্থনীতিটো এক বিকাশৰ পথত (Growth path)আগবঢ়িব। (আগৰ অধ্যায়টিলৈ মন কৰক) এই অভিধাৰণাটো সম্পূৰ্ণ বাস্তৱিক আৰু ই অৰ্থনীতিখনৰ প্ৰকৃত কাৰ্যকৰণৰ লগত খাপখোৱা বিধৰ।

তত্ত্বটোৰ বৰ্ণনা ঃ আমি হিক্সৰ তত্ত্বটো বাণিজ্য চক্ৰৰ চাৰিটা অৱস্থাক সাঙুৰি আলোচনা কৰিলোঁ। চিত্ৰ ১৪.৪ ৰ জৰিয়তে তত্ত্বটো বৰ্ণনা কৰা হ'ল —

চিত্ৰ ১৪.৪ ঃ হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্ব



১৪.৪ নং চিত্ৰত, AA ৰেখাডালে স্বতন্ত্ৰ বিনিয়োগক বুজাইছে, যাক স্থিৰ হাৰ 'g' ত বৃদ্ধি হোৱা বুলি ধৰা হৈছে।

- EE ৰেখাডালে উৎপাদনৰ ভাৰসাম্য আয়ক বুজাইছে যি স্বতন্ত্ৰ বিনিয়োগ (AA)ৰ ওপৰত নিৰ্ভৰশীল। এই ভাৰসাম্য পথটো গুণক আৰু ত্বৰণৰ সংযোগে ব্যাঘাত জন্মায়।
- LL ৰেখাডালে উৎপাদনৰ নিম্ন ভাৰসাম্য পথটোক নিৰ্দেশ কৰিছে।
- FF ৰেখাডালে পূৰ্ণ নিয়োগৰ সৰ্বোচ্চ অৱস্থাক বুজাইছে (মানে ঊৰ্দ্ধতম বিন্দু)।

সাধাৰণতে, ই EE ভাৰসাম্য পথটোৰ ওপৰত থাকে আৰু AA যি হাৰত বৃদ্ধি পাইছে তেনে সমহাৰতে বৃদ্ধি হোৱা বুলি ধৰা হৈছে।

ওপৰৰ চিত্ৰত দেখুওৱা বাণিজ্য চক্ৰৰ অৱস্থা চাৰিটা হ'ল —

- **সমৃদ্ধি** (Prosperity) ঃ আমি আগতে উল্লেখ কৰাৰ দৰে, P_o হৈছে প্ৰাৰম্ভিক ভাৰসাম্য বিন্দু। এতিয়া, যিহেতু স্বতন্ত্ৰ বিনিয়োগ 'g' হাৰত বৃদ্ধি পায় আৰু গুণক আৰু ত্বৰণৰ সংযোগে অৰ্থনীতিখনক ঊৰ্দ্ধতম পথ CC লৈ বৃদ্ধি কৰায়। CC হ'ল পূৰ্ণ নিয়োগ ভাৰসাম্য পথ। গতিকে, অৰ্থনীতিখনে P_1 বিন্দুত অৱস্থান কৰিব। যিহেতু আমি আগতে গতিশীল অৰ্থনীতিৰ কথা আলোচনা কৰিছোঁ, গতিকে এক গতিশীল ভাৰসমতাৰ বিষয়ে আলোচনা কৰিম। প্ৰচুৰ মানৱ শক্তি, কাৰিকৰী কৌশল আৰু অন্য সম্পদ আৰু উদগণিমূলক বিনিয়োগৰ সময়ভিত্তিক সম্পৰ্কই অৰ্থনীতিখনক পূৰ্ণনিয়োগ অৱস্থাৰ ঊৰ্দ্ধতম বিন্দু P_1 পোৱাৰ পিছতো বৃদ্ধি হোৱাত সহায় কৰে। সেয়েহে, অৰ্থনীতিখন P_1 বিন্দুৰ পৰা P_2 বিন্দুলৈ উন্নীত হোৱা দেখা গৈছে। এইটো অত্যন্ত গুৰুত্বপূৰ্ণ যে হিক্সৰ মতে, পূৰ্ণ নিয়োগৰ ঊৰ্দ্ধতম সীমা উৎপাদনৰ ওপৰত নিৰ্ভৰশীল নহয়; ই বিভিন্ন উপাদান যেনে জনসংখ্যা বৃদ্ধি, কাৰিকৰী কৌশল আদিৰ ওপৰতহে নিৰ্ভৰশীল। আৰু এই উপাদানসমূহ স্বতন্ত্ৰ বিনিয়োগ বৃদ্ধিৰ দৰে সমহাৰত বৃদ্ধি হয় বুলি ধৰি লোৱা হয়।
- **পতন** (Downturn) ঃ অৰ্থনীতিখনে সকলো সময়তে ঊৰ্দ্ধতম অৱস্থাত থাকিব নোৱাৰে। ই নিম্নমুখী গতি ল'বই লাগিব। আগতে আলোচনা কৰাৰ দৰে, হিক্সৰ মতে, অৰ্থনীতিৰ নিম্নমুখী অৱস্থা আৰম্ভ হ'ব পূৰ্ণ নিয়োগ ভাৰসাম্য পথ পোৱাৰ আগতে অৰ্থাৎ P_1 বিন্দু পোৱাৰ আগত। যদিও গুণক আৰু ত্বৰণে অৰ্থনীতিখনক ঊৰ্দ্ধতম দিশে গতি কৰায়, কিন্তু যেতিয়া ই নিম্নমুখী হয় তেতিয়া ত্বৰণ সম্পূৰ্ণৰূপে অকাৰ্য্যক্ষম হৈ থকা দেখা যায়। সেয়ে বিকাশৰ হাৰ পূৰ্বতকৈ (য'ত দুয়োটা প্ৰক্ৰিয়া গুণক আৰু ত্বৰণ কাৰ্য্যক্ষম হৈ আছিল) কম হয়। আমাৰ চিত্ৰত ইয়াক $P_2 P_3 Q$ ৰে বুজোৱা হৈছে। যদিও অৰ্থনীতিৰ নিম্নমুখী অৱস্থাত অকলমাত্ৰ গুণক প্ৰক্ৰিয়াটো কাৰ্য্যক্ষম হৈ থাকে আৰু বিভিন্ন পৰোক্ষ বাধাৰ বাবে, আমি আগতে উল্লেখ কৰাৰ দৰে। অৰ্থনীত খনে আচলতে $P_2 P_3 P_1$ পথেৰেহে গতি কৰিব আৰু ই $P_2 P_3 Q$ পথেৰে গতি নকৰে।
- **মন্দাৱস্থা** (Depression) ঃ ওপৰৰ চিত্ৰটোৰ পৰা আপুনি দেখিবলৈ পাইছে যে অৰ্থনীতিটোৱে নিম্নমুখী গতি কৰিছে, ই প্ৰাৰম্ভিক ভাৰসাম্য পথ EE ৰ P_3 বিন্দুৰ মাজেৰে গতি কৰিছে। গতিকে, অৰ্থনীতিটোৱে এই অৱস্থাত স্থবিৰ হ'ব নে আৰু পুনৰ ভাৰসাম্য অৱস্থাত উপনীত হ'ব? উত্তৰটো হ'ব ঋণাত্মক, গুণকৰ পশ্চাদগামী প্ৰভাৱে অৰ্থনীতিটোক EE ৰ তললৈ লৈ যাব। কিছুমান পৰোক্ষ বাধাই নিম্নসীমা নিৰ্ধাৰণ কৰে; যিবোৰ আমি আগতে আলোচনা কৰি আহিছোঁ। LL ৰেখাডালে নিম্নতম সীমাক

বুজাইছে। সেয়েহে, অর্থনীতিটোৱে Q_1 নিম্নতম বিন্দুত অৱস্থান কৰিছে।

- **পুনৰ উত্থান** (Recovery) ঃ অর্থনীতিটোৱে Q_1 বিন্দুত নিম্নসীমা লাভ কৰাৰ পিছত, ই তৎক্ষণাত ওপৰলৈ গতি নকৰে। বৰঞ্চ, কিছু সময় ইয়াৰ আশে পাশে গতি কৰি QQ_1 তকৈ অলপ উচ্চ সীমা Q_2 লৈ গতি কৰিব। এই Q_1 ৰ পৰা Q_2 লৈ পৰিবৰ্ত্তন বিশেষকৈ অর্থনীতিটোৰ অতিৰিক্ত ক্ষমতাৰ ফলত হোৱা দেখা গৈছে। এই Q_1 ৰ পৰা Q_2 লৈ হোৱা পৰিবর্তনে ৰাষ্ট্রীয় আয় বৃদ্ধিত সহায় কৰিছে, আকৌ যিহেতু স্বতন্ত্র বিনিয়োগ ক্রমান্বয়ে 'g' হাৰত বৃদ্ধি হৈ থাকে, সেয়ে গুণক- ত্বৰণৰ সংযোগে অর্থনীতিটোক পুনৰ বিকাশৰ Q_2 Q_3 পথলৈ উন্নীত কৰিব।

সমালোচনাত্মক মূল্যায়ন ঃ হিক্সৰ ব্যৱসায় চক্ৰ তত্বটোৰ গুণসমূহ হ'ল —

- হিক্সে আগৰ বাণিজ্য চক্ৰৰ তত্ত্ববোৰৰ পৰা পৃথককৈ এই তত্ত্বটো আগবঢ়াইছে আৰু ই এইটো মতামতৰ ওপৰত নির্ভৰশীল যে অর্থনীতিখনে আচলতে নিম্ন হাৰত তললৈ গতি কৰে। তেওঁ ব্যাখ্যা কৰা অনুসৰি, অর্থনীতিটোৰ নিম্নমুখী যাত্রাত ত্বৰণ যে অকার্য্যক্ষম হৈ থাকে, এই কথাষাৰে যথেষ্ঠ তাৎপর্য্য বহন কৰিছে।
- উর্দ্ধতম আৰু নিম্নতম সীমাত হোৱা ধীৰ গতি উল্লেখযোগ্য। হিক্সে দেখুৱাইছিল যে ইয়াৰ কাৰণ গুণক - ত্বৰণৰ সংযোগ আৰু বিনিয়োগৰ সময়ভিত্তিক সক্রিয়তা। আকৌ এই গতি অতিৰিক্ত ক্ষমতাই প্রভাৱিত কৰে। এই দুয়োটা যুক্তিয়ে বৰ গুৰুত্বপূর্ণ।
- বাণিজ্য চক্ৰৰ সৈতে অর্থনৈতিক বিকাশৰ সম্পর্ক হৈছে আন এক উল্লেখযোগ্য মাইলৰ খুঁটি।

  ওপৰত উল্লেখ কৰা গুণবিলাকৰ সত্বেও, হিক্সৰ তত্বটো তলত দিয়া ধৰণে সমালোচনা কৰা হয়।
- এই তত্ত্বটো অতি অনমনীয় (rigid)। ত্বৰণ নীতিটো অন্ত্যন্ত অনমনীয়ভাৱে ব্যৱহাৰ কৰা হৈছে।
- হিক্সে গুণক আৰু ত্বৰণৰ মান স্থিৰ বুলি ধৰি লৈছিল। এইটো সম্পূর্ণ অবাস্তৱিক।
- হিক্সৰ তত্ত্বটো যদিও স্বতন্ত্র বিনিয়োগৰ ভূমিকাক অৱহেলা কৰা নাই, কিন্তু ইয়াৰ ভূমিকা হৈছে পৰোক্ষ। সমহাৰত স্বতন্ত্র বিনিয়োগ বৃদ্ধিৰ হাৰৰ ধাৰণাটো সমালোচনা কৰা হৈছে।
- হিক্সৰ মতে, পূর্ণ নিয়োগ উৎপাদন পথৰ ওপৰত নির্ভৰশীল নহয়। এই অভিধাৰণাটোও সমালোচনা কৰা হৈছে।

ওপৰৰ সমালোচনা সত্বেও, হিক্সৰ বাণিজ্য চক্ৰ তত্ত্বটোক মুখ্য বৰঙণি বুলি স্বীকৃতি দিয়া হয়। বহুতো সমালোচকে গুণসমূহক আঁকোৱালি লৈছে। উল্লেখযোগ্য যে এই তত্ত্বটো আগবঢ়োৱাৰ ৫০ বছৰৰ পিছতো, বর্ত্তমান সময়তো এই তত্ত্বটো বাণিজ্য চক্ৰৰ এক গুৰুত্বপূর্ণ তত্ত্ব হিচাপে স্থান লাভ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) হিক্সে তেওঁৰ ব্যাখ্যাত অৰ্থনীতিখন স্থবিৰ বুলি ধৰি লৈছিল। (শুদ্ধ/অশুদ্ধ)

(খ) হিক্সে ধৰি লৈছিল যে প্ৰাৰম্ভিক অৱস্থাত অৰ্থনীতিখন ভাৰসাম্য অৱস্থাত থাকে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ হিক্সৰ মতে কেনেকৈ অৰ্থনীতিখনে নিজকে পুনৰ উত্থান কৰিব? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ছেমুৱেলচন আছিল ব্যৱসায় চক্ৰ ধাৰণাটোত গুণক ত্বৰণ সংযোগ ব্যৱহাৰৰ আঁতধৰোতাসকলৰ ভিতৰত এজন। গুণক আৰু ত্বৰণৰ সংযোগে কেনেকৈ অৰ্থনৈতিক কাৰ্যৱলীসমূহৰ চক্ৰীয় উত্থান-পতন ঘটায়, তাক তেওঁ সুন্দৰকৈ দেখাৱাইছিল।
- ছেমুৱেলচনৰ আৰ্হিটোৰ মৌলিক নীতিটো হৈছে — গুণকে অকলে অৰ্থনৈতিক উত্থান-পতনৰ প্ৰকৃতি বৰ্ণনা কৰিব নোৱাৰে।
- হিক্সৰ ব্যৱসায় চক্ৰৰ তত্ত্বটোক এক গুৰুত্বপূৰ্ণ বৰঙণি হিচাপে গণ্য কৰা হয়।



১৪.৬ অধিক জানিবৰ বাবে

১) Ahuja, H.L (2007). Macroecomoics : Theory and Policy, New Delhi. S. Chand & Co. Gupta, R.D

২) Mannur, H.G (1995). Internatioanl Economics, New Delhi : Vikas Publishing House Pvt. Ltd.

৩) Rana K.C. & Verma, K.N. (2009). Macroeconomic Analysis, Jalandhar : Vishal Publication.

৪) Shapiro, E. (2013). Macroeconomic Analysis. New Delhi : Galgotia Publication Pvt. Ltd.

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, ৰফিক; ২০০৯, *সমষ্টিগত অৰ্থতত্ত্ব*, যোৰহাট ঃ ইউনিকা প্ৰকাশন।



১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ ছেমুলৱেলছনৰ মডেলৰ অভিধাৰণাসমূহ হ'ল — চলিত সময়ৰ উপভোগ আগৰ সময়ৰ আয়ৰ পৰিবৰ্তনৰ লগত জড়িত।

চলিত সময়ৰ বিনিয়োগ আগৰ সময় এবছৰৰ ব্যৱধানৰ লগত জড়িত।

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰঃ হিক্সৰ মতে, অৰ্থনীতিখনে স্বতন্ত্ৰভাৱে বাণিজ্য চক্ৰৰ নিম্নতম সীমাৰ পৰা পৰিপুষ্টি লাভ কৰিব নোৱাৰে।

এই পৰিবৰ্তন অৰ্থনীতিখনৰ অতিৰিক্ত ক্ষমতাৰ বাবে হৈছে আৰু ই জাতীয় আয় বৃদ্ধিত সহায় কৰে। আকৌ, যিহেতু স্বতন্ত্ৰ বিনিয়োগ আহৰণ সমহাৰত বৃদ্ধি হৈ গৈ থাকে সেয়েহে, গুণক আৰু ত্বৰণৰ সংযোগে পুণৰ অৰ্থনীতিখনক বিকাশৰ পথে আগবঢ়াই লৈ যায়।



১৪.৮ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ হিক্সৰ ব্যৱসায় চক্ৰ তত্ত্বৰ মূল বৈশিষ্টবোৰ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ হিক্সৰ ব্যৱসায় চক্ৰ তত্ত্বৰ আলমত ব্যৱসায় চক্ৰ এটাৰ বিভিন্ন পৰ্য্যায়বোৰ আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ হিক্সৰ ব্যৱসায় চক্ৰ তত্ত্বটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ ছেমুৱেলচনৰ ব্যৱসায় চক্ৰৰ গুণক-ত্বৰণ সংযোগ তত্ত্বটো আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ কল্যাণ অর্থবিজ্ঞান

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ কল্যাণ আৰু কল্যাণ অর্থবিজ্ঞান

১৫.৪ ব্যক্তিগত কল্যাণ আৰু সামাজিক কল্যাণ

১৫.৫ কল্যাণ অর্থবিজ্ঞানত মূল্য বিচাৰৰ ভূমিকা

১৫.৬ পিগুৱ উপযোগিতা বিশ্লেষণৰ ধাৰণা

১৫.৭ পেৰেটৱ কল্যাণ অর্থনীতিৰ কাম্যতম অবস্থা

১৫.৭.১ উপভোক্তাসকলৰ মাজত উৎপাদনৰ কাম্যতম বিতৰণ বা বিতৰণৰ দক্ষতা

১৫.৭.২ উৎপাদনৰ কার্যকাৰিতা বা উৎপাদনকাৰীৰ মাজত উপাদানসমূহৰ বিতৰণ কার্য্যকাৰিতা

১৫.৭.৩ দ্রব্য সামগ্রীৰ মাজত উপাদানসমূহৰ কাম্যতম বিতৰণ

১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৯ অধিক জানিবৰ বাবে

১৫.১০ অগ্রগতিৰ খতিয়ান

১৫.১১ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কল্যাণ আৰু কল্যাণ অর্থবিজ্ঞানৰ ধাৰণাৰ আলোচনা কৰিব পাৰিব আৰু লগতে কেনেকৈ মূল্য বিচাৰৰ ধাৰণাটো ইয়াৰ লগত সম্পর্কিত তাৰেই বিশ্লেষণ কৰিব পাৰিব
- ব্যক্তিগত আৰু সামাজিক কল্যাণৰ ধাৰণাৰ বিষয়ে জ্ঞান আহৰণ আৰু কেনেদৰে দুয়োটা জোখা হয় তাৰ আলোচনা কৰিব পাৰিব
- পিগুৱ আৰু পেৰেটৱ তত্বৰ বিষয়ে বিশদভাবে জানিব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়টিয়ে কল্যাণ অর্থবিজ্ঞানৰ কিছুমান মুখ্য ধাৰণাৰ সৈতে আপোনালোকক পৰিচয় কৰাই দিব। কল্যাণ অর্থবিজ্ঞানৰ পৰা সংস্থাপিক অর্থবিজ্ঞানলৈ বিৱর্তন আৰু লগতে

আদাম স্মিথৰ পৰা এৰ' লৈকে বিবর্তনৰ বিষয়েও এই অধ্যায়টিত আলোচনা কৰা হৈছে। অর্থবিজ্ঞানত মূল্য বিচাৰ সম্পর্কত বিতর্ক আৰু পিগু আৰু পেৰেটৰ কল্যাণ অর্থবিজ্ঞানৰ ধাৰণা সম্পর্কেও অধ্যায়টিত আলোচনা কৰা হৈছে। কল্যাণ শব্দটোৰ দ্বাৰা আমি সাধাৰণ মংগল অথবা সন্তুষ্টিৰ কথা বুজাও। এই সন্তুষ্টি ব্যক্তিগত বা সামূহিক পর্য্যায়ত হ'ব পাৰে। কল্যাণ অর্থবিজ্ঞানে সমাজত সর্বাধিক সন্তুষ্টিৰ বাবে বা সর্বাধিক কল্যাণৰ বাবে সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বিষয়ে আলোচনা কৰে। কল্যাণ অর্থবিজ্ঞানে সমাজত কি, কেনেকৈ উৎপাদন কৰা হ'বতকৈ কি উৎপাদন কৰা উচিত সেয়া প্রশ্নহে কৰে। যথার্থতে, কল্যাণকামী অর্থবিজ্ঞান হ'ল ঔচিত্যবোধৰ বিজ্ঞান বা নীতিনির্দ্ধাৰক বিজ্ঞান।

১৫.৩ কল্যাণ আৰু কল্যাণ অর্থবিজ্ঞান

কল্যাণ অর্থবিজ্ঞান (Welfare Economics) হ'ল অর্থবিজ্ঞানৰ সেইটো শাখা য'ত দ্রব্যসামগ্রী আৰু সম্পদৰ উপযুক্ত আৰু ফলপ্রসূ আৱন্টন আৰু সমাজৰ কল্যাণৰ ওপৰত ইয়াৰ প্রভাৱ সম্পর্কে আলোচনা কৰা হয়। সম্পদৰ ফলপ্রসূ আৱন্টন বুলি ক'লে যে যিকোনো পৰিস্থিতি বা অৱস্থাত সম্পদ বিতৰণৰ জৰিয়তে সর্বাধিক সামাজিক কল্যাণত উপনীত হোৱাটোকে বুজোৱা হয়। কল্যাণ অর্থবিজ্ঞানত সমাজৰ মংগলৰ দিশৰ পৰা বিকল্প কল্যাণ অর্থনৈতিক ব্যৱস্থা বা পৰিস্থিতি নির্ণয় কৰিবলৈ পদক্ষেপ লোৱা হয়। সঠিকভাবে ব্যাখ্যা কৰিবলৈ আমি ধৰি ল'ব পাৰোঁ যে এখন দেশৰ মুঠ কল্যাণ হ'ল W। কিন্তু দেশৰ কাৰিকৰী অৱস্থা আৰু সম্পদৰ প্রচুৰতা থকাৰ বাবে ধৰা হওক এই কল্যাণ অধিক বৃদ্ধি কৰিব পাৰি আৰু ধৰা হ'ল সেই নির্ধাৰিত স্তৰ W*। সেয়েহে এতিয়া কল্যাণ অর্থবিজ্ঞানী এজনৰ নির্ধাৰিত কাম হ'ল যে বর্তমানৰ কল্যাণৰ অৱস্থা W ৰ পৰিমাণ কাম্যতম কল্যাণ W* ত কৈ কম বুলি প্রমাণ কৰা আৰু W* অৱস্থাৰ আহৰণৰ বাবে কি ব্যৱস্থা লোৱা হ'ব তাৰ পৰামর্শ দিয়া। কল্যাণ অর্থবিজ্ঞানীসকলে সমাজৰ কল্যাণৰ দিশৰ পৰা বিকল্প অর্থনৈতিক অৱস্থা বা নীতিৰ বিচাৰ কৰিবলৈ কিছুমান নিয়ম গঠন বা প্রতিষ্ঠা কৰিব লাগে। এনে নিয়ম সমূহেই সামাজিক কল্যাণ বৃদ্ধি কৰিব পৰা নীতি নির্দেশনাৰ ভিত্তি হ'ব পাৰে। অধ্যাপক লেঞ্জ্ (Lange) অৰ মতে "কল্যাণ অর্থবিজ্ঞানে আচৰণৰ কিছুমান নিয়ম প্রতিষ্ঠা কৰে, যিয়ে অর্থনৈতিক কামকাজৰ সামাজিক যুক্তিসিদ্ধতাৰ প্রয়োজন সমূহ পূৰ কৰে। সমাজৰ অর্থনৈতিক সম্পদৰ কাম্য বিতৰণৰ নিশ্চয়তাৰ বাবে কল্যাণ অর্থনীতিৰ দ্বাৰা এই আচৰণৰ নীতিনিয়ম প্রতিষ্ঠা কৰা হৈছে।" পুনৰ অধ্যাপক ব'মল (Baumol) এ লিখিছে যে কল্যাণ অর্থবিজ্ঞানে সম্পদৰ আৱন্টনৰ দিশৰ লগত জড়িত নীতিসমূহ লৈ বেছি সজাগ আৰু এইবোৰ উৎপত্তি হয় মূলতঃ উৎপাদনৰ উপাদান সমূহ বিভিন্ন দ্রব্য সামগ্রীৰ মাজত বিতৰণ কৰোঁতে আৰু দ্রব্য সামগ্রী সমূহ উপভোক্তাৰ মাজত বিতৰণ কৰোঁতে। আৰু তেওঁৰ সংজ্ঞাই সমাজৰ কল্যাণৰ বৃদ্ধি কৰিবলৈ উপযুক্ত সম্পদ বিতৰণৰ ক্ষেত্রতো জোৰ দিছে।

আমি জানোঁ যে অর্থনীতিৰ বিভিন্ন অংশৰ মাজত আন্তঃসম্পর্ক আছে আৰু এটা খণ্ডৰ কিছুমান নির্দিষ্ট পৰিবর্তনে অন্য খণ্ডৰ সম্পদ বিতৰণৰ ওপৰত প্রভাৱ পেলায়। সেয়েহে কল্যাণ

অর্থবিজ্ঞানৰ এটা প্ৰধান সমস্যা হৈছে সম্পদ বিতৰণৰ ক্ষেত্ৰত কোনো এক নিৰ্দিষ্ট পৰিবৰ্তনে অর্থনীতিটোৰ কল্যাণ বৃদ্ধি নে হ্ৰাস কৰিব তাক নিৰ্ণয় কৰাটো। কিন্তু সামাজিক কল্যাণ জুখিবলৈ ইমান সহজ নহয়, কাৰণ কল্যাণ বস্তুনিষ্ঠ নহয় আৰু ই মানুহৰ মনৰ আনন্দ, সন্তুষ্টিৰ লগত জড়িত এক বিষয়নিষ্ঠ বস্তু। বস্তুনিষ্ঠ ভাবে কল্যাণৰ জোখ ল'বলৈ হ'লে সমাজৰ বিভিন্ন লোকৰ কল্যাণ বা আন্তঃ ব্যক্তিৰ উপযোগিতা তুলনা কৰিব পাৰিব লাগিব। কল্যাণ অর্থবিজ্ঞানৰ বিষয়টো পাৰ হৈ যোৱা বছৰবোৰত এক বিতর্কিত বিষয় হৈ পৰিছে, কাৰণ ইয়াত জড়িত হৈ থকা মূল্যবিচাৰৰ ক্ষেত্ৰত বিভিন্ন অর্থবিজ্ঞানীৰ মতামতৰ মাজত পার্থক্য আছে। বর্তমান সময়ত কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো আধুনিক গণতান্ত্ৰিক চৰকাৰৰ মৌলিক উদ্দেশ্য হৈ পৰিছে; সেয়েহে, এই উদ্দেশ্য পূৰণৰ বাবে চৰকাৰে প্ৰত্যেকজন ব্যক্তিৰ ইচ্ছা আৰু সন্তুষ্টি পূৰাব লাগিব। অধ্যাপক জে. কে. মেহতাৰ মতে, যদি আমি দুচোৰা বেলেগ বেলেগ সময় ধৰি লওঁ তেনেহ'লে "এজন নির্দ্দিষ্ট ব্যক্তিৰ কল্যাণ সেই সময়চোৱাত বাঢ়িব, যেতিয়া তেওঁৰ ইচ্ছা বা অভাৱ পূৰ হ'ব। বিপৰীতভাবে আমি ক'ব পাৰোঁ যে যেতিয়াই কম অভাৱ পূৰ হ'বলৈ বাকী থাকে, তেতিয়াই কল্যাণ বেছি হয়।"



জনা উচিত

সামাজিক যুক্তিসিদ্ধতা অর্থ হ'ল কিছুমান অর্থনৈতিক কার্য্য। যিবোৰে সম্পদৰ কাম্য বিতৰণ আৰু সর্বাধিক সামাজিক কল্যাণৰ নিশ্চয়তা দিয়ে।

১৫.৪ ব্যক্তিগত কল্যাণ আৰু সামাজিক কল্যাণ

কোনো এজন ব্যক্তিয়ে নির্দিষ্ট সময়ত বা সময়ছোৱাত লাভ কৰা উপযোগিতা বা সন্তুষ্টিক ব্যক্তিগত কল্যাণ বোলা হয়। ব্যক্তিয়ে সদায় নিজৰ কল্যাণ সর্বাধিক কৰিবলৈ চেষ্টা কৰে। কিন্তু কল্যাণ এক মানসিক স্থিতি বা বিষয়নিষ্ঠ বস্তু হোৱা বাবে বস্তুনিষ্ঠ দিশ হিচাপে জুখিবলৈ জটিল। সেয়েহে অর্থবিজ্ঞানীসকলে ব্যক্তিগত কল্যাণ আৰু ব্যক্তিগত পছন্দৰ মাজত সংযোগ স্থাপন কৰাৰ বাবে চেষ্টা কৰিছে। অন্য অর্থত, এজন ব্যক্তিৰ কল্যাণৰ মানচিত্ৰ তেওঁৰ পছন্দৰ মানচিত্ৰৰ সৈতে একে বুলি ধৰি লোৱা হৈছে। ইয়াৰ অর্থ এয়ে যে যেতিয়া এজন ব্যক্তিয়ে তেওঁৰ পছন্দৰ ঠাইত উপনীত হয় তেতিয়া তেওঁৰ কল্যাণ সর্বাধিক হয়। অধিক বুজিবৰ বাবে এটা উদাহৰণ লোৱা হওক — ধৰা হওক, এজন ব্যক্তিয়ে B স্থিতিতকৈ A স্থিতিক বেছি পছন্দ কৰিছে। এনেক্ষেত্ৰত বুজিব লাগিব যে তেওঁৰ কল্যাণ B ত কৈ A ত অধিক হ'ব আৰু তেওঁৰ সর্বাধিক কল্যাণ A ত হে সম্ভৱ। ব্যক্তিগত কল্যাণ অর্থনৈতিক আৰু অনা অর্থনৈতিক এই দুয়োটা চলকৰে ফলন। সংস্থাপিক অর্থবিজ্ঞানীসকলে সাধাৰণ কল্যাণ আৰু অর্থনৈতিক কল্যাণৰ মাজৰ পার্থক্য বিচাৰ কৰিছে। অর্থবিজ্ঞানীসকলৰ মতে, সাধাৰণ কল্যাণ নির্ধাৰণ হয় একাধিক সংখ্যক অর্থনৈতিক আৰু অনা অর্থনৈতিক উপাদানৰ দ্বাৰা আৰু অনা - অর্থনৈতিক উপাদান সমূহ বাহ্যিক কাৰকৰ দ্বাৰা নির্ণয় হোৱা প্ৰকৃতিৰ।



জনা উচিত

বাহ্যিক চলক সমূহ সমীকৰণ প্ৰণালীৰ বাহিৰত নিৰ্ণয় কৰা হয়। কল্যাণ অৰ্থনীতিৰ ক্ষেত্ৰত অনা অৰ্থনৈতিক কাৰক সমূহ বাহ্যিক বুলি গণ্য কৰা হয়, কাৰণ এই কাৰক সমূহে যদিও অৰ্থনৈতিক কাৰক সমূহ প্ৰভাৱিত কৰে, নিজে আনৰ দ্বাৰা প্ৰভাৱিত নহয়।

সমাজত বাস কৰা সকলো ব্যক্তিৰ মুঠ সন্তুষ্টিৰ অথবা কল্যাণকে সামাজিক কল্যাণে সামৰি লয়। সামাজিক কল্যাণৰ জোখ লোৱাটো অলপ জটিল, কিয়নো সমাজত বাস কৰা বিভিন্ন ব্যক্তিৰ আনন্দ, বিষাদ একেলগে নিৰ্দ্ধাৰণ কৰাটো এক জটিল বিষয়। সামাজিক কল্যাণৰ জোখৰ বাবে কিছুমান নীতি সম্বন্ধীয় মানদণ্ড আৰু উপযোগিতাৰ আন্তঃ ব্যক্তিৰ তুলনা কৰাৰ প্ৰয়োজন আহি পৰে, আৰু এই দুয়োটাই বিষয়নিষ্ঠ মূল্য বিচাৰৰ লগত জড়িত। সংস্থাপিক অৰ্থবিজ্ঞানী আডাম স্মিথৰ মতে, মুঠ ৰাষ্ট্ৰীয় উৎপাদন বৃদ্ধি বিষয়টো সামাজিক কল্যাণৰ নীতি হোৱা উচিত। তেওঁ বিশ্বাস কৰিছিল যে অৰ্থনৈতিক বৃদ্ধিয়ে নিয়োগ সুবিধা বৃদ্ধি কৰাৰ লগতে উপভোগৰ বাবে প্ৰয়োজনীয় দ্ৰব্যসামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰে। আনহাতে, সমাজৰ কল্যাণৰ নিৰ্দেশাৱলী হিচাপে সাংখ্যিক মতবাদৰ অৰ্থবিজ্ঞানীসকলে ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিৰ প্ৰস্তাৱ আগবঢ়াইছে। কিন্তু এই প্ৰস্তাৱৰ এক গুৰুত্বপূৰ্ণ সীমাবদ্ধতা আছে। কাৰণ এই বিধি মতে, সকলো ব্যক্তিৰে মুদ্ৰাগত উপযোগিতা ফলন সমান। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে ব্যক্তি সকলৰ মুদ্ৰাৰ প্ৰতি থকা মনোভাৱ বেলেগ বেলেগ। পাছলৈ, সামাজিক কল্যাণ জুখিবৰ বাবে অৰ্থনৈতিক কাৰ্যকাৰিতাৰ নীতি ব্যৱহাৰ কৰা হ'ল, যাক আমি পেৰেটৰ কাম্যনীতি বুলি ক'ব পাৰোঁ। সামাজিক কল্যাণ জুখিবলৈ উপযোগিতাৰ আন্তঃব্যক্তিৰ তুলনা সামাজিক কল্যাণ ফলনত প্ৰকাশ্য ভাবে ব্যৱহাৰ কৰা হৈছে। আৰু শেষত অধ্যাপক এৰ'ই সংখ্যাগৰিষ্ঠ নীতি আৰু ভোট প্ৰক্ৰিয়া সামাজিক পছন্দ নিৰ্ণয় কৰিবলৈ তথা সামাজিক কল্যাণ জুখিবৰ বাবে পৃষ্ঠপোষকতা কৰিছে।



জনা উচিত

সাংখ্যিক অৰ্থবিজ্ঞানী ঃ মাৰ্ছালকে ধৰি এদল অৰ্থবিজ্ঞান যাৰ মতে উপযোগিতা সংখ্যাগত ভাবে জুখিব পাৰি।



জনা উচিত

পেৰেটৰ কাম্যতাৰ নীতি ঃ ভিলফ্ৰেদ' পেৰেটৰে সমাজৰ কল্যাণৰ বিচাৰৰ বাবে কিছুমান নীতি নিৰ্দেশনা আগবঢ়াইছে। যিবোৰক পেৰেটৰ কাম্যতাৰ নীতি হিচাপে জনা যায়। এই নীতি মতে, আন ব্যক্তিৰ ক্ষতিসাধন নকৰাকৈ অন্ততঃ এজন ব্যক্তিৰ অৱস্থাৰ উন্নতি ঘটিলে সামাজিক কল্যাণ বৃদ্ধি হয়। আনহাতে, সামাজিক কল্যাণ হ্ৰাস হ'ব যদি আন ব্যক্তিৰ অৱস্থাৰ উন্নতি নঘটোৱাকৈ

অন্ততঃ এজন ব্যক্তিৰ ক্ষতিসাধন হয়। সেয়েহে আমি ক'ব পাৰোঁ যে পেৰেটৱ' কাম্যতম অৱস্থা হ'ল এক কাম্যতম অর্থনৈতিক অৱস্থা, য'ত কোনো ব্যক্তিক ক্ষতিসাধান নকৰাকৈ এজন ব্যক্তিৰ উন্নতি ঘটাই সম্পদ পুনৰ বিতৰণ কৰাটো অসম্ভৱ হয়।



জনা উচিত

বার্গছন আৰু ছেমুৱেলছনৰ সামাজিক কল্যাণ কার্য্য ঃ সামাজিক কল্যাণ জুখিবলৈ বার্গছন আৰু ছেমুৱেলছনে সামাজিক কার্য্যৰ ৰূপত প্রকাশ্য মূল্য বিচাৰ ব্যৱহাৰৰ সিদ্ধান্ত আগবঢ়াইছে। সামাজিক কার্য্য উপভোক্তাৰ ব্যক্তিগত উপযোগিতা কার্য্যৰ সৈতে একে। ই বিকল্প পৰিস্থিতি সমূহৰ স্থান নির্ণয় কৰে, য'ত বিভিন্ন ব্যক্তিয়ে বিভিন্ন পর্য্যায়ৰ উপযোগিতা লাভ কৰে। সামাজিক নিৰপেক্ষ ৰেখাৰ সহায়ত ইয়াক প্রকাশ কৰিব পাৰি।



জনা উচিত

অর্থনীতিবিদ এৰ'ৰ গ্রন্থ "The Social Choice and Individual Values" ত বার্গছন আৰু ছেমুৱেলছনৰ সামাজিক কল্যাণৰ কার্য্যৰ জটিলতাবোৰ নাইকিয়া কৰিব চেষ্টা কৰিছে আৰু তেওঁৰ বিখ্যাত অসম্ভৱ উপপাদ্য আগবঢ়াইছে। তেওঁৰ মতে, সমাজৰ পছন্দ নির্ণয় হয় 'সৰহসংখ্যক'ৰ নিয়মৰ দ্বাৰা আৰু এয়া জনসাধাৰণৰ মতৰ পৰা পাব পাৰি।

১৫.৫ কল্যাণ অর্থবিজ্ঞানত মূল্য বিচাৰৰ ভূমিকা

মূল্যবিচাৰে কল্যাণ অর্থবিজ্ঞানত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ইতিমধ্যে আমি জ্ঞাত হলোঁ যে মূল্যবিচাৰ (Value Judgement) অথবা প্রমূল্যবোধ মানে হ'ল ভাল অথবা বেয়া সম্পর্কত মানুহৰ ধাৰণা। মূল্যৰ সম্পর্কত এই ধাৰণাবোৰ নির্ভৰ কৰে মানুহৰ সামাজিক, ৰাজনৈতিক, দার্শনিক আৰু ধর্মীয় বিশ্বাসৰ ওপৰত। ই অন্য কোনো বৈজ্ঞানিক যুক্তি অথবা নীতিৰ ওপৰত নির্ভৰশীল নহয়। কল্যাণ অর্থবিজ্ঞানৰ ক্ষেত্রত মূল্যবিচাৰৰ ভূমিকা আছে নে নাই এই সম্পর্কে এটা বৃহৎ বিতর্ক আছে। এল. ৰবিনছন আৰু তেওঁৰ অনুগামী সকলে মত দিছে যে মূল্যবিচাৰৰ অন্তর্ভুক্তিকৰণে কল্যাণ অর্থবিজ্ঞানক অবৈজ্ঞানিক কৰি তোলে। সেয়েহে, তেওঁলোকৰ মতে, অর্থবিজ্ঞানীসকলে মূল্যবিচাৰৰ ওপৰত গুৰুত্ব দিয়া উচিত নহয়। তেওঁলোকে ভাবে যে উপযোগিতা বিষয়নিষ্ঠ হোৱা বাবে তুলনা কৰিব নোৱাৰি। সেয়েহে, আন্তঃব্যক্তিৰ উপযোগিতাৰ তুলনা বিজ্ঞান সন্মত নহয়। তদর্থতে অর্থনৈতিক অৱস্থাৰ বিশেষ সালসলনিৰ ফলস্বৰূপে সামাজিক কল্যাণ বাঢ়িছে নে কমিছে সেইটো নির্ণয় কৰিবৰ বাবে পেৰেটৱ'ৰ কাম্যতাৰ নীতিৰ ধাৰণাটো আহিছে। তথাপি পেৰেটৱ'ৰ কাম্যতাৰ নীতিয়ে তেনেকুৱা অর্থনৈতিক অৱস্থাৰ সালসলনিৰ বিষয়ে ধাৰণা দিব নোৱাৰে, যিয়ে কিছুমান ব্যক্তিৰ ভাল অৱস্থা অথবা উন্নতি কৰি

আন কিছুমানৰ অৱস্থা ক্ষতিকৰ কৰি তোলে। ইয়াৰ কাৰণ হ'ল এইবোৰ পৰিবৰ্তন আন্তঃব্যক্তিৰ উপযোগিতাৰ তুলনাৰ সৈতে জড়িত যিবোৰক পেৰেটো'ৱে তেওঁৰ তত্ত্বৰ অন্তর্ভুক্ত কৰা নাই। এনে পৰিস্থিতিত কল্যাণ বিচাৰ কৰিবলৈ কেলড'ৰ আৰু হিক্সে এক নতুন কল্যাণ নীতিৰ উত্থাপন কৰিছে যিটোক ক্ষতিপূৰণ নীতি (Compensation Principle) হিচাপে জনা যায়। তেওঁলোকৰ মতে, যেতিয়া উৎপাদন ব্যৱস্থাৰ কোনো পৰিবৰ্তনে কিছুমান মানুহৰ উন্নতি আনে আৰু আন কিছুমানক ক্ষতিসাধন কৰে আৰু যদি উপকৃত হোৱাকেইজনে ক্ষতি গ্রস্থ হোৱাবোৰক ক্ষতিপূৰণ দিয়াৰ পাছতো তেওঁলোকৰ অৱস্থা আগৰ তুলনাত উন্নত হৈয়ে থাকে, তেতিয়া উক্ত পৰিবৰ্তনে নিশ্চিতভাৱে সামাজিক কল্যাণ বৃদ্ধি কৰিব। নিক'লাচ কেলড'ৰ আৰু জে. আৰ. হিক্সে দাবী কৰি কৈছে যে তেওঁলোকৰ ক্ষতিপূৰণ নীতিটো আন্তঃ ব্যক্তিৰ উপযোগিতা তুলনা আৰু মূল্য বিচাৰৰ পৰা মুক্ত। তেওঁলোকৰ অৱদান নতুন কল্যাণ অর্থনীতিৰ ভেঁটি। টি. স্কিটভস্কি আৰু লিট'লেও নতুন কল্যাণ অর্থনীতিৰ দিশত তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াইছে যিটো মূল্য বিচাৰৰ পৰা মুক্ত। কিন্তু অধ্যাপক ব'মলে আঙুলিয়াই দিছে যে কেলড'ৰ আৰু স্কিটভস্কিৰ তত্ত্ব সমূহত অপ্রকাশ্য ভাবে মূল্য বিচাৰৰ ধাৰণাটো অন্তর্ভুক্ত হৈ আছে। উপকৃত হোৱা জনে লোকচান হোৱা জনক ক্ষতিপূৰণ দিয়াৰ ধাৰণটোতে প্রকৃততে মূল্য বিচাৰ সোমায়।

ইয়াৰ পাছতে বার্গছন আৰু ছেমুৱেলচনে সামাজিক কল্যাণ ফলনৰ উপস্থাপন কৰিছে, য'ত তেওঁলোকে মূল্য বিচাৰৰ ধাৰণাটো প্রকাশ্যে ব্যৱহাৰ কৰিছে আৰু এই সামাজিক কল্যাণ ফলনৰ সৈতে অর্থবিজ্ঞানীসকলে কিছুমান অর্থনৈতিক অৱস্থাৰ পুনৰ সংগঠন আৰু নীতি পৰিবর্তনৰ সামাজিক আৱশ্যকতা বিচাৰ কৰিব পাৰে। অর্থবিজ্ঞানী বার্গছনৰ মতে, এই মূল্যবিচাৰ সমূহ সমাজৰ যি সকল লোকৰ কল্যাণৰ বিষয়ে অধ্যয়ন কৰা হৈছে, তেওঁলোকৰ সমাজত প্রচলিত মূল্যবোধৰ লগত খাপ খোৱাকৈ নির্ণয় কৰিব লাগিব। বার্গছন ছেমুৱেলচনৰ সামাজিক কল্যাণ ফলন (Social Welfare Function) হ'ল সামাজিক কল্যাণৰ স্তৰবাচক সূচক আৰু সমাজৰ সকলো ব্যক্তিৰ উপযোগিতা ফলন। তথাপি এই ধাৰণাটো যথেষ্ট ব্যক্তিকেন্দ্রিক আৰু ইয়াৰ ব্যৱহাৰিক তাৎপর্য্য সীমাবদ্ধ বুলি সমালোচিত হৈছে। বার্গছনৰ অনুগামী ছেমুৱেলচন আৰু আই.এম.ডি. লিট'লৰ দৃষ্টিভংগী আছিল যে কল্যাণ অর্থবিজ্ঞান মূল্যবিচাৰৰ পৰা কেতিয়াও পৃথক কৰিব নোৱাৰি, কাৰণ সামাজিক কল্যাণৰ বৃদ্ধি অথবা হ্রাসৰ বিষয়ে আলোচিত যিকোনো কথাই অত্যাৱশ্যকীয় ভাবে মূল্য বিচাৰৰ লগত জড়িত হৈ থাকে। বার্গছনৰ সামাজিক কল্যাণ কার্য্যৰ সমর্থনত অধ্যাপক ব'মলৈ লিখিছে যে যদি বার্গছনৰ কাম্যতা শুদ্ধভাবে বিচাৰ হয়, তেনেহ'লে সামাজিক কল্যাণ জোখাৰ ক্ষেত্রত ই বৰ সহায়ক নহয়। B তকৈ A বেছি ভালনে জানিবলৈ অথবা সিদ্ধান্ত আগবঢ়াবলৈ আমি কিছুমান মূল্যবিচাৰৰ নিয়োগ কৰিবই লাগিব আৰু এই মূল্যবিচাৰবোৰ স্পষ্ট নহ'লে সকলোৱে তাক সন্দেহৰ দৃষ্টিৰে চাব। একেদৰে অধ্যাপক ব'ল্ডিঙৰ মতে, মূল্যবিচাৰৰ ক্ষেত্রত স্পষ্টতা বহুত প্রয়োজনীয়।

এইদৰে, বার্গছন, ছেমুৱেলচন, লিট'ল, ব'ল্ডিঙ আদি আধুনিক অর্থবিজ্ঞানীসকলৰ মতে, কল্যাণ অর্থবিজ্ঞানীৰ মূল্যবিচাৰৰ পৰা মুক্ত হ'ব নোৱাৰে। সচাঁ অর্থত ক'বলৈ হ'লে

সামাজিক কল্যাণ বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় পৰামৰ্শ, নীতি গঠনৰ বাবে ই কল্যাণ অৰ্থবিজ্ঞানৰ উত্তৰণ ঘটিছে। সেয়ে অৰ্থবিজ্ঞানীসকলে মূল্য বিচাৰক কল্যাণ অৰ্থবিজ্ঞানৰ পৰা বাদ দিব নোৱাৰে, যিহেতু বিষয়টো সমাজৰ সন্তুষ্টি আৰু সুখৰ লগত জড়িত। লিট'লৰ মতে, কল্যাণ অৰ্থবিজ্ঞান আৰু নীতিগত দিশটো অঙ্গাঙ্গী ভাৱে জড়িত হৈ আছে। গতিকে, কল্যাণ অৰ্থবিজ্ঞানক মূল্যবিচাৰৰ পৰা মুক্ত কৰিব বিচৰা মানে গাধোৱা পানীৰে সৈতে শিশুক পেলাই দিয়াৰ নিচিনা হ'ব।

অনুশীলনী ১৫.১



ক অংশৰ সৈতে খ অংশ মিলাওক

ক অংশ	খ অংশ
১. পেৰেটৰ কাম্যতা নীতি	ক. বাৰ্গছন — ছেমুৱেলছন
২. ক্ষতিপূৰণ নীতি	খ. ভি পেৰেটো
৩. নতুন কল্যাণ অৰ্থনীতি	গ. কে জে এৰ'
৪. সামাজিক কল্যাণ কাৰ্য্য	ঘ. স্কিটভস্কী
৫. অসম্ভাৱনাৰ তত্ত্ব	ঙ. কেলডৰ হিক্স



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কল্যাণ অৰ্থবিজ্ঞান হ'ল ——— অৰ্থবিজ্ঞান। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ২ ঃ মূল্য বিচাৰ বুলিলে কি বুজায়? (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৩ ঃ সমাজিক কল্যাণ হ'ল মুঠ ———————— কল্যাণ। (খালী ঠাই পূৰ কৰক)

১৫.৬ পিগুৰ উপযোগিতা বিশ্লেষণৰ ধাৰণা

এ চি পিগুক কল্যাণ অৰ্থবিজ্ঞানৰ প্ৰতিষ্ঠাতা হিচাপে বিবেচনা কৰা হয়। তেওঁ লিখা গ্ৰন্থ "Wealth and Welfare" আৰু "Economics of Welfare" গ্ৰন্থ দুখনত তেওঁ আলোচনা কৰিছে যে কল্যাণ হ'ল সচেতন জীৱনৰ প্ৰকাশ বা অৱস্থা। সেই কাৰণে যেতিয়া এজন ব্যক্তিৰ আশাবোৰ পূৰ হ'ব, তেতিয়া কল্যাণ সাধন হয়। সমাজ কল্যাণ (Social Welfare)ক সমাজৰ সকলো ব্যক্তিৰ মুঠ কল্যাণৰ সমষ্টি বুলি কোৱা হয়। পিগুৰ মতে, অৰ্থনৈতিক কল্যাণ (Economic Welfare) সাধাৰণ কল্যাণ (General Welfare)ৰ এটা অংশ যিটো প্ৰত্যক্ষ বা পৰোক্ষভাৱে মুদ্ৰাৰ জোখৰ মাধ্যমেৰে আহৰণ কৰিব পাৰি। পিগুৰ ভাষাত, অৰ্থনৈতিক কল্যাণে দ্ৰব্যসামগ্ৰীসমূহ ব্যৱহাৰৰ পৰা এজন ব্যক্তিয়ে পোৱা উপযোগিতাকে সূচায়, যিটো মুদ্ৰাৰ দ্বাৰা ক্ৰয়যোগ্য। পিগুৰ অৰ্থনৈতিক কল্যাণ ধাৰণাৰ চৰ্ত্তসমূহ তলত উল্লেখ কৰা হ'ল।

- পিগুৰ কল্যাণ ধাৰণাৰ প্ৰথম চৰ্ত্তটো হ'ল যে জনসাধাৰণৰ ৰুচি অভিৰুচি একে থকা অৱস্থাত ৰাষ্ট্ৰীয় আয় বৃদ্ধি পালে কল্যাণ সাধন হয়।

- দ্বিতীয় চর্তটো বিতৰণৰ লগত জড়িত। যদি ৰাষ্ট্ৰীয় আয় স্থিৰ হৈ থাকে তেনেহ'লে ধনী শ্ৰেণীৰ পৰা দুখীয়া শ্ৰেণীলৈ আয় হস্তান্তৰ হ'লে কল্যাণ সাধন হ'ব।

পিগুৰ মতে, বাহ্যিক অর্থনীতি (External Economies) বা অনাঅর্থনীতি (Diseconomies) বর্তি থকাৰ কাৰণে ব্যক্তিগত উৎপাদনবোৰ সামাজিক উৎপাদনৰ পৰা পৃথক হয়, যাৰ বাবে ব্যক্তিগত আৰু সামাজিক ব্যয় আৰু সুবিধাৰ মাজত ভিন্নতা আহি পৰে। বাহ্যিকতা হ'ল তৃতীয় পক্ষৰ ওপৰত পৰা উৎপাদন আৰু উপভোগৰ প্ৰভাৱ। যদি ইয়াৰ প্ৰভাৱ ধনাত্মক হয়, তেতিয়া ইয়াক ধনাত্মক বাহ্যিকতা আৰু যদি ঋণাত্মক হয় তেতিয়া ইয়াক ঋণাত্মক বাহ্যিকতা বোলা হয়। উদাহৰণস্বৰূপে, নির্দিষ্ট এটা অঞ্চলত এটা উৎপাদন প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ ঘটিলে উৎপাদনৰ উপাদান যেনে শ্ৰম, কেচাঁসামগ্ৰী ইত্যাদি অন্য প্ৰতিষ্ঠানবোৰৰ বাবেও নিম্ন দৰত সহজলভ্য হ'ব। ই হ'ল ধনাত্মক উৎপাদনৰ বাহ্যিকতা। এনে ক্ষেত্ৰত সামাজিক প্ৰান্তীয় সুবিধাবোৰ (Social Marginal Benefits) ব্যক্তিগত প্ৰান্তীয় সুবিধা (Private Marginal Benefits) তকৈ বেছি হয় আৰু ব্যক্তিগত ব্যয় (Private Cost) সামাজিক ব্যয় (Social Cost)তকৈ বেছি হয়। সম্প্ৰসাৰণৰ ফলত প্ৰতিষ্ঠানে ভৰিব লগা ব্যয় আৰু আন প্ৰতিষ্ঠানে পোৱা সুবিধাৰ বাবে প্ৰতিষ্ঠানখনে কোনো পাৰিশ্ৰমিক নাপায়। ঠিক তেনেদৰে, কোনো উদ্যোগৰ পৰা ওলোৱা ধোৱা ধূলিবোৰ ওচৰৰ বাবে প্ৰদূষণৰ কাৰণ। এইবোৰে অঞ্চলটোৰ চিকিৎসাৰ খৰছ বৃদ্ধি কৰে, যিটো ঋণাত্মক বাহ্যিকতাৰ উদাহৰণ। অধ্যাপক পিগুৱে এই অসুবিধা দূৰ কৰাৰ বাবে এটা কৰ আগবঢ়াইছে যাক পিগুভিয়ান (Pigovian Tax) কৰ বুলি জনা যায়। এনেকুৱা বাহ্যিকতাৰ সমস্যাবোৰ সমাধান কৰিবৰ বাবে ঋণাত্মক বাহ্যিকতা সৃষ্টি কৰা বজাৰৰ কার্য্যৰ ওপৰত এনে কৰ লাগু কৰা হয়। উদাহৰণস্বৰূপে, মাদক দ্ৰব্যৰ ওপৰত কৰ, প্ৰদূষণ বৃদ্ধি কৰাৰ বাবে আৰোপ কৰ ইত্যাদি।

অর্থনৈতিক কল্যাণৰ জোখৰ বাবে মুদ্ৰাৰ দৰে অস্থিৰ জোখ ব্যৱহাৰ কৰাৰ বাবে পিগুৰ তত্ত্বটো সমালোচিত হৈছে। এই তত্ত্ব মতে, মুদ্ৰাৰ প্ৰতি সকলো মানুহৰ প্ৰান্তিক উপযোগিতা একে, ধাৰণাটো বাস্তৱ সন্মত নহয়। পিগুৰ কল্যাণৰ তত্ত্ব উপযোগিতাৰ সাংখ্যিকীয় তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ লগতে আন্তঃব্যক্তিৰ উপযোগিতা তুলনাৰ লগত জড়িত, যাক বিজ্ঞান সন্মত বুলি ক'ব নোৱাৰি। তদুপৰি অ'ড'নেলে পিগুৰ তত্ত্বটি মৌলিকতা আৰু বিশ্লেষণৰ অভাৱ বুলি সমালোচনা কৰিছে।

১৫.৭ পেৰেট'ৰ কল্যাণ অর্থনীতিৰ কাম্যতম অৱস্থা

কল্যাণ অর্থবিজ্ঞানলৈ আগবঢ়োৱা বৰঙণিৰ ভিতৰত পেৰেটৰ কাম্যতম নীতি (Pareto Optimality Criterion) হ'ল অন্যতম। এই নীতিটো আগবঢ়াইছে বিখ্যাত ইটালিয়ান অর্থবিজ্ঞানী ডিলফ্ৰেডো (Pareto) পেৰেট'ই (1848-1923), যাক আধুনিক কল্যাণ অর্থবিজ্ঞানৰ জনক বুলি কোৱা হয়। তেওঁৰ এই নীতিটো মূল্যবিচাৰ আৰু আন্তঃব্যক্তিৰ উপযোগিতাৰ তুলনাৰ পৰা মুক্ত আৰু ক্ৰমিক (Ordinal) উপযোগিতা বিশ্লেষণৰ ওপৰত স্থাপিত। এই নীতি মতে, ৰাষ্ট্ৰীয়

আয়ৰ বিতৰণ ব্যৱস্থা অপৰিবর্তিত থকা অৱস্থাত, কোনো উৎপাদন আৰু বিনিময় ব্যৱস্থাৰ পুনৰ সংগঠনে যদি কোনো ব্যক্তিৰে ক্ষতিসাধন নকৰাকৈ অন্ততঃ এজন ব্যক্তিৰ অৱস্থাৰ উন্নতি ঘটায়, তেতিয়া উক্ত পুনৰ সংগঠন ব্যৱস্থা নিশ্চিতভাৱে কল্যাণ বৃদ্ধিকাৰক। বিপৰীতভাৱে, এনে পুনৰ সংগঠনৰ দ্বাৰা যদি আন কোনো ব্যক্তি অৱস্থাৰ উন্নতি নঘটোৱাকৈ অন্ততঃ এজন ব্যক্তিৰ ক্ষতিসাধন কৰে, তেন্তে সমাজিক কল্যাণ হ্রাস হ'ব।

পেৰেটৰ কাম্যতম নীতি অনুসৰি, যিকোনো অর্থনৈতিক ব্যৱস্থাৰ পুনৰ সংগঠনে এজনৰ ক্ষতিসাধন নকৰাকৈ অন্যজনৰ উন্নতি ঘটোৱাটো অসম্ভৱ। সেয়েহে, এতিয়া সমস্যা হ'ল— কেনেদৰে পেৰেটৰ কাম্য অৱস্থা আহৰণ কৰিব পাৰি। ইয়াৰ বাবে তিনিটা প্রান্তীয় দিশ বা চর্ত পূৰণ হ'ব লাগিব।

- উপভোক্তাসকলৰ মাজত উৎপাদনৰ কাম্যতম বিতৰণ বা বিতৰণৰ দক্ষতা।
- উৎপাদনৰ দক্ষতা বা উৎপাদনকাৰীৰ মাজৰ উপাদানসমূহৰ বিতৰণ দক্ষতা।
- দ্রব্যসামগ্রীৰ মাজত উপাদানসমূহৰ কাম্যতম বিতৰণ।

১৫.৭.১ উপভোক্তাসকলৰ মাজত উৎপাদনৰ কাম্যতম বিতৰণ বা বিতৰণৰ দক্ষতা

বিতৰণৰ দক্ষতা বুলিলে সমাজৰ উপভোক্তাসকলৰ মাজত উৎপাদনৰ কাম্যতম বিতৰণ এনেকুৱা হ'ব লাগে যাতে কোনো এজন ব্যক্তিৰে ক্ষতিসাধন নোহোৱাকৈ কিছুমান ব্যক্তিৰ উন্নতিসাধন হোৱাটো সম্ভৱ নহয়। উদাহৰণস্বৰূপে, দুটা সামগ্রী ধৰা হওক x আৰু y ৰ দুজন উপভোক্তা A আৰু B ৰ মাজত বিতৰণ কাম্যতম হ'ব যদিহে এজন ব্যক্তিৰ উপযোগিতা বৃদ্ধিৰ বাবে আনজনৰ ব্যক্তিৰ উপযোগিতা হ্রাস নকৰাকৈ দ্রব্যসমূহৰ পুনৰ বিতৰণ কৰাটো অসম্ভৱ হয়।

এই অৱস্থাটোত উপনীত হোৱা যায়, যেতিয়া $MRS^{A}xy = MRS^{B}xy$

সেয়েহে, আমি ক'ব পাৰোঁ যে পেৰেট' নীতিৰ বাবে প্রান্তিক অৱস্থা বা দ্রব্যসামগ্রীৰ কাম্যতম বিতৰণৰ বাবে সকলো উপভোক্তাৰ বাবে দুটা দ্রব্যৰ মাজত MRS সমান হ'ব লাগে।

জনা উচিত



প্রতিকল্পনৰ প্রান্তিক হাৰ (Marginal rate of substitution : MRS) ঃ প্রতিকল্পনৰ প্রান্তিক হাৰ হ'ল x আৰু y দুটা দ্রব্যৰ মাজৰ সাল-সলনিৰ হাৰ, য'ত এজন উপভোক্তাই x ৰ এটা অতিৰিক্ত এককৰ বাবে y একক সমূহ ত্যাগ কৰিও সমান পৰিমাণৰ উপযোগিতা লাভ কৰে।

১৫.৭.২ উৎপাদনৰ কার্যকাৰিতা বা উৎপাদনকাৰীৰ মাজত উপাদানসমূহৰ বিতৰণ কার্য্যকাৰিতা

পেৰেটৰ মতে কাম্যতম বিতৰণৰ কাৰণে দ্বিতীয় অৱস্থাটো হৈছে যে বিভিন্ন দ্রব্যৰ উৎপাদনৰ ক্ষেত্রত থকা উৎপাদনৰ উপাদানবোৰ সমাজখনে এনেদৰে ব্যৱহাৰ

কৰা উচিত যাতে এটা দ্ৰব্যৰ উৎপাদন বৃদ্ধি কৰিবৰ বাবে আন এটা দ্ৰব্যৰ উৎপাদন হ্ৰাস কৰিবই লাগিব। দুয়োটা দ্ৰব্যৰ উৎপাদন বৃদ্ধি কোনো অৰ্থনৈতিক পুনৰ সংগঠনৰ দ্বাৰা সম্ভৱ নহয়। দুটা উপাদানৰ মাজৰ প্ৰান্তীয় কাৰিকৰী প্ৰতিকল্পনৰ হাৰ দুটা প্ৰতিষ্ঠানৰ দ্ৰব্যৰ ক্ষেত্ৰত একে হ'ব লাগিব। এই চৰ্ত পূৰণে দ্ৰব্যৰ মাজৰ উৎপাদনৰ পৰিমাণৰ কাম্য বিতৰণ বৃদ্ধি কৰি তোলে।

অৰ্থাৎ, $\text{i.e.,} = \text{MRTS}^{x}_{LK} = \text{MRTS}^{y}_{LK}$

সেয়েহে, পেৰেটৰ দ্বিতীয় চৰ্ত পূৰণৰ বাবে বিভিন্ন প্ৰতিষ্ঠানৰ দ্বাৰা উৎপাদন কৰা সকলো দ্ৰব্যসামগ্ৰীৰ ব্যৱহাৰৰ বাবে মূলধন আৰু শ্ৰমৰ প্ৰান্তীয় কাৰিকৰী প্ৰতিকল্পন হাৰ সমান (MRT_s) হ'ব লাগিব।

জনা উচিত



কাৰিকৰী প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ (Marginal rate of Technical Substitution) **:** কাৰিকৰী প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ (MRTS) মানে হ'ল— যি হাৰত এজন উৎপাদনকাৰীয়ে এটা অতিৰিক্ত শ্ৰমৰ এককৰ বাবে মূলধনৰ একক সমূহ ত্যাগ কৰিবলৈ সাজু আৰু মুঠ উৎপাদনৰ পৰিমাণ একে থাকে তাকে কাৰিকৰী প্ৰতিকল্পনৰ প্ৰান্তিয় হাৰ বোলে। সমউৎপাদন (Isoquant)ৰেখাৰ ঢালেই হ'ল কাৰিকৰী প্ৰতিকল্পনৰ প্ৰান্তিয় হাৰ।

১৫.৭.৩ দ্ৰব্য সামগ্ৰীৰ মাজত উপাদানসমূহৰ কাম্যতম বিতৰণ

সামাজিক কল্যাণ বৃদ্ধিৰ বাবে তৃতীয় সম্ভাৱনা পূৰ্ণ পথ হ'ল দ্ৰব্যৰ সংমিশ্ৰণ (Product Mix) ৰ পৰিবৰ্তন। পেৰেটৰ কাম্যতম নীতিৰ বাবে তৃতীয়টো অৱস্থাৰ বৰ্ণনাৰ বাবে আমি উৎপাদনৰ সম্ভাৱনীয়তা ৰেখা ব্যৱহাৰ কৰিব পাৰোঁ। উৎপাদন সম্ভাৱনীয়তা ৰেখা (Production Possibility Curve : PPC)ৰ ঢাল হ'ল সামগ্ৰী বদলিকৰণৰ প্ৰান্তিক হাৰ (Marginal rate of product transformation : MRPT) এ MRPT_{xy} দেখুৱায় —Y ৰ কিমান পৰিমাণ X ৰ অতিৰিক্ত এক একক লাভ কৰাৰ বাবে ত্যাগ কৰিব লাগে। আন কথাত, MRPT হ'ল সেই হাৰ, যি হাৰত আমি বিভিন্ন সামগ্ৰী এটা আনটোৰ লগত সাল-সলনি কৰিব পাৰোঁ। পেৰেটৰ কাম্যতম অৱস্থাত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় চৰ্তটো হ'ল — দুটা দ্ৰব্যৰ মাজত প্ৰতিকল্পনৰ হাৰ আৰু দ্ৰব্য দুটাৰ মাজত MRPT একে সমান।

$$\text{MRPT}_{xy} = \text{MRS}^{A}_{xy} = \text{MRS}^{B}_{xy}$$

যেতিয়া অৰ্থনৈতিক নীতি পৰিবৰ্তনে কিছু সংখ্যক লোকৰ উন্নতি ঘটায় আৰু আন কিছুমানৰ অবনতি ঘটায় এনেকুৱা পৰিস্থিতিত সামাজিক কল্যাণ বৃদ্ধি হয়

নে নহয় সেইটো পেৰেটৰ নীতিয়ে বিচাৰ কৰিব নোৱাৰে। অর্থাৎ, তেনে পৰিস্থিতিত সামাজিক কল্যাণ বৃদ্ধি নে নাই, সেই সম্পর্কত পেৰেটৰ বিশ্লেষণ নিমাত। পেৰেটৰ বিশ্লেষণ স্থিতিশীল (Static) বুলিও সমালোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বাহ্যিকতা কি? (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৫ ঃ বিতৰণৰ দক্ষতা কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....



১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কল্যাণৰ অর্থ হ'ল সাধাৰণ মংগল, আনন্দ আৰু সমাজ বা ব্যক্তিৰ সন্তুষ্টিৰ পৰিমাণ।
- কল্যাণৰ অর্থনীতি হ'ল এক ঔচিত্যবোধৰ অর্থনীতি।
- ব্যক্তি সমূহৰ সর্বমুঠ কল্যাণেই হৈছে সামাজিক কল্যাণ।
- কল্যাণ অর্থনীতিত মূল্য বিচাৰৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে আৰু মূল্য বিচাৰ আৰু কল্যাণ অর্থনীতি অবিভেদীকৃত।
- পিগুৰ কল্যাণ অর্থনীতিয়ে উৎপাদন আৰু বিতৰণ দুয়োটা স্থিতি আলোচনা কৰে, লগতে অর্থনৈতিক কল্যাণ ভৌতিক দিশৰ পৰা চায়।
- পেৰেটৰ কল্যাণ অর্থনীতি আন্তঃব্যক্তি উপযোগিতাৰ তুলনা আৰু মূল্যবিচাৰৰ পৰা মুক্ত আৰু সুস্থিৰতা ধাৰণাটো সংযুক্ত হৈ আছে।
- পেৰেটৰ কাম্যতম অৱস্থা হল এনে পৰিস্থিতি য'ত কোনো ব্যক্তিৰ ক্ষতিসাধান নকৰি এজনৰ উন্নতি সাধন কৰাটো অসম্ভৱ। পেৰেটৰ কাম্যতম অৱস্থাৰ বাবে তিনিটা চর্ত পূৰ হোৱাৰ দৰকাৰ।



১৫.৯ অধিক জানিবৰ বাবে

1) Ahuja, H. L. (2006). *Modern Economics.* New Delhi: S. Chand & Co.

2) Koutsoyiannis, A. (1979). *Modern Microeconomics*. New Delhi: Macmillan India.

অসমীয়া গ্ৰন্থ ঃ

১) আলম খুৰছেদ আৰু অন্যান্য (২০০৪) ; স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান; গুৱাহাটী) ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ।

২) গোস্বামী, অতুল (২০০৫) ঃ স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব) ; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্প'ৰিয়াম।



১৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ঔচিত্যবোধৰ অর্থনীতি।

২ নং প্রশ্নৰ উত্তৰঃ মূল্য বিচাৰ বুলি ক'লে আমি বুজোঁ যে কোনটো ভাল আৰু বেয়া সম্পর্কত মানুহৰ ধাৰণা।

৩ নং প্রশ্নৰ উত্তৰঃ ব্যক্তিগত কল্যাণ।

৪ নং প্রশ্নৰ উত্তৰঃ বাহ্যিকতা হ'ল তৃতীয় দলৰ ওপৰত উৎপাদন আৰু বিতৰণৰ দীঘলীয়া প্রভাৱ।

৫ নং প্রশ্নৰ উত্তৰঃ বিতৰণৰ দক্ষতা হ'ল সমাজত থকা ব্যক্তিৰ মাজত দ্রব্য সামগ্রীৰ বিতৰণ এনেধৰণৰ হোৱা উচিত যে কোনো ব্যক্তিক ক্ষতিসাধন নকৰাকৈ আন ব্যক্তিক উন্নতি সাধন কৰাটো সম্ভৱ নহয়।



১৫.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং ১ঃ শুদ্ধ /অশুদ্ধ নির্ধাৰণ কৰক।

(ক) কল্যাণ অর্থনীতি হ'ল ধনাত্মক অর্থনীতি।

(খ) সামাজিক কল্যাণ ব্যক্তিগত কল্যাণৰ পৰা নির্ণয় কৰিব পাৰি।

(গ) পিগুৰ কল্যাণ অর্থনীতি মূল্যবিচাৰৰ পৰা মুক্ত।

প্রশ্ন নং ২ঃ খালী ঠাই পূৰ কৰক।

(ক) পিগুৰ কৰ বজাৰ অর্থনীতিৰ বাবে ব্যৱহাৰ হয় যিয়ে সৃষ্টি কৰে ———— বাহ্যিকতা।

(খ) পেৰেটৱ কাম্যতম নীতি ———— ৰ পৰা মুক্ত।

(গ) বার্গছন আৰু ছেমুয়েলচনৰ সামাজিক কল্যাণত ———— স্পষ্টভাৱে ব্যৱহাৰ কৰা হৈছে।

প্রশ্ন নং ৩ ঃ ব্যক্তিগত কল্যাণৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ৪ ঃ সামাজিক কল্যাণ কি?

প্রশ্ন নং ৫ ঃ পেৰেটৱ কাম্যতম অৱস্থা কি?

(খ) চুটি প্রশ্ন (১০০-১৫০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ঃ কল্যাণ অর্থনীতিৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ২ঃ বাহ্যিকতা মানে কি ? ধনাত্মক আৰু ঋণাত্মক বাহ্যিকতাৰ উদাহৰণ দিয়ক।

প্রশ্ন নং ৩ঃ পিগুৰ কৰ কি? উদাহৰণ দিয়ক।

প্রশ্ন নং ৪ঃ পিগুৰ কল্যাণ বিশ্লেষণৰ দুটা চর্ত আলোচনা কৰক।

প্রশ্ন নং ৫ঃ পেৰেটৱ কাম্যতম অৱস্থাৰ তিনিটা চর্ত বা অৱস্থা লিখক।

(গ) দীঘল প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ঃ কল্যাণ অর্থনীতিত মূল্যবিচাৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ঃ পিগুৰ কল্যাণৰ ধাৰণাৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন নং ৩ঃ পেৰেটৱ কাম্যতম অৱস্থাৰ চর্তসমূহ আলোচনা কৰক।

প্রশ্ন নং ৪ঃ সামাজিক আৰু ব্যক্তিগত কল্যাণৰ বিষয়ে আলোচনা কৰক।

———————
———————————————
———————



REFERENCES (For All Units of the Course)

- Ajuja, H.L. (2007). *Macroeconomics: Theory and Policy*. New Delhi: S.Chand & Co.
- Ahuja, H. L. (2006). *Modern Economics.* New Delhi: S. Chand & Co.
- Chopra, P.N.(2008). *Micro Economics*. Ludhiana: Kalyani Publishers.
- Dewett, K.K. (2005). *Modern Economic Theory*. New Delhi: S.Chand & Co.
- Dillard, D. (2005). *The Economics of John Maynard Keynes*: *The Theory of a Monetary Economy.* USA: Kessinger Publishing, LLC.
- Diulio, E. A.(1983). *Theory and Problems of Macroeconomic Theory*. Singapore: Schaum's Outline Series, McGraw-Hill Book Company.
- Jhingan, M. L. (2014). *Advanced Economic Theory. New Delhi:* Vikash Publishing House.
- Koutsoyiannis, A. (1979). *Modern Microeconomics*. New Delhi: Macmillan India.
- Maddala,G.S. and Miller, E. (2004). *Microeconomic – Theory and Applications.* New Delhi: Tata Mc-Graw Hill.
- Pindyck, R.S. and Rubinfeld, D. L. (2006). *Microeconomics*. New Delhi: Prentice-Hall India.
- Rana, K.C. & Verma, K.N. (2009). *Macroeconomic Analysis*. Jalandhar: Vishal Publications.
- Shapiro, E. (2013). *Macroeconomic Analysis*. New Delhi: Galgotia Publications Pvt. Ltd..
- Sundharam, K.P.M. & Vaish, M.C. (1997). *Microeconomic Theory*. New Delhi: S. Chand & Co.

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মনিৰুল আৰু শর্মা, ড° অর্চনা. (২০০৪). *স্নাতক মহলাৰ অর্থতত্ব ঃ ব্যষ্টিগত অর্থবিজ্ঞান,* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ, ।

২) আহমেদ, ৰফিক. (২০০৯). *সমষ্টিগত অর্থতত্ব,* যোৰহাট ঃ ইউনিকা প্রকাশন.

৩) গোস্বামী, ড° অতুল. (২০০৫). *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ব ঃ ব্যষ্টিগত অর্থনৈতিক* তত্ব, ডিব্রুগড় ঃ ষ্টুডেণ্টচ্ এম্পা'ৰিয়াম.

৪) বৰুৱা, মিনতি গগৈ; ভৰালী, ৰঞ্জু; হাজৰিকা, বিদিশা মহন্ত আৰু নেওগ, ব্রজেন চন্দ্র, *সমষ্টিগত অর্থনৈতিক* তত্ব, ডিব্রুগড় ঃ বনলতা।

৫) হুদা, ড° মনিৰুল. (২০০৭). *অর্থনীতি তত্ব ঃ ব্যষ্টিগত অর্থনৈতিক* তত্ব, ডিব্রুগড় ঃ বনলতা.